# প্ৰতিচ্ছন্দা

## হীৰক জয়ন্তী

১৯৫৮-২০১৮

**আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ স্মৰণিকা**



সম্পাদক

**পাৰ্থপ্ৰতিম ভৰালী**



সত্যমেব জয়তে

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

ভৈয়াম জনজাতি আৰু
পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগ

# অনুসূচীত জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে কল্যাণ[illegible]

অসম চৰকাৰৰ ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগে ২০১৮ [illegible]
লোকসেৱা আয়োগ আৰু ভাৰতীয় লোকসেৱা আয়োগৰ চূড়ান্ত পৰীক্ষাত [illegible]
অনুসূচীত জনজাতিৰ ছাত্ৰ-ছাত্ৰী সকলৰ পৰা বিত্তীয় সাহায্যৰ বাবে আবেদন [illegible]

## অৰ্হতা

- ছাত্ৰ-ছাত্ৰী সকল অসমৰ অনুসূচীত জনজাতিৰ হোৱাটো প্ৰয়োজ[illegible]
- ২০১৮ - ১৯ বৰ্ষৰ বাচনি পৰীক্ষাত উত্তীৰ্ণ হোৱাটো প্ৰয়োজনীয়।

সকলো প্ৰয়োজনীয় নথি-পত্ৰ নিৰ্দিষ্ট আবেদন পত্ৰৰ সৈতে দাখিল কৰাটো প্ৰয়োজনীয়। আবেদন পত্ৰ উপলব্ধ এই ঠিকনাত - ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ সঞ্চালকালয়, ছাত্ৰীনিবাস পথ, ৰুক্মিনী নগৰ, দিছপুৰৰ লাষ্ট গেট, গুৱাহাটী - ৬

**আৰ্থিক অনুদান ঃ ৫০,০০০ টকালৈ**

আবেদন পত্ৰ দাখিলৰ অন্তিম তাৰিখ ঃ ৩০ অক্টোবৰ

অধিক তথ্য উপলব্ধ : wptbc.assam.gov.in ত

তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ দ্বাৰা প্ৰচাৰিত

পঞ্জীয়ন কৰক :
assam.mygov.in | /mygovassam

JANASANYOG 586/18

আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ হীৰক জয়ন্তীৰ লগত সংগতি ৰাখি
প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা প্ৰকাশিত

স্মৃতিগ্ৰন্থ

# প্ৰতিচ্ছন্দা

স্থান ঃ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়
গুৱাহাটী - ৭৮১০১৬
তাৰিখ ঃ ইংৰাজী ২১, ২২, আৰু ২৩ চেপ্তেম্বৰ, ২০১৮ চন

*প্ৰীতি আৰু শুভেচ্ছাৰে—*
*প্ৰতি*
*মাননীয়/মাননীয়া ................................................................................*
*........................................................... লৈ আন্তৰিক শ্ৰদ্ধাৰে আগবঢ়ালো।*

সম্পাদক
পাৰ্থ প্ৰতিম ভৰালী

*A Souvenior of Aryan Alumni Association, Guwahati published on occasion of* ***Dimond Jubilee of Arya Vidyapeeth College*** *held on 21, 22 and 23rd September, 2018. Edited by* ***Partha Pratim Bharali****.*

---

স্মৃতিগ্ৰন্থ

# প্ৰতিচ্ছন্দা



## সম্পাদনা সমিতি

উপদেষ্টা : ড° বিৰিঞ্চি কুমাৰ মেধি

সম্পাদক : পাৰ্থ প্ৰতিম ভৰালী

সদস্য : ড° মহেন্দ্ৰ গগৈ
জ্যোৰ্তিময় শৰ্মা
ফৰিদ আহমেদ

প্ৰকাশক : এৰিয়ান এলুম্‌নাই এছ'চিয়েচন

প্ৰকাশ : ২২ চেপ্তেম্বৰ, ২০১৮

বেটুপাত : প্ৰদীপ নাথ

অংগসজ্জা : প্ৰদীপ নাথ

মুদ্ৰক : পেচিফিক্ লেজাৰ প্ৰিণ্টচ্
গণেশগুৰি, গুৱাহাটী - ৭৮১০০৬

# উচৰ্গা

সমূহ
ন-পুৰণি এৰিয়াণৰ হাতত

স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি
এৰিয়ান এলুম্‌নাই এছ'চিয়েচন
গুৱাহাটী-৭৮১০১৬

# শ্ৰদ্ধাঞ্জলী



বিগত

৬০ বছৰত আমাৰ

মাজৰ পৰা হেৰাই যোৱা

প্ৰতিভাৰাজী এৰিয়াণৰ স্মৃতিত

শ্ৰদ্ধাঞ্জলী যাচিলোঁ।

স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি
এৰিয়ান এলুম্‌নাই এছ'চিয়েচন
গুৱাহাটী-৭৮১০১৬

# আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ সঙ্গীত

ড° বিৰিঞ্চি কুমাৰ মেধি
প্ৰাক্তন অধ্যাপক

জ্ঞান প্ৰদীপৰ শিখাত কঁপিছে
মহাসাধনাৰ গীত
প্ৰজ্ঞা, ধৃতিৰ ভেটিত জিলিকে
আৰ্য বিদ্যাপীঠ

হৃদয়ৰ আশা বিকশিত কৰি
ঢালেযে সঞ্জীৱনী
শতেক শিৰত পিন্ধাই দিয়ে
জ্ঞানৰ বিমল মণি
আকাশ বতাহ বিয়পি সকল
স্বপ্নৰ শুনো গীত।

অমোঘ নিবিড় ৰাতিৰ বুকুত
স্বপ্ন মদিৰ অলেখ চকুত
জ্যোতিধাৰা বাকি জ্বলিল প্ৰদীপ
নিগৰিল নৱনীত।

সুপ্তবীজৰে তন্দ্ৰা ভাঙিল
হ'লযে অংকুৰণ
পুষ্প-পত্ৰে শোভিত তৰুৱে
ধিয়ালে নীল গগণ
ধ্যান-ধাৰণাৰ জ্ঞান-গৰিমাৰ
শুনো সুধাময় গীত।

RAJ BHAVAN
GUWAHATI

**Prof. Jagdish Mukhi**



## MESSAGE

I am glad to know that on the occasion of Diamond Jubilee Year of Arya Vidyapeeth College, its Alumni Association is publishing a souvenir christened **'Pratichhanda'**. My heartiest congratulations to the past and present students of Arya Vidyapeeth College on this occasion.

The greatness of an educational institution is always known by its alumni. Positions held and the quality of activities rendered by the alumni always determine the means of the institution. I am sure the Arya Alumni Association is a reflection of Arya Vidyapeeth College and the intellectual vibes the college has created all around.

I convey my best wishes to the editorial team of the souvenir all success in its endeavour. I hope the souvenir is well read and appreciated.

**(Prof.Jagdish Mukhi)**
**Governor of Assam**

**Dated: September 12, 2018**

সৰ্বানন্দ সোণোৱাল



সত্যমেব জয়তে

মুখ্যমন্ত্ৰী, অসম
গুৱাহাটী

দিছপুৰ
১৩-০৯-২০১৮

## শুভেচ্ছাবাণী

আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উৎসৱৰ লগত সংগতি ৰাখি প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা স্মৰণিকা এখন প্ৰকাশৰ দিহা কৰা বুলি জানিবলৈ পাই মই নথৈ আনন্দিত হৈছো।

শিক্ষা হৈছে এখন সমাজ তথা দেশৰ উন্নয়নৰ মূল আধাৰ। সুস্থ শৈক্ষিক পৰিৱেশ সৃষ্টিৰ জৰিয়তে নতুন প্ৰজন্মক আগুৱাই নিয়াটো আমাৰ সকলোৰে এক সামাজিক দায়িত্ব। গুণগত শিক্ষা অবিহনে গতিশীল শিক্ষা ব্যৱস্থা এটা গঢ়া সম্ভৱ নহয়। সেইবাবে উপযুক্ত শৈক্ষিক বাতাৱৰণ গঢ়ি তোলাৰ ক্ষেত্ৰত শিক্ষক সকলৰ লগতে প্ৰাক্তন ছাত্ৰৰ বিশেষ ভূমিকা আছে। বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠিত হোৱা প্ৰাক্তন ছাত্ৰ সকলে তেওঁলোকৰ নিজস্ব অভিজ্ঞতা ব্যক্ত কৰিলে অধ্যয়নৰত বিদ্যাৰ্থীসকলৰ মানসিক দিগন্ত প্ৰসাৰিত হোৱাৰ উপৰি সঠিক দিশেৰে আগুৱাই যোৱাৰ বাবে প্ৰেৰণা লাভ কৰিব। আশা কৰোঁ, মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে শিক্ষানুষ্ঠানখনৰ ঐতিহ্যৰ বিভিন্ন দিশ আলোকপাত কৰাৰ সুযোগ লাভ কৰাৰ জৰিয়তে মহাবিদ্যালয়খনৰ নতুন প্ৰজন্মক বলিষ্ঠ ৰূপত আগুৱাই নিয়াৰ ক্ষেত্ৰত এক সুস্থ পৰিৱেশ নিৰ্মাণ হ'ব। তদুপৰি এই অনুষ্ঠানে প্ৰাক্তন ছাত্ৰ সকলক মত-বিনিময়ৰ সুযোগ প্ৰদান কৰাৰ জৰিয়তে মহাবিদ্যালয়খনৰ বিদ্যায়তনিক দিশতো ইতিবাচক প্ৰভাৱ পেলাব বুলি আশা কৰিলোঁ।

মই আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা প্ৰকাশ পাবলগীয়া স্মৰণিকাখন সৰ্বাংগসুন্দৰ হোৱাৰ কামনা কৰিলোঁ।

(সৰ্বানন্দ সোণোৱাল)

*Shri Debabrata Saikia*
Leader of the Opposition
Assam Legislative Assembly
Dispur, Guwahati-781006.

सत्यमेव जयते

Phone/Fax : +91-361-2261703 (O)
Mobile : +91 94351-00097
e-mail : jintusaikia64@gmail.com



# Message

I am extremely happy to know that a three-day programme commencing from 21st September, 2018 is being organized to round off the year-long Diamond Jubilee celebrations of Arya Vidyapeeth College. For six decades this institution of higher learning has, along Arya Pathsala and Arya Vidyapeeth HS & MP School, played a stellar role in furthering the cause of education in Assam in general and the Kamrup District in particular.

I wish the event every success and hope that Arya Vidyapeeth College grows from strength to strength in the time to come.

(DEBABRATA SAIKIA)

**ড° প্ৰদীপ কুমাৰ ভট্টাচাৰ্য**
অধ্যক্ষ, আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়
গুৱাহাটী - ১৬, অসম

# শুভেচ্ছাবাণী

*জয় জয়তে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ৬০ বছৰ পূৰ্ণ হোৱা উপলক্ষে সকলোলৈকে হীৰক জয়ন্তী বৰ্ষৰ শুভেচ্ছা জনাইছোঁ। ১৯৫৮ চনৰ ২৯ জুলাই তাৰিখে গুৱাহাটীৰ এসময়ৰ চেৰাপভাটী অঞ্চলৰ পণ্ডিত গিৰিধৰ শৰ্মাদেৱৰ নেতৃত্বত জ্ঞানৰ প্ৰসাৰৰ বাবে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা হৈছিল। আমি আজি হীৰক জয়ন্তী বৰ্ষৰ আনন্দদায়ক মুহূৰ্তত আৰ্য্যপিতা গিৰিধৰ শৰ্মাদেৱক কৃতজ্ঞতাৰে স্মৰণ কৰিছোঁ। প্ৰতিষ্ঠা কালৰে পৰা বৰ্তমানলৈকে অঞ্চলটোৰ লগতে সমগ্ৰ দেশৰে অলেখ বিদ্যাৰ্থীয়ে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি দেশৰ তথা বিদেশৰো বিভিন্ন প্ৰান্তত সুখ্যাতিৰে কৰ্ম সম্পাদন কৰি আছে, কেৱল আনুষ্ঠানিক শিক্ষাৰ লগতে আৰ্য্য বিদ্যাপীঠ সীমাবদ্ধ হৈ থকা নাই। মানৱ জীৱনৰ অতন্যতম প্ৰয়োজনীয় সুকুমাৰ কলাৰ বিকাশৰ ক্ষেত্ৰতো আৰ্য্য বিদ্যাপীঠৰ প্ৰচুৰ বৰঙণি আছে। সাহিত্য, চিত্ৰকলা, সংগীত, নৃত্য বাদ্য, খেলা-ধূলা সকলো দিশতে আৰ্য্য বিদ্যাপীঠৰ খ্যাতি আছে। সাহিত্যৰ ক্ষেত্ৰত প্ৰতিষ্ঠাপক অধ্যক্ষ গিৰিধৰ শৰ্মা, নলিনীধৰ ভট্টাচাৰ্য, দুৰ্গেশ্বৰ শৰ্মা, নীলমণি ফুকন, উদয় দত্ত, শিৱনাথ বৰ্মন, জয়কান্ত শৰ্মা, ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য সৰ্বজন পৰিচিত। সাহিত্য চৰ্চা আৰ্য্য বিদ্যাপীঠৰ এক পৰম্পৰা। এই পৰম্পৰা অক্ষুণ্ণ ৰাখি মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষটি স্মৰণীয় কৰিবৰ বাবে এক গল্প সংকলন প্ৰকাশৰ বাবে এক উদ্যোগ লোৱা হৈছে। আমাৰ "এৰিয়ানৰ গল্প" শীৰ্ষক এই সংকলনটি অসমীয়া সাহিত্যৰ ইতিহাসত এক বিশিষ্ট মাইলৰ খুটি হৈ ৰ'ব।*



# সম্পাদকীয়

সম্পাদকীয় লিখিবলৈ হাতত কলম লৈ টেবুলত বহাৰ লগে লগে মনলৈ আহিলে বহুতো কথা। আৰ্য্য বিদ্যাপীঠ কলেজত এৰি অহা দিনবোৰৰ বিভিন্ন মুহূৰ্ত ভাহি আহিছে মোৰ মনলৈ। লিখিবলৈ বহুতো কথাই মোৰ মনত পঞ্জীভূত হৈ আছে। সকলো কথা লিখিবলৈ হলে মোক কেবাটাও পৃষ্ঠাৰ প্ৰয়োজন হ'ব। কিন্তু সেয়া জানো সম্ভৱ হ'ব? নিশ্চয় নহয়। আৰ্য্য বিদ্যাপীঠ কলেজৰ কথা লিখিবলৈ হ'লে প্ৰথমেই নাম ল'ব লাগিব গিৰিধৰ শৰ্মা ছাৰৰ। নহ'লে যেন কথাবোৰ আধৰুৱা হৈ ৰ'ব। অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ এখন আগশাৰীৰ মহাবিদ্যালয় আৰ্য্য বিদ্যাপীঠে আজিৰ এই অৱস্থা পাওঁতে কেবাটাও স্তৰৰ মাজেৰে পাৰ হৈছিল। গিৰিধৰ শৰ্মা ছাৰে অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিছিল মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰোঁতে। বিভিন্ন বাধা-বিঘিনী আৰু অসুবিধাৰ সন্মুখীন হৈছিল। ছাৰে কিন্তু অত্যন্ত সাহসেৰে সকলোৰে মুখামুখি হৈছিল। ইতিমধ্যে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা দুখন সভাত বহুতো ছাত্ৰই ছাৰক লগ পোৱা দিনবোৰৰ স্মৃতি ৰোমন্থন কৰিছে। তেওঁলোকে ছাৰৰ সান্নিধ্যত কটোৱা দিনবোৰৰ কথা জীৱনত কোনোদিনেই পাহৰিব নোৱাৰে। হীৰক জয়ন্তীৰ এই সময়ছোৱাত সকলোবোৰ কথাই মনলৈ পুনৰ ভুমুকি মাৰিছে। এজন প্ৰশাসক হিচাপে, এজন অধ্যক্ষ হিচাপে ছাৰ বৰ দক্ষ আছিল, কঠোৰ আছিল। কিন্তু এজন মানুহ হিচাপে ছাৰৰ অন্তৰখন আছিল বৰ কোমল। মানুহৰ দুখ-দুৰ্গতিৰ কথা, অসুবিধাৰ কথা হৃদয়েৰে অনুভৱ কৰিছিল। ছাৰৰ নামটো আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ত সদায় লিপিবদ্ধ হৈ থাকিব।

১৯৮৩-৮৪ চনত আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ সাধাৰ সম্পাদক আছিল দিলীপ শংকৰ শইকীয়া আৰু মই আছিলো সহকাৰী সাধাৰণ সম্পাদক। ইয়াৰ পিছৰ বছৰ অৰ্থাৎ ১৯৮৪-৮৫ চনত মই সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত হওঁ। এই দুটা কাৰ্যকাল একেৰাহে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ লগত জড়িত থকাৰ কাৰণেই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক কৰ্মচাৰীসকলৰ লগতো এক আত্মিক সম্পৰ্ক গঢ়ি উঠিছিল। মহাবিদ্যালয়খন মোৰ কাৰণে আছিল দ্বিতীয় ঘৰ। দিনটোৰ বেছিভাগ সময় অতিবাহিত হৈছিল মহাবিদ্যালয়তে। ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন সমস্যা সমাধান কৰিবলগীয়া হৈছিল। তদুপৰি কলেজৰ আন কিছুমান কামৰ লগতো জড়িত আছিলো। মোৰ দিনতেই আৰম্ভ হৈছিল আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰী নিবাস। তাৰ আগতে গুৱাহাটীৰ বাহিৰৰ ছাত্ৰীসকলে থাকিবৰ কাৰণে ভাড়াঘৰ, ব্যক্তিগত হোষ্টেল আদিৰ আশ্ৰয় লৈছিল আৰু বিভিন্ন ধৰণৰ সমস্যাৰ সন্মুখীন হৈছিল। কিন্তু ছাত্ৰীসকলৰ সেই সমস্যাবোৰ দূৰ হ'ল ছাত্ৰীনিবাসটো আৰম্ভ হোৱাৰ লগে লগে।

মোৰ কাৰ্যকালতে প্ৰতিষ্ঠা কৰা হৈছিল গিৰিধৰ শৰ্মা ছাৰৰ প্ৰতিমূৰ্ত্তিটো। অৱশ্যে ইয়াৰ কাৰণে কেবাবছৰো ধৰি প্ৰচেষ্টা চলি আছিল।

১৯৭৮ চনত অসমত পোন প্ৰথমবাৰৰ বাবে আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়তেই বক্সিং প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। সেই বছৰ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক আছিল উৎপল ৰাজবংশী আৰু শৰীৰ চৰ্চা বিভাগৰ সম্পাদক আছিল কুলদ্বীপ সিং। অভূতপূৰ্ব জনপ্ৰিয়তা লাভ কৰিছিল প্ৰতিযোগিতাখনে। আন্তঃ মহাবিদ্যালয় বক্সিং প্ৰতিযোগিতাত আৰ্য্য বিদ্যাপীঠে যথেষ্ট সুনাম অৰ্জন কৰিছিল। সেই প্ৰতিযোগিতাত আৰ্য্যক প্ৰতিনিধিত্ব কৰা কুলদ্বীপ সিঙে ধৰাশয়ী কৰিছিল তেওঁৰ প্ৰতিদন্দীক। সিং আছিল মহাবিদ্যালয়ৰ বক্সিং চেম্পিয়ন। মোৰ মনত থকামতে ১৯৮১-৮২ চনত অনুষ্ঠিত হোৱা আন্ত মহাবিদ্যালয় বক্সিং প্ৰতিযোগিতাত আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ দীপক দাসে তুমুল প্ৰতিদন্দিতাৰ অন্তত তেওঁৰ প্ৰতিদন্দীক পৰাভূত কৰি বক্সিং চেম্পিয়ন হৈছিল। নেহৰু ষ্টেডিয়ামত হোৱা বক্সিং প্ৰতিযোগিতাখনত গেলাৰীৰ সমূহ দৰ্শকে 'দীপক', 'দীপক' বুলি চিঞৰি থকা কথাবোৰ এতিয়াও মনলৈ ভাহি আহে।

১৯৮২-৮৩ চনত আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক আছিল মহেন্দ্ৰ গগৈ আৰু শৰীৰ চৰ্চা বিভাগৰ সম্পাদক আছিল বাণীব্ৰত দাস। সেইবাৰেই আমাৰ মহাবিদ্যালয়ত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হৈছিল ফুল কনটেক টাইকোৱানডু আৰু কেৰাটে প্ৰতিযোগিতা এই প্ৰতিযোগিতা সেই সময়ত যথেষ্ট বিপদজনক আছিল কাৰণ নতুনকৈ অভূতপূৰ্ব জনপ্ৰিয়তা লাভ কৰা প্ৰতিযোগিতাখনত সামান্য ভুল হ'লেই প্ৰতিযোগীৰ মৃত্যুৰ আশংকাও আছিল। কিন্তু কোনোধৰণৰ অসুবিধা নোহোৱাকৈ সম্পূৰ্ণ সু-শৃংখলভাবে সম্পূৰ্ণ হৈছিল প্ৰতিযোগিতাখনি। গুৱাহাটীৰ বিভিন্ন প্ৰান্তৰৰ পৰা অহা দৰ্শকেৰে মহাবিদ্যালয় প্ৰাঙ্গণ ভৰি পৰিছিল। দৰ্শকৰ তুমুল হৰ্ষধ্বনিৰ মাজত অনুষ্ঠিত হৈছিল খেলসমূহ। উত্তেজিত হৈছিল দৰ্শক, কিন্তু কোনো ধৰণৰ কাজিয়া-পেচাল হোৱা নাছিল। শান্তিপূৰ্ণভাবেই সম্পূৰ্ণ হৈছিল।

শিক্ষা, প্ৰশাসনিক, ক্ৰীড়া, সাংস্কৃতিক, সামাজিক, সাহিত্যজগত আদি বিভিন্ন ক্ষেত্ৰত আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ে এক গুৰুত্বপূৰ্ণ স্থান লাভ কৰি আহিছে। এটা সময়ত আৰ্য্য বিদ্যাপীঠৰ গণিত বিভাগটো অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ শ্ৰেষ্ঠ বিভাগ আছিল বুলি কলেও বঢ়াই কোৱা নহ'ব। প্ৰয়াত দেবানন্দ শইকীয়া ছাৰ আছিল গণিত বিভাগৰ মুৰব্বী। ছাৰ ইমানেই জনপ্ৰিয় আছিল যে অকল তেখেতৰ বাবেই বহুতো ছাত্ৰ-ছাত্ৰীয়ে আমাৰ মহাব্যািলয়লৈ পঢ়িবলৈ আহিছিল। গণিত বিভাগত স্নাতকোত্তৰ শ্ৰেণীও সোনকালে আৰম্ভ হৈছিল আমাৰ মহাবিদ্যালয়ত। কিন্তু দুখৰ বিষয় দেবানন্দ শইকীয়া ছাৰক আমি সোনকালে হেৰুৱালো।

ৰাজনৈতিক ক্ষেত্ৰখনত আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ে প্ৰভাৱ বিস্তাৰ কৰি আছে। বৰ্তমান প্ৰায় ১০ গৰাকী মন্ত্ৰী, এম. এল. এ. আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। খাদ্য আৰু অসামৰিক যোগন বিভাগৰ মন্ত্ৰী ফণীভূষণ চৌধুৰী প্ৰাক্তন এৰিয়ান। কেইদিনমান আগতে সন্ধিয়া সময়ত হঠাৎ তেওঁ আহি হাজিৰ হ'ল আমাৰ অধ্যক্ষৰ কাৰ্যালয়ত। লগত আছিল কুমাৰ দীপক দাস প্ৰাক্তন এম. পি.। এখন সৰু গাড়ী কুমাৰ দীপক দাসে চলাইছে তেখেত কাষত বহি আহিছে। লগত নাই কোনো নিৰাপত্তা বিষয়া। মন্ত্ৰী হিচাপে নহয় আহিছিল প্ৰাক্তন এৰিয়ান হিচাপে।

অধ্যক্ষৰ কাৰ্যালয়ত আছিল এৰিয়ান এলুমনি এছ'চিয়েচন আৰু হীৰক জয়ন্তী উদ্‌যাপন সমিতিৰ বিষয়ববীয়াসকল। বহুতো খুহুতিয়া কথাৰে সন্ধিয়াটো কটালে। পুৰণি দিনৰ স্মৃতি ৰোমন্থন কৰি মহাবিদ্যালয়খন পৰিদৰ্শন কৰিলে। সকলোৰে লগত ফটো উঠিলে হাঁহি-ধেমালি কৰি।

আন এগৰাকী মন্ত্ৰী পিয়ুশ হাজৰিকাও আমাৰ প্ৰাক্তন ছাত্ৰ। সত্যব্ৰত কলিতা, মৃণাল শইকীয়া, বিনন্দ শইকীয়া, ৰমেন্দ্ৰ নাৰায়ণ কলিতা আদি এম. এল. এ. সকল আৰ্য্য বিদ্যাপীঠৰেই প্ৰাক্তন ছাত্ৰ। বিৰোধী দলপতি দেবব্ৰত শইকীয়াও আমাৰ মহাবিদ্যালয়ত পঢ়িছিল।

'প্ৰতিচ্ছন্দা' প্ৰকাশৰ কাৰণে বহুতেই মোৰ বিভিন্ন ধৰণে সহায়-সহযোগিতা আগবঢ়ালে। তাৰ ভিতৰত ব্ৰজেন ডেকা, ৰাজীৱ ভট্টাচাৰ্য, কমলেন্দ্ৰ ভৰালী, নিৰ্মল ডেকা, দেবজিৎ অধিকাৰী, ছেৰিফুল হুছেইন (ৰাণা), অন্যতম।

শেষত আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।

**পাৰ্থ প্ৰতিম ভৰালী**
**সম্পাদক**
**'প্ৰতিচ্ছন্দা'**

## স্মৃতিগ্ৰন্থৰ ভিতৰ চ'ৰাত


✓ পদুলিতে যাচিছো এইসকললৈ শ্ৰদ্ধাঞ্জলি ফাগু কুৰ্মীৰ স্মৃতিত ঃ ✍ স্বাঃ শ্ৰীগিৰিধৰ শৰ্ম্মা—১৩
✓ মিঠা সোঁৱৰণি ✍ ড° নলিনীধৰ ভট্টাচাৰ্য্য—১৫
✓ আৰ্য বিদ্যাপীঠ ✍ নীলমণি ফুকন—২১
✓ বুৰঞ্জী ✍ ড° শিৱনাথ বৰ্মণ—২৫
✓ ৰামায়ণ এটি দৃষ্টিপাত ✍ ৰাধা নাথ শৰ্ম্মা—২৯
✓ অসম কেশৰী অম্বিকাগিৰী ✍ দুৰ্গেশ্বৰ শৰ্ম্মা—৩৩
✓ অনুভৱৰ এটি পৃষ্ঠা ✍ ড° গিৰীশ চন্দ্ৰ শৰ্মা—৩৫
✓ স্মৃতি ফুলৰ পাপৰি বুটলি ✍ ৰনজিৎ সূত্ৰধৰ—৩৭
✓ দিঙা ✍ জিতেন্দ্ৰ নাথ গোস্বামী—৩৯
✓ সময় সমিধান ✍ ডাঃ প্ৰণীতা শইকীয়া—৩৯
✓ ৰঘুনাথ চৌধাৰীৰ কবিতাত প্ৰকৃতি ✍ ৰজনীকান্ত শৰ্ম্মা—৪০
✓ লেছেৰী বুতলি ✍ অৰূপ বৰঠাকুৰ—৪৪
✓ অসমৰ ক্ৰীড়া সাহিত্য ✍ সুবোধ মল্ল বৰুৱা—৪৬
✓ বিদ্ৰোহী জ্যোতিপ্ৰসাদৰ অগ্নিমন্ত্ৰ ✍ জয়ন্ত কুমাৰ দাস—৫০
✓ ফুট গধূলিতে নৈখন উৰি গৈছিল ✍ অৰুণ মহন্ত—৫৫
✓ কেৱল চৰৈৱেতী চৰৈৱেতী ✍ অৰুণ মহন্ত—৫৫
✓ থমকি নোবোৰা ৰণুৱা ঘোঁৰা আৰু আমি ✍ বেদব্ৰত মিশ্ৰ—৫৬
✓ কথাবোৰ বাৰু এনেকুৱা কিয় হ'ল? ✍ উপম শইকীয়া—৫৯
✓ কলম আৰু কণ্ঠ ✍ উপম শইকীয়া—৬০
✓ কবিতাৰ সংজ্ঞা ✍ উপম শইকীয়া—৬০
✓ ফ্ৰী অ'ফাৰ ✍ উপম শইকীয়া—৬১
✓ দুটি গীত ✍ ডঃ বিৰিঞ্চি কুমাৰ মেধি—৬২
✓ "ভাৰতৰ সাম্প্ৰতিক ৰাজনৈতিক পৰিস্থিতি আৰু নাৰীৰ অধিকাৰ" ✍ লক্ষ্মী মিশ্ৰ—৬৩
✓ বিশ্ব এথলেটিক্স ইতিহাসৰ এক ব্যতিক্ৰম চৰিত্ৰ ঃ চিবোষ্টিয়ান ক' ✍ বিনোদ কুমাৰ পায়েং—৭৫
✓ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল হীৰক জয়ন্তীৰ প্ৰাক্‌ক্ষণত
মোৰ কিছু আবেগিক এৰি অহা স্মৃতি ✍ কিংকৰ দাস—৭৮
✓ আমি 'এৰিয়ান' আমি খোজ কাঢ়িব জানো.... ✍ মহেন্দ্ৰ গগৈ—৮১
✓ মোৰ কলেজীয়া জীৱনৰ এৰি অহা স্মৃতিবোৰ ✍ দীপক কুমাৰ শৰ্মা—৮৪
✓ অসমীয়া সাহিত্যলৈ খৃষ্টান মিছনেৰীসকলৰ অৱদান ✍ বাদল চন্দ্ৰ ঘোষ—৮৬
✓ পুৰণি এৰিয়ানৰ গল্প আৰু কবিতা ✍ পৰমেশ শীল—৯১
✓ প্ৰেমে সময় নামানে ✍ ড° মহেন্দ্ৰ গগৈ—৯৯
✓ কিটিপ ✍ ড° বিৰিঞ্চি কুমাৰ মেধি—১১৩
✓ .... কফি একাপ খাবা নেকি? ✍ ড° ভূপেন্দ্ৰ নাথ ভট্টাচাৰ্য্য—১১৮
✓ প্ৰায়শ্চিত্ত দহ বছৰৰ ✍ লীল বাহাদুৰ ছেত্ৰী—১২২
✓ অগাধ আত্মবিশ্বাসী, অক্লান্ত সমাজসেৱক
অলকেশ ৰায় চৌধুৰীৰ সোঁৱৰণত ✍ শ্ৰীতনুদেৱ গোস্বামী—১২৯
✓ "আশীৰ্বচন" ✍ নুৰুল হুছেইন—১৩১
✓ UNFORGETTABLE DAYS ✍ DR. DEBABRATA GHOSH—১৩৪
✓ WILDLIFE OF GUWAHATI CITY ✍ DR. SAIBAL SENGUPTA—১৩৮
✓ REMINISCENCE ✍ DR. SAIBAL SENGUPTA—১৪২
✓ TECHNOLOGY AND RADICAL CHANGE IN HUMAN LIFE ✍ RAJKAMAL SHARMA—১৪৫
✓ CHILD RIGHTS AND MEDIA ✍ CAPT. P. K. BARUA—১৪৯
✓ LOOKING BACK OVER MY SHOULDER ✍ DR. DIPENDRA KUMAR MAZUMDER—১৫৪
✓ THE ROLE OF LIBRARY IN EDUCATION ✍ PRADIP KR. SARMA—১৫৮

# পদুলিতে যাচিছো এইসকললৈ শ্ৰদ্ধাঞ্জলি

## ফাগু কুৰ্ম্মীৰ স্মৃতিত ঃ

❒ স্বাঃ শ্ৰীগিৰিধৰ শৰ্ম্মা
প্ৰাক্তন অধ্যক্ষ



আৰ্য্যবিদ্যাপীঠ অনুষ্ঠানটি ১৯৫৮ চনত আৰম্ভ হয়। মই তেতিয়া কটন কলেজৰ অসমীয়া বিভাগত অধ্যাপনা কৰোঁ আৰু এই অনুষ্ঠানটিত দুবছৰ 'সচিব' হিচাবে আৰু দুবছৰ অবৈতনিক অধ্যক্ষ হিচাপে পৰিচালনা কৰোঁ। ১৯৫৮ চনৰে পৰা ইয়াৰ গৃহনিৰ্ম্মাণ কাৰ্য্য আৰম্ভ হয় আৰু বোধ হয় ১৯৬০ চন মানৰ পৰা ফাগু কুৰ্ম্মীয়ে ৰাজমিস্ত্ৰীৰ লগত যোগালিৰ কাম কৰি আছিল প্ৰায় দুবছৰমান। ১৯৬২ চনৰ জানুৱাৰী মাহত মই কটন কলেজৰ পৰা কাম ইস্তাফা দি আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ বৈতনিক অধ্যক্ষ হিচাপে আহোঁ আৰু ফাগু কুৰ্ম্মীৰ নিষ্ঠা আৰু বিশ্বস্ততা দেখি চৌকিদাৰ হিচাপে নিযুক্তি দিওঁ, ১৯৬৩ চনৰ প্ৰথম ভাগতে। তেতিয়াৰ পৰা ফাগুৱে আৰ্য্যবিদ্যাপীঠক তাৰ জীৱনটো যেন ভাবি অতি নিষ্ঠাৰে ১৯৭৬ চনৰ ১৮ ফেব্ৰুৱাৰীৰ মৃত্যু দিবসলৈ আৰ্য্যদ্যিাপীঠৰ চৌকিদাৰ হিচাবে থাকিয়েই শেষ নিশ্বাস পেলায়। মোৰ বেচ মনত পৰে মোক সি মাজে মাজে কৈছিল— "চাহাব, এই কলেজতে মোৰ দেহ এৰিম, মোৰ শেষ নিশ্বাস পেলাম।" সঁচা আৰ্য্যবিদ্যাপীঠৰ প্ৰতিটি ঘৰ, প্ৰতিটি কোঠা, প্ৰতিটি গছপুলি, প্ৰতি চপৰা মাটিতে ফাগু কুৰ্ম্মীৰ জীৱনৰ স্পন্দন ৰৈ আছে।

মৃত্যুৰ পিচদিনা ১৯ ফেব্ৰুৱাৰী পুৰা দহমান বজাত কলেজ চৌহদৰ ভিতৰত ফাগুৰ নিষ্প্ৰাণ শৰীৰটি পৰি থকা দেখি ইয়াৰ প্ৰতি অনু-পৰমাণুৱেই, প্ৰতিটি শ্ৰেণীয়ে যেন 'ফাগুৰ' অভাৱ অনুভৱ কৰি ব্যথিত হৈছিল। মই নিজেও তাৰ প্ৰাণহীন দেহটিৰ ওচৰত থিয় হোৱাত তাৰ পত্নী আৰু পুত্ৰদ্বয়ে শেষবাৰৰ বাবে বিদায় দিয়া দৃশ্য দেখি, ব্যথিত মোৰ অজ্ঞাতসাৰেই মোৰ মুখৰ পৰা ওলাইছিল— "যা ফাগু, তই তোৰ কথা ৰাখি গুচি গলি। তই শান্তিধামলৈ গুচি যা। আৰ্য্যবিদ্যাপীঠৰ প্ৰতি তোৰ নিস্বাৰ্থ ত্যাগ আৰু অৱদানৰ কথা

ইয়াৰ বুৰঞ্জীয়ে নকলেও, অইনে স্বীকাৰ নকৰিলেও, ইয়াৰ প্ৰতিটি অনু-পৰমাণুৱে স্বীকাৰ কৰিব। তই আৰ্য্যবিদ্যাপীঠৰ ছাঁটিৰ নিচিনা আছিলি আৰু সেয়ে শেষ নিশ্বাস পেলোৱাৰ আগমুহূৰ্ত্ততো তোৰ মুখৰ পৰা অস্পষ্ট ধ্বনিৰে ওলাইছিল 'বোটানিৰ দুৱাৰ খোলা আছে, হলৰ লাইট জ্বলি আছে, কমনৰুমৰ সন্মুখত বেঞ্চ পৰি আছে'। মোৰ মনত দুখ বৈ গ'ল শেষ মুহূৰ্ত্ততো মই তোক দেখা নাপালো। এবাৰ মাঘ বিহুৰ সময়ত কোনোবা দুৰ্বৃত্তই কেইখনমান চেয়াৰ, টেবিল, ডেস্ক-বেঞ্চ চুৰি কৰি নি পুৰি পেলাইছিল। মোৰ মনত পৰে তই চকুলো পেলাই মোক কৈছিলি, মই থাকোতে ডেস্ক-বেঞ্চ নি পুৰি পেলালে মোৰ থকাৰ কি দৰকাৰ আছিল চাহাব আৰু হুকুহুকৈ কান্দিছিলি।"

১৯৫৮ চনৰ পৰা ১৯৭৫ চনৰ ৩১ জানুৱাৰীলৈ মোৰ এই কাৰ্য্যকালছোৱাৰ ভিতৰত আৰ্য্যবিদ্যাপীঠৰ কিমান গৃহনিৰ্ম্মাণ আৰু মাটি পোতা কাম আৰু নানা নিৰ্ম্মাণৰ কাম হ'ল। এই সকলোতে 'ফাগু' আৰু ছবিলালৰ (আন এজন চৌকিদাৰ) সহায়ৰ কথা পাহৰিব নোৱাৰোঁ হাজাৰ হাজাৰ বস্তা চিমেন্ট, হাজাৰ হাজাৰ মোন ৰড, হাজাৰ হাজাৰ কেবি কাঠ খৰচ হ'ল। কোনো এটি বস্তুৰে হৰণ-ভগন নহ'ল। এটি পইচাৰো ইফাল সিফাল নহ'ল। ভাবিলে এতিয়াও বিস্ময় মানো।

আকৌ সময়ত অধ্যাপক সকলেও ফাগুৰ টান কথা শুনিছিল আনকি ময়ো শুনিছিলোঁ। কিন্তু সকলো অনুষ্ঠানটিৰ মঙ্গলৰ কথা বুলিহে কৈছিল. তাৰ নিষ্ঠা আৰু বিশ্বস্ততাৰ বাবে সেই সকলো আনন্দেৰে গ্ৰহণ কৰিছিলোঁ। অৱশ্যে সি মোক দেৱতাৰ নিচিনা ভক্তিও কৰিছিল।

তাৰ শৰীৰৰ শক্তি দেখি কেতিয়াবা স্তম্ভিত হৈছিলো। অকলে দহজনৰ কাম কৰিব পাৰিছিল সি। ক'ত কিমান আচবাব আছে ফাগু আৰু ছবিলালৰ মনতে আছিল। প্ৰকাণ্ড চাবিকোছা জেপত ওলোমাই লৈ, মূৰত গামোছাখন বান্ধি ঘূৰি ফুৰা দৃশ্য এতিয়াও মোৰ মনত পৰে। ক'ত মাটি পুতিব লাগিব, ক'ত কলেজৰ মাটি দখল কৰিব খুজিছে, স্কুল কলেজৰ সম্বন্ধ, ল'ৰা-ছোৱালীয়ে ক'ত অসুবিধা ভোগ কৰিছে, কোনে কি বেয়া কাম কৰিছে এই সকলো কথাকে যথা সময়ত ফাগুৱে মোৰ মনত পেলাই দিছিল।

কামৰ হেচাত কেতিয়াবা ৰাতি দহ বজাত শ্ৰান্ত হৈ কলেজৰ টকাৰ টোপোলাও টেবুলৰ কাগজৰ মাজত এৰি যাওঁ, নিজৰ পইচাও পেলাই থৈ যাওঁ। পিচদিনা দুয়ো হাঁহি হাঁহি আহি টকাৰ টোপোলা উলিয়াই দি কয় "চাহাব কালি টকাৰ টোপোলা টেবুলৰ কাগজৰ মাজতে পৰি থাকিল দেখোন।" মই কওঁ ফাগু আৰু ছবিলাল নাছে জানো? সিহঁতে হাঁহে।

প্ৰায় পোন্ধৰ বছৰ কৰ্মকালৰ ভিতৰত ফাগুৱে ছুটি লোৱা, ঘৰলৈ যোৱা কথা মোৰ মনত নপৰে। সুদুৰ দূৰত ল'ৰা-ছোৱালী এৰি এইদৰে আৰ্য্যবিদ্যাপীঠকে জীৱনটো বুলি ভাবি ইয়াতেই তাৰ নশ্বৰ দেহা এৰি গ'ল। ভগৱন্তৰ কৃপাত এই নিষ্পাপ মানুহজনৰ আত্মাই চিৰশান্তি লাভ কৰক এয়ে কামনা।■

# মিঠা সোঁৱৰণি

❑ ড° নলিনীধৰ ভট্টাচাৰ্য্য
প্ৰাক্তন অধ্যাপক

আৰ্য্যবিদ্যাপীঠ মোৰ শিক্ষক জীৱনৰ তৃতীয় আৰু শেষ বিন্দু। ইয়াৰ আগতে আছিলোঁ শ্বিলঙৰ এন্থনীত আৰু তাৰো আগতে যোৰহাটৰ কাকজানলৈ বেছি দূৰ নহয়; ঘৰৰ পৰাই অহা-যোৱা কৰি স্কুল কৰিছিলোঁ। ভাবিছিলোঁ, মোৰ জীৱিকাৰ পৰ্ব এইটোৱেই প্ৰথম আৰু এইটোৱেই শেষ। পাৰিবাৰিক অসুবিধাৰ কাৰণেই মই বৰ দায়িত্ব ল'বলগা হৈছিলোঁ। এটা সময়ত মন গ'ল পৰীক্ষা দিবলৈ। ইটো সিটো পৰীক্ষা দিলোঁ। এম.এ. পাছ কৰাৰ পিছত কাম পালোঁ এন্থনীত। স্কুল এৰি শ্বিলং পালোঁহি। গাঁওখনো এৰি থৈ আহিলোঁ, লগত আনিলোঁ গাঁৱৰ সৰল সহজ অথচ নানা দুৰ্বিপাকত জুৰুলা মানুহবোৰ আৰু সহৃদয় বন্ধুজনৰ স্মৃতি; গাঁৱৰ মাজেদি বৈ যোৱা ডিহা নৈৰ নৈসৰ্গিক সুগন্ধ, বৰনামঘৰৰ ভাদমহীয়া নাম-প্ৰসংগৰ ধ্বনি, বিহু, ভাওনা, পূজা-পাৰ্বণ, মেলে-সবাহে মঘাই ওজাৰ ঢোল-বাদন— এইবোৰৰ মিঠা সুৱদি সোঁৱৰণি। এতিয়া গাঁৱত দুই-চাৰি ঘৰ ধনী মানুহ দেখিছোঁ, কিন্তু তেওঁলোক গড্ডালিকা প্ৰবাহত উটি গৈছে। দৰিদ্ৰসকলৰ 'অন্ন চিন্তা চমৎকাৰা' হৈয়ে আছে।

শ্বিলং আত্মহীন যেন অনুমান হ'ল। শ্বিলং স্ব'-কেছৰ ৰূপহী। ইয়াৰ ৱাৰ্ড লেক, জলপ্ৰপাত, শাৰী শাৰী পাইনৰ সুহুৰি, নবেম্বৰৰ পুৱাৰ মিঠা ৰ'দ, সাধাৰণ খাচী পুৰুষ-মহিলাৰ সৰল হৃদয়ৰ সুৰভি নংক্ৰেম নৃত্য যদিও পাহৰিব নোৱাৰি, তথাপি নগৰখনে মোক সোনকালেই আমুৱালে। অসমৰ সাংস্কৃতিক স্নায়ুকেন্দ্ৰ গুৱাহাটীৰ প্ৰেমত পৰিলোঁ। সাহিত্য-সংস্কৃতিৰ চৰ্চাৰ কিবা সুযোগ বা পৰিৱেশ পোৱাৰ আশায়ো মোক গুৱাহাটীলৈ আহিবলৈ উদগাইছিল। অৱশেষত আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ত চাকৰি ওলাল, আবেদন কৰিলোঁ, কামটো পাই শ্বিলং এৰি গুৱাহাটী পালোঁহি। এন্থনীৰ অধ্যক্ষ ফাদাৰ যোচেফ, উপাধ্যক্ষ ফাদাৰ কেনিৰ আকৰ্ষণীয় ব্যক্তিত্ব পাহৰিব নোৱাৰি। সহকৰ্মী ঈশ্বৰ চক্ৰৱৰ্তী, বীৰেন তালুকদাৰৰ সহায়-

সাৰথিৰ কথা পাহৰিলে অকৃতজ্ঞতাৰ দোষে চুব। বাংলা বিভাগৰ গোপাল বাবুৰ সৌহাৰ্দ্য স্মৰণীয়। ইংৰাজী বিভাগৰ সুশ্ৰী পুৰুষ কালী মুখাৰ্জি বৰ ৰাংঢালী মানুহ। তেওঁ কমনৰুমত খাচী-ভাষাৰ অধ্যাপক প্ৰফেছাৰ কাইনক তলত উল্লেখ কৰা লিমাৰিক জাতীয় কবিতাটোৰে প্ৰায়ে জোকাইছিল—

Oh, Professor Kine
You are very fine
you come at nine
For you
Your wife does Pine.

নিৰ্দোষ কৌতুক। কাইনৰ মুখত হাঁহি। লগত বহি থকা সকলেও আমোদ পায়। কাইনৰ হাঁহিটোত জনজাতীয় সৰলতাৰে অপূৰ্ব দীপ্তি ফুটি উঠে ! এইবোৰ স্মৃতিৰ সঁফুৰাত এতিয়াও ভৰাই থৈছোঁ।

শিক্ষক-বৃত্তিক মই আন্তৰিকভাবেই গ্ৰহণ কৰিছিলোঁ। এই কথা ভাবি আজিও মোৰ ভাল লাগে। প্ৰথমতে আমাৰ শিক্ষা পদ্ধতিৰ আসোঁৱাহবোৰ বৰকৈ চকুত পৰা নাছিল। পিছত যেতিয়া আসোঁৱাহবোৰ দেখিলোঁ, তেতিয়া বুজি পালোঁ আমাৰ দেশৰ ছাত্ৰ-ছাত্ৰীৰ গুণগত উৎকৰ্ষ সাধনৰ আহিলা এই পদ্ধতিত নাই। মূলতঃ মেকলে চাহাবে দি থৈ যোৱা পদ্ধতিয়েই চলি থাকিল। আৰ্থ-সামাজিক পটভূমিৰ লগত যে শিক্ষাৰ এটা সম্পৰ্ক বিদ্যমান, সেই কথালৈ শিক্ষাৰ নিয়ামকসকলে চকু নিদিলে। সেইবাবে, চেষ্টা কৰিও, শিক্ষক জীৱনৰ মুহূৰ্তবোৰ সৃষ্টিশীলভাবে ব্যৱহাৰ কৰাত সম্পূৰ্ণ সফল হ'ব নোৱাৰিলোঁ। এই দুখ ৰৈ গ'ল। নিৰ্ধাৰিত পাঠ্যক্ৰম নিৰ্দিষ্ট সময়ত শেষ কৰি ছাত্ৰ-ছাত্ৰীক পৰীক্ষা নামৰ সেই ভয়ংকৰ দৈত্যটোৰ সন্মুখীন হ'বলৈ আগবঢ়াই দিয়াটোৱেই যি পদ্ধতিৰ লক্ষ্য সেই পদ্ধতিৰ ভিতৰত থাকি শিক্ষকৰ স্বতন্ত্ৰ আৰু সৃষ্টিশীল চিন্তা সম্ভৱ নহয়। এনে স্বাধীন চিন্তা কৰিবলৈ কৰ্তৃপক্ষয়ো শিক্ষকক উদগনি নিদিয়ে। এতিয়া এই পদ্ধতি জীৰ্ণ-বিকল ইয়াক 'ৰিপু' কৰি লাভ নাই। তথাপি নাই মোমাইতকৈ কণা মোমায়েই ভাল। সেইবাবে ইয়াৰ মাজতেই ছাত্ৰ-ছাত্ৰীৰ দিশটো মনত ৰাখি আন্তৰিকতাৰে যথা শক্তি কাম কৰিছিলোঁ। ইয়াৰ ফল একেবাৰে নোহোৱা বুলি ক'ব নোৱাৰোঁ। দুই-চাৰিজন ছাত্ৰক অসমীয়া সাহিত্যৰ চৰ্চা কৰিবলৈ প্ৰেৰণা যোগাব পাৰিছিলোঁ। শিক্ষক হিচাপে ইয়াতেই মোৰ কৃতিত্ব আৰু আনন্দ।

আৰ্য্যবিদ্যাপীঠলৈ আহিলোঁ '৬৩ চনৰ নবেম্বৰত। তেতিয়া কলেজৰ ঘৰ-দুৱাৰ সম্পূৰ্ণ হোৱা নাছিল। ভালেমান কোঠাৰ মজিয়াবোৰো পকী নহয়। ছাত্ৰাবাসৰ অৱস্থাও শোচনীয়। কলেজত অৱশ্যে দুয়োটা শাখাই পূৰ্ণোদ্যমে চলি আছিল। কলেজত ভৰি দিয়েই অধ্যক্ষ গিৰিধৰ শৰ্মাৰ কাৰ্য্যদক্ষতা আৰু সংগঠন-শক্তি অনুভৱ কৰিছিলোঁ। একেটা চৌহদতে প্ৰাক-প্ৰাইমেৰীৰ পৰা কলেজ স্তৰলৈকে এলানি শিক্ষানুষ্ঠান গঢ় দিয়াৰ সপোন তেওঁ দিঠকত পৰিণত কৰিছিল। ইয়াত ভালেমান খ্যাত-অখ্যাত মানুহৰ সহায়-সহযোগ নিশ্চয় আছিল, কিন্তু সকলোৰে মধ্যমণি স্বৰূপ আছিল গিৰিধৰ শৰ্মা। মানুহৰ দোষ-গুণ থাকে, শৰ্মাৰো দোষ নোহোৱা নহয়, কিন্তু তেওঁৰ চৰিত্ৰত গুণৰ পৰিমাণ আছিল অধিক। কলেজ প্ৰশাসন আৰু শৈক্ষিক পৰিৱেশৰ অৰ্থ কি তেওঁ ভালকৈ বুজিছিল। নানা সীমাবদ্ধতাৰ মাজতো তেওঁৰ ধ্যান আছিল এটাই— আৰ্য্যবিদ্যাপীঠৰ ক্ৰমবিকাশ আৰু সুখ্যাতি। তেওঁ আছিল অনুষ্ঠানটোৰ প্ৰাণপুৰুষ।

মই কামত যোগ দিয়াৰ সময়ত ৰাতিৰ শাখাত কটন কলেজৰ কোনো কোনো অধ্যাপকেও কাম কৰি সহায় কৰি দিছিল। ইও সম্ভৱ হৈছিল শৰ্মাৰ চেষ্টাতে। সেই সময়ত শ্ৰদ্ধেয় আশ্ৰফ আলি, কমলেশ্বৰ শৰ্মা, হেমন্তকুমাৰ শৰ্মা আদিক লগ পাইছিলোঁ। তেতিয়া ৰাতিৰ শাখাত ছাত্ৰৰ সংখ্যাও যথেষ্ট আছিল। সাধাৰণতে বিভিন্ন অফিচত চাকৰি কৰা বয়সীয়া লোকসকলেই ৰাতিৰ শাখাত যোগ দিছিল। তেওঁলোকৰ আন্তৰিকতা আছিল। বক্তৃতা দিবৰ সময়ত মন কৰিছিলোঁ, তেওঁলোক সশ্ৰদ্ধ নিৰৱতাৰে কথাবোৰ শুনিছিল আৰু মুখবোৰত ফুটি উঠিছিল ঔৎসুক্য আৰু আগ্ৰহ। পিছলৈ অৱশ্যে ৰাতিৰ শাখাত ছাত্ৰৰ সংখ্যা কমি আহিছিল। হয়তো আশে-পাশে কেইবাখনো কলেজ হোৱা বাবেই তেনে হ'ল। ৰাতিৰ শাখাত তেতিয়া অনাৰ্ছ আছিল। অনাৰ্ছৰ ছাত্ৰসকলো নিষ্ঠাবান আছিল। এতিয়া কিন্তু তাৰ অভাৱ দেখা গৈছে। দিনৰ শাখাবোৰতো তুলনামূলকভাবে তেতিয়া ছাত্ৰৰ অধিক তৎপৰতা আছিল। অধ্যক্ষৰ নিৰ্দেশত ছেমিনাৰ আদি পতা হৈছিল। ছাত্ৰসকলৰ উপস্থিতি ক্ষীণ হ'লেও অনাৰ্ছৰ ছাত্ৰই সাধাৰণতে যোগ দিছিল। হৈবোৰত কেতিয়াবা অধ্যক্ষও উপস্থিত থাকি ছাত্ৰসকলক উৎসাহ যোগাইছিল। সেইবোৰত ময়ো থাকোঁ। মই ভাবোঁ, শিক্ষাদান কৰোঁতে ছাত্ৰক ছাত্ৰ হিচাপে চালেই নহয়, ছাত্ৰও এজন মানুহ; তেওঁৰ ৰাপ কিহত, যোগ্যতাই বা কি বিষয়ত এইবোৰ আৱিষ্কাৰ কৰিবলৈ শিক্ষকে যত্ন কৰা উচিত। লগতে, বৌদ্ধিক অনুশীলনত যে এটা আনন্দ আছে এই কথা উপলব্ধি কৰিবলৈ ছাত্ৰক শিকাব লাগে। অৱশ্যে বৰ্তমান শতাধিক ছাত্ৰৰ একোটা শ্ৰেণীত এনে কৰাটো সম্ভৱ নহয়, তথাপি সৰু সৰু শ্ৰেণীবোৰত এনে এটা দৃষ্টিভংগী শিক্ষকে ল'ব পাৰে। শিক্ষাত কেৱল নম্বৰ দিয়া বা নিয়মানুবৰ্তিতা ৰক্ষা কৰাৰ কথাই যে থাকে এনে নহয়, ই সংস্কৃতিও, ইয়াৰ এটা নৈতিক লক্ষ্য আছে। দেশ আৰু মাতৃ ভাষাৰ প্ৰতি ভালপোৱা, অধ্যয়নৰ স্পৃহা আৰু

মানৱ প্ৰেমৰ লক্ষ্য নাথাকিলে শিক্ষা সম্পূৰ্ণ হ'ব নোৱাৰে। এই কথাবোৰ প্ৰায়ে মোৰ মনলৈ আহে।

ডিচেম্বৰৰ ফৰকাল দিনবোৰত হোৱা 'মহাবিদ্যালয় সপ্তাহবোৰে সমগ্ৰ কলেজ প্ৰাংগণ উৎসৱমুখৰ কৰি তোলে। খেলা-ধূলাৰ পৰা আৰম্ভ কৰি নাট্যাভিনয়, সুকুমাৰ কলা প্ৰদৰ্শনীলৈকে— বিভিন্ন অনুষ্ঠানৰ পয়োভৰ হয়, শিক্ষক আৰু ছাত্ৰ উভয়েই জড়িত হৈ পৰে। প্ৰতিভাৰ বিকাশৰ বাবে এনেবোৰ কাৰ্য্যসূচীৰ প্ৰয়োজন আছে; কিন্তু আমাৰ ইয়াত বছৰেকত এবাৰ মাথোন পাঠ্যক্ৰম বহিৰ্ভূত এই আঁচনিবোৰ কাৰ্য্যকৰী হয়। ইয়াৰ পিছত কোনো ধৰণৰ চৰ্চা বা অনুশীলনৰ ধাৰাবাহিকতা নাথাকে। ইয়াৰ ফলত ল'ৰা-ছোৱালীৰ প্ৰতিভা মৰহি যায়। পদাৰ্থ বিজ্ঞানৰ ছাত্ৰ গৈ যেতিয়া অফিচৰ ফাইলৰ মাজত বন্দী হয়, আপোন সত্বাক বিচ্ছিন্ন আৰু সংকুচিত কৰে, তেতিয়া সকলো মূল্যবোধৰ স্খলন ঘটে। তথাপি এই আয়োজনবোৰত মই সহযোগ কৰিছিলোঁ। যৌৱনৰ এই উদ্দাম গতি আৰু কৰ্ম-মুখৰতা মোৰ ভাল লাগে; তাত মই বিচাৰি পাওঁ জীয়াই থকাৰ আনন্দ, স্বপ্ন আৰু মাধুৰ্য। মানুহৰ সামগ্ৰিক উদ্বোধনৰ পথেদি দেশৰ যৌৱন যদি পৰিচালিত হ'লহেঁতেন, তেন্তে সি অধিক ফলদায়ক হ'লহেঁতেন। আমাৰ ছাত্ৰ-ছাত্ৰীসকলে বিজ্ঞানকো যদি সংস্কৃতিৰ অন্তৰ্ভুক্ত কৰি লয়, তেনেহলে তেওঁলোকৰ মানসিকতা বা দৃষ্টিভংগী বিজ্ঞানসন্মত হ'ব আৰু পিছৰ জীৱনতো সকলোধৰণৰ সংকীৰ্ণতাৰ পৰা মুক্ত হ'ব পাৰিব। সংস্কৃতি মনোধৰ্মী, বিজ্ঞান বস্তুধৰ্মী হ'লেও ইয়াতো মনৰ প্ৰভাৱ নহোৱা নহয়। জীৱন আৰু জগত সম্বন্ধে প্ৰত্যক্ষ জ্ঞান আহৰণ কৰিবলৈ মনক সাজু কৰাতে বিজ্ঞানৰ সাৰ্থকতা। তেনে কৰিলে আমি বিজ্ঞানকো সংস্কৃতিৰ ভিতৰুৱা কৰিব পাৰিম। শ্বেক্সপীয়েৰে তাহানিয়েই এই কথাৰ ইংগিত দিছিল ঃ We know what we are, but know not what we may be আমি য'ত আছোঁ তাৰ কথা কোৱাটোৱেই বিজ্ঞানৰ কথা নহয়, মানুহৰ মাজত লুকাই থকা সম্ভাৱনাসমূহৰ লগতহে বিজ্ঞানৰ সম্বন্ধ। এই দৃষ্টিভংগীয়ে আমি আমাৰ মনক উদ্বুদ্ধ কৰিব লাগিব। আৰ্য বিদ্যাপীঠৰ পুথিভঁৰালত যথেষ্ট সংখ্যক কিতাপ আছে। তাৰ সদ ব্যৱহাৰ ছাত্ৰসকলে কৰে জানো? পাঠ্যপুথিৰ জ্ঞানৰ বাহিৰেও বিস্তৃতভাৱে জ্ঞান আহৰণৰ চেষ্টা কৰিলেহে মনৰ আহ পাহ মুকলি হয় আৰু পঠিত বিষয়টোও ভালকৈ আয়ত্ত কৰিব পাৰি। কিছুমান কথা আমি যুগৰ পৰিপ্ৰেক্ষিততো চাব লাগিব। ভাৰতীয় দৰ্শনৰ মতে আত্মাই জ্ঞানৰ উৎস। এই কথা বিশ্বজনীন সত্য নে? চৌপাশৰ মাটিৰ পৃথিৱী, মানুহ আৰু মানুহৰ কাৰ্য্যকলাপেই আমাৰ জ্ঞানৰ উৎস হোৱা উচিত। মানুহৰ চেতনা আৰু বস্তুজগতৰ অভিজ্ঞতাৰ পাৰস্পৰিক ক্ৰিয়াইহে জ্ঞানৰ জন্ম দিয়ে। মানুহক অৱস্থাৰ দাস বুলি কোৱা হয় যদিও, অৱস্থাৰ উন্নতি সাধনৰ মন্ত্ৰও মানুহৰ হাততেই থাকে। এই কথালৈ মন কৰিলে ছাত্ৰসকলৰ বাবে বস্তুনিষ্ঠতা বা যুক্তিধৰ্মিতা পুৱাৰ একাপ মিঠা চাহৰ দৰে হ'ব।

মোৰ শিক্ষকতাৰ শেহৰ ফালে এটা শোচনীয় অভিজ্ঞতা হৈছে। ক্ৰমান্বয়ে অনুভৱ কৰিছোঁ, ছাত্ৰ-ছাত্ৰীৰ পাঠ্যপুথিৰ প্ৰতি যেন অনীহা। 'The more you teach, the less they learn' (যিমানেই শিকোৱা হয়, সিমানেই ছাত্ৰই কম শিকে) এনে এটা পৰ্য্যায়ত যেন উপস্থিত হৈছেহি। ইয়াৰ কাৰণে কেৱল প্ৰশ্ন-ভাণ্ডাৰ বা উত্তৰ ভাণ্ডাৰেই নহয়; আমাৰ জীৱনত কোনো আদৰ্শ নোহোৱাটোও অন্যতম কাৰণ। আজিৰ ছাত্ৰ যেন মানসিকভাৱে ক্লান্ত; যিকোনো কৰ্ম বা অপকৰ্মৰ লগতে তেওঁলোকে আপোচ কৰিবলৈ দ্বিধাবোধ নকৰে। হয়তো তেওঁলোকৰ মনত আমি ভৱিষ্যত সম্পৰ্কে কোনো আশা জগাই তুলিব পৰা নাই। তেওঁলোকৰ অৱচেতনাত সমগ্ৰ ব্যৱস্থাটোৰ প্ৰতি হয়তো ঘৃণাৰ ভাৱ জন্ম হৈছে। সেই ঘৃণাই আহি অনীহাৰ ৰূপত দেখা দিছে। এনে হ'বও পাৰে, নহবও পাৰে; মোৰ কিন্তু মাজে মাজে তেনে অনুমান হয়। পৰীক্ষাত অসৎ উপায় অৱলম্বন আৰু নিৰীক্ষকৰ প্ৰতি অশ্ৰদ্ধা প্ৰদৰ্শনো হয়তো এনে এক ঘৃণাৰ ফলশ্ৰুতি। অনুত্তীৰ্ণসকলৰ দুৰ্ভাগ্য, নিবনুৱা সমস্যাৰ বিপদ, আঢ্যৱন্ত আৰু দৰিদ্ৰসকলৰ ল'ৰা-ছোৱালীৰ মাজত থকা পাৰ্থক্য, ছাত্ৰ-ছাত্ৰীৰ সমস্যাৰ প্ৰতি উদাসীনতা, ছাত্ৰসকলৰ ডিগ্ৰীলাভৰ উন্মাদনা, বজাৰী প্ৰতিযোগিতাৰ মনোভাৱ, মূল্যবোধৰ অভাৱ, অভিভাৱকসকলৰ দায়িত্বহীনতা ইত্যাদি এশ-একুৰি সমস্যাৰ অঠাই সাগৰত পৰি ছাত্ৰ-ছাত্ৰী আজি দিক্‌ভ্ৰষ্ট। পঢ়িব-শুনিব জনা মানুহৰ ভিতৰত মুষ্টিমেয় কেইজনমান কিতাপৰ পোক হ'ব, আৰু বাকীবোৰ অধ্যয়নবিৰাগী হৈ থাকিব এইটো নিশ্চয় শুভ লক্ষণ নহয়। আমেৰিকাতো এনে বুলি কৰবাত পঢ়িছোঁ। আমাৰ দেশত কিন্তু পঢ়িব শুনিব নজনা মানুহৰ সংখ্যাও বিপুল। মই ভাবোঁ, আমাৰ সমাজখনত ধন-নিয়ন্ত্ৰিত মানসিকতাই বাঁহ লৈছে। তাৰেই প্ৰভাৱ পৰিছে চৌদিশে। দুৰ্নীতি তাৰেই ফল। ছাত্ৰ-ছাত্ৰীসকল ইয়াৰ পৰা আতৰি থাকিব কেনেকৈ? আজিৰ ছাত্ৰ-ছাত্ৰীৰ আচৰণৰ বাবে মাক-বাপেকো দায়ী। টকা ঘটাত ব্যস্ত থকা মাক-বাপেকে ল'ৰা-ছোৱালীক মৰম আদৰ কৰিবলৈ সময় নাপায়। ইয়াৰ পৰোক্ষ ফল হৈছে— মানসিক সংকীৰ্ণতা। মৰম কি বস্তু তেওঁলোকে পাহৰিছে। মাকক ভাল পাইহে ল'ৰাই দেশক ভাল পাবলৈ শিকে। আমাৰ দেশত দুঃস্থ সাধাৰণ মানুহৰো সময় নাই— মধ্যবিত্তৰো নাই, উচ্চবিত্ত সকলেতো 'ছফিষ্টিকেচন'তে ব্যস্ত। অৱশ্যে শ্ৰেণীভেদে কাৰণো ভিন্ন। গণ মাধ্যম সমূহেও আমাৰ

ছাত্ৰ-ছাত্ৰীৰ ৰুচি আৰু মানসিকতাত বিপৰ্য্যয় আনিছে। কিন্তু কোনে কেনেকৈ কৰিব এইবোৰলৈ।

পাৱলো নেৰাই লেখিছিল, জীৱনে কোনো নীতি বা হুকুম নামানে। ইয়াৰ অৰ্থ জীৱনৰ ৰূপান্তৰ ঘটে। ৰূপান্তৰেহে জগত ধুনীয়া কৰে— জ্যোতিপ্ৰসাদৰ এই গায়ত্ৰী মন্ত্ৰৰ মৰ্ম আমি বুজিব লাগিব। সলনিৰ বাবে ভাৱ ল'ব লাগিব তৰুণ সকলেই। তেওঁলোকেই আমাৰ আশা-ভৰসাৰ স্থল। দেশ সলনি হৈছে ঠিকেই, কিন্তু এই পৰিবৰ্তনবোৰে মাটি ছুবগৈ পৰা নাই। আমি যেন অতীতলৈ চাই চাই খোজ দিছো। সেইবাবে সকলো পৰিবৰ্তন নেতিবাচক হৈছে। বৰ্তমানত অতীতৰ প্ৰাসংগিকতা নিৰ্ণয়ত ভৱিষ্যতৰ চিন্তাও জড়িত।

এই পোতাশালৰ পৰা সহজে মুক্তি নাই। সমাজৰ আৰ্থিক বুনিয়াদৰ পৰিবৰ্তন জৰুৰী। সেই পৰিবৰ্তন হ'লেও সকলো সমস্যাৰ অন্ত নপৰে। তথাপি ভৱিষ্যত ৰচনাৰ পথ আমি পাম। এতিয়া আমি ছাত্ৰ-ছাত্ৰীক একো দিব পৰা নাই। তেওঁলোকৰ কাণত আমি মেক্সিম গোৰ্কীৰ দৰে সেই বাণী উচ্চাৰণ কৰিব পাৰিছোঁ— Man isthe greatest treasure on earth?

এতিয়া নীৰস তত্ত্বকথাৰ পৰা তথ্যলৈ আহোঁ।

আৰ্য্যবিদ্যাপীঠৰ অসমীয়া বিভাগৰ ছাত্ৰসকলৰ লগত এবাৰ বনভোজ খাবলৈ গৈছিলো— বৰাপানীলৈ। তাৰিখ এতিয়া মনত নাই। মোৰ লগত আমাৰ বিভাগৰে অধ্যাপক ৰাধা শৰ্মাও গৈছিল। গৈ পাইছিলোঁগৈ ঠিক সময়তে, খোৱা বোৱাও সময়তেই হৈ গ'ল। আহিবৰ সময়ত দেখিলোঁ, বাছখন নিষ্প্ৰাণ। ড্ৰাইভাৰে তাত প্ৰাণ দিবলৈ চেষ্টা কৰি আছে, আমি আটাইবোৰ চিন্তিত হৈ পৰিলোঁ। বাছ ভাল কৰোঁতেই বেলি লহিয়ালে। লাহে লাহে সন্ধিয়াৰ ছাঁই আঁৱৰি ৰাখিলে। এটা সময়ত হঠাৎ বছখনৰ ইঞ্জিনে গৰজি উঠিল। আমি বৰপানী এৰিলোঁ; কিন্তু অলপ দূৰ আহিয়েই ঘাই ৰাস্তাৰ পৰা বাওঁহাতে থকা এটা সৰু বাটেদি ড্ৰাইভাৰে বাছখন লৈ গ'ল। প্ৰথমতে কথাটো কোনোৱেই মন কৰা নাছিল। অলপ দূৰ অহাৰ পিছত ছাত্ৰ-শিক্ষক সকলোৱে গা চেৰালে। দুয়োকাষে বৃহৎ কুৰুং কৰবাত গাড়ী পৰিব লাগিলে জীৱন্তে সমাধি হ'ব। ছাত্ৰসকলে ড্ৰাইভাৰক কিবাকিবি কোৱাত গাড়ী ৰখাই ঘুৰালে। সকলোৱে সন্দেহ কৰিলে— ড্ৰাইভাৰে মদ খাই বলিয়ালি কৰিছে। এহাতে এন্ধাৰ, আনহাতে ডাঠ কুঁৱলী, ড্ৰাইভাৰক এতিয়া বেছি কথা কোৱা মানে বৰলৰ বাঁহত জুই দিয়া। জীৱন মৰণ ড্ৰাইভাৰৰ হাততে। পৰিস্থিতি বুজি কোনেও উচ্চবাচ্য নকৰিলে। ড্ৰাইভাৰে গাড়ী ঘাই ৰাস্তালৈ আনি নংপো মুৱা হ'ল। গাড়ী আহি যেতিয়া নংপো পালেহি তেতিয়া ৰাতি ভালেমান হ'ল। দেখিলোঁ, গেট বন্ধ (তেতিয়া গেটৰ ব্যৱস্থা আছিল)। এতিয়া কি কৰা যায়! আকৌ চিন্তাত পৰিলোঁহঁক। সংশ্লিষ্ট বিষয়াকো বিচাৰি পোৱা নগ'ল। শেষত ৰাতিটো কটাবলগীয়া হ'ল নাংপোতে। ল'ৰাহঁতে জুই একুৰা ধৰি জাৰ খেদাই থাকিল। মই বাছতে অলপ কাতি হ'লোঁ।

কাউৰীয়ে কা-কৰাতে উঠি মই ওচৰৰে মানুহ এঘৰত শৌচাচাৰ কৰোঁ বুলি গ'লো। ছাৰ্ভিছ লেট্ৰিন। পানী তুলি ল'ব লাগে কুঁৱাৰ পৰা। তুলি থোৱা পানী অলপ আছিল। তাৰে নিত্যকৰ্ম, ফেৰা কৰি কুঁৱাৰফালে গ'লোঁ। গৈ দেখিলোঁ এখন পুৰণি মামৰে ধৰা টিনপাত দিয়া আছে আৰু টিন-পাতৰ আগটো কুঁৱাটোৰ প্ৰায় মাজ পাইছেগৈ। টিন-পাতৰ ওপৰেদি দুখোজমান গৈছোঁহে, এনেতে গ'লো পিছলি। মানুহটো চিৎভোলোঙা খাই পৰিলোঁ। কৰ্কালত দুখ পাই চকুৰেদি সৰিয়হ ফুল দেখিলোঁ। ভৰি দুটা টিনপাতৰ মূৰত ওলমি ৰ'ল ভাগ্যে কুঁৱাত নোসোমালোঁ। অ'ত ত'ত ধৰি মেলি ভৰি কেইটা ওপৰলৈ আনি কোনোমতে পৰি থকাৰ পৰা উঠিলোঁ। নিশ্চিত সলিল-সমাধিৰ পৰা হাত সাৰিলোঁ। পৰি যোৱা হ'লে কিজানি কি হ'লহেঁতেন! হয়তো মোৰ উৱাদিহ কোনেও নাপালেহেঁতেন।

ৰাতি নহা দেখি ঘৰত হুৱা-দুৱা। ৰাতিটো সহি তাপৰি থাকিল। পুৱাই মোৰ ডাঙৰ ল'ৰাটিয়ে খবৰ ল'বলৈ বুলি অধ্যক্ষ শৰ্মাৰ ওচৰ পালেহি। শৰ্মাদেৱে আহিব বুলি আশ্বাস দিলে। আহিলোঁ ঠিকেই, কিন্তু যমদূতৰ সেই ভয়ংকৰ ৰূপ, কৃষ্ণবৰ্ণ কায়, দেখি ধাতু যায়, হাতত লোহাৰ দাং— আজিও পাহৰিব পৰা নাই।

অধ্যক্ষ গিৰিধৰ শৰ্মাই পাঠ দান পদ্ধতি সম্পৰ্কেও চিন্তা-চৰ্চা কৰিছিল। অৱশ্যে গতানুগতিক ধৰণে। এই সম্পৰ্কে তেওঁ এখন কমিটি কৰি মোক তাৰ সম্পাদক হ'বলৈ অনুৰোধ কৰিছিল। ওচৰৰ গুৰুনানক স্কুল, অৰবিন্দ হাইস্কুল, আৰ্য্যবিদ্যাপীঠ উচ্চতৰ মাধ্যমিক স্কুল আৰু কলেজৰ শিক্ষক সকলৰ পৰা দুই-চাৰিজন বাচি লৈ কমিটিখন গঠন কৰিছিল। মই সম্পাদক হ'লো। পষেকে পষেকে স্কুলে স্কুলে মিটিং হয় সেইবোৰত পাঠদান সম্পৰ্কে নিজ নিজ অভিজ্ঞতাৰ কথা শিক্ষক সকলে কয়। এদিন অধ্যক্ষ শৰ্মাই মোক ক'লে— আপুনি Demonstration Class (পাঠদানৰ আৰ্হি দেখুৱাই লোৱা ক্লাছ এটা লওঁক। মই অলপ পানীৰ মাছ। ইতস্ততঃ কৰিছিলোঁ। পিছত তেখেতৰ কথা ৰাখি ক্লাছটো ল'বলৈ ঠিক কৰি এদিন কলেজৰ এটা ৰূমত বহিলোঁহঁক। তাত উপস্থিত থাকিল অধ্যক্ষ শৰ্মা, অৰবিন্দৰ প্ৰধান শিক্ষক (নামটো পাহৰিছোঁ), আৰ্য্যবিদ্যাপীঠ স্কুলৰ শিক্ষক বলোৰাম ডেকা। আৰু যদি কোনোবা

আছিল এতিয়া মনত পৰা নাই। কবি দেৱকান্ত বৰুৱাৰ 'অপ্ৰকাশ' নামৰ কবিতাটোকে পঢ়ুৱাম বুলি ঠিক কৰিলোঁ। পূৰ্বে আলোচনা। কবিতাৰ সংজ্ঞা, কবি পৰিচয় আৰু তেওঁৰ কবিতাৰ বৈশিষ্ট্য, পাঠটোৰ ব্যাখ্যা আৰু শেহত প্ৰশ্নৰ সহায়ত ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ পৰীক্ষা— এইখিনিৰে পাঠদান সামৰিছিলোঁ। ক্লাছটো লওঁতে মোৰ এঘন্টাকৈ বেছি সময় লাগিছিল। শেষ হোৱাৰ পিছত অধ্যক্ষ শৰ্মাই ক'লে— আপোনাৰ পাঠদান সুন্দৰ হৈছে। ইমানখিনি সময় কেনি গ'ল ক'বই নোৱাৰিলোঁ। ইকিজনেও এই ষাৰ কথাকে মানি ল'লে। সেইদিনা বুজিছিলোঁ, ল'ৰা-ছোৱালীৰ সুপ্ত গুণসমূহ জাগ্ৰত কৰাটোৱেই শিক্ষকৰ ধৰ্ম। কেৱল বক্তৃতা পদ্ধতিয়েই যথেষ্ট নহয়।

আৰু এটা দিনৰ কথা মোৰ মনত আছে। মই তেতিয়া সপৰিয়ালে কলেজৰ চৌহদত আছোঁ। ৰাজপথৰ কাষৰ দালানটোৰ প্ৰথম মহলাৰ দুটা কোঠা লৈ আছিলোঁ। মোৰ নিচেই কাষতে আছিল বানাৰসীলাল শ্ৰীবাস্তৱ। তেওঁ আৰু তেওঁৰ পৰিবাৰ দুয়ো ইউ.পিৰ মানুহ, কিন্তু সুন্দৰ অসমীয়া কয়। মানুহজন কাব্যমোদী। চলন-ফুৰণত স্ফূৰ্তিবাজ। এতিয়া তেওঁ নাই, কাশীত কাম পাই গ'লগৈ। ১৯৬৬ চনৰ ২৬ জানুৱাৰীত গুৱাহাটীত ৰহস্যজনকভাৱে ব্যৱসায়ী আৰু উদ্যোগ অঞ্চলবোৰত অগ্নিকাণ্ড সংঘটিত হ'ল। বহুতো ব্যৱসায়ী ক্ষতিগ্ৰস্ত হ'ল। ফলত তোলপাৰ লাগিল। দিল্লীৰ সিংহাসনো কঁপি উঠিল। কেন্দ্ৰীয় মন্ত্ৰী ৱাই.বি. চৱন আহি গুৱাহাটী পালেহি। সান্ধ্য আইন বলবৎ হ'ল। মিলিটেৰীয়ে কুচ্‌কাৱাজ আৰম্ভ কৰি দিলে। কলেজৰ সন্মুখেদি অহা-যোৱা কৰি থকা মিলিটেৰীবোৰে তেতিয়াৰ কলেজৰ চৌহদতে থকা অস্থায়ী ছাত্ৰাবাসত সোমাই অনাহকতে দুই এজন ছাত্ৰক অপমান কৰিছিল। এই কথাত ছাত্ৰসকলৰ খং উঠিল। তেওঁলোকে মিলিটেৰীৰ অহা-যোৱা বন্ধ কৰিবলৈ কলেজৰ মুখতে থকা ঘোঁড়া গাড়ী কিছুমান ৰাস্তাৰ মাজলৈ আনি বাট ভেটা দিলে। ভেটা দিয়াৰ ঠিক আগে যোৱা এখন গাড়ীলৈ ইটা দলিয়ালে। গাড়ীখনৰ পাছফালটো মুকলি। ইটা গৈ মিলিটেৰীৰ গাত পৰিল গৈ। গাড়ীখন নৰ'ল; কিন্তু অলপ পিছতে এদল মিলিটেৰী আহি ৰাস্তাত উপস্থিত হ'লহি আৰু পজিচন লৈ আমাৰ ফালে বন্দুক টোঁৱাই ৰ'ল। আমি সন্ত্ৰস্ত হ'লো, শ্ৰীবাস্তৱ আৰু মোৰ পৰিয়াল আছিল। বাকী যিসকল আছিল ডঙুৱা। অধ্যাপক ফণী ডেকাই বাৰান্দাৰ পৰা সিহঁতৰ লীলা-খেলা চাই আছিল। আমি ল'ৰা-ছোৱালীবোৰক সাৱধানে থাকিবলৈ কৈ ওলাই আহি দেখোঁ ছাত্ৰসকলে আঁৰৰ পৰা মিলিটেৰীলৈ দলিয়াই আছে। তেওঁলোকক সংযত হ'বলৈ কওঁ হে কওঁ, কামত নাহে। অৱস্থা ক্ৰমাৎ বেয়াৰ ফাললৈহে যাবলৈ ধৰিলে। তেনেকুৱাতে এজন সুশ্ৰী কাশ্মীৰী কামাণ্ডাৰে মিলিটেৰীবোৰক বন্দুক সামৰিবলৈ ক'লে, আৰু নিজে ফণী ডেকাৰ লগত কথা-বতৰা আৰম্ভ কৰিলে। তেওঁ ছাত্ৰসকলৰ আচৰণ বেয়া বুলি কৈ তেওঁলোকক তদাৰক কৰিব লাগে বুলি অনুৰোধ কৰিলে আৰু লগতে শিক্ষানুষ্ঠানত তেওঁলোকে এনে তেজৰ খেলা কৰিবলৈ ভাল নাপায় বুলিও মন্তব্য কৰিলে। ফণী ডেকাইঁতে ল'ৰাইঁতক বিৰত হ'বলৈ ক'লে আৰু কামাণ্ডাৰজনক ধন্যবাদ জনালে। মানুহজনৰ সুবিবেচনাই পৰিস্থিতি শান্ত কৰি তুলিলে। লিপ্‌লিপ টানি সুখ পোৱা সকলো নিৰন্ত হ'ল। সেই যাত্ৰালৈ ৰক্ষা পৰিলোঁ। এই ঘটনা আজিও কিতয়াবা মনত পৰে। অনাহক মৃত্যু কোনেনো কামনা কৰে? অনুভৱ হয়, জোন-বেলি তৰাৰে উজ্জ্বল আকাশৰ তলত অন্ধকাৰো শুই থাকে, সুযোগ পালেই সি যেন দানৱৰ দৰে আহি অমানৱীয় সত্বাক জগাই দি কয়; হত্যা কৰা মানুহক, ধ্বংস কৰা পৃথিৱীক। ইয়াৰ পৰা নিস্তাৰ জানো নাই? আছে, ক'ৰবাত জীৱনৰ শক্তিও সক্ৰিয় হৈ আছে। ই ইতিহাসৰে সত্য। এনে এক আশা আছে বাবেই পৃথিৱীখন সুন্দৰ।

কেতিয়াবা 'ফাগু'লৈ মনত পৰে। তলৰ মহলাৰ মানুহ, নিৰক্ষৰ হোজা। আৰ্য্যবিদ্যাপীঠ কলেজক জন্মৰে পৰাই সি লালন কৰিছিল। আৰ্য্যবিদ্যাপীঠৰ প্ৰতিটো বস্তুৰ স'তে তাৰ পৰিচয় আছিল ঘনিষ্ঠ। হাতত সদায় একোছা চাবি। অধ্যক্ষ শৰ্মাই তাৰ ওপৰত বস্তুৰ ভাৰ দি নিশ্চিত হৈছিল। শৰ্মাৰ বিনানুমতিত কলেজৰ বস্তু কাকো নিদিছিল। শুনিছিলোঁ, অধ্যক্ষৰ ভুলক্ৰমে টেবুলত এৰি থৈ যোৱা টকাও যেন আছে তেনেভাৱে ফাগুৱে অধ্যক্ষক হেনো চমজাই দিছিল। এনে বিৰল সততাৰ অধিকাৰী আছিল ফাগু। কলেজৰ চৌহদত থাকোঁতে মোকো সি সহায় কৰিছিল। মোৰ সৰু ছোৱালী আৰু সৰু ল'ৰাটোৰ লগত তাৰ বন্ধুত্ব আছিল। সিহঁতে তাক বুলিছিল ফাগু চাচা। সি সদায় সিহঁতক উপহাৰ দিছিল একোথোপা ফুল। ওখ হটঙা গোঁফাল এই মানুহটো দেখাত কৰ্কশ যেন লাগিলেও কোমল অন্তৰৰ আছিল। তাৰ মৃত্যুত দুখ পাইছিলোঁ সেই সময়তে অৱসৰপ্ৰাপ্ত অধ্যক্ষ শৰ্মাই খবৰ পাই তাৰ মৃতদেহত ফুল দিবলৈ আহিছিল। ফাগুৰ মাজত সুপ্ত হৈ থকা মানুহটো মৃত্যুৰ আন্ধাৰত সেইদিনা হেৰাই গ'ল।

তাৰ কিছুদিনৰ পিছত অধ্যক্ষ শৰ্মাও আমাৰ মাজৰ পৰা হেৰাই গ'ল। বিকল হৈ যোৱা হৃদযন্ত্ৰই তেওঁৰ মৃত্যুক মাতি আনিলে। শ্ৰদ্ধেয় অতুল হাজৰিকাৰ ভাষাত তেওঁ 'বিশ্বকৰ্মা'। মদনমোহন মালব্যৰ হাঁহিটো বোলে লাখটকীয়া; অধ্যক্ষ শৰ্মাৰ হাঁহিত লাখটকীয়া যাদু হয়তো নাছিল, কিন্তু তেওঁৰ হাস্যময় ব্যক্তিত্বত দাতাসকলো মুগ্ধ হৈছিল। কলেজ নিৰ্মাণৰ বাবে তেওঁ বহুতৰে ওচৰত হাত পাতিছিল, কোনেও তেওঁক বিমুখ কৰা নাছিল। পিতনি পোতাৰ পৰা কলেজ

নির্মাণলৈকে তেওঁ যিখিনি কৰিলে, তাৰ প্ৰশংসা তেওঁৰ প্ৰাপ্য। ভাৰতীয় আধ্যাত্মিক দৰ্শনৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা আছিল অপৰিসীম। কলেজৰ গেটখনৰ পৰিকল্পনাটোৱে তাকেই কয়। তেওঁ অৱশ্যে তাক বিশ্লেষণ কৰি নাচাইছিল। যি পটভূমিত তাৰ জন্ম, সেই পটভূমি এতিয়া নাই। আজিৰ পৰিৱেশত তাৰ প্ৰয়োগ বা ব্যাখ্যা কেনেদৰে হোৱা উচিত তালৈ তেওঁ মন দিয়া নাছিল। ছিন্নমূল আধুনিকতা আৰু নিষ্প্ৰাণ ভাৰতীয় ঐতিহ্য— এইদুয়োটাৰে অদ্ভুত সংমিশ্ৰণ তেওঁ যিটো আজিৰ আমাৰ ভাৰতীয় মধ্যবিত্ত সমাজৰো ছবি।

আৰ্য্য বিদ্যাপীঠৰ চৌহদত যেতিয়া তেওঁৰ মৃতদেহত ফুল দিছিলোঁ, তেতিয়া দুখ লাগিছিল এই ভাবি, তেওঁৰ অতি মৰমৰ আৰ্য্যবিদ্যাপীঠৰ প্ৰাংগণলৈ তেওঁ আৰু কোনো দিনেই নাহিব। মৃত্যু এটা স্বাভাৱিক ঘটনা, পূৰ্ণবয়স্কৰ মৃত্যুত দুখৰ কাৰণ নাথাকে। গিৰিধৰ শৰ্মাৰ মৃত্যু প্ৰায় অকাল মৃত্যু। হৃদযন্ত্ৰ বিকল নোহোৱাহেঁতেন তেওঁ আৰু কিছুদিন জীয়াই থাকিলহেঁতেন, আক্ষেপ আমাৰ সেইটোৱেই। উদ্যম, কৰ্ম-প্ৰেৰণা, সংগঠন-শক্তিৰ প্ৰতিভূ এই পুৰুষজনে আৰু জনহিতকৰ কাম কৰিব পাৰিলেহেঁতেন, আক্ষেপ আমাৰ সেইটোৱেই। উদ্যম, কৰ্ম-প্ৰেৰণা, সংগঠন-শক্তিৰ প্ৰতিভূ এই পুৰুজনে আৰু জনহিতকৰ কাম কৰিব পাৰিলেহেঁতেন। এতিয়া আৰু সেইকথা ভাবি লাভ নাই। তেওঁৰ ঠাইত কলেজৰ দায়িত্ব গ্ৰহণ কৰোঁতা অধ্যক্ষ অমৃত সিঙে শৰ্মাই দি থৈ যোৱা পৰম্পৰাক আৰু শক্তিশালী কৰিব বুলি আমি নিশ্চয় আশা কৰিব পাৰোঁ। তাহানি কবি চন্দ্ৰধৰ বৰুৱাই লিখিছিল— তেওঁ ধূলিকণা, তেওঁ মৰিলেও জগতৰ একো হানি নহয়। গিৰিধৰ শৰ্মাৰ মৃত্যুত কলেজৰ কাম চলি থাকিব, কিন্তু তেওঁ উদ্যম আৰু কৰ্মমুখিতাৰ পোহৰ নাইকিয়া হ'লে, সেই পৰম্পৰাক নতুন চিন্তাৰে সবল নকৰিলে কলেজৰ প্ৰাণ-বস্তুত ঘূণে ধৰিব পাৰে। স্বৰ্গীয় শৰ্মাৰ সোঁৱৰণি ৰক্ষাৰ চেষ্টা চলিছে। অধ্যাপক দীনেশ বৰুৱা, কবি নীলমণি ফুকন আদিয়ে ইয়াত আগভাগ লোৱা কথা জানো। আশা কৰোঁ সেই কাম অচিৰে সম্পূৰ্ণ হ'ব। তেওঁৰ সোঁৱৰণত এবাৰ এটা বক্তৃতাৰো আয়োজন কৰা হৈছিল। কলেজৰ শিক্ষক গোটে ধাৰাবাহিকভাৱে এই কাম চলাই যাব পাৰিলে এটা ভাল কাম হ'ব। বৈষ্ণৱ ধৰ্ম সম্পৰ্কে ডঃ মহেশ্বৰ নেওগে দিয়া প্ৰথম বক্তৃতাটো উপাদেয় হৈছিল। এনে ধৰণৰ বক্তৃতাৰ পৰা সংশ্লিষ্ট সকলোৰেই উপকৃত হ'ব।

কলেজত প্ৰায় কুৰিবছৰ কটালোঁ। অৱশেষত ১৯৮৩ চনৰ এপ্ৰিলত অৱসৰ ললোঁ। 'Apil is the cruellest month'. মোৰ বাবেও এপ্ৰিল মাহ নিষ্ঠুৰ হৈ দেখা দিলে। সাহায্যপ্ৰাপ্ত কলেজৰ শিক্ষকৰ বাবে অৱসৰো এক কৰুণ অভিজ্ঞতা। মোৰ পাছত যিসকলে অৱসৰ ল'ব তোওঁলোকৰ এনে দুৰ্দশা নহ'ব বুলিয়েই আশা কৰিছোঁ। আচলতে শিক্ষা বিষয়টোৱেই আমাৰ দেশত অৱহেলিত।

এই কেইটা বছৰত ভালেমান অধ্যাপক, অধ্যাপিকাক লগ পালোঁ। শিক্ষকসকলক মই সমাজ দেহৰ উত্তমাংগ বুলি ভাবোঁ। আমাৰ বৰ্তমান ব্যৱস্থাত শিক্ষক-শিক্ষয়িত্ৰী সকলৰ বৌদ্ধিক ব্যক্তিত্ব অধ্যাপনাৰ মেৰঘৰতে বন্দী হৈ আছে। সি এটা সংস্কৃতি বা way of lifeত পৰিণত হোৱা নাই। কিয় হোৱা নাই তাৰ আলোচনাৰ ঠাই এই প্ৰবন্ধত নাই। যি কি নহওক, আমাৰ কলেজৰ কেইজনমান অধ্যাপকৰ লগত মোৰ অতিশয় ঘনিষ্ঠতা আছিল। সেইসকলৰ সংগ আৰু সাহচৰ্য্যাৰে মই ধন্য হৈছিলোঁ আৰু তেওঁলোকে মোৰ বৌদ্ধিক বিকাশতো (যদি কিবা হৈছে) অৰিহণা যোগাইছিল। এইবাবে তেওঁলোকৰ ওচৰত মই কৃতজ্ঞ।

অৱসৰ লোৱাৰ পিছত ভাবিছোঁ, এতিয়া কি কৰিম? বয়সৰ ভাৰ, পাৰিবাৰিক জঞ্জাল, অৰ্থাভাৱ, বস্তুৰ জুই ছাই দাম, দুৰ্নীতিগ্ৰস্ত বাতাবৰণৰ মাজত মোৰ মানসিকভাৱে মৃত্যু ঘটিব নে কি? মই কিন্তু আশাবাদী। একো কৰিব নোৱাৰিলেও শ্বেক্সপিয়েৰৰ দৰে সকিয়াই দিম ঃ

Take not, Take not oh. world
To be direct and honest is not safe.

এদিন গুৱাহাটীৰ প্ৰেমত পৰি ইয়াৰ বুকুলৈ আহিছিলোঁ। মহানগৰীৰ বুকুত কিন্তু উম নাই। ই কল্লোলিনী তিলোত্তমা হোৱাৰ আশা নাই। বিদ্যায়তনবোৰৰ মাজতো হৃদয়ৰ পুখুৰী শুকাল মানবীয় প্ৰমূল্যৰ মুকুতা আজি দুৰ্লভ। তথাপিতো বিদ্যাৰ্থীসকলেই এদিন জুইকুৰা জ্বলাব। সেই জুইতে ছাই হৈ যাব সকলো অকাল কুষ্মাণ্ড। সেই ছাইৰ পৰা এদিন উৰি যাব ফিনিক্স চৰাই— আলোক উজ্জ্বল প্ৰভাতৰ দুৱাৰ খোল খাব। মোৰ দুখ, সেই পোহৰৰ পখীৰ উৰণ চকুত পৰাৰ আগতেই কিজানি অন্ধকাৰ মহানিশাই মোক সাৱতি ল'ব। তথাপিতো বিশ্ববিশ্ৰুত শিল্পী পিকাছোৰ দৰেই ক'বৰ মন যায়—। I stand for life against death.■

# আৰ্য বিদ্যাপীঠ

❐ নীলমণি ফুকন
প্ৰাক্তন অধ্যাপক

আৰ্য বিদ্যাপীঠ মোৰ লেখক-জীৱনৰ, কৰ্ম-জীৱনৰ প্ৰধান আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ ক্ষেত্ৰ আছিল। এই দীঘলীয়া সময়ছোৱাতে মোৰ জিজ্ঞাসা আৰু কৌতূহলৰ দিগন্ত ক্ৰমাৎ প্ৰসাৰিত হৈ গৈছিল। বিভিন্ন বিষয়ৰ অজস্ৰ কিতাপ দিনে-ৰাতিয়ে য'তেই যি পাইছিলো তাকেই পঢ়িছিলোঁ। প্ৰধানকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ লাইব্ৰেৰী, প্ৰকাশন পৰিষদৰ লাইব্ৰেৰী, চেণ্ট্ৰেল লাইব্ৰেৰী, আমেৰিকান কৰ্ণাৰ, জিলা পুথিভঁৰাল আৰু আমাৰ কলেজ লাইব্ৰেৰীটোৰ উপৰি গুৱাহাটীৰ বিদ্বানজনৰ পৰা কিতাপ আনি পঢ়িছিলোঁ। সেই সময়ত গুৱাহাটী চেণ্ট্ৰেল লাইব্ৰেৰীয়ে কলিকতাৰ জাতীয় গ্ৰন্থাগাৰৰ পৰা কিতাপ আনি কেন্দ্ৰীয় পুথিভঁৰালৰ পঢ়ুৱৈক কিতাপ যোগান ধৰিছিল। পঢ়ুৱৈয়ে কেৱল কিতাপ অনা বা নিয়াৰ খৰচটো দিব লাগিছিল। লৰকা অনুবাদ কৰি থাকোঁতে গ্ৰন্থগাৰিক ৰাম গোস্বামী ছাৰে ভালকেইখন মূল্যবান দুষ্প্ৰাপ্য গ্ৰন্থ কলিকতাৰ জাতীয় গ্ৰন্থাগাৰৰ পৰা আনি আমাৰ কেন্দ্ৰীয় পুথিভঁৰালতে মোক পঢ়িবলৈ সুবিধা কৰি দিছিল। জাপানী আৰু চীনা কবিতা ভাঙনি কৰি থাকোঁতে বিশ্বভাৰতী আৰু জাতীয় গ্ৰন্থাগাৰত গৈ কিছুদিন নিয়মীয়াকৈ পঢ়া-শুনা কৰি যাৱতীয় টোকা আৰু কিতাপ জেৰক্স কৰিছিলোঁ। মামণি ৰয়ছম গোস্বামীয়েও দিল্লী বিশ্ববিদ্যালয়ৰ পৰা মোলৈ কেইবাখনো মূল্যৱান কিতাপ পঠাইছিল। নতুন দিল্লীৰ জাতীয় চিত্ৰশালাৰ লাইব্ৰেৰীত গৈয়ো শিল্পকলা সম্পৰ্কীয় কিতাপ পঢ়িছিলোঁ। কেইজনমান বন্ধুৰ সৌজন্যত কটন কলেজৰ লাইব্ৰেৰীত থকা কিতাপো আনি পঢ়িছিলোঁ। সৰু হ'লেও আমাৰ কলেজৰ লাইব্ৰেৰীটো ভালেমান মূল্যবান দুষ্প্ৰাপ্য কিতাপ আছিল। আজৰি পালেই লাইব্ৰেৰীটোলৈ মই প্ৰতিদিনেই গৈছিলোঁ। কিন্তু মোৰ জীৱনটো গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা আনি পঢ়া কিতাপেৰেই

চহকী। কলেজৰ পৰা অৱসৰ লোৱাৰ পিছতো গুৱাহাটী বিশ্ববিদ্যালয়ৰ লাইব্ৰেৰীৰ পৰা নিয়মিতভাৱে কিতাপ আনি পঢ়িছিলোঁ; বিচিত্ৰ বিষয়ৰ কিতাপ।

আৰ্য বিদ্যাপীঠৰ নাম নুশুনা শিক্ষিত মানুহ আমাৰ সমাজত নাই। সেই সূত্ৰতেই অসমৰ সকলো মানুহে পণ্ডিত গিৰিধৰ শৰ্মা ব্যাকৰণ শাস্ত্ৰীক জানিছিল আৰু এতিয়াও জানে। আৰ্য বিদ্যাপীঠৰ প্ৰাণদাতা প্ৰাণস্বৰূপ। শয়নে-সপোনে আৰ্য বিদ্যাপীঠ আছিল যাৰ স্বপ্নৰ জ্ঞানপীঠ। শৰ্মা ছাৰে আমাৰ চকুৰ আগতে কেনেকৈ দিনক ৰাতি কৰি, ৰাতিক দিন কৰি আৰ্য বিদ্যাপীঠ স্কুল আৰু কলেজ গঢ়ি তুলিছিল সেই কথা মনলৈ আহিলে আজিও মূৰ দোঁ খায়। শিক্ষক হিচাপে মই তেওঁৰ স্নেহধন্য আছিলোঁ। মোৰ লিখা-পঢ়া, পঢ়োৱাৰ ক্ষেত্ৰত সদায় উদগনি দিছিল। মই তেওঁক এবাৰ কৈছিলো— ছাৰ, শিক্ষকতাক মই জীৱিকা বুলি নহয় জীৱন বা জীৱনৰ ব্ৰত বুলিহে লৈছোঁ।

আৰ্য বিদ্যাপীঠত শিক্ষকতা কৰিবলৈ আহি আকৌ এটা বিদ্যাৰ্থীৰ জীৱন আৰম্ভ কৰিছিলো,— পঢ়া, পঢ়োৱা, পঢ়িম, শিকিম। মই ভৰলুমুখৰ ভাৰা ঘৰত থাকোঁতে গিৰিধৰ শৰ্মা ছাৰ এবাৰ আমাৰ ঘৰলৈ আহিছিল। মোকো তেওঁ এবাৰ চামতাৰ ঘৰলৈ লৈ গৈছিল। তাতে তেওঁৰ মাতৃদেৱীক দেখিছিলো। তেওঁৰ ভাতৃ উমাকান্ত শৰ্মা আমাৰ সময়ৰ এজন বৰেণ্য ঔপন্যাসিক। উমাকান্ত শৰ্মাও মোৰ এজন পৰম শ্ৰদ্ধেয় মানুহ আছিল আৰু মোক লগ পালেই তেওঁ কৈছিল— তুমি কবিতা লিখি থাকা। তোমাৰ কবিতা মই ভাল পাওঁ। আৰ্য্যবিদ্যাপীঠলৈ আহি আৰু এখন বৃহৎ সাৰস্বত সমাজ পালোঁহি। মানুহৰ সঙ্গ, সান্নিধ্য, সম্বন্ধ, সম্পৰ্ক কথা পতাৰ যোগেদিয়েই মানুহে কত কথা শুনে, কত কথা শিকে, কত কথা নতুনকৈ ভাবে, চিন্তা কৰে, ভুল শুদ্ধ কৰে আৰু নিতৌ নতুন সপোন দেখে। আৰ্য বিদ্যাপীঠত শিক্ষকতা কৰোঁতে দুই-এজনৰ বাহিৰে বাকী সকলো শিক্ষকৰ লগতে মোৰ সম্পৰ্ক হৈছিল। কামৰূপী লোকগীতৰ কিংবদন্তি স্বৰূপ ৰামেশ্বৰ পাঠকক তাতেই প্ৰথম লগ পাইছিলোঁ। তেতিয়া তেওঁ জনা-জাত হোৱা নাছিল। জিৰণিৰ সময়ত তেওঁৰ কণ্ঠত তেতিয়া পৰৱৰ্তীকালৰ কেইবাটিও বিখ্যাত কামৰূপী লোকগীত শুনাৰ সৌভাগ্য হৈছিল—

*অ' পখী বৈয়ে যা,... অ গোপাল অ* ইত্যাদি। ডেস্কখনতেই হাতেৰে তাল ধৰিছিল। ৰামেশ্বৰ পাঠক আজিও মোৰ আটাইতকৈ প্ৰিয় শ্ৰদ্ধেয় কামৰূপী লোকগীতৰ কণ্ঠশিল্পী। হীৰেণ শৰ্মাক মানুহে নজনাকৈ অকালতে ঢুকাল। আৰ্য বিদ্যাপীঠতে শৰ্মাক প্ৰথম লগ পাইছিলোঁ। তেওঁ কলিকতাৰ প্ৰখ্যাত শাস্ত্ৰীয় কণ্ঠশিল্পী চিন্ময় লাহিড়ীৰ তত্বাৱধানত ভাৰতীয় শাস্ত্ৰীয় সংগীত চৰ্চা কৰিছিল। গানৰ যোগেদিয়েই তেওঁৰ লগত মোৰ এটা বন্ধুত্ব গঢ়ি উঠিছিল। স্কুলৰ শিক্ষকৰ জিৰণি কোঠাতে অনবৰতে গুণগুণাই থাকিছিল আৰু কেতিয়াবা কেতিয়াবা তেওঁ গুণগুণাই থকা ৰাগটো অকণমান ডাঙৰ কৰি গাবলৈ মই অনুৰোধ কৰিছিলোঁ। তাৰ ভিতৰত যোগিয়া, ইমন কৈলান আৰু মালকোষৰ অংশ বিশেষ শুনি মই মুগ্ধ হৈছিলোঁ। তেওঁ 'ৰাগমঞ্জুৰী' নামেৰে ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ বিষয়ে এখন কিতাপো লিখি থৈ গৈছে আৰ্য্যবিদ্যাপীঠৰ আন তিনি সহকৰ্মী আছিল দুৰ্লভানন্দ ৰাজখোৱা, দিনেশ চন্দ্ৰ বৰুৱা, অশ্বিনি পাঠক। ৰাজখোৱা মাৰ্ক্সবাদী আদৰ্শত বিশ্বাসী লোক। তেওঁ মোক মাজে মাজে দেৱীপ্ৰসাদ চট্টোপাধ্যায়ৰ লোকায়ত, বেলেনেস্কী আদিৰ কথা কৈছিল। তেওঁ সেই সময়ত 'সাপ্তাহিক নৱযুগ'ত দৰ্শন বিষয়ত গোটাচেৰেক প্ৰবন্ধ লিখা মোৰ মনত পৰে। দীনেশ চন্দ্ৰ বৰুৱা আৰু অশ্বিনি পাঠক কটন কলেজত মোৰ সহপাঠী আছিল। তেতিয়াই তেওঁলোকৰ লগত মোৰ দীঘলীয়া বন্ধুত্ব, আত্মীয়তাৰ সূত্ৰপাত হৈছিল আৰু সেই বন্ধুত্ব আজিও বৰ্তি আছে। তেওঁলোক দুয়ো মোৰ মনৰ মাজত আছে আৰু তেওঁলোক দুয়োৰে মোক কেনেধৰণে নানা কথাত নানা সমস্যাত আপোন মানুহৰ দৰে দীৰ্ঘকাল ধৰি সহায় আৰু উৎসাহিত কৰি আহিছে। দীনেশ চন্দ্ৰ বৰুৱা পৰৱৰ্তী কালত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক হৈছিল. নিজে সাহিত্য চৰ্চা নকৰিলেও মোক কেনেকৈ সততে উৎসাহিত কৰিছিল সেই কথা মই কেতিয়াও পাহৰিব নোৱাৰো। দীনেশ বৰুৱা আৰু তেওঁৰ পৰিয়ালে মোক নিজৰ এজন আপোন মানুহ বুলি ভাবিছিল। ময়ো ভাবিছিলোঁ; এতিয়াও ভাবোঁ।

আৰ্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিকত থাকোঁতে খুব কম সময়ৰ কাৰণে হ'লেও দুজন অধ্যক্ষক লগ পাইছিলোঁ। হৃদয়ানন্দ চৌধুৰী আৰু মহেন্দ্ৰ নাথ গোহাঁই। হৃদয়ানন্দ চৌধুৰীৰ দৰে সৰল হৃদয়বান আপোন ভোলা মানুহ মোৰ জীৱনত খুব কমেইহে লগ পাইছোঁ। তেওঁ আমাক কাহানিও কোনো কথা টানকৈ কোৱা নাছিল। মৰম কৰিছিল। এই গান্ধীবাদী খদ্দৰ পৰিহিত চৌধুৰী ছাৰৰ মৰমিয়াল মাতষাৰে সকলোকে মুগ্ধ কৰিছিল। আনজন আছিল মহেন্দ্ৰ নাথ গোহাঁই। মিত-ভাষী গহীন-গম্ভীৰ এটি বুদ্ধিদীপ্ত ব্যক্তিত্বৰ অধিকাৰী তিৰবিৰাই থকা গোঁহাই ছাৰৰ সেই চকুযুৰি মই এতিয়াও পাহৰা নাই। গোহাঁই ছাৰ মোৰ সহপাঠী ৰবীন গোহাঁই আৰু অনুজ ড° হীৰেন গোহাঁইৰ দেউতাক। দেখাত গোহাঁই ছাৰক খঙাল, কঠোৰ

যেন লাগে, কিন্তু প্ৰকৃততে তেওঁ আছিল এজন হৃদয়বান কোমল অন্তৰৰ মানুহ। সকলো ছাত্ৰ-ছাত্ৰীৰ এজন প্ৰকৃত শুভাকাংক্ষী আৰু অতিৰিক্ত অভিভাৱক। গোহাঁই ছাৰক মই আগৰ পৰাই জানিছিলোঁ। সেই সময়ত মই তেওঁলোকৰ ঘৰলৈ মাজে মাজে গৈছিলোঁ। পৰিয়ালৰ আনলোকৰ লগতো মোৰ চিনা-পৰিচয় আছিল। কিন্তু উচ্চ মাধ্যমিকত মহেন্দ্ৰনাথ গোহাঁই ছাৰক ওচৰতে পাইছিলোঁ। মাজে মাজে মোক তেওঁৰ কোঠালৈ মাতি নিছিল। কি পঢ়াইছা, কি পঢ়ি আছা সুধিছিল। তেওঁও অধ্যয়নশীল জিজ্ঞাসু মানুহ আছিল। 'আসাম ট্ৰিবিউন কাকত'ত অসম বুৰঞ্জীৰ কিবা বিষয়ক লৈ লিখা দুখনমান চিঠি পঢ়াৰ কথা মোৰ মনত পৰে। এবাৰ তেওঁৰ অফিচলৈ মাতি নি কি পঢ়ি আছা বুলি সুধিলত মই ক'লো, জিম কৰবেটৰ Man Eaters of Kumaon কিতাপখনৰ কথা। গুৱাহাটীত কিতাপখন পাম নেকি বাৰু? মই কৈছিলো, ছাৰ মোৰ কিতাপখনকে কালিলৈ লৈ আহিম, মোৰ পঢ়া হৈছে। তেওঁ ততাতৈয়াকৈ কৈছিল— মই নিজে কিনি ল'ম পিছদিনা দিনৰ প্ৰথম ক্লাছটো কৰি থাকোঁতেই তেওঁ মোক অফিচলৈ মাতি নি কৈছিল।— কিতাপখন পালোহে, পঢ়ি আছো। তেওঁৰ জ্ঞানস্পৃহা দেখি মই তবধ মানিছিলোঁ। আকৌ এবাৰ তেওঁ মোক শিক্ষকৰ জিৰণি কোঠাৰ পৰা মাতি নিলে। গৈ দেখিলো, Book of knowledge নে Encyclopedia Britenica দুটা বাকচত বিশ্বকোষ। ছাৰে কৈছিল, ফুকন এই বিশ্বকোষখন মই আমাৰ স্কুল লাইব্ৰেৰীলৈ আনিলো। মইয়ো চাম, আমাৰ শিক্ষকসকলেও চাব, ছাত্ৰ-ছাত্ৰীও চাব। স্কুলৰ টকাৰে কিনিছো, স্কুলৰ লাইব্ৰেৰীতে থাকিব। বুজিছা ফুকন, মই সোণাৰাম হাইস্কুলৰ ছাত্ৰ হৈ থাকোঁতে বিশ্বকোষখন চাবলৈ বিচৰাত স্কুল লাইব্ৰেৰীৰ দায়িত্বত থকা শিক্ষকজনে মোক চাবলৈ নিদিলে, তোমাৰ চোৱাৰ বয়স হোৱা নাই।

মোৰ আন এজন শ্ৰদ্ধেয় সহকৰ্মী আছিল নলিনীধৰ ভট্টাচাৰ্য। তেওঁৰ কথাৰ অন্যত্ৰ বিৱৰি লিখিছো। আন সকলো সহকৰ্মী শিক্ষকৰ পৰা আনকি মই পঢ়োৱা ছাত্ৰ-ছাত্ৰীসকলৰ পৰাও কত কথা শিকিছিলো, কেনেকৈ নিজকে সমৃদ্ধ কৰিছিলো, সেইবোৰ কথা আজিও সুঁৱৰি থাকোঁ। কলেজত থকা সময়ছোৱাত সঘনে যিসকল সহকাৰীৰ সৈতে মোৰ কথা-বাৰ্তা হৈছিল, যিসকলৰ লগত কথা-বাৰ্তা হৈ উপকৃত, অনুপ্ৰাণিত হৈছিলো, সেইসকলৰ কাকো মই কাহানিও পাহৰিব নোৱাৰো; অধ্যাপক ৰামচৰণ দাস, গোবিন্দ প্ৰসাদ শৰ্মা, শিৱনাথ বৰ্মন, সুৰজিৎ বৰুৱা, উদয় দত্ত, দেবেন্দ্ৰ নাথ ভট্টাচাৰ্য, পূৰ্ণিমা দাস, বিৰিঞ্চি কুমাৰ মেধি, ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য্য।

শিৱনাথ বৰ্মনৰ নাম নুশুনা শিক্ষিত মানুহ অসমত নাই। আমাৰ সময়ৰ এজন কৃতী লেখক। চিন্তাবিদ, পণ্ডিত, সাহিত্য, বিজ্ঞান, দৰ্শন, বৈষ্ণৱ সাহিত্য, লোক-সংস্কৃতি আদি বিচিত্ৰ বিষয়ে তেওঁ কৰা চৰ্চাৰ গুৰুত্ব বৈশিষ্ট্য, মৌলিকত্ব কোনেও বোধহয় অস্বীকাৰ নকৰে। আইনষ্টাইনৰ বিষয়ে তেওঁ লিখা গ্ৰন্থখনৰ বাহিৰে দ্বিতীয় এখন তেনে মানৰ গ্ৰন্থ চকুত পৰা নাই। দেবেন্দ্ৰ নাথ ভট্টাচাৰ্যক লগ কৰিবলৈকে সংস্কৃত বিভাগলৈ গৈছিলোঁ। তেওঁক কথা সুধিছিলো, প্ৰধানকৈ তেওঁৰ কথা শুনিছিলোঁ। ছাৰে কিছুদিন গোলাঘাট চৰকাৰী হাইস্কুলত শিক্ষকতা কৰিছিল মোৰ পৰিবাৰ গোলাঘাটৰ। মই দেৰগাঁৱৰ কথাটো জানি তেওঁ মোক এবাৰ সুধিছিল, আপোনাৰ মিছেচ উমা পণ্ডিতৰ নাতিনীয়েক নেকি? সেই সময়ত গোলাঘাটত উমা পণ্ডিতক নজনা মানুহ নাছিল। ভট্টাচাৰ্য্য ছাৰে উমা পণ্ডিতৰ সম্বন্ধে মোক কিবাকিবি কৈছিল। অধ্যয়নশীল ছাৰে জীৱনৰ শেষৰ ফালে অক্লান্ত পৰিশ্ৰম কৰি 'কালিকা পুৰাণ'খন অসমীয়ালৈ ভাঙনি কৰি থৈ গৈছে। লেখক-সমালোচক গোবিন্দ প্ৰসাদ শৰ্মাৰ লগত সম্পৰ্কটো মোৰ বহুত পুৰণি; আন্তৰিক। তেওঁৰ মাতৃদেৱীকো মই লগ পাইছিলোঁ। তেওঁৰ ককায়েক তাৰক শৰ্মাও মোৰ বন্ধু। তাৰক শৰ্মা এজন অসমৰ আগশাৰীৰ ফটোগ্ৰাফাৰ, বহু নজনা কথাৰ ভঁৰাল। স্পষ্টবাদী, অধ্যয়নশীল, সাহিত্য সমালোচক গোবিন্দ প্ৰসাদ শৰ্মাৰ লগত হোৱা কথা-বতৰাই মোক উদ্বুদ্ধ কৰি আহিছে। তেওঁৰ পৰিবাৰ অঞ্জলি শৰ্মাও মোৰ শ্ৰদ্ধেয় এগৰাকী অসমীয়া লেখিকা। এটা সময়ত ড° শৰ্মাৰ লগত আৰ কে নাৰায়ণ, পান্নাৰ জাবেলা, মুল্কৰাজ আনন্দ, অনিতা দেশাই আদি ইংৰাজীত লিখা ভাৰতীয় লেখকসকলৰ লিখাৰ বিষয়ে বহুত কথা পাতিছিলোঁ। আন এগৰাকী মোৰ কলেজৰ সহকৰ্মী সুৰজিৎ বৰুৱা। তেওঁ এজন কবিতাৰ প্ৰেমিক আৰু কৃতী অনুবাদক। আমাৰ বিভাগত কেতিয়াবা, তেওঁৰ বিভাগত আমি দুয়ো কথা-বতৰা হৈছিলো; কেৱল কবিতাৰ কথা। কথাৰ মাজত প্ৰায়ে ওলাইছিল কবীন ফুকনৰ নাম। এবাৰ তেওঁ বাৰানসীলৈ গৈ কিবা কাৰণত কিছুদিন তাতে আছিল নেকি? ঘূৰি আহি মোক সুধিছিল, আপুনি কাভাফি পঢ়িছেনে? গ্ৰীক কবি কাভাফিৰ অন্যতম মোৰ প্ৰিয় কবিতা Waiting for the Barbariars কবিতাটোৰ দুটা শাৰী মাতি দিছিলো—

What are we Waiting for, assembled in the forum
The Barbarians are due here today.

তেওঁ কৈছিল, মই বাৰানসীলৈ গৈছিলো তাতে ড° ৰজতানন্দ

দাসগুপ্তক লগ পাইছিলো। মই তেওঁক ক'লো, দাসগুপ্তক মই জানো। উত্তৰ পূব ভাৰতৰ অনুচিত্ৰৰ বিষয়ে এখন প্ৰামাণ্য মূল্যবান সচিত্ৰ কিতাপ লিখিছে— 'Eastern Indian Manuscript Painting' মই বৰুৱাক লগে লগে সুধিলো ৰজতানন্দই কবিতা পঢ়ে নেকি? আৰু খুব সম্ভৱ বৰুৱাই উলিওৱাত কাভাফিৰ নাম লওঁতে ৰজতানন্দৰ নামটো ওলাইছিল আৰু তেতিয়াৰ পৰা বৰুৱাৰ লগত মোৰ সম্পৰ্কটো অধিক গাঢ়, অধিক আন্তৰিক হৈ পৰিল। আমাৰ বিভাগতে বৰুৱাৰ স'তে বহুদিন, বহুবাৰ বহুত সময় কবিতাৰ কথা পাতিছিলো। আজি কিছুদিনৰ আগতে বৰুৱাই কৰা আধুনিক অসমীয়া কবিতাৰ এটা ইংৰাজী সংকলন কলিকতাৰ বিখ্যাত writters workshop এ প্ৰকাশ কৰিছে। শৈলেন ভৰালীৰ ভাঙনি *বেকেটৰ 'গডোৰ অপেক্ষা'*ত ওলাওঁতেই বিশ্ববিখ্যাত এই নাটকখনৰ অসমীয়া ভাঙনিটো দুবাৰ-তিনিবাৰকৈ পঢ়িছিলো। একালত ইংৰাজী মূল নাটকখন মাজে মাজে পঢ়ি থকাটো মোৰ এটা অভ্যাসত পৰিণত হৈছিল। বিৰিঞ্চি কুমাৰ মেকি লগ পালেই মনটো ভাল লাগে। তেওঁ হৃদয়বান, সংস্কৃতিবান মানুহ। তেওঁৰ লগত প্ৰায়ে অসমৰ জনগোষ্ঠীবিলাকৰ সম্পৰ্কে কথা পাতিছিলোঁ। তেওঁ এতিয়ালৈকে পোন্ধৰশ মান গান লিখিছে। ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য এজন জনাজাত গল্প লেখক, ঔপন্যাসিক আৰু চিত্ৰশিল্পী।

শিক্ষকতাত মই জীৱনৰ এটা ব্ৰত বুলি ্ৰহণ কৰিছিলোঁ আৰু যোগ্যতা সামৰ্থ অনুসৰি এই ব্ৰত পালন কৰিছিলো। ল'ৰা-ছোৱালীবিলাকৰ লগত মোৰ এটা আন্তৰিক সম্পৰ্ক আছিল. এই সম্পৰ্কটো তেওঁলোকতকৈ আগতে মই নিজে গঢ়ি তুলিছিলোঁ। শিক্ষকতা এটা পবিত্ৰ কৰ্ম আৰু মানৱসেৱাৰ অন্যতম প্ৰধান কৰ্তব্য বুলি মই গ্ৰহণ কৰিছিলোঁ। বিশ্বাস কৰিছিলো আৰু এতিয়াও বিশ্বাস কৰো প্ৰকৃত শিক্ষকজনে আজীৱন শিক্ষাব্ৰতী ছাত্ৰৰ নিচিনাকৈ জীৱনযাপন কৰে, ছাত্ৰৰ নিচিনাকৈ ওৰেতো জীৱন জ্ঞান-চৰ্চা কৰে আৰু এটা কথা মই বিশ্বাস কৰিছিলো, এতিয়াও কৰোঁ প্ৰকৃত শিক্ষকজনে অনাড়ম্বৰ বা বাহ্যিক চাকচিক্যতাহীন সৎ, সৰল জীৱন যাপন কৰিব লাগে। মানুহে ভাবিব লাগে মানুহজনৰ ধন-সম্পত্তি নাই, বাহ্যিকতা নাই, হা ধন হা ধন, হা সুখ নাই, অন্তৰ সম্পদেৰে ঐশ্বৰ্যশালী এজন মানুহ, সমাজখনৰ আটাইতকৈআদৰ্শনীয় হৃদয়বান, সদা সমাজকল্যাণকামী মানুহৰ লগৰ এজন মানুহ— তেওঁৱেই এই শিক্ষকজন।

আৰ্য বিদ্যাপীঠত মই আন্তৰকভাৱে লগ পোৱা দুজন মা মানুহক আজিও পাহৰা নাই। এজন প্ৰয়াত সুৰেন দাস কলেজৰ বৰকেৰাণী, আনজন বাহাদুৰ, ঘণ্টাই ঘণ্টাই কলেজৰ বেল বজোৱা থূলন্তৰ ৰঙা-বগা হাফপেণ্ট পৰিহিত সেই মানুহজন। কলেজখন এৰি থৈ আহোঁতে চকুপানী টুকি আহিছিলো। জানিছিলো কি হেৰুৱালো আৰু ঘূৰাই নেপাওঁ, ঘূৰাই অৰ্জনও কৰিব নোৱাৰোঁ আবেলি হৈছিল, ঠিক সেই সময়তে বাহাদুৰে কলেজৰ ছুটীৰ শেষ ঘণ্টাটো বজাইছিল। টং টং টং টং....।■

# বুৰঞ্জী

❐ ড° শিৱনাথ বৰ্মণ
প্ৰাক্তন অধ্যাপক

'বুৰঞ্জী ইমানকৈ খুচৰিনো কি হব? আমি নিজেই বুৰঞ্জী গঢ়ো-চোন আহক।'— বুৰঞ্জীৰ বিষয়ে হোৱা এটা বিতৰ্কত অতীষ্ঠ হৈ সাহিত্যিক-বন্ধু এগৰাকীয়ে এবাৰ এইবুলি কৈছিল। বন্ধুগৰাকীৰ বুৰঞ্জী গঢ়াৰ যৌৱনসুলভ উদ্যম প্ৰশংসনীয়. বুৰঞ্জী জনা বা বুৰঞ্জী লিখাতকৈ বুৰঞ্জী গঢ়া যে এটা বহুগুণে অধিক প্ৰয়োজনীয় আৰু পুৰুষোচিত কাম, 'বুৰঞ্জীৰ গৱেষণা' নামৰ ব্যূহটোৰ ভিতৰত আৱদ্ধ থাকি বাস্তৱ জগতখনৰ পৰা বিছিন্ন হৈ পৰা বুৰঞ্জীৰ তথাকথিত পণ্ডিত গৰাকীৰ বাহিৰে আন সকলোৱে এই কথা স্বীকাৰ কৰিব। আনহাতে সাহিত্যিক বন্ধুগৰাকীয়ে হয়তো এই কথা নাজানে যে কেৱল ৰজা-মহাৰজাসকলৰ ৰাজ্যজয়ৰ কিছুমান কাহিনীয়েই বুৰঞ্জী নহয়। কিছুমান অসংলগ্ন নৈসৰ্গিক তথ্যৰ সমষ্টিকে যিদৰে বিজ্ঞান নোবোলে, ঠিক তেনেদৰে কিছুমান অতীত ঘটনাৰ অবিন্যস্ত গোটালে বুৰঞ্জী বুলিব নোৱাৰি। অলৰ-অচৰ নহলেও বুৰঞ্জীৰ কিছুমান নিৰ্দ্দিষ্ট ধাৰা আছে; ই কিছুমান নিৰ্দ্দিষ্ট বস্তুধৰ্মী নিয়মৰ বশৱৰ্ত্তী; গতিকে এজন বা দুজন মানুহৰ ব্যক্তিগত ইচ্ছা-অনিচ্ছাৰ ওপৰত ইয়াৰ গতি নিৰ্ভৰ নকৰে; মন গলেই আচম্বিতে এক নতুন বুৰঞ্জী গঢ়ি তুলিব পৰা আলাদ্দিনৰ বন্তি ক'তো পাবলৈ নাই। সেয়ে বুৰঞ্জী গঢ়িব খুজিলে বুৰঞ্জী সম্পৰ্কে কিছু কথা জনাৰো প্ৰয়োজন আছে। অতীতক উলাই কৰি সম্পূৰ্ণ নতুনকৈ,—শূণ্যৰ পৰা,— ইতিহাস গঢ়া কাৰো পক্ষে সম্ভৱ নহয়। ইতিহাসৰ কামেই হৈছে অতীতৰ পোহৰত বৰ্ত্তমান তথা ভৱিষ্যতৰ বিষয়ে আমাক শিক্ষা দিয়া। পৃথিৱীৰ প্ৰতিটো জাতি, আনকি প্ৰতিজন ব্যক্তিৰ বৰ্ত্তমানত অতীত বিদ্যমান হৈ থাকে। গতিকে দেশৰ বৰ্ত্তমান পৰিষ্কাৰকৈ বুজা সম্ভৱ কেৱল ঐতিহাসিক প্ৰেক্ষাপতততহে; বৰ্ত্তমানক জানিব খুজিলে অতীতক প্ৰথমে কিছু জানি লোৱা দৰকাৰ।

বুৰঞ্জী মানৱ জাতিৰ এক অশৰীৰী শিক্ষক। অতীতত আমাৰ পূৰ্ব-পুৰুষসকলে কৰি থৈ যোৱা দোষ ত্ৰুটিবিলাকৰ পুনৰাবৃত্তি নঘটাবলৈ বুৰঞ্জীয়ে আমাক শিক্ষা দিয়ে; ইয়াৰ অধ্যয়নে জীৱনৰ বিভিন্ন দিশ বিলাকৰ বিষয়ে আমাক এক সামগ্ৰিক দৃষ্টিভঙ্গী প্ৰদান কৰে আৰু সিহঁতক বিস্তৃতভাৱে চাবলৈ শিকায়। বিশেষকৈ সমাজ বিজ্ঞানৰ সমস্যা বিলাকৰ অধ্যয়নত ঐতিহাসিক পদ্ধতিয়েই একমাত্ৰ পদ্ধতি বুলিব পাৰি। সমাজ বিজ্ঞানৰ উদ্দেশ্য হ'ল সমাজখন অধ্যয়ন কৰা; কিন্তু অতীতক বাদ দি বৰ্ত্তমানৰ সমাজখনৰ স্বয়ংসম্পূৰ্ণ অস্তিত্ব নাই, বৰ্ত্তমান অতীতৰেই সৃষ্টি। গতিকে অতীতক ত্যাগ কৰি কেৱল বৰ্ত্তমানৰ সমাজখনক লৈয়েই ব্যস্ত থাকিলে সমাজ বৈজ্ঞানিক অধ্যয়ন বিলাক উপৰুৱা ধৰণৰ হৈ পৰাৰ সম্ভাৱনা থাকে (ঠিক যেনেকৈ চিৰায়ত সাহিত্য ৰাজিক বাদ দি কেৱল বজাৰৰ হেতীয়া পেপাৰকেইখন কিনি 'আধুনিক' হৈ থকাৰ নিচাই মানুহক ফিলিষ্টাইনবাদৰ ফালে আগবঢ়াই নিয়ে।) বৰ্ত্তমানৰ সমাজখন ভালদৰে বুজিবৰ বাবেই বুৰঞ্জীৰ জ্ঞানৰ প্ৰয়োজন। চোভিয়েত ৰুছিয়াৰ বুৰঞ্জী ৰঁচোতে ই. এইচ. কাৰৰ ভাষাত কব খুজিলে, 'সমাজবিজ্ঞান যিমানে বুৰঞ্জীমূলক আৰু বুৰঞ্জী যিমানে সমাজবিজ্ঞানমূলক হয়, সি সমাজবিজ্ঞান আৰু বুৰঞ্জী উভয়ৰে পক্ষে শ্ৰেয়।"

অতি বহল অৰ্থত বুৰঞ্জীক আমি এবিধ বিজ্ঞান বুলিও অভিহিত কৰিব পাৰোঁ, কাৰণ বিজ্ঞানৰ দৰে বুৰঞ্জীয়েও বহু পৰিমাণে কাৰ্য্যকৰণ সূত্ৰ (Casual law) মানি চলে। অৱশ্যে বুৰঞ্জীৰ কাৰ্য্যকৰণ সূত্ৰবিলাক পদাৰ্থবিজ্ঞান বা ৰসায়ণবিজ্ঞানৰ সূত্ৰৰ দৰে ইমান নিখুঁত নহয়। বুৰঞ্জীৰ বিষয়বস্তু অত্যন্ত জটিল। বুৰঞ্জীৰ জন্ম হয় অগমণ আপাত ক্ষুদ্ৰ ঘটনাৰ অবিৰাম পাৰস্পৰিক সংঘৰ্ষৰ ফলস্বৰূপে, অসংখ্য কাৰণ (Cause) আৰু অসংখ্য কাৰ্য্যৰ (effect) সংঘৰ্ষই এটা ঐতিহাসিক ঘটনাৰ জন্ম দিয়ে আৰু ঘটনাটোৰ জটিলতাত কাৰ্য্য আৰু কাৰণবিলাক এনেদৰে মিহলি হৈ থাকে যে সিহঁতক সম্যকভাৱে বিশ্লেষণ কৰি সিহঁতৰ এটা নিৰ্দ্দিষ্ট কাৰ্য্য-কাৰণ সূত্ৰ নিগমণ কৰা প্ৰায় অসম্ভৱ কথা। জাৰ্মান মনীষি কাৰ্লমাক্সৰ সহকৰ্মী ফেডেৰিখ এঙ্গেল্‌চে এঠাইত লিখিছে—

"......... history is maid in such a way that the final result always arises from conflicts between many individual wills, of weich each in turn has been made what it is by a host of particular conditions of life. Thus there are innumerable intersecting forces, an infinite series of parallelograms of forces which give rise to one resultant th historical event."

সেয়ে বুৰঞ্জীৰ ভৱিষ্যতবাণী বিজ্ঞানৰ ভৱিষ্যতবাণীৰ দ নিখুঁত নোহোৱাটো স্বাভাৱিক। বুৰঞ্জী বিশুদ্ধ বিজ্ঞানলৈ উন্নী হোৱাৰ আন এটা ডাঙৰ অন্তৰায় হ'ল, ইয়াত থকা মনোধৰ্মিতা বিজ্ঞানত বিষয়ী অধ্যয়নৰ বিষয়ৰ পৰা পৃথক। কিন্তু বুৰঞ্জীত তেনে নহয়; ইয়াত বিষয়ী আৰু বিষয়ৰ সমাৰোপন ঘটে। অৰ্থা ইয়াত অধ্যয়ন কৰোতাগৰাকীও মানুহ আৰু অধ্যয়নৰ বিষয়ো মানু বুৰঞ্জীৰ নায়কবিলাক এটা ৰাসায়নিক দ্ৰব্য,এটা শিলগুটি বা এ গিনিপিগ্ নহয়,— বুৰঞ্জীৰ নায়ক হলে নিজাকৈ ভাবিব পৰা, কা কৰিব পৰা, জীৱন্ত মানুহ; থোৰতে কব খুজিলে, বুৰঞ্জীৰ নায় হল বুৰঞ্জীবিদ নিজেই।

দ্বিতীয়তে, যিবিলাকক লৈ বুৰঞ্জীৰ কাৰবাৰ, সেই অতীত ঘটনাবিলাকে কেতিয়াও 'প্ৰকৃত' ৰূপত আমাৰ সমুখত ধ নিদিয়ে,— বুৰঞ্জীবিদৰ লেখনিৰ মাজেদিহে সিহঁত আমা প্ৰতিসৰিত হৈ আহে.আনহাতে নিজৰ ধ্যান-ধাৰণাক হেঁচা ৰাখি,— সম্পূৰ্ণভাৱে নিৰপেক্ষভাৱে,— কোনো বুৰঞ্জীবিদে বুৰ ৰচনা কৰিব নোৱাৰে; ফলত বুৰ্জীবিদৰ মনৰ ছাঁ নপৰাকৈ অতীত ঘটনাবিলাক,— যেনে আছিল ঠিক তেনে ভাবেই,— জনা আমা পক্ষে সম্ভৱ নহয়। সেয়ে নিখুঁত বস্তুধৰ্মিতা বুৰঞ্জীত এটা পৰকী ঘটনা।

তথাপিও বিজ্ঞানৰ তত্ত্ববিলাকৰ দৰে বুৰঞ্জীৰ দাৰ্শনিকসক বুৰঞ্জী সম্পৰ্কেও বহুতো তত্ত্বৰ সৃষ্টি কৰিছে. যেনে— বুছৱেট আৰ ভিক'ই বুৰঞ্জীৰ ধৰ্মতাত্ত্বিক ব্যাখ্যা দিছে; মাণ্টস্কিউৱে ইয়া ভৌগোলিক ব্যাখ্যা আগবঢ়াইছে; টয়নবী, স্পেংলাই আদিৰ মতে বুৰঞ্জী হৈছে জন্ম, বিকাশ আৰু ক্ষয় হব পৰা এটা জৈৱিক সত্বা যা যৌৱন হ'ল পুঁজিবাদ; পাস্কাল, ভল্টেয়াৰ আদিয়ে আকৌ ক্লিওপেট্ৰাৰ নাকটোৰ দৰে এটা সামান্য ঘটনাই ইতিহাসৰ গতি সল কৰিবৰ বাবে যথেষ্ট বুলি ভাবে; কাৰ্লাইলৰ মতে বুৰঞ্জী হৈছে কিছুমা মহান পুৰুষৰ জীৱনীৰ সমষ্টি; হেগেলৰ মতে আকৌ বুৰঞ্জী হ' ভগৱানৰ আত্মজীৱনী – World Spiritৰ ক্ৰমিক বিকাশ।

এনে ধৰণৰ তত্ত্ববিলাকৰ যোগেদি বুৰঞ্জীৰ সৰহভা দাৰ্শনিকে বুৰঞ্জীৰ ওপৰত এটা অতি-জাগতিক স্বৰ্গীয় সত্বা আৰো কৰিব খোজে; প্ৰায় নিজৰ অজ্ঞাতসাৰেই তেওঁলোকে ধৰি লয় বুৰঞ্জী যেন মানুহে সৃষ্টি নকৰে; বৰং বুৰঞ্জীৰ বিষয় হবৰ বাবেহে মানুহে এই জগতত জন্ম লৈছেহি। কিন্তু অসীম সম্ভাৱনাৰ অধিকাৰী

মানুহক যে বুৰঞ্জীয়ে তাৰ অলৰ-অচৰ নিয়মৰ সম্পূৰ্ণ বশৱৰ্ত্তী কৰাব নোৱাৰে, এই কথা বুজিবলৈ গভীৰ জ্ঞানৰ প্ৰয়োজন নাই। মানুহ বুৰঞ্জীৰ স্প্ৰিং দিয়া পুতলা নহয়। কিছুমান চিন্তাশীল মানুহে তেওঁলোকৰ ভ্ৰাতৃসকলৰ সামাজিক গতি-বিধি আলোচনা কৰিব খোজা আগ্ৰহৰ ফলতেই বুৰঞ্জীৰ জন্ম হৈছে; গতিকে সৰ্ব্বশক্তিমান ঈশ্বৰ বা ব্ৰহ্মাৰ দৰে বুৰঞ্জীৰ কোনো অতি জাগতিক অস্তিত্ব থাকিব নোৱাৰে।

বুৰঞ্জীৰ অধ্যয়ন সম্পৰ্কে মাৰ্ক্সৰ যিটো পদ্ধতি, সেইটোকে বহুতে ওপৰোক্ত অভিযোগত অভিযুক্ত কৰা দেখা যায়। মাৰ্ক্সে জীৱনৰ প্ৰতিটো দিশকে বুৰঞ্জীৰ কিছুমান পূৰ্ব নিৰ্দ্ধাৰিত সিদ্ধান্তৰ পোহৰত বাখ্যা কৰিবলৈ চেষ্টা কৰিছে বুলি কাৰ্ল পপাৰ আৰু ইচাইয়াহ কাৰ্লিয়ে মাৰ্ক্সৰ ঐতিহাসিক পদ্ধতিক বহুবাৰ গালি পাৰিছে। মানুহৰ ক্ষমতা যে ইতিহাসৰ দ্বাৰা বহু পৰিমাণে সীমিত,— এই বাস্তৱ সত্যক মাৰ্ক্সে নুই কৰা নাছিল। আনহাতে তেওঁ মানুহক ইতিহাসৰ ক্ৰীড়নকো কাহানিও কৰিব খোজা নাছিল। 'মানুহে— জীৱন্ত মানুহেহে, বুৰঞ্জী গঢ়ে'— এই কথা তেওঁ বাৰে বাৰে কৈছিল। বাস্তৱ পৰিস্থিতি চালি-জাৰি নোচোৱাকৈ কোনোবা 'অতি ঐতিহাসিক তত্ত্ব'ৰ কিছুমান অলৰ-অচৰ সূত্ৰৰ দ্বাৰা ইতিহাস ব্যাখ্যা কৰাৰ মাৰ্ক্স ঘোৰ বিৰোধী আছিল। এখন চিঠিত তেওঁ এই কথা স্পষ্টকৈ প্ৰকাশ কৰিছে।

Events strikingly analogus, but taking place in different historical surroundings may lead to totally different results. By studying each of these forms of evohetion separately & then comparing them, one can easily arrive the Jul to this phenomenon : but will never arrive there, by using as one's masterkey a general historico-philosopical theory, the supreme virtue of which consists in being super historical."

কোনো ধৰণৰ শাশ্বত, অতি ঐতিহাসিক তত্ত্ব ইতিহাসৰ দৰ্শনত নাই; সেইবুলি সমাজবিজ্ঞান অধ্যয়নৰ কিছুমান নিৰ্দ্দিষ্ট ঐতিহাসিক পদ্ধতি নথকা নহয়;— আৰু ইয়াৰ আটাইতকৈ কাৰ্য্যকৰী পদ্ধতিটোৰ আৱিষ্কাৰক হ'ল মাৰ্ক্স নিজেই। 'ইতিহাসৰ বস্তুবাদী ব্যাখ্যা' বা 'ঐতিহাসিক বস্তুবাদ' নামৰ পদ্ধতিটোৰ আৱিষ্কাৰক হিচাবে মাৰ্ক্স চিৰকাল সমাজবিজ্ঞানীসকলৰ নমস্য হৈ থাকিব। মাৰ্ক্সৰ ৰাজনৈতিক মতবাদ বহুতৰে মনঃপুত নহয়, তেওঁৰ অৰ্থনৈতিক তত্ত্বৰ সত্যতাৰ ওপৰতো অনেকে সন্দেহ প্ৰকাশ কৰিছে; কিন্তু তেওঁৰ ঐতিহাসিক বস্তুবাদ এটা অপূৰ্ব পদ্ধতি বুলি তেওঁৰ বিৰোধী পণ্ডিতসকলৰো অনেকেই স্বীকাৰ কৰি লৈছে। মাৰ্কিন অৰ্থনীতিবিদ যোচেফ এ. স্কুম্পেটাৰে এই পদ্ধতিক "One of the great individual achivements of socialogy of this day' বুলি অভিহিত কৰিছে। মাৰ্ক্সৰ আন লগৰীয়া বৌদ্ধিক শত্ৰু মাক্স্ ওৱেবাৰে ইয়াক 'Scientific principle of greatest fecundity' বুলি স্বীকাৰ কৰিছে।

প্ৰাক্ মাৰ্ক্সীয় পণ্ডিতসকলে বুৰঞ্জী সম্পৰ্কে যিবিলাক তত্ত্বৰ সৃষ্টি কৰিছিল, সিবিলাকত মানুহৰ ভুমিকা আছিল গৌণ। মানুহৰ কাৰ্য্য-ক্ষমতাৰ ওপৰত তেওঁলোকে জোৰ দিয়া নাছিল। বৰং মানুহক তেওঁলোকে ইতিহাস দেৱতা গৰাকীৰ নিয়ম মানি চলা এটা নিস্ক্ৰিয় বিমূৰ্ত্ত সত্বা বুলিহে ধৰি লৈছিল। মাৰ্ক্সে প্ৰথমবাৰৰ বাবে ঘোষণা কৰিলে যে মানবীয় ইতিহাস ৰচনাৰ প্ৰথম ভিত্তিটোৱেই হ'ল মানবীয় অস্তিত্ব; মানুহক কেন্দ্ৰীয় বিষয় নকৰাকৈ মানবীয় বুৰঞ্জী ৰচিত হ'ব নোৱাৰে। তদুপৰি এই মানুহ নিষ্ক্ৰিয়, বিমুৰ্ত্ত মানুহ নহয়। এই মানুহ হ'ল প্ৰেম-ৰাগ, ঈৰ্ষা দুখেৰে ভৰা তেজ-মঙহৰ সঁচা মানুহ। কেৱল কিছুমান মহৎ লোকে বা কিছুমান মহান আদৰ্শই বুৰঞ্জীৰ গঢ় নিদিয়ে; ভৌগোলিক পৰিস্থিতি বা আকস্মিক দুৰ্ঘটনাৰ ভুমিকাও ইয়াত সামান্য; বুৰঞ্জী গঢ়ে সাধাৰণ মানুহেহে আৰু সাধাৰণ মানুহে কোনো মহান আদৰ্শৰ দ্বাৰা প্ৰণোদিত হৈ কাম নকৰে; তেওঁলোকৰ আশা-আকাঙ্খা, বিষয় বাসনা— এই সকলোবিলাক পৰিচালিত হয় কিছুমান অতিশয় ব্যৱহাৰিক, আৰ্থিক স্বাৰ্থৰ দ্বাৰা। তেওঁলোকে সজ্ঞানে ইতিহাস নগঢ়ে। ইতিহাস গঢ়াৰ গতে সাহিত্য, বিজ্ঞান, ধৰ্মচৰ্চা কৰাৰ আগতে ৰাজনীতি কৰাৰ আগতে, তেওঁলোকে খাবলৈ, পিন্ধিবলৈ, ভালদৰে থাকিবলৈ বিচাৰে। এইদৰেই জীয়াই থকাৰ উপকৰণসমূহৰ উৎপাদন আৰু সংগ্ৰহৰ যোগেদিয়েই, মানুহৰ প্ৰায় অজ্ঞাতে, মানবীয় ইতিহাস নিৰৱে ৰচিত হৈ গৈ থাকে; এটা নিৰ্দ্দিষ্ট স্তৰত উপনীত হলে ইতিহাসৰ এটা দ্ৰুত আৰু সৰল পৰিৱৰ্ত্তন ঘটে আৰু তাকেই 'বিপ্লৱ' বুলি কোৱা হয়। হেগেলে কোৱাৰ দৰে World Spirit নহয়, পাস্কালে কোৱাৰ দৰে কেৱল Chance নহয়, কাৰ্লাইলে কোৱাৰ দৰে Great Man নহয়,— উৎপাদন আৰু বিতৰণ পদ্ধতি, সম্পত্তি সম্পৰ্কৰ ক্ষয় আৰু বিভাজন, শিল্প আৰু ব্যৱসায়, মালিক আৰু বনুৱাৰ মাজৰ সম্পৰ্ক, সমাজত অহৰহ ঘটি থকা শ্ৰেণী সংঘৰ্ষৰ ৰূপ,— এই বিলাকহে ইতিহাসৰ গতি নিৰ্দ্ধাৰণৰ প্ৰধানতম সহায়ক। বুৰঞ্জীক গঢ় দিয়াত দেশৰ অৰ্থনৈতিক সম্পৰ্কবিলাকেই হ'ল মুখ্যতম ৰাশি। এই ৰাশিটোক বাদ দি দৰ্শন,

ৰাজনীতি, ধৰ্ম বা সাহিত্যৰ সুকীয়া বুৰঞ্জী থাকিব নোৱাৰে। ইহঁত দেশৰ অৰ্থনৈতিক পৰিস্থিতিৰ ওপৰত নিৰ্ভৰশীল; দেশৰ উৎপাদন ব্যৱস্থা আৰু উৎপাদন সম্পৰ্কবিলাকৰ পৰিবৰ্ত্তনৰ লগে লগে দৰ্শন, ৰাজনীতি, ধৰ্ম বা সাহিত্যৰ ৰূপৰো পৰিবৰ্ত্তন ঘটে।

মাৰ্ক্সৰ সমগ্ৰ ৰচনাৱলীতে এই মনোভাব প্ৰচ্ছন্ন হৈ আছে যদিও মাৰ্ক্সে তেওঁৰ বুৰঞ্জীৰ এই দৰ্শন সুশৃঙ্খলভাৱে কতো ব্যাখ্যা কৰি যোৱা নাই; কাৰণ তেওঁৰ বিৰোধী পণ্ডিত দলে তেওঁ ইয়াক এটা অলৰ-অচৰ তত্ত্ব বুলি লোৱা নাছিল; বৰং সমাজবিজ্ঞান অধ্যয়নৰ এটা 'দিগদৰ্শক সূত্ৰ' (guiding principle) বুলিহে তেওঁ ইয়াক গণ্য কৰিছিল। "এ কণ্ট্ৰিবিউশ্যন টু দ্যা ক্ৰিটিক অফ পলিটিকেল ইক'নমি" নামৰ গ্ৰন্থখনৰ পাতনিত তেওঁ এই বিষয়ে সামান্যভাৱে বহলাই আলোচনা কৰি গৈছে। তাৰে দুটামান শাৰী তলত তুলি দিয়া হ'ল—

"In the social production of their existence, men inevitably enter into definite relations, which is independent of their will, these relations of production correspond to a definite stage of development of their material forces of production. The totality of those relations of production constitutes the economic structure of society, the real production, on which arises a legal and political snperstructure & to which correspond a definite form social conciousness. The mode of production of material life constitutes the general process of soci political & intellectual life. It is not the conciousness of men that determines thir existence, but their social existence that determines their conciousness."

বুৰঞ্জী কেৱল ৰজা-মহাৰজাৰ কাহিনী নহয়, ই দেশৰ অগণন সৰু সৰু মানুহবো কাহিনী; ই কেৱল বুজনচাম এটাৰ শ্ৰমৰ ওপৰত তিষ্ঠি থকা এচাম মুষ্টিমেয় মানুহৰ লাহ-বিলাহৰ কাহিনী নহয়, ই খাটি খোৱা মানুহৰ জীয়াই থকাৰ সংগ্ৰামৰো কাহিনী, ই দেশৰ উৎপাদন ব্যৱস্থা আৰু উৎপাদন সম্পৰ্ক বিলাকৰ পৰিবৰ্ত্তন আৰু ইয়াৰ পৰিণাম স্বৰূপে সাহিত্য, কলা, দৰ্শন ৰাজনীতি আদিৰ ক্ষেত্ৰত দেখা দিয়া বিপ্লৱ সমূহৰ কাহিনী।

এই নতুন দৃষ্টিকোণৰ পৰা ভাৰতৰ বুৰঞ্জী এতিয়াও খু[illegible] বেছি লিখা হোৱা নাই। এই বিষয়ৰ বাটকটীয়া সকলৰ না[illegible] সুঁৱৰিলে যি গৰাকী পণ্ডিতৰ নাম প্ৰথমেই মনলৈ আহে, তে[illegible] হ'ল ডঃ ডিঃ ডিঃ কৌশাম্বী। An Introduction to the Stud[illegible] of Indian History আৰু Culture & Civilisations of Ancien[illegible] India — ঘাইকৈ এই দুখন কিতাপৰ যোগেদি তেওঁ ভাৰত[illegible] বুৰঞ্জী লিখাৰ এটা নতুন ধাৰা প্ৰৱৰ্ত্তন কৰি থৈ গৈছে (কৌশাম্বীয়ে দিয়া বুৰঞ্জীৰ এটা সংজ্ঞা হ'ল, "History is th[illegible] presentation, in chronological order of the successiv[illegible] changes in the means & relations of production") ভাৰত[illegible] দাৰ্শনিক তথা ধৰ্মীয় ঐতিহ্যক এটানতুন দৃষ্টিকোণৰ প[illegible] পৰ্য্যালোচনা কৰা প্ৰধান পণ্ডিত গৰাকী হ'ল শ্ৰীদেৱী প্ৰসা[illegible] চট্টোপধ্যায়। Lokayata : Studies in Ancient Indian Materialism, Indian Philosophy, Indian Alteism আদি গ্ৰন্থ[illegible] ধৰি ইংৰাজী আৰু বঙলা দুয়োটা ভাষাতে কেইবাখনো কিতা[illegible] তেওঁ ৰচনা কৰিছে। এওঁলোকৰ উপৰিও পূৱ-জাৰ্মানীৰ ৱাল্টা[illegible] ৰুবেন, চোভিয়েট ৰুচিয়াৰ টি.ষ্টাৰ্‌বাট্‌স্কি, এন.পি আনিকে[illegible] আদি ভাৰতবিদসকলেও ভাৰতৰ কৃষ্টি-সংস্কৃতিক এই জাতী[illegible] দৃষ্টিভঙ্গীৰে আলোচনা কৰিছে।

এই নতুন দৃটিকোণৰ পৰা অসমৰ বুৰঞ্জী বিস্তৃতভাৱে আলোচনা কৰিবলৈ এতিয়াও তেনেদৰে কোনো আগবাঢ়ি অহা নাই। অৱশ্যে ডঃ অমলেন্দু গুহৰ দুটামান ইংৰাজী প্ৰবন্ধ আৰু ডঃ হীৰেন গোঁহাইৰ 'অসমীয়া মধ্যবিত্ত সমাজৰ ইতিহাস" নামৰ প্ৰবন্ধ লানি (Origins of the Assamese Middle Class) নামৰ যাৰ ইংৰাজী সাৰাংশও প্ৰকাশ হৈছে) তদুপৰি শ্ৰীঅনিল ৰায়চৌধুৰীয়ে শঙ্কৰী সংস্কৃতিৰ ওপৰত কৰা এটা নে দুটা আলোচনা ইয়াৰ উল্লেখযোগ্য ব্যতিক্ৰম।

মাৰ্ক্সৰ ৰাজনৈতিক দৰ্শন তথা অৰ্থনৈতিক তত্ত্ব গ্ৰহণযোগ্য হয়নে নহয়, এই বিষয়ে বাক্-বিতণ্ডা বহু দিনৰ পৰাই চলি আহিছে আৰু আগলৈও হয়তো চলি থাকিব। কিন্তু তেওঁ যে বুৰঞ্জীৰ দৰ্শনৰ এটা প্ৰকৃত বিজ্ঞানসন্মত ভেটি ৰচনা কৰি থৈ গ'ল, এই বিষয়ে সন্দেহৰ অৱকা নাই।■

# ৰামায়ণ এটি দৃষ্টিপাত

❒ ৰাধা নাথ শৰ্ম্মা
প্ৰাক্তন অধ্যাপক

ভাৰতীয় সাহিত্যত বাল্মীকি ৰচিত ৰামায়ণ মহাকাব্যৰ স্থান অতি উচ্চ। ৰামায়ণ কোনো এক বিশেষ যুগৰ কাব্য নহয়। ই সৰ্ব্বকাল আৰু লোকৰ কাৰণে ৰচিত কাব্য। ই কালাতীত কালজয়ী আৰু সাৰ্বৰ্জনীন। ই কোনো এক বিশেষ সম্প্ৰদায়ৰ কাব্য নহয়। সকলো শ্ৰেণীৰ মানুহে ৰামায়ণ কাব্যৰ পৰা কাব্যৰস আস্বাদন কৰিব পাৰে। ৰামায়ণে যুগে যুগে ভাৰতবাসীৰ চিন্তাধাৰা আৰু সাহিত্যৰ ক্ষেত্ৰত যিদৰে প্ৰভাৱ বিস্তাৰ কৰি আহিছে পৃথিৱীৰ আন কোনো গ্ৰন্থই কোনো জাতিৰ জীৱনত তেনেকৈ প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই। ব্ৰহ্মাই বাল্মীকিক ৰামায়ণ ৰচনা কৰিবলৈ উপদেশ দিওঁতে কৈছিল;

"যাবৎ স্থাস্যন্তি
গিবয়ঃ সৰিতশ্চ মহীতলে।
তাৱৎ ৰামায়ণকথা
লোকেযু প্ৰচাৰিষ্যতি।।"

(আদিকাণ্ড)



অৰ্থাৎ পৃথিৱীত যিমানদিনলৈ পৰ্ব্বত আৰু নদীসমূহ বৰ্ত্তমান থাকিব, সিমানদিনলৈ ৰামায়ণ জনগণৰ মাজত প্ৰচাৰিত হৈ থাকিব। ব্ৰহ্মাৰ এইষাৰ বাণী সত্যতকৈও অধিক। কিয়নো ৰামৰ কাহিনী ভাৰতৰ জনগণৰ এতিয়াও ইমান আপোন আৰু প্ৰিয়

যে বিভিন্ন কবিয়ে ভাৰতৰ বিভিন্ন প্ৰাদেশিক ভাষাত ইয়াৰ অনুবাদ কৰাৰ লোভ সামৰিব পৰা নাই। আনকি আবাল বৃদ্ধ বণিতা সকলোৰে ওচৰত ৰামায়ণ আজিও চিৰ নবীন, চিৰ উপাদেয়।

সাহিত্যই এক যুগৰ লগত আন যুগৰ, এক ধৰ্ম্মৰ লগত আন ধৰ্ম্মৰ আৰু এক সমাজৰ লগত আন সমাজৰ শৈল সেতু নিৰ্ম্মাণ কৰে। ৰামায়ণেও তাকেই কৰিছে। সেয়ে ইয়াক ভাৰতীয় সাহিত্য বোলা হয়। ৰামায়ণত বিশাল ভাৰতবৰ্ষৰ কথা আছে। ইয়াত ভাৰতৰ নদ-নদী, পৰ্ব্বত-সৰোবৰ, সাগৰ, জীৱ-জন্তু, বন-উপবন, সংস্কৃতি, অসংস্কৃতি ইত্যাদি সকলোৰে বৰ্ণনা আছে। প্ৰকৃতিৰ বৰ্ণনাৰ উপৰিও ৰামায়ণত ভাৰতৰ সকলো শ্ৰেণীৰ প্ৰজাৰে বৰ্ণনা আছে। ৰাম-লক্ষণ বনলৈ গলত, ভৰতে এই বাতৰি পাই শোকত বিহ্বল হ'ল আৰু ৰামক বনবাসৰ পৰা ঘূৰাই আনিবলৈ প্ৰজাবৰ্গৰ লগত বনলৈ যাত্ৰা কৰিলে। এই প্ৰজাবৰ্গৰ বৰ্ণনাৰ পৰা সেই সময়ত ভাৰতত কোন কোন শ্ৰেণীৰ মানুহ আছিল তাৰ এটি সুন্দৰ পৰিচয় পোৱা যায়। বাল্মীকিয়ে প্ৰজাসকলৰ বৰ্ণনা এনেদৰে দিছে ঃ

মণিকাৰাশ্চ যে কেচিৎ কুম্ভকাৰাশ্চ শোভনা ঃ।  
সূত্ৰকৰ্ম্ম বিশেষজ্ঞা যে চ শস্ত্ৰো জীবিনঃ ।।  
মায়ুৰকা ঃ ক্ৰাকচিকা বেধকা ৰোচকাস্তথা।  
দন্তকাৰাঃ সুধাকাৰা যে চ গন্ধোপজীবিনঃ।।  
(অযোধ্যা কাণ্ড)  
সুবৰ্ণকাৰাঃ প্ৰখ্যাতাস্তথা কম্বলকাৰকাঃ।  
ঘ্ৰাপ কোয়োদক বৈদ্যা ধূপকাঃ শৌণ্ডিকাস্তথা।  
ৰজকাস্তন্ন বায়াশ্চ গ্ৰামঘোষ মহত্তৰাঃ।  
শৈলূষাশ্চ সহ স্ত্ৰীভিঃ যান্তি কৈৱৰ্ত্তকাঃ তথা।।  
সমাহিতা বেদবিদো ব্ৰাহ্মণা বৃত্ত সম্পতাঃ।  
গোৰথৈ ভৰতং যান্তং অনুযগ্মু ঃ সহশ্ৰঃ।।

ভাৰতৰ পবিত্ৰ নদী গোদাবৰী, সৰযু আৰু চিত্ৰকূট পৰ্ব্বতৰ পৰা ওলোৱা মন্দাকিনীৰ বৰ্ণনা ইয়াত সুন্দৰভাবে বৰ্ণিত হৈছে। এই নদীসমূহৰ প্ৰাকৃতিক শোভা ইমান মনোৰম আছিল যে ৰামে সেই বনবাসক অমৃতৰ লগত তুলনা কৰিছে,— 'ইদম্ এব অমৃতং প্ৰাহুঃ ৰাজৰ্ষয়ঃ পৰে।" আনকি ৰাজ্যলৈও পাহৰি গৈছে—" ন অযোধ্যায়ৈ ন ৰাজ্যায় স্পৃহয়ে চ ত্বয়া সহ।" ইয়াত ভাৰতৰ নানা পৰ্ব্বতৰ বৰ্ণনা আছে। তাৰে ভিতৰত বাল্মীকিয়ে দাক্ষিণাত্যৰ চিত্ৰকূট পৰ্ব্বতৰ বৰ্ণনা অতি প্ৰাঞ্জলকৈ বৰ্ণাইছে। চিৰ সেউজী গছ-গছনি, নানা জাতৰ ফুল আৰু জলপ্ৰপাতেৰে সুশোভিত চিত্ৰকূট পৰ্ব্বতৰ সৌন্দৰ্য্যত মুগ্ধ হৈ ৰামে সীতাক কৈছিল;

যদীহ শৰদোনেকাস্ত্বয়া সাৰ্ধম অনিন্দিতে।  
যক্ষ্মণেন চ বৎস্যামি ন মাং শোকঃ প্ৰধৰ্ষতি।।

"তোমাৰ আৰু লক্ষ্মণৰ সৈতে ইয়াত অনেক বছৰ বাস কৰিলেও মনত কোনো দুখ নালাগিব।" পম্পা সৰোবৰৰ বৰ্ণনা দিওঁতে তাৰ পাৰত থকা যিবোৰ ফুলৰ বৰ্ণনা দিছে যিবোৰ আমাৰ দেশৰে ফুল যেন লাগে।

মালতী মল্লিকা পদ্মকৰবিৰাশ্চ পুষ্পিতা।  
কেতক্যঃ সিন্দুবাৰাশ্চ সুপুষ্পিতাঃ।।  
(কিষ্কিন্ধা কাণ্ড)

কিষ্কিন্ধাকাণ্ডত সুগ্ৰীবে ৰামৰ আগত নিজে ভূমণ্ডলৰ বৰ্ণনা দিওঁতে ক্ষীৰসাগৰ আৰু বিন্ধ্য পৰ্ব্বতৰ উল্লেখ কৰাৰ লগতে আমাৰ প্ৰাগজ্যোতিষৰ বিশাল গুহা আৰু মনোৰম সমভূমিৰ কথাও উল্লেখ নকৰি নোৱাৰিছিল ঃ

তত্ৰ প্ৰাগ্‌জ্যোতিষং নাম জাতৰূপময়ং পুৰম্।  
তস্মিন্ বসতি দুষ্টাত্মা নৰকো নাম দানবঃ।  
তত্ৰ মানুষু ৰম্যেষু বিশালাসু গুহাসু চ।  
ৰাবণঃ সহ বৈদেহ্যা মাগিতব্যস্তঅন্ততঃ

প্ৰাগ্‌জ্যোতিষৰ উপৰিও মিথিলা, বিদেহ, অযোধ্যা আদি ভাৰতৰ প্ৰাচীন ৰাজ্যবোৰৰ সুন্দৰ বৰ্ণনা ইয়াত আছে। সেয়ে ৰামায়ণক ভাৰতৰ প্ৰাচীন বুৰঞ্জী বুলিবৰো ইচ্ছা হয়।

ৰামায়ণত ভাৰতৰ এটা বিৰাট জাতিৰ আদৰ্শ পোৱা যায় ভাৰতবৰ্ষত নানা জাতিৰ নানা পৰিয়ালে বাস কৰে। ই এটা সুন্দৰ আদৰ্শ। হিন্দুৰ গাৰ্হস্থ্য ধৰ্ম্মকে কেন্দ্ৰ কৰি বাল্মীকিয়ে ৰামায়ণ ৰচনা কৰিছে। গতিকে ৰামায়ণত এটা ঘৰুৱা পৰিয়ালৰ কথাহে পোৱা যায়। ৰবীন্দ্ৰনাথ ঠাকুৰে ৰামায়ণ সম্বন্ধে আলোচনা কৰা অভিমতৰ অনুবাদ অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰু দেৱে তেখেতৰ "অসমীয়া ৰামায়ণ সাহিত্যত" এইদৰে আগবঢ়াইছে,— "ৰামায়ণৰ বিশেষত্ব এই যে ই ঘৰৰ কথাকে অত্যন্ত বৃহৎ কৰি তুলিছে। পিতা পুত্ৰ ভাই ভাইৰ ভিতৰত আৰু স্বামী-স্ত্ৰীৰ ভিতৰত যি ধৰ্ম্মৰ বান্ধোন, যি প্ৰীতিভক্তিৰ সম্বন্ধ, ৰামায়ণে তাক ইমান মহৎ কৰি তুলিছে যে সি অতি সহজেই মহাকাব্যৰ উপযুক্ত হৈছে। ৰামায়ণৰ মহিমা ৰাম ৰাৱণৰ যুদ্ধ আশ্ৰয় কৰি থকা নাই— সেই যুদ্ধ ঘটনা ৰাম আৰু সীতাৰ দাম্পত্য প্ৰীতিকে উজ্জ্বল কৰি দেখুৱাৰ উপলক্ষ্য মাথোন। পিতাৰ প্ৰতি পুত্ৰৰ বশ্যতা, ভাইৰ প্ৰতি ভাইৰ আত্মত্যাগ, পতি-পত্নীৰ মাজত পৰস্পৰৰ প্ৰতি নিষ্ঠা আৰু প্ৰজাৰ প্ৰতি ৰজাৰ কৰ্ত্তব্য কিমান দূৰলৈ যাব পাৰে ৰামায়ণে

তাকে দেখুৱাইছে। এনে ব্যক্তি বিশেষৰ প্ৰধানকৈ ঘৰৰ সম্পৰ্ক বিলাক কোনো দেশৰ মহাকাব্যত এইভাৱে বৰ্ণনীয় বিষয় বুলি গণ্য হোৱা নাই"। সঁচাকৈয়ে এনে কোনো কল্পনা নাই, এনে কোনো আদৰ্শ নাই, এনে কোনো ভাবাভিব্যক্তি নাই যি সুললিত ভাষাত ৰামায়ণত বৰ্ণিত হোৱা নাই। পত্নী প্ৰাণ পতি হিচাবে, পিতৃভক্ত পুত্ৰ হিচাবে প্ৰজানুৰঞ্জক শাসক হিচাবে এতিয়াও ভাৰতবৰ্ষৰ কোনো আদৰ্শই ৰামচন্দ্ৰক অতিক্ৰম কৰিব পৰা নাই। ভাতৃৰ আদৰ্শৰূপে লক্ষ্মণ আৰু ভৰতৰ চৰিত্ৰ, বিশ্বাসী আৰু ভক্ত লগুৱাৰ আদৰ্শ হিচাবে হনুমানৰ চৰিত্ৰ আজিও ভাৰতবাসীৰ মানত ধ্ৰুৱতৰা ৰামচন্দ্ৰৰ গাত থকা ৰাজকীয় গুণৰ কথা কওঁতে বাল্মীকিয়ে ভাৰতবাসীৰ আদৰ্শ কেনে হেৱা উচিত তাৰ ইঙ্গিত তেখেতৰ ৰামায়ণত এইদৰে দিছে, ঃ

ৰক্ষিতা স্বস্য বৃত্তস্য স্বজনস্য চ ৰক্ষিতা।
ৰক্ষিতা জীৱলোকস্য ধৰ্ম্মস্য চ পৰন্তপ ঃ।

(সুন্দৰা কাণ্ড)

আকৌ জীৱনক সমৃদ্ধ আৰু পবিত্ৰ কৰিবলৈ হলে মানুহ কেনে গুণৰ অধিকাৰী হব লাগে তাৰ বিষয়ে এইদৰে কৈছে—

"সত্যং চ ধৰ্ম্মং চ পৰাক্ৰমং চ ভূতানুকম্পাং প্ৰিয়বাদিতাংচ।
দ্বিজাতিদেবাতিথি পূজনং চ পন্থানমাহুস্ত্ৰি দিবস্য মাৰ্গঃ।।

ভাৰতীয় জীৱনত, সংস্কৃতিত নাৰী মৰ্য্যদাৰ আভাস ৰামায়ণত পোৱা যায়। তদুপৰি ভাৰতীয় নাৰীৰ প্ৰেম, স্নেহ আৰু সতীত্বৰ নিদৰ্শনো ইয়াত আছে সাধবী আৰু পতিপ্ৰাণা পত্নীৰূপে সীতাৰ আদৰ্শ আজিও ভাৰতীয় নাৰীৰ পক্ষে অনুকৰণীয় হৈ আছে। ভাৰতীয় নাৰীৰ আদৰ্শ কি হোৱা উচিত সেই সম্বন্ধে বাল্মীকিয়ে অনেক কথা কৈ গৈছে। সকলো নাৰী যে ভৰতৰ মাতৃ কৈকেয়ীৰ দৰে শঠ আৰু স্বাৰ্থপৰ নহয় সেই কথা দশৰথ ৰজাৰ মুখেৰে ব্যক্ত কৰিছে। কৈকেয়ীৰ ব্যৱহাৰত ৰজা দশৰথে প্ৰথমে বিৰক্তি প্ৰকাশ কৰি সমস্ত নাৰী জাতিৰ ওপৰত বিশ্বাস হেৰুৱাইছিল যদিও পিচ মুহূৰ্ত্তত নিজৰ ধাৰণা শুদ্ধকৈ লৈছিলঃ

ধিগস্তু যোষিতো নাম শঠাঃ স্বাৰ্থপৰাঃ সদা।
নব্ৰবীমি স্ত্ৰিয়ঃ সৰ্বা ভৰতস্যৈৰ মাতৰম্।।

ভালেই হওক বা বেয়াই হওক, গুণীয়েই হওক নিৰ্গুণীয়েই হওক নাৰী জাতিৰ স্বামীয়েই হ'ল পৰম দেৱতা।

ভৰ্তা তু খলু নাৰীনাং গুণবান্ নিৰ্গুনোহপি বা।
ধৰ্ম্মং বিমৃশ মানানং প্ৰত্যক্ষং দেবি দৈবতম্।।

ৰামায়ণত ধৰ্ম্মৰ আদৰ্শ অতি পৰিষ্কাৰকৈ ফুটাই তোলা হৈছে। ইয়াত ধৰ্ম্মৰ জয় আৰু অধৰ্ম্মৰ পৰাজয় দেখুৱা হৈছে। ভাৰতীয় জীৱনধাৰাতো ধৰ্ম্মৰ প্ৰাধাণ্য লক্ষ্য কৰা যায়। আমাৰ দেশৰ সকলোৱে ধৰ্ম্ম মানে, ঈশ্বৰ মানে। ধৰ্ম্মৰ লগত নীতিৰ কথা আছে। যিবোৰ নীতি আৰু অৱস্থা নহ'লে আমি জীয়াই থাকিব নোৱাৰো তাকেই ধৰ্ম্ম বোলে। যেনে— ইজনে সিজনক মৰম স্নেহ কৰা, সদায় সঁচা কোৱা, এইবোৰ নীতি। এই নীতিবোৰে মানৱ জাতিক যুগে যুগে সভ্যতাৰ জখলাত আগবঢ়াই নি আছে। ধৰ্ম্মই যে মানৱ জীৱনৰ লক্ষ্য হোৱা উচিত সেই কথা বাল্মীকিয়ে কৈ গৈছে—

ধৰ্ম্মাদৰ্থ ঃ প্ৰভবতি ধৰ্ম্মাৎ প্ৰভবতে সুখম্।
ধৰ্ম্মেণ লভতে সৰ্ব্বং ধৰ্ম্মণ ধৰ্ম্মসাৰমিদং জগৎ।।

হিন্দুসকলৰ এখন ডাঙৰ দৰ্শন শাস্ত্ৰ। ইয়াত দৰ্শন শাস্ত্ৰৰ অনেক কথাই আছে। সেইবাবে কোনো দাৰ্শনিক মত নাইবা পাণ্ডিত্যপূৰ্ণ মতামত দিবলৈ হলে ৰামায়ণৰ দৃষ্টান্ত দিয়া হয়। ডঃ কাকতিয়ে অসমীয়া বড়গীত সম্বন্ধে মন্তব্য প্ৰকাশ কৰি কৈছে যে অসমীয়া ধৰ্ম্মত ৰাম আৰু শ্ৰীকৃষ্ণ এক হৈ পৰিছে। ৰামায়ণৰ শেহৰ ফালে ৰামক বিষ্ণুৰ পূৰ্ণ অৱতাৰ হিচাবে দেখুৱা হৈছে।

অকল দৰ্শন শাস্ত্ৰই নহয়, ৰামায়ণ এখন ভাৰতৰ সুবৃহৎ ৰাজনীতি শাস্ত্ৰ। অযোধ্যা কাণ্ডৰ শততম অধ্যায়ত ভৰতে ৰামক ওভোটাই আনিবলৈ যাওতে বনত ৰামে ভৰতক যিবোৰ প্ৰশ্ন কৰিছিল সেইবোৰত ভাৰতৰ ৰাজনীতি আৰু শাসনতন্ত্ৰৰ কথা সুন্দৰকৈ প্ৰকাশ পাইছে। আনকি সেইবোৰ আজি পৰ্য্যন্তও আদৰ্শনীয় হৈ আছে। প্ৰজাক উগ্ৰ দণ্ড দিয়াতো যে বেয়া আৰু উগ্ৰ দিলে যে প্ৰজাবোৰ উত্তেজিত আৰু বিদ্ৰোহী হয়, সেই কথা এইদৰে আছেঃ

কচ্চিন্নোগ্ৰেন দণ্ডেন ভৃশমুদ্বেজিতা ঃ প্ৰজাঃ।

বিষয়াসকলক যথোপযুক্ত বেতন যথা সময়ত দিয়া হয়নে নহয় সেই কথা ৰামে ভৰতক সুধিছে;

কচ্চিদ বলস্য ভক্তং চ বেতনংচ যথোচিতম।
সম্প্ৰাপ্তকালং দাওব্যং দদাসি ন বিলম্বসে।

ৰেচন আৰু বেতন পলম হলে বিষয়াসকল যে ক্ষুব্ধ হয় সেই কথাতো ইঙ্গিত আছে ঃ

কালাতিক্ৰমণে হ্যেব ভক্তবেতনয়োঃ ভৃতাঃ।
ভৰ্তুৰ প্যতি কুপ্যন্তি সো অনৰ্থঃ সুমহান কৃতঃ।।

ৰজা হৈ ৰাইজক দেখা কৰাতো যে উচিত সেই কথা এইদৰে কোৱা আছে ঃ

কচিচদ দৰ্শয়সে নিত্যং মানুষানাং বিভূষিতম।

উথায়োথায় পূৰ্ব্বাহ্নে ৰাজপুত্ৰ মহাপথে।।

ধনৰ লোভত ধৰা পৰা চোৰক শাস্তি নিদি এৰি দিয়াতো যে গৰ্হিত কাম তাৰো ইঙ্গিত এইদৰে দিছেঃ

গৃহীতশ্চৈৰ পৃষ্টশ্চ কালে দৃষ্টঃ সকাৰণঃ।
কচ্চিন্নমুচ্যতে চোৰো ধনলোভান্নৰৰ্ষভ।।

ৰজাই কিবা এটা ভাল বস্তু পালেও তাক অকলে নাখাই যে আনৰ সৈতে ভগাই খাব লাগে, সেই কথাও ইয়াত আছেঃ

কচ্চিদ স্বাদুকৃতং ভোজ্যম একোনাশ্নাসি ৰাঘৱঃ।
কচ্চিদ আশ্‌স মানেভঃ মিত্ৰেভ্যঃ সম্প্ৰযচ্ছসি।।

নানা ধৰণৰ শতেক প্ৰশ্নৰ মাজেৰে ৰামে ভৰতক ৰাজনীতি জ্ঞান দিয়াতো ভৰতে অযোধ্যাৰ ৰাজ্যভাৰ লবলৈ ভয় কৰাত পুনৰ ৰামে ভৰতক এইদৰে উপদেশ দি ৰাজ্যলৈ ঘূৰাই পঠাইছিল।ঃ

বাঞ্চা সদজন সঙ্গমে পৰগুণে প্ৰীতিঃ।
গুৰৌ নম্ৰতা বিদ্যাসু ব্যসনং স্বযোষিতি ৰতিঃ।।
লোকাপাদাৎ ভয়ম....।

তদুপৰি ৰামক যুৱৰাজ পাতিবলৈ মন্ত্ৰী আৰু প্ৰজা সকলৰ সন্মতি লোৱা, বনবাসৰ উপযুক্ত পৰীক্ষালৈ সীতাক গ্ৰহণ কৰাৰ পিছতো ৰাজ্যৰ মানুহৰ মুখত সীতাৰ চৰিত্ৰ সম্বন্ধে বু বা ওলোৱাত ৰামে সীতাক পুনৰ বনবাস দিয়া ইত্যাদিবোৰ কথাই সেই সময়ৰ উৎকৃষ্ট ধৰণৰ গণতন্ত্ৰৰে আভাস দিয়ে।

ৰামায়ণে যে কেৱল আমাৰ দৈনন্দিন জীৱনতে সহায় কৰিছে, এনে নহয় সাহিত্য, সংস্কৃতি আৰু শিল্প কলাতো আমাক সহায় কৰিছে, এনে নহয় সাহিত্য, সংস্কৃতি আৰু শিল্প কলাতো আমাক সহায় কৰিছে। বাল্মীকিৰ আদিকাব্য ৰামায়ণকে অবলম্বন কৰি কালিদাসে ৰঘুবংশ ভৱভূতিয়ে বীৰ চৰিত, উত্তৰ ৰামচৰিত ৰচনা কৰি কাব্য জগতত অমৰত্ব লাভ কৰিছে। ৰামায়ণৰ আখ্যানকে ভেটি কৰি পিছত বশিষ্ঠৰামায়ণ, অদ্ভুত ৰামায়ণ, আধ্যাত্মিক ৰামায়ণ আৰু কেইবাখনো নাট্য সাহিত্যৰ সৃষ্টি হৈছে। তদুপৰি ৰামৰ কাহিনীক লৈ নানাবিধ গীত ৰচিত হৈছে। নৃত্যৰ সৃষ্টি কৰা হৈছে। হনুমান, জাম্বুৱানৰ মুখা পিন্ধি ভাওনা কৰা হৈছে। এইবোৰে অসমীয়া ৰঙ্গমঞ্চ গঠনত সহায় কৰিছে।

অকল সেয়ে নহয়, চিত্ৰবিদ্যাতো ৰামায়ণে আমাৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছে ৰাম সীতাৰ ছবিয়ে শিল্প কলাত সহায় কৰিছে।

ৰামায়ণৰ বচনৰ পৰাই অসমীয়াত অজস্ৰ প্ৰবাদ বাক্য ৰচিত হৈছে। কাৰণ জনগণৰ অন্তৰ জয় কৰিলেহে কোনো এখন কাব্যৰ কথা মানুহে প্ৰবাদ হিচাবে ব্যৱহাৰ কৰে। ৰামায়ণে তাকেই কৰিছে সেয়ে অপ্ৰমাদী কবি মাধৱ কন্দলী ৰচিত ৰামায়ণত আমি অলেখ অসমীয়া প্ৰবাদ বাক্য পাইছো। উদাহৰণ স্বৰূপে তবে কেইটামান উল্লেখ কৰা হ'ল। "আমি ভৈলো কৈকেয়ীৰ অষ্টমীৰ ছাগ", "সউৰা বৃক্ষক ৰুইল মোৰ মাৰে উত্তম বট উভাঞ্জি", "টীপচিৰ বাবে মেৰু পৰ্ব্বত উৰিল", "মৰিবাক লাগি কোনে ৰাঘে হাল বায়", "বৰশীয়া ৰাৱণৰ পুঙাতেসে দৃষ্টি", "ঢোল হেন ডিমা পাৰে চুঙাৰ বাদুলি" "অলপ পানীৰ সল দদৰা দদৰি" ইত্যাদি। এই ঘৰুৱা পটন্তৰ বোৰে ৰামৰ অ্যখ্যান অতি আপোন কৰি তুলিছিল।

ৰামায়ণ এখন বৃহৎ অলঙ্কাৰ শাস্ত্ৰ। খৃষ্টীয় ৩য় শতাব্দীৰ অলংকাৰিকসকলে কাব্যৰ সংজ্ঞা বোধহয় ৰামায়ণ মহাকাব্যক লক্ষ্য কৰিয়ে দিয়ে। বৰ্ত্তমানৰ আলঙ্কাৰিকসকলেও ৰামায়ণত থকা গুণ কেইটাকে কাব্যৰ সাধাৰণ গুণ বুলি নিৰ্ণয় কৰিছে।

ৰামায়ণত ব্যাকৰণৰ সমলো যথেষ্ট পোৱা যায়। সাহিত্য ৰচিত হয় ভাষাৰ জন্মৰ পিছতহে। মাধৱ কন্দলীৰ ৰামায়ণখন আমাৰ অসমীয়াৰ এখন ব্যৱহাৰিক ব্যাকৰণ। অসমীয়াত কেনেকৈ কাৰক, বহুবচন, সমন্ধ পদ আৰু জতুৱা ঠাচ ব্যৱহাৰ কৰিব লাগে সেই কথা প্ৰথমতে কন্দলীৰ ৰামায়ণতে পোৱা যায়। তদুপৰি ৰামায়ণ এখন বিৰাট অভিধান। ইয়াত অলেখ শব্দ আৰু অৰ্থ আলোচনা কৰা হৈছে। সেইবোৰৰ পৰাই শব্দ সম্ভাৰ গ্ৰহণ বিভিন্ন সাহিত্য ৰচিত হব ধৰিছে।

ৰামায়ণত ভাৰতৰ ধৰ্ম্ম, সমাজ, ৰাজনীতি, দৰ্শন আৰু নিপুণ শিল্প কলাৰ আভাস পোৱা যায় আৰু তাত সাহিত্যৰ অপৰিহাৰ্য্য বৈয়াকৰণিক, আলঙ্কাৰিক আৰু অভিদানিক নীতি নিয়মবোৰে থুপ খাই আছে। প্ৰকৃততে ৰামায়ণ এখনি বৃহৎ ভাৰতীয় সাহিত্য। এই জাতীয় সাহিত্যখনি ৰচিত হবৰ আজি কত যুগ পাৰ হৈ গ'ল তথাপি ইয়াৰ দীপ্তি ম্লান হোৱা নাই, বৰঞ্চ ই এতিয়াও সকলো শক্তিৰ উৎস থিৰ দীপ্ত ভাস্কৰৰ দৰে সকলোৰে উপজীব্য হৈ আছে আৰু ভৱিষ্যতলৈও।■

# অসম কেশৰী অম্বিকাগিৰী

❐ দুৰ্গেশ্বৰ শৰ্ম্মা
প্ৰাক্তন অধ্যাপক



অসম-কেশৰী অম্বিকাগিৰী এজনা বহুমুখী প্ৰতিভাৰ লোক। তেওঁ একেধাৰে গায়ক, গীতিকাৰ, অভিনেতা আৰু ভ্ৰাম্যমান যাত্ৰা দলৰ সুদক্ষ পৰিচালক। তেওঁ কবি, নাট্যকাৰ, প্ৰাৱন্ধিক আৰু সাংবাদিক। তেওঁ এজন বিচক্ষণ ৰাজনীতিজ্ঞ আৰু সংৰক্ষিণী বাহিনীৰ যাদুকৰী সংগঠক। এই সকলো প্ৰকাৰ ক্ষেত্ৰৰ অন্তৰালেদি স্বদেশ হিতৈষণাৰ ফল্গুধাৰা অবাৰিতভাৱে প্ৰৱাহিত হৈছে। দেশেই তেওঁৰ ধৰ্ম্ম, কৰ্ম্ম, দেশেই ভগবান, দেশেই সকলো। এয়ে তেওঁৰ জীৱন দৰ্শন। দেশৰ জনগণক জাতীয়তাৰ বেদমন্ত্ৰত দীক্ষিত কৰাত তেওঁৰ বৰঙণি অপৰিসীম।

স্বাধীনতা ৰণত তেওঁ অক্লান্ত যুঁজাৰু। প্ৰাক্ স্বাধীনতা কালত তেওঁ ৰচনা কৰা 'বন্দিনী ভাৰত' নাট আৰু 'শতধাৰ' বৃটিছ চৰাকৰে বাজেয়াপ্ত কৰিছিল।

'বীণা', 'তুমি', 'অনুভূতি', 'বন্দো কি ছন্দেৰে', 'তই স্থাপন কৰ— স্থাপন কৰ' আৰু 'বেদনাৰ উল্কা' তেওঁৰ উল্লেখযোগ্য কবিতাৰ পুথি। প্ৰায়খিনি গ্ৰন্থৰ মাজেৰে জাগ্ৰত স্বদেশ প্ৰেমৰ একোটি তূৰ্য্য-নিনাদ প্ৰতিধ্বনিত হৈছে।

'আহুতি' আৰু 'ডেকা-ডেকেৰীৰ বেদ' তেওঁৰ বিখ্যাত প্ৰবন্ধ সঞ্চয়ন। আহুতি অসমীয়াৰ স্বৰাজ, ভাৰতীয়ৰ স্বৰাজ, বিশ্বশান্তি, ব্যক্তি স্বাধীনতা আৰু জাতীয়তা সম্পৰ্কে গভীৰ আলচৰ নিবন্ধন। ডেকা-ডেকেৰীৰ বেদতো অসমৰ নিজস্ব ৰক্ষাৰ আকুল আবেগ প্ৰাণস্পৰ্শী ভাষাত নিবন্ধ হৈছে। এই গ্ৰন্থত কোৱা হৈছে যে যিকোনো প্ৰকাৰৰ সামাজিক, ৰাজনৈতিক ভাষাগত, সংস্কৃতিগত, ধৰ্ম্মগত, দেহগত, মানসিক শোষণ আৰু আক্ৰমণক মৃত্যু-মহাব্যাধি বুলি ভাবিব লাগে আৰু তাৰ নিৰ্ম্মূল সাধিত হ'ব লাগে। তেওঁ অসমক ভাল পোৱাৰ মাজেৰে ভাৰতক আৰু

ভাৰতক ভাল পোৱাৰ মাজেৰে বিশ্বক ভাল পাবলৈ বিচাৰিছিল। এয়ে আছিল ৰায়চৌধুৰীৰ মূল তত্ত্ব। বহুতে এই তত্ত্বৰ মৰ্ম্ম ভেদ কৰিব নোৱাৰিছিল কাৰণে ডেকাগিৰীক প্ৰাদেশিকতাবাদত উদ্বুদ্ধ ব্যক্তি বুলি বিদ্ৰূপ বাণ মাৰিছিল। কিন্তু এই বাণত অসম কেশৰী ধাৰাশায়ী হোৱা ব্যক্তি নহয়। বৰং এনে অন্তঃসাৰ শূন্য সমালোচক যুক্তিক্ষেত্ৰৰ পৰা ছত্ৰভঙ্গ দিবলৈ সৰহ সময় নেলাগিছিল। প্ৰতিপক্ষৰ এনে আকস্মিক ছত্ৰভঙ্গই চৌধুৰীবাদৰ মৌলিকতা নিষ্পন্ন কৰিছিল।

এসময়ত 'কল্যাণময়ী' নামৰ এখনি নাটকো তেওঁ ৰচনা কৰিছিল। তেওঁৰ মানসিক দৃঢ়তা আৰু আত্মবিশ্বাস অনন্যসাধাৰণ। মাথোন দুটকা মূলধন লৈ অৰুণা প্ৰেছ স্থাপন কৰি তাৰে পৰা 'চেতনা' আৰু 'ডেকা অসম' সংবাদ-পত্ৰ প্ৰকা কৰিছিল। চেতনা আলোচনীয়ে অসমীয়াৰ প্ৰাণত জাতীয় চেতনাৰ উন্মেষ কৰিছিল আৰু ডেকা অসমে অসমৰ জনগণক জাতীয়তা সংৰক্ষণৰ ভাৱত উদ্বুদ্ধ কৰিছিল।

অসমৰ এখনি নিখুঁত ছবি তেওঁৰ অন্তৰ দাপোণত ভাহি উঠিছিল। সেইখন ছবিৰে বাস্তৱ ৰূপ দিবলৈ লওঁতে অসমৰ স্বাৰ্থৰক্ষা আৰু অসমৰ সৰ্ব্বপ্ৰকাৰ উন্নতিৰ কথা অসম কেশৰীয়ে বাৰম্বাৰ চিন্তা কৰিলে। তাৰ ফলত ১৯২৬ চনত অসম সংৰক্ষিণী সভাৰ জন্ম হ'ল। কিন্তু এটা দশকৰ পিছত সেই সভা তেওঁ স্বইচ্ছাৰে ভঙ্গ কৰি দিলে।

অসমৰ উন্নতি তেওঁৰ জীৱনৰ পণ। এই পণ ভঙ্গ হলে তে জীৱনেই বা ক'ত? সংৰক্ষিণী সভা ভঙ্গ হোৱাৰ কেইদিনমান পিচ ডেকাগিৰি অম্বিকাগিৰীয়ে অসমত বাস কৰা নতুন অসমীয়া, অসমীয়া সকলৰ মাজত আৰু পাৰ্ব্বত্য অঞ্চলত অসমীয়া ভ প্ৰচাৰৰ মহান আদৰ্শ আগত ৰাখি অসম শিক্ষা প্ৰচাৰ সমিতি স্থা কৰে। এই সমিতিৰ উদ্যোগত অসম-বঙ্গৰ সীমাত আৰু পাৰ্ব্ব অঞ্চলত প্ৰায় ১৫০ খনমান স্কুল স্থাপন কৰি অসমীয়া ভাষা শিক্ষ ব্যৱস্থা কৰা হৈছিল। ইয়াৰ মাজেৰে অসমীয়া ভাষাৰ প্ৰতি ত তেওঁৰ প্ৰগাঢ় ভালপোৱা ভাবৰ আভাস এটি ফুটি উঠিছে।

পৰাধীনতাৰ গ্লানি তেওঁৰ অন্তৰে সহ্য কৰিব নোৱাৰিছিল ত সেই কাৰণে দেশৰ মুক্তি সংগ্ৰামত জপিয়াই পৰি একাধিকবাৰ কাৰা খাটিছিল। অসমীয়াৰ প্ৰাণত আত্মচেতনা জগাই তোলাৰ কাৰণে ত অসমীয়া লোক সাধাৰণক মুক্তি সংগ্ৰামৰ বেদ বাণীত উদ্বুদ্ধ ক কাৰণে ডেকাগিৰীয়ে অসম জাতীয় মহাসভা গঠন কৰিছিল।

তেওঁৰ দূৰদৰ্শিতা অতুলনীয়। জাতীয় স্বাৰ্থত সামান্য আ লাগিলেই তেওঁৰ প্ৰাণে বিপ্লৱ কৰিছিল। ১৯৪০-৪১ চনৰ পি সময়ত তেওঁ গোটেই অসম পৰিভ্ৰমণ কৰি স্বাৰ্থজড়িত মহলৰ ষড় ওফৰাই দি অসমৰ জাতীয় স্বাৰ্থ অক্ষুন্ন ৰাখিবলৈ সমৰ্থ হৈছি এইজনেই আছিল অসম কেশৰী অম্বিকাগিৰী যাৰ জীৱনেই আ অসমৰ জাতীয় জীৱনৰ মহাবাণী। এইজন ব্যক্তি অবিনশ্বৰ, অস তেওঁৰ অমৰ বাণীৰ মাজেৰে তেওঁৰ জীৱনৰ অমৰত্ব ঘোষি হৈছে।■

# অনুভৱৰ এটি পৃষ্ঠা

❐ ড° গিৰীশ চন্দ্ৰ শৰ্মা
প্ৰাক্তন ছাত্ৰ আৰু
সহযোগী অধ্যাপক



আমি যেতিয়া হাইস্কুলত পঢ়িছিলো, ইংৰাজী শিকোৱা শিক্ষক জনে আমাক শিকাইছিল "When There is a will, There is a way"। তেতিয়া কথাফাঁকি ভালকৈ বুজা নাছিলো। ১৯৭৪ চনত যেতিয়া হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰি আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰিছিলো তেতিয়া এই অঞ্চলত ৰিক্সা আৰু অ'টোৰ বাহিৰে যাতায়তৰ কোনো ব্যৱস্থা নাছিল। তথাপি মহাবিদ্যালয়খনৰ সুনামৰ কাৰণে অসমৰ বিভিন্ন ঠাইৰ পৰা ছাত্ৰ-ছাত্ৰী এই মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰিবলৈ আহিছিল। সেই সময়ত বিজ্ঞান পাঠ্যক্ৰমত তিনিটা শাখা আছিল। প্ৰতিটো শাখাত ১৮০ জন মানকৈ ছাত্ৰ-ছাত্ৰী ভৰ্ত্তি হৈছিল। যদিও খেৰৰ ঘৰ দুই এটা আছিল তথাপি শৈক্ষিক পৰিৱেশ আছিল অতি উন্নত। ছাত্ৰ-ছাত্ৰী সকলে কৈছিল যে

সম্মুখত থকা জৰাজীৰ্ণ দোকান ঘৰবোৰৰ বাবে কলেজখনৰ সৌন্দৰ্য্য নষ্ট হৈছিল। ওচৰত কোনো ভাল চাহৰ দোকান নাছিল। নামভৰ্তিৰ দিনা মামুৰ দোকানত (এতিয়া কে.বি চেণ্টাৰৰ) পপ বিস্কুটেৰে চাহ খোৱা কথাটো মোৰ মানস পটত এতিয়াও সজীৱ হৈ আছে। মই মহাবিদ্যালয়ৰ ছাত্ৰী-নিবাসৰ সম্মুখৰ পথটোত এটি ঘৰ ভাড়া কৰি পঢ়িছিলো। সেই পথটোতে গণিত বিভাগৰ মুৰব্বী অধ্যাপক ˚দেবানন্দ শইকীয়া চাৰ, ৰসায়ন বিভাগৰ মুৰব্বী অধ্যাপক ড° প্ৰবীণ চন্দ্ৰ শৰ্মা চাৰ আৰু পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক ˚ ড° জগদীশ শৰ্মা চাৰ আৰু বহুতো মহাবিদ্যালয়ৰ কৰ্মচাৰীৰ আবাস আছিল। মই যিটো ভাড়া ঘৰত আছিলো সেই ঘৰৰ চৌহদত মহাবিদ্যালয় পুথিভৰালত কাম কৰা জ্যোতিষ মিশ্ৰ নামৰ এজন কৰ্মচাৰীও আছিল। কথাই কথাই তেখেতে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ কৰ্মযোগী˚ গিৰিধৰ শৰ্মা চাৰৰ কথা কৈছিল। তেখেতে কোৱা কথাবোৰ সাধুকথা যেন লাগিছিল। ১৯১২ চনৰ ৩০ জুলাই তাৰিখে নলবাৰী জিলাৰ ককয়া গাঁওত গিৰিধৰ শৰ্মাৰ জন্ম হয়। সৰুতে পিতৃহাৰা হোৱাত মাতৃৰ তত্বাৱধানত তেওঁ ডাঙৰ-দীঘল হয়। মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত ভৰি নিদিয়াকৈ "কৰ্ম মোৰ সংস্কৃতি" এই বাক্যসাৰকে জীৱনৰ লক্ষ্য হিচাপে গ্ৰহণ কৰি সমাজত ৰাখি থৈ গৈছে অক্ষয় কীৰ্ত্তি। এখন অখ্যাত গাঁওৰ পৰা আহি প্ৰাইমাৰী স্কুলৰ পৰা সন্দিকৈ মহাবিদ্যালয়, কটন মহাবিদ্যালয় আদিত শিক্ষকতা কৰি শেষত তেখেতৰ সপোনৰ আৰ্য বিদ্যাপীঠ প্ৰাইমাৰী, আৰ্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয় আৰু আৰ্য বিদ্যাপীঠ মহাবিদ্যালয় প্ৰতিষ্ঠা কৰি হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীক জ্ঞানৰ পোহৰেৰে উজ্বলাই তোলাৰ লগতে শ শ মানুহৰ কৰ্ম সংস্থাপনৰ বাট মুকলি কৰি থৈ গৈছে। পণ্ডিত মদন মোহন মালব্যই যেনেকৈ হাতত ভিক্ষাৰ পাত্ৰ লৈ বেনাৰস হিন্দু বিশ্ববিদ্যালয় গঢ়ি তুলিছিল ঠিক তেনেকৈ গিৰিধৰ শৰ্মায়ো ভিক্ষাৰ জোলোঙা হাতত লৈ আৰ্য বিদ্যাপীঠৰ পৰিকল্পনা সমূহ বাস্তৱত ৰূপায়িত কৰিছিল। ভাবিলে আচৰিত লাগে যে চৰকাৰৰ কোনো সাহাৰ্য্য নোহোৱাকৈ অকল ৰাইজৰ পৰা লোৱা দা[illegible] বৰঙণিৰে আৰ্য বিদ্যাপীঠ মহাবিদ্যালয় গঢ়িছিল।

মই ছাত্ৰ হিচাপে এবছৰ গিৰিধৰ শৰ্মা চাৰক অধ্যক্ষ হিচা[illegible] পাইছিলো। তেতিয়া দেখিছিলো চাৰৰ অসাধাৰণ ব্যক্তিত্বই ছা[illegible] ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীক আৰু কৰ্মচাৰী সকলক নিজৰ নিজৰ কৰ্ত[illegible] নিষ্ঠাৰে পালন কৰিবলৈ অনুপ্ৰেৰণা যোগাইছিল। এদিন আম[illegible] হ'ল নং ২ ত ৰসায়ন বিভাগৰ ক্লাচত শিক্ষক নহা বাবে তেখে[illegible] ক্লাচটো লৈছিল। তেখেতে পৰীক্ষাগাৰত কেনেকৈ হাইড্ৰ'জেন [illegible] প্ৰস্তুত কৰা হয় আমাক প্ৰশ্ন সুধিছিল। আমি দেখিছিলো তেখে[illegible] অনবৰতে মহাবিদ্যালয়ৰ চৌহদত ঘূৰি ফুৰিছিল। মহাবিদ্যাল[illegible] পুথিভৰালৰ বাৰান্দাৰ পৰা ছাত্ৰ-ছাত্ৰীক নিৰিক্ষণ কৰিছিল। এ[illegible] সফল অধ্যক্ষ আৰু সফল শিক্ষানুষ্ঠান নিৰ্মাতাৰ লগতে চাৰ এ[illegible] সফল সমাজকৰ্মী আৰু সফল সাহিত্যিকো আছিল।

১৯৭৫ চনত তেখেতে অৱসৰ গ্ৰহণ কৰাৰ লগে লগে [illegible] আৰ্য্য বিদ্যাপীঠৰ এটা সোণালী যুগৰ অৱসান ঘটে। ভাগ্যক্ৰ[illegible] মই এইখন মহাবিদ্যালয়ত ১৯৮২ চনত পৰিসংখ্যা বিজ্ঞান বিভা[illegible] শিক্ষক হিচাপে চাকৰিত যোগদান কৰো। ইয়াত থাকি অনু[illegible] কৰিছিলো গিৰিধৰ শৰ্মা চাৰৰ দিনৰ আৰ্য বিদ্যাপীঠ আৰু এতিয়[illegible] আৰ্য বিদ্যাপীঠৰ মাজৰ পাৰ্থক্য। ১৯৫৮ চনৰ পৰা ১৯৭৫ চন[illegible] যিটো হাৰত আৰ্য বিদ্যাপীঠৰ উন্নতিৰ লেখ ভাললৈ উঠিছিল ইয়[illegible] পৰৱৰ্তী সময়ত লেখ ভালৰ উথনৰ গতিটো ক্ৰমাৎ হ্ৰাস পো[illegible] যেন অনুভৱ হয়। মনত পৰিল স্কুলত ইংৰাজীৰ চাৰে কোৱা কথা[illegible] "When There is a will, There is a way"। মই ভাবো নতু[illegible] চামে চাৰৰ আধৰুৱা কামখিনি সম্পূৰ্ণ কৰি মহাবিদ্যালয়খন জাক[illegible] জিলিকা কৰিব পাৰিব। মহাবিদ্যালয়খনৰ ঋণাত্মক কথা কিবা শুনি[illegible] বা দেখিলে মোৰ মনটো সেমেকি উঠে।

গতিকে আজি এই হীৰক জয়ন্তীত আমাৰ মনবোৰ, আম[illegible] চিন্তাধাৰাবোৰ ইতিবাচক হওক আৰু আমাৰ আৰ্য বিদ্যাপী[illegible] মহাবিদ্যালয় অসমৰ ভিতৰতে এখন অন্যতম মহাবিদ্যালয় হওঁ[illegible] এয়ে কামনাৰে.....■

# স্মৃতি ফুলৰ পাপৰি বুটলি

❑ বনজিৎ সূত্ৰধৰ
প্ৰাক্তন ছাত্ৰ

You cease to be students ! প্ৰচণ্ড ধমকত মুহূৰ্ততে সকলো কাঁহ পৰি জীণ যোৱাৰ দৰে হ'ল। মানুহগৰাকীলৈ ঘূৰি নোচোৱাকৈয়ে আমি বুজিছিলো সেইগৰাকী প্ৰিঞ্চিপাল গিৰিধৰ শৰ্মা। প্ৰিঞ্চিপালৰ প্ৰশাসনীয় অফিচটো, য'ত আমাৰ চবৰে প্ৰিয় 'চিং' বহিছিল, তাৰ পাছফালৰ তনং শ্ৰেণীকোঠাত আমি ফাষ্ট ইয়েৰ টি. ডি. চি. চায়েঞ্চৰ ল'ৰাবোৰে প্ৰফেচৰ নহাত হুলস্থুল কৰি আছিলো। পাহৰি গৈছিলো যে নিচেই কাষত প্ৰিঞ্চিপালৰ কোঠা। আমাৰ ফূৰ্ত্তিৰ মাত্ৰা চেৰাই যোৱাত তেখেতৰ আগমন। If you can't behave as students, better leave studies: This college is not for unruly students! বগা ধুতি-পাঞ্জাবী চোলা, চকুত চছমা, ভৰিত কলা পামচু মানুহগৰাকী খঙত কঁপি আছিল।

কঠোৰ শাসন, অপত্য স্নেহ, মৰম, ভাল কাম কৰিলে প্ৰশংসা, অগাধ পাণ্ডিত্য, সৰ্বোপৰি শিক্ষাৰ কাৰণে সৰ্বস্ব আৰু সৰ্বশক্তি উজাৰি দিয়া এইগৰাকী মহান ব্যক্তিলৈ আৰ্য্য বিদ্যাপীঠৰ হীৰক জয়ন্তীৰ প্ৰাক্ কালত বৰকৈ মনত পৰিছে। ১৯৬৩ চনৰ জুন নে জুলাই মাহত শ্ৰদ্ধেয় প্ৰবীণ শৰ্মাদেৱৰ লিখিত অনুমতিত টি. ডি. চি. চায়েঞ্চ প্ৰথম বৰ্ষত ভৰ্তি হৈছিলো। চায়েঞ্চ বা বিজ্ঞানৰ আমি আছিলো দ্বিতীয় দল, প্ৰথম দলত আছিল মিৰেল কুদ্দুচ পাছলৈ অভিনেতা হিচাপে প্ৰতিষ্ঠা লাভ কৰা। সেই বছৰেই আৰ্য্য বিদ্যাপীঠৰ পাঁচ বছৰীয়া প্ৰতিষ্ঠা দিৱস, অলপ ডাঙৰকৈ পতাৰ ইচ্ছা প্ৰিঞ্চিপালৰ। আমি ছাত্ৰসকলে গম পাইছিলো যে প্ৰশাসনৰ হাতত ধনৰ জোৰ নাই। তেতিয়া বিদ্যালয় আৰু মহাবিদ্যালয়ৰ মাজৰ পকী বেৰখন নাছিল। সেইখিনি ঠাইতে ৰভা-মঞ্চৰ পৰিকল্পনা কৰা হৈছিল। সেই সময়ত শ্ৰমিক আছিল বিহাৰীসকল, তেওঁলোকৰ এক বিৰাট গোষ্ঠী মহাবিদ্যালয়ৰ উত্তৰফালে থকা ঠাইত বস্তি পাতি আছিল

আৰু প্ৰায়েই আমাৰ বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰসকলৰ লগত এখুন্দা লাগিছিল। আমাৰ ছাত্ৰসকলে ৰভা-মঞ্চ নিজে সজাৰ দায়িত্ব ল'লে, পাৰিশ্ৰমিক কেৱল চাহ-চিঙ্গৰা-ভাত। গিৰিধৰ শৰ্মা মহোদয়ৰ চকুত চকুলো বিৰিঙি উঠা আমি দেখিছিলো। কেন্টিন নাছিল, ওচৰৰে মিলনৰ দোকানেই আমাৰ, অধ্যাপকসকলৰ সবাহ। তেখেতে মিলনৰ দোকানলৈ নিজে গৈ ক'লে, মোৰ ল'ৰাবোৰে যেতিয়াই যি খায়, খুৱাবি। বিল মোক দিবি। ৰাতি হ'লেও ভাত-মাছ খুৱাবি। এনে বিশাল ব্যক্তিত্বৰ গৰাকীক দোকানত স্বয়ং উপস্থিত দেখি মিলনৰ এনেয়েই অৱস্থা কাহিল, আপত্তি কৰাৰ থলেই নাছিল বেচেৰাৰ। সেইবাৰ প্ৰদৰ্শনীও হৈছিল— ছবি, আলোকচিত্ৰ, কিতাপ, ৰসায়ন, প্ৰাণী তথা উদ্ভিদ বিজ্ঞান ইত্যাদিৰ। মোক দিছিল কিতাপ প্ৰদৰ্শনীত। বৰ সুন্দৰকৈ হৈ গৈছিল সমগ্ৰ অনুষ্ঠানটি। সেইবাৰ মহাবিদ্যালয় সপ্তাহৰ নাটক প্ৰতিযোগিতাত মিৰেল কুন্দুচক প্ৰয়াত অমৰ চক্ৰৱৰ্তীয়ে (টিপুলি) টানি নি বৰুৱাৰ হোটেল নাটকখন কৰালে। সহ অভিনেতাৰ পুৰস্কাৰ পালো। তাৰেই সাফল্যত পাছৰ বছৰ নৱাগত আদৰিণ উৎসৱত গিৰিধৰ শৰ্মা মহোদয়ে আমাক নাটক এখন কৰিবলৈ কোৱাত 'চুঙা চাই সোপা'খন লোৱা হ'ল। মিৰেল তৰোৱাল লোৱা পগলা, মই মহাজন। এঠাইত মই ওঁঠত চিগাৰেট লৈ জ্বলাবলৈ ল'ম, মিৰেলে মোৰ পেটত খোঁচ মাৰিব আমি দুয়ো কিবা কিবি কৰিম। শৰ্মা মহোদয়ৰ কাণত পৰিল, ৰণজিতে মঞ্চত চিগাৰেট হুপিব। প্ৰবীন শৰ্মা মহোদয়ে মোক বাধা দিলে। মই কলো যে নাটকৰ প্ৰয়োজনত মই চিগাৰেট ল'মেই, আৰু এই নাট্যমুহূৰ্ত চাই যদি প্ৰিঞ্চিপালে দোষ ধৰে, তেন্তে মোক কলেজৰ পৰা বহিষ্কাৰ কৰিব। অন্যথাই আমি নাটক নকৰো। নাটকখনেই আছিল সাংস্কৃতিক সন্ধিয়াৰ মূল আকৰ্ষণ। এসময়ত প্ৰবীণ শৰ্মা আৰু হেমন্ত চৌধুৰীয়ে ক'লে— তুহুন নাটক কৰ, হলি সাৱধান! প্ৰথম শাৰীত প্ৰিঞ্চিপাল আৰু মুখ্য অতিথি হাইক'ৰ্টৰ অধিবক্তা শ্ৰীযুত জেহেৰুল ইচলাম। আহিল সেই নাট্য মুহূৰ্ত। মই ওঁঠত চিগাৰেট লওঁতেই পেটত মিৰেলৰ তৰোৱালৰ খোঁচ। আমাৰ কিছু কীৰ্তি কল্লাপ এটা সময়ত দ্বিতীয় খোঁচৰ আগমুহূৰ্তত মই ওঁঠৰ জ্বলন্ত চিগাৰেটটো দৰ্শকৰ আসনত বহা প্ৰিঞ্চিপালৰ ভৰিৰ ওচৰত পেলাই সৰ্বাঙ্গত কঁপনি তুলি ভেবা লাগিলো। গিৰিধৰ শৰ্মা মহোদয়ে আসনৰ পৰা জাপ মাৰি থিয় হৈ হা-হা কৈ হাঁহিব ধৰিলে, লগতে ইচলাম চাহাবো। পাছদিনা মোক তেখেতৰ চেম্বাৰলৈ মাতি কাঞ্চাৰ হতুৱাই মিলনৰ দোকানৰ পৰা মিঠাই আনি খুৱাইছিল।

এবাৰ অধ্যাপক প্ৰবীন শৰ্মাৰ পৰিচালনাত এখন পূৰ্ণাঙ্গ নাটক কৰিছিলো বিদ্যালয় আৰু মহাবিদ্যালয়ৰ মাজৰ ঠাইত ৰভা মঞ্চ পাতি। মই মন্ত্ৰী, ৰাইজৰ মাজেৰে মোক আনি প্ৰথমতে ৰভাত বহাব। প্ৰিঞ্চিপালৰ গাড়ীৰেই এন. চি. চি. আৰু দুজন পুলিচে আনিলে ৰভাতলীলৈ— উদ্যোক্তাৰ ভাও লোৱা অভিনেতা দুজনে মোক প্ৰিঞ্চিপালৰ কাষত বহিব দিলে। মোক আচৰিত কৰি তেখেতে থিয় হৈ মোক হাতযোৰ কৰি নমস্কাৰ কৰি বহিবলৈ দিলে। বহিলো। মোৰ কাণৰ ওচৰত মুখখন আনি ফুচ্‌ফুচাই ক'লে— মই এক্টিং কৰিব জানো, বুজিলি। সেয়াই প্ৰণম্য গিৰিধৰ শৰ্মা।

আমাৰ সময়ত আচাম আৰ্হিৰ আয়তাকাৰ সংৰচনাতিতেই শ্ৰেণীবোৰ হৈছিল, মাজৰ খালী ঠাইত বেডমিণ্টন, নহ'লে অন্য অনুষ্ঠান। তাৰ পাছফালে, এতিয়া য'ত কেণ্টিন তাত পদাৰ্থ বিজ্ঞান, প্ৰাণীবিজ্ঞান, উদ্ভিদ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞানৰ পৰীক্ষাগাৰবোৰ। তাৰো পাছফালে দুটা সৰু পুখুৰীৰ মাজেৰে গৈ, বাঁহৰ বেৰ আৰু টিঙৰ চালিৰ হ'ষ্টেল। ■

# দিঙা

❑ জিতেন্দ্র নাথ গোস্বামী
প্রাক্তন ছাত্র

বঠা মাৰি মাৰি
বৈতৰণীত মেলি দিলো
জীৱন দিঙা
পাৰ পাম বুলি পাৰকে নাপাওঁ আমি।
দিয়া নাৱৰীয়া
ঘাটত চপাই দিয়া নাও
বণিজত আহিছোঁ
কাক কি দি যাব পাৰো চাওঁ।
সময় তাকৰ
কৰো আঁহা বেহা
অৱহেলা কৰিলে
মহাজনে লগাব দিহা
ভাল-বেয়া বেপাৰৰ পৰিচয়
লেন-দেনত হয় নিৰূপণ
মহাজনেও দিব ঠাই
জগতৰ সকলোৰে চকুত লগাকৈ।
অনুপম অনুকম্পা
থাকিলে ভকতি তোমালৈ
গভীৰ উৰ্ম্মিমালাত পৰিলেও
ভক্তক প্ৰশান্তিৰ উপকূলত ৰাখিব যতনাই।■

# সময় সমিধান

❑ ডাঃ প্ৰণীতা শইকীয়া
প্ৰাক্তন ছাত্ৰী




সময় অনুপম
সেয়ে জীৱন অনুপম।
সময় গতিশীল
সেয়ে জীৱন গতিশীল।
গতিশীলতাই স্পন্দিত ৰাখে
জীৱন আৰু সময়।
যেন নানা ৰঙৰ বিচ্ছুৰণ।

আকৌ কওঁ
সময় সুখৰ জীৱন সুখৰ
সময় দুখৰ জীৱন দুখৰ
সময়ক বন্ধাৰ যে নাই উপায়
সন্মুখা সন্মুখ হওঁ সময়ৰ সতে
জন্মৰ দিন ধৰি মুহূৰ্তে মুহূৰ্তে।

বয়সৰ স'তে খোজত খোজ মিলাই
সময়ৰ স'তে যুঁজ বাগৰ বিলাই
বুজিলোঁ আজি সময় একান্তই
নিজৰ।

সময়ে বিচাৰে জীৱনৰ ৰং
জীৱনে চিনে সময়ৰ ঢং
এয়াতো নহ'ব উঠিলে খং
দায় দোষ নধৰি
হে সময়, তোমাক পৰি নমস্কাৰ।■

# ৰঘুনাথ চৌধাৰীৰ কবিতাত প্ৰকৃতি

❑ ৰজনীকান্ত শৰ্ম্মা
প্ৰাক্তন ছাত্ৰ



প্ৰকৃতিয়ে কবিসকলক চিৰকাল প্ৰেৰণা যোগাই আহিছে ইংৰাজ কবি ৱাৰ্ডচ্ৱাৰ্থ, কীটচ্, শ্বেলী আদিৰ কবিতাত প্ৰকৃতি না বেশভূষাৰে বিভূষিতা। সংস্কৃত সাহিত্যতো প্ৰকৃতিয়ে মুখ্য স্থ অধিকাৰ কৰিছে। মহাকবি কালিদাসৰ কাব্য, নাট আদিত প্ৰকৃ জীৱন্ত হৈছে। আমাৰ অসমীয়া কবি সকলৰো বহুতৰ প্ৰকৃতিৰ লগ নিবিড় সম্বন্ধ। শঙ্কৰদেৱৰ ৰচনাৰাজিতো প্ৰকৃতিৰ বৰ্ণনা বিদ্যমা আধুনিক কালত ৰঘুনাথ চৌধাৰীৰ কবিতাত প্ৰকৃতিয়ে মূৰ্ত্তৰ পৰিগ্ৰহ কৰিছে। চৌধাৰীৰ সৰহ ভাগ কবিতাৰে বিষয়বস্তু প্ৰকৃতি

কবি ৰঘুনাথ চৌধাৰীৰ কবিতা তেওঁৰ বেদনাময় জীৱন অভিব্যক্তি স্বৰূপ। ফুল আৰু চৰাই তেওঁৰ প্ৰিয় বিষয়। অসম প্ৰকৃতিৰ লগত তেওঁৰ কবি মন ঘনিষ্ঠভাবে বিজড়িত। কবি চৌধাৰী প্ৰথম কবিতা "এটি মনৰ ভাব" ১৯০১ চনত কটন কলেজ উদ্বোধনী সভাত 'আৱাহন' নামৰ কবিতাটো পাঠ কৰি যশস অৰ্জ্জন কৰে আৰু লাহে লাহে সাহিত্য জগতত পৰিচিত হৈ পৰে চৌধাৰীদেৱে তেওঁৰ "গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী" নাম কবিতাটোৰ জৰিয়তে সাহিত্য জগতত প্ৰতিষ্ঠা লাভ কৰে। তেখেত 'মৰমৰ পখী' ১৯০১ চনত "জোনাকী"ত প্ৰকাশ পায়। অ চেনেহেৰে কবিয়ে তেওঁৰ মৰমৰ পখীক বান্ধি ৰাখিছিল। 'মৰম পখী'ৰ জৰিয়তে কবিয়ে তেওঁৰ মানসী প্ৰিয়াক আহ্বান কৰিছি কিন্তু এই পখীটোৱে কবিৰ অন্তৰত বিৰহৰ ঢৌ তুলি চিৰদিনৰ কাৰ কবিৰ ভঙা হিয়াত দুখৰ বোজা জাপি দি অজান দেশলৈ গুচি যায়

নিস্বাৰ্থ প্ৰেমৰ কঠিন বান্ধনি
অলক্ষিতে সোলোকাই
নেদেখা নুশুনা দিক্‌চৌ বনলৈ
গল পখী পুনৰাই।

ইয়াৰ পিছত কবিয়ে লাহে লাহে 'সাদৰী', দহিকতৰা, কাৰবালা, কেতেকী আদি কবিতাৰ পুথি আৰু 'নৱমল্লিকা' নামৰ কথা কবিতাৰ পুথিৰ দ্বাৰাই অসমীয়া ভাষা জননীৰ সমৃদ্ধি সাধন কৰে।

কবি চৌধাৰীয়ে এই সংসাৰৰ মায়া-মোহ, সুখ-দুৰ পৰা বিচ্ছিন্ন হৈ যাবলৈ প্ৰয়াস কৰিছে। কবিৰ মতে মানুহৰ মাজত প্ৰকৃত ভালপোৱা নাই। সেয়েহে তেওঁ প্ৰকৃতিলৈ গতি কৰিছে। কেতেকী, দহিকতৰা, সাদৰী তেখেতৰ প্ৰকৃতিক লৈ ৰচনা কৰা কবিতাৰ পুথি। "গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী", "কেতেকী", "দহিকতৰা" আদি তেখেতৰ চৰাই বিষয়ক শ্ৰেষ্ঠ কবিতা। কবি ৱাৰ্ডচৱাৰ্থে তেওঁৰ "কুলি" কবিতাৰ জৰিয়তে এখন অপাৰ্থিব জগতৰ সন্ধান পোৱাৰ দৰে আমাৰ কবি চৌধাৰীদেৱেও এখন সুখৰ ৰাজ্যৰ সপোন দেখিছিল। প্ৰিয় বিহঙ্গিনীৰ সংগীতেই কবিৰ অমৃত। প্ৰিয় বিহঙ্গিনীৰ গানত কবি আত্মহাৰা। জীৱনত বহুতো দুখ-কষ্ট পোৱা কবিয়ে এই সংসাৰ ত্যাগ কৰি এনে এখন জগতলৈ যাবলৈ ইচ্ছা কৰিছে য'ত প্ৰেম, সৌন্দৰ্য্য বিৰাজমান। এনে এখন সুমধুৰ জগতৰ সন্ধান কবিয়ে তেওঁৰ প্ৰিয় বিহঙ্গিনীত পায় ঃ

শুনাহে এবাৰ পখী অভাগাৰ বাণী
নালাগে পাৰ্থিব সুখ
নকৰো মনত দুখ
তোমাৰ লগতে উৰি যাওঁ বিহঙ্গিনী
সদায়ে বৈছে য'ত প্ৰেম মন্দাকিনী।

কবিৰ কল্পনাত কেতেকী স্বৰ্গৰ দেৱদূত। কেতেকীৰ নিঃস্বাৰ্থ সুমধুৰ সঙ্গীতে বিশ্ব নৱৰূপেৰে ৰূপায়িত কৰিলে—

জন প্ৰাণহীন মৰু প্ৰান্তৰত
গায় সঞ্জীৱনী গান
সজাই তুলিলি ঊষাৰ ভূমিত
অপৰূপ মৰুদ্যান।

অসমৰ প্ৰাকৃতিক সৌন্দয্যৰাজিৰ মাজত কেতেকীয়ে আপোন সুৰে হিয়া উজৰাই গীত গাই গাই প্ৰেমৰ ঢৌ তুলি দিছে। এই কেতেকী স্বপ্ন ৰাজ্যৰ মূৰ্ত্তপ্ৰতীক। এই কেতেকী চৰাইজনীয়ে বিশ্বত প্ৰেমৰ জোৱাৰ তুলিলে। এই কেতেকীৰ গীতে দ্বাপৰৰ সেই শ্ৰীকৃষ্ণ মোহন মুৰতিতো প্ৰতিফলিত হৈছিল। কেতেকীৰ প্ৰেমময় সুৰে বিশ্ব প্ৰেমময় কৰিলে ঃ

প্ৰেমৰ আধাৰ প্ৰেম পাৰপাৰ
ক্ষুদ্ৰ হিয়াখনি তোৰ
প্ৰেমৰ তৰঙ্গ তুলি তালে তালে
জগত পেলালি জুৰ।

কবিয়ে চতুৰ্থ তৰঙ্গ উপলব্ধি কৰিলে যে কেতেকীৰ কণ্ঠস্বৰে অকল মানুহকে মুগ্ধ কৰা নাই; কেতেকীৰ সুৰত বিজুলী চমকে, মেঘে গাজে, আকাশত অযুত তৰাই মিচিকিয়াই হাঁহে। পৃথিৱী মুগ্ধকাৰী এই কেতেকীজনীৰ কবিয়ে চিৰদিনৰ কাৰণে আশ্ৰয় লবলৈ বিচাৰিছে ঃ

তয়ে মোৰ জীৱন লগৰী
হৃদি বাসনাৰ ধন
তোৰ লগতেই এৰি থলো মই
মায়াৰ সংসাৰখন।
বাট দেখুৱাই লৈ যা সাদৰী
নাথাকো ই সংসাৰত
শতধাৰা হৈ
প্ৰেম মন্দাকিনী বইছে যত।

কিন্তু কেতেকীয়ে কবিক প্ৰবঞ্চনা কৰি গুচি গ'ল। কবিৰ সুখৰ সপোন ভাগিল। চকুৰ পলকতে কেতেকীয়ে কবিক ঠগিলে। কবিৰ সপোন দিঠকত ৰূপায়িত নহ'ল।

চাওতে চাওতে প্ৰকৃতি বুকুত
পৰিল কালিমা ৰেখা
নাম গাই গাই উৰি গল পখী
দুনাই নাহিল ঘুৰি
কেতেকী বিহনে শুদা শুদা
হ'ল আজি মায়াপুৰী।

কেতেকী চৰাইজনীৰ জৰিয়তে কবিয়ে তেওঁৰ ব্যক্তিগত জীৱনৰ এটা মধুৰ প্ৰতিচ্ছবি দাঙি ধৰিছে।

"দহিকতৰা" কবিতাত দহিকতৰা চৰাইজনী প্ৰথমৰ পৰাই কবিৰ চিনাকি হিচাবে ধৰা দিছে। দহিকতৰাৰ মাতত কবিয়ে আপ্যায়িত হৈ প্ৰেমৰ দূত বুলি আখ্যা দিছে। দহিকতাৰ সঙ্গীতে প্ৰকৃতি ৰাজ্যৰ নিস্তব্ধতা ভঙ্গ কৰিলে। দহিকতৰাৰ মাতে বসন্তৰ আগজাননী দিলে। দহিকতাৰ সঙ্গীতত যুতী মালতী, তগৰ কৰবী আদি ফুল ৰঙ-ৰূপহেৰে ফুলি উঠিল। লুইতৰ পাৰে পাৰে কঁহুৱাৰ ফুলবোৰে অপৰূপ ৰূপ ধাৰণ কৰিলে। দহিকতৰাৰ সঙ্গীতে বিশ্ব প্ৰেমময় কৰিলে। কবিৰ ভাষাতে ঃ—

অ মৰমী বন্ধু অ মোৰ দহিকতৰা
কোন মূৰ্চ্ছনাত বাজে তোৰ দোতৰা

মিলন মাধুৰী লই
আহিছ সাদৰী অই
কোন বিৰহীক দিবি তই প্ৰেমৰ বতৰা
পদূলিতে ৰই আছে গুলঞ্চি বতৰা।

দহিকতৰাৰ লগত কবিৰ নিবিড় সম্বন্ধ। 'কুলি' কবিতাত ইংৰাজ কবি ৱাৰ্ডচৱাৰ্থৰ শৈশৱৰ স্মৃতি জাগি উঠাৰ দৰে দহিকতাৰ মাততো কবিৰ সুদূৰ' অতীতৰ স্মৃতি জাগি উঠিল ঃ—

চিৰদিন তই মোৰ হিয়াৰ আপোন
উদিছে মনত মোৰ
শৈশৱৰ য'ত চিত্ৰবোৰ
কোন দূৰ অতীতৰ মায়াৰ সপোন
জগাই তুলিলি প্ৰিয় স্মৃতি বিতোপন।

অনাদৃত চৰাইৰ মাতত কবিৰ সুমধুৰ অতীতৰ সপোন জাগৃত হৈ ক্ষন্তেকৰ কাৰণে হলেও নিজৰ আত্মীয় কৰিবলৈ বিচাৰিছে।

"স্নিগ্ধ সলিলত যেন থাকিম নাচুৰি

কেতেকী, দহিকতৰা, গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গীনী, মৰমৰ পখী আদি একেটা চৰাই বুলি ভাবিলেও প্ৰকৃততে ইহঁত বেলেগ বেলেগ চৰাই। 'কেতেকী'ৰ মাজেৰে কবিৰ জীৱনৰ হেৰোৱা আশা পৰিলক্ষিত হৈছে। কেতেকীৰ আগমনে গোটেই বিশ্বতে প্ৰেমৰ ঢৌ তুলিছে কিন্তু দহিকতৰাত প্ৰেমৰ মাদকতা নাই।

গোলাপ আৰু গিতিমল্লিকা কবি চৌধাৰীৰ ফুল বিষয়ক দুটা শ্ৰেষ্ঠ কবিতা। গোলাপৰ কোমলতা, সুৰভিয়ে কবিৰ অন্তৰত প্ৰেমৰ স্পন্দন জগাই তুলিছে। কবিৰ প্ৰথম দৃষ্টিত গোলাপে সদ্য বিবাহিতা ৰমণীৰ দৰে ওৰণি গুচায়, ভুবন ভুলোৱা হাঁহিৰে গোটেই বিশ্বকে জয় কৰি পেলাইছে। প্ৰকৃতিৰ বুকুত ফুলি উঠা মনোৰম গোলাপৰ ৰূপ, ৰস, গোন্ধ আৰু সৌন্দৰ্য্যত বিমোহিত হৈ কবিয়ে গাইছে ঃ—

কাৰ পৰশত ফুলিলি বান্ধৈ
অমোৰ সাদৰী ফুলাম পাহি
শ্যামলী পাতৰ ওৰণি গুচাই
কাৰ ফালে চাই মাৰিলি হাঁহি।

কবিয়ে গোলাপৰ সৌন্দৰ্য্যত মুগ্ধ হৈ তেওঁৰ সাদৰী প্ৰিয়া বুলি অভিহিত কৰি বিৰহ বেদনাৰ অন্ত পেলাইছে। কবিৰ অন্তৰত এই গোলাপ ফুলি উঠিবনে তাকে কবিয়ে আকুল চিত্তেৰে সুধিছেঃ—

ফুলিবিনে মোৰ মানস কুঞ্জত
অ মোৰ সাদৰী ফুলাম পাহি।

গোলাপ ফুলৰ লগত প্ৰেমিক—প্ৰেমিকাৰ অতীতৰ স্মৃ বিজড়িত হৈ থাকে। সৌন্দৰ্য্যৰ মূৰ্ত্ত প্ৰতীক গোলাপ ফুল বিৰহী হা-হতাশৰ বস্তু ঃ—

কত কাব্য গাঁথা অতীতৰ স্মৃতি
উদাস প্ৰেমৰ মূৰ্ত্ত বিকাশ
বিজড়িত তোৰ কোমল বুকুত
কত বিৰহীৰ হা-হতাশ।

সৌন্দৰ্য্য পিপাসু কবিৰ মনত গিৰিমল্লিকা কোনোৱে নেদে নিজান বনত ফুলি থকা এপাহি ফুল। এই গিৰিমল্লিকা ফুল জোপ লুইতৰ পাৰত ৰূপ-যৌৱনেৰে ভৰপুৰ এগৰাকী ষোড়শী গাভৰ দৰে গোটেই বিশ্বকে মুগ্ধ কৰিছে আৰু কবিয়ে এই ফুল পাহি মানসপটৰ ৰাণী সজাইছে—

অয়ি অনৱগুণ্ঠিতা ফুল্লশিখৰিণী
ৰঞ্জি মণিকৰ্ণিকাৰ হৰিৎ মেখেলা
আছা শোভি শুভ্ৰবেশে কৰি সুৰভিত
লৌহিত্যৰ তীৰভূমি শ্যামল বননি।

কবিয়ে গিৰিমল্লিকাক স্বৰ্গৰ পাৰিজাত নাইবা মদনৰ কাম আছিল বুলি কৈছে। কাৰবাৰ শাপত অভিশপ্তা হৈ কোনোবা ঋ তনয়াক যৌৱনৰ অমিয়া যাচিছিল আৰু কবি চৌধাৰীদেৱেও সে ৰূপতেই গিৰিমল্লিকাক পাবলৈ বিচাৰিছিল। কবিৰ ভাষাতে—

প্ৰাণপ্ৰিয়া আজি মোৰ বিজন কুঞ্জত
তুলিবিনে লয়লাসে হাঁহিৰ তৰঙ্গ?

গিৰিমল্লিকাক প্ৰিয়াৰ ৰূপ দিয়া কাৰণে ইয়াক বিৰহ কবিতাও বুলিব পাৰি। কবিৰ বৰ্ণনা শক্তি হুবহু। কবিতাটো পঢ়ি লুইতৰ দাঁতিত থকা মণিকৰ্ণেশ্বৰ পৰ্ব্বতৰ হুবহু বৰ্ণনা যেন লাগে

সাদৰীত সন্নিবিষ্ট 'বহাগীৰ বিয়া' বশিষ্ঠাশ্ৰম, হেপাহ, বিষা আদি চৌধাৰীদেৱৰ উল্লেখযোগ্য কবিতা। 'বহাগীৰ বিয় কবিতাটিত কবিয়ে বসন্তকালৰ এটি অতুলনীয় চিত্ৰ পাঠকৰ আগ দাঙি ধৰিছে। কবিৰ বৰ্ণনাশক্তি নিখুঁত হোৱা কাৰণে কবিতা পঢ়িলে অসমীয়া জীয়াৰীৰ বিয়াৰ চিত্ৰ এটা অঙ্কিত কৰা যেন লাগে বসন্তকাল অহাৰ লগে লগে প্ৰকৃতি জীয়াৰীয়ে কেনেকৈ নতুন নতু ফুল-পাতেৰে সুশোভিত হৈ পৰিল তাকে কবিয়ে বৰ্ণনা কৰিছেঃ—

প্ৰকৃতি জীয়াৰী গাভৰু বোৱাৰী
বহাগী আইটিৰ বিয়া
উলহ মালহে সকলোৱে যেন
আনন্দ নধৰে হিয়া।

প্ৰেমিক ভ্ৰমৰৰ মুখত বসন্ত আইটিৰ বিয়াৰ বাতৰি পাই শিমলু, এজাৰ, পলাশ, অশোক আদি গছবোৰে পুৰণি বস্ত্ৰ পৰিত্যাগ কৰি নতুন নতুন বস্ত্ৰ পৰিধান কৰি আহিছে। বহাগী আইৰ বিয়াৰ লগে লগে অকল যে গছবোৰে নতুন ৰূপত দেখা দিছে তেনে নহয়; কেঁহু চৰাইয়ে মঙ্গল উৰুলি দিছে, দহিকতৰাই গীত গাইছে। এইদৰে আন আন চৰাই লিকেও অসমীয়া গাভৰুৰ বিয়াৰ জোৰণৰ দিনা সুন্দৰ সুন্দৰ পাটৰ চেলেং পিন্ধি অহা দি ৰভাতলি ভৰি পৰিল।

পাটৰ চেলেং গাত মেৰিয়াই
পাটমাদৈ চুচি মাজি
জোৰণ পিন্ধাব আহিল সুন্দৰী
পাট গাভৰুটি সাজি।

মুঠতে বহাগী আয়ে ন কইনা হৈ প্ৰেমিক বসন্ত দৰালৈ অপেক্ষা কৰি থাকিল। অসমীয়া সমাজত দৰা আহি পোৱাৰ লগে লগে কইনা ঘৰৰ আয়তী সকলৰ উৰুলি, ঢোল-পেঁপাৰ মাতত গোটেই ৰভাতলী মুখৰিত হৈ পৰাৰ দৰে বসন্ত অহাৰ লগে লগে প্ৰকৃতি দেৱীয়ে নানা বাজনাৰে বসন্ত দৰাক আদৰিলে—

'কন্দৰ্প কুমাৰ প্ৰেমিক বসন্ত
আহিছে দৰাটি সাজি
বিবিধ সুৰত পবিত্ৰ প্ৰেমৰ
উঠিছে বাজনা বাজি'।

বসন্তৰ আবিৰ্ভাবে কেতেকী, জলকুঁৱৰী, ভেটফুল আদিৰ মনৰ ভাব আঁতৰালে। মুঠতে বহাগীৰ বিয়াৰ জৰিয়তে কবিয়ে বসন্ত কালৰ এটা অপৰূপ দৃশ্য আমাৰ আগত দাঙি ধৰিছে। 'বহাগীৰ বিয়া' চৌধাৰীৰ প্ৰকৃতি বিষয়ক এটি উৎকৃষ্ট কবিতা।

বশিষ্ঠাশ্ৰম কবিতাটোৰ জৰিয়তে কবিয়ে অসমৰ সোঁমাজত থকা বশিষ্ঠাশ্ৰমৰ মাজেৰে সন্ধ্যা, ললিতা, কান্তা তিনিও বাই-ভনীয়ে প্ৰকৃতি জগতৰ মহিমাৰ গীত গাই গাই ব্ৰহ্মপুত্ৰৰ বুকুত মিলিছে। বশিষ্ঠাশ্ৰম অকল প্ৰকৃতিৰ লীলাভূমিয়ে নহয়; ই ভাগৰুৱা পথিকৰ শান্তি নিকেতন, অময়া প্ৰেমৰ পুৰী। সৰলতা, কোমলতা, পৱিত্ৰতা ইয়াত ৰিাজমা। সংসাৰৰ ঘাত-প্ৰতিঘাতত জৰ্জৰিত বিৰাজমান মানবক কবিয়ে বশিষ্ঠাশ্ৰমলৈ আকুল কণ্ঠে মাতিছে।

হে পথিক জুৰোৱাহি তাপিত জীৱন
ক্ষন্তেক বহিলে হিয়া পৰিব শীতল
ভাগৰুৱা পথিকৰ শান্তি নিকেতন
অময় প্ৰেমৰ পুৰী গিৰি সন্ধ্যাচল।■

# লেছেৰী বুতলি

□ অৰূপ বৰঠাকুৰ
প্ৰাক্তন ছাত্ৰ (১৯৭৩-৭৪)

১৯৭৩ চন।

আৰ্য বিদ্যাপীঠ কলেজত নাম লগালো।

বিজ্ঞান শাখাত....।

আৰ্য বিদ্যাপীঠ হাইস্কুল — আৰ্য বিদ্যাপীঠ মহাবিদ্যাল আৰু বাণীকান্ত কাকতি ছোৱালী হাইস্কুল একেটা কেম্পাছতে।

প্ৰয়াত গিৰীধৰ শৰ্মাৰ স্পপ্নপুৰি।

আৰ্য্য...

তেতিয়াৰ দিনৰ চেৰাপভাতি তাৰ পিছলে আৰ্য্যনগৰ, আ বৰ্তমান গোপীনাথ নগৰ। নেদেখাজনে বিশ্বাস নকৰিব কি পৰিৱেশ কিমান সপোন বুকুত বান্ধি গিৰীধৰ শৰ্মা ছাৰে প্ৰতিষ্ঠা কৰা আৰ বিদ্যাপীঠ আজি এক বৃহৎ শৈক্ষিক প্ৰতিষ্ঠান। শিক্ষাৰ এক অন্যত কেন্দ্ৰবিন্দু।

শৰ্মা ছাৰৰ বাবে আৰ্য্যৰ গোটেই কেম্পাছটোৱে আছি মন্দিৰ সদৃশ। অন্যায়-অবিচাৰ-দুৰ্নীতিৰ য'ত তিল মানো স্থা নাছিল।

গিৰীধৰ শৰ্মা ছাৰৰ তাহানিতে পুতি থৈ যোৱা সেই বটবৃ স্বৰূপ শৈক্ষিক প্ৰতিষ্ঠানখন বৰ্তমান যৌৱন প্ৰাপ্ত এখন সুস্থ সব জ্ঞান মন্দিৰত পৰিণত হ'ল।

আমি নিজকে সৌভাগ্যৱান বুলি ভাবো এই বাবেই যে সেইজন মহামনিষীৰ আমি পদধূলি নিজ হাতে ল'বলৈ পাইছিলো মই ছাৰৰ এটা অতি মৰমৰ আলিংগন লাভ কৰিছিলো। যিয়ে মো আজিও পুলকিত কৰে।

প্ৰতি বছৰৰ দৰে ১৯৭৩ চনতো কলেজ উইক পালন কৰ হৈছিল। আৰ্য্য স্কুলত ১৯৭০ চনৰ পৰাই পঢ়ি মেট্ৰিক পাচ কৰি আৰ্য্য কলেজত নাম লগাইছিলো। লগ পালো বহু সহপাঠী কুলদীপ

সিং, ইবতম্বি সিং, কুমাৰ দীপক দাস, মেহদি আলম বৰা, ভাস্কৰ মহন্ত (স্কুলৰ সহপাঠী) ভাস্কৰ দাসকে প্ৰমূখ্যে প্ৰয়াত অভিনেত্ৰী উজ্জ্বলা দাসক। এইখিনিতে বন্ধু বিবেকানন্দ চৌধুৰীকো সন্মানসহ সুঁৱৰিছো। সেই সময়ত কোনো কোনোৱে নাটক-বোলছবিত, কোনো কোনোৱে তৰ্ক প্ৰতিযোগিতাত, কোনো কোনোৱে আকৌ খেল ধেমালিত, কোনো কোনোৱে আকৌ ৰাজনীতিৰ পথাৰখনত দপদপনি। তেতিয়া নিশা ১-২ বজালৈকে সাংস্কৃতিক অনুষ্ঠান, নাট, প্ৰতিযোগিতা আদি অনুস্থিত হৈছিল। বিশেষকৈ নাট প্ৰতিযোগিতা। ভাবিবই নোৱাৰি কি বাঘা বাঘা অভিনেতা-অনিনেত্ৰীৰ মন পৰশা অভিনয়। বিচাৰকসকল বহু সময়ত বিচাৰ কৰিবলৈ গৈ শলঠেকত পৰিব লগা হৈছিল। গিৰীণ ঠাকুৰীয়াৰ 'মৰগত মৃতসঞ্জীৱনী', মুনিন দাস (তিতু দা), বিমলেণ্ডু চৌধুৰীৰ 'পথৰ মানচিত্ৰ', খালেক চৌধুৰীৰ 'চাহজান'ত কৰা অভিনয়ে আজিও মনত ক্ৰিয়া কৰি আছে। যি কি নহওক খালেক দাৰ গ্ৰুপত মই আৰু উজ্জ্বলা দাসেও (তেতিয়াৰ দিনৰ বোলছবি উত্তৰণ, পাপ আৰু প্ৰায়চিত্তৰ অভিনেত্ৰী) অভিনয় কৰিছিলো। তাৰ পিছৰে পৰা অভিনেতা ভৱেশ দাস, অজিত বৈশ্য, অমল কটকী, কুমাৰ দীপক দাস, প্ৰশান্ত গোস্বামী, মুকুল গোস্বামী কিমান যে অভিনেতা-অভিনেত্ৰীক লগ পালো। অভিনয় কৰিলো। প্ৰতিটো নিশা (নাট প্ৰতিযোগিতাৰ) গুৰু নানক অডিট'ৰিয়াম শেষৰ বেঞ্চত দেখা গৈছিল গিৰীধৰ শৰ্মা ছাৰৰ লগতে কেইবাগৰাকীমান অধ্যাপক। কতো যাতে কোনো কাৰণতে হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি নহয় তাৰ বাবে চকু ৰাখিছিল। দিনৰ ভাগত হৈছিল খেল-ধেমালি, গান-নাচ, ভেশচন প্ৰতিযোগিতা ইত্যাদি। ভেশচন প্ৰতিযোগিতাত ভাগ ল'বৰ উদ্দেশ্যে ঘৰৰ পৰাই 'এগৰাকী বোৱাৰী' হৈ সাজি কাচি ৰিক্সাত উঠি কলেজ পালোহি। অডিট'ৰিয়ামলৈ সোমাই গ'লো। সন্মুখৰ আসনত আন কেইবাজনো অধ্যাপক-অধ্যাপিকাৰ লগত গিৰীধৰ শৰ্মা ছাৰ বহি আছে। ছাৰে থিয় হৈ নমস্কাৰ দি কাষৰ চকীখন আগবঢ়াই দিলে। ময়ো প্ৰতি নমস্কাৰ দি কাষতে বহি পৰিলো। অনুষ্ঠান চলি আছে। যেতিয়া মোৰ পাল পৰিল মই লাহে লাহে মঞ্চলৈ উঠি গলো। শৰ্মা ছাৰে ভাবিবই পৰা নাছিল যে মই ঘণ্টাভৰ ধৰি তেখেতৰ কাষত বহি থকা এগৰাকী প্ৰতিযোগীহে। প্ৰথম হ'লো। বহু দিনলৈ ছাৰৰ মুখামুখি হোৱা নাছিলো ভয়ত। এদিন ছাৰে মোক লগ পাই সাৱটি ধৰিছিল আৰু খুউব হাঁহিছিল সেই আশীৰ্বাদস্বৰূপ আলিংগন আৰু ছাৰৰ সেই হাঁহি মই আজিও পাহৰিব পৰা নাই। আৰ্য্য ছাৰৰ আত্মা-প্ৰাণ সকলো।

আহক সকলোৱে মিলি আৰ্য্যক বিশ্ববিদ্যালয় পৰ্যায়লৈ নিবলৈ চেষ্টা কৰি আজিৰ এই পৱিত্ৰ ক্ষণত শপত লওঁ।

এৰিয়ান বুলি মই আজিও গৌৰৱ অনুভৱ কৰো।

জয়তু এৰিয়ান।■

# অসমৰ ক্ৰীড়া সাহিত্য

❒ সুবোধ মল্ল বৰুৱা
প্ৰাক্তন ছাত্ৰ

ক্ৰীড়া সাহিত্য। ক্ৰীড়া অথবা খেলক লৈ সাহিত
বিভিন্নজনে খেল আৰু সাহিত্য, এই দুটা শব্দক কাহানিও
নালাগে বুলি ভাবে। সেইসকলৰ মতে এয়া এক অভজা সম্প
কিন্তু আমাৰ দৃষ্টিত দুয়োটা শব্দৰ এক সুন্দৰ সম্পৰ্ক আছে। দুয়ে
শব্দৰ সমাহাৰত সৃষ্টি হয় ৰাগ। ছাৰ ৱাল্টাৰ স্কটে কৈছিল-
জীৱনটোৱেই ফুটবল খেল (Life is itself a game of footbal
ইয়াৰ পৰাই আমি দুয়োটা শব্দৰ সুন্দৰ যোগসূত্ৰ বিচাৰি পা
প্ৰকৃতাৰ্থত খেল অথবা ক্ৰীড়াই সমাজ জীৱনৰ ভিন্নতাক নতু
ৰূপত তুলি ধৰে। বিখ্যাত মনীষি ৱাৰ্ড কাছনৰ এষাৰি কথা আম
মনলৈ আহে— Sports is a human life in microcosm।

প্ৰকৃতাৰ্থত খেল আৰু সাহিত্যৰ, খেল আৰু সমাজ জীৱন
বহু দীঘলীয়া সম্পৰ্ক আছে। আছে অন্তৰ্নিহিত যোগসূত্ৰ। কি
সাহিত্যৰ বৰেণ্য ছাৰ উইলিয়াম শ্বেইকছপীয়েৰৰ কথা উনুকিয়া
খুজিছো। তেওঁৰ তুলনা নাই. সাহিত্যক নতুন দিগন্তলৈ আগবঢ়া
নিয়া শ্বেইকছপীয়েৰে খেল আৰু সাহিত্য সম্পৰ্কত আৱিস্কা
কৰিছিল কবিতাৰ মাজেৰে। তেওঁৰ এটি বিখ্যাত কবিতা হ'ল Th
perfect steed। এতিয়াৰ জনপ্ৰিয় খেল ইকুৱেষ্ট্ৰিয়ান (Eques
trian) অথবা অশ্বাৰোহণে কবিতাটোত ঠাই পাইছিল। অশ্বাৰো
খেল ঘোঁৰাক লৈ। ইয়াৰ আত ধৰি উইলিয়াম শ্বেইকছপীয়ে
লিখিছিল।

High Crest, short ears, straight legs and passin
strong.

Thin mane, thick tail, broad buttock, tender hid
look, what a horse should have he did not lack, save
proud rider upon his back.

এইদৰেই শ্বেইকছপীয়েৰে কবিতাৰ মাজেৰে সাহিত্যৰ মূল কেন্দ্ৰলৈ টানি আনিছিল ক্ৰীড়াক। কি এক অভিনৱ প্ৰয়াস ষোল্ল শতিকাতে। পুনৰ উল্লেখ কৰিব খুজিছো এখন উপন্যাস Rosalyn Eupheus golden legacyৰ কথা। উপন্যাসখন পোন্ধৰ শতিকাত ৰচনা কৰিছিল ইংৰাজ ঔপন্যাসিক আৰু কবি টমাছ লজে। ইয়াত মানুহ বনাম মানুহৰ ক্ৰীড়াই ঠাই পাইছিল। ১৮০৫ চনত উইলিয়াম কবেটে লিখিছিল Indefence of Boxing। ৰোমাণ্টিক কবি জৰ্জ গৰ্ডনে A swimmers stroke শীৰ্ষক কবিতাৰে খেল আৰু সাহিত্যৰ অনুপম সম্পৰ্কক ডাঙি ধৰিছিল। একেদৰে আৰ্নিষ্ট হেমিংৱেই The green hills of Africa, The sun also rises borderত খেলক এক বিষয় হিচাবে লৈ ৰচনা কৰিছিল গ্ৰন্থ। প্ৰকৃততে এনেদৰেই খেল আৰু সাহিত্যৰ সম্পৰ্ক যুগমীয়া হৈছিল।

প্ৰসিদ্ধ সাহিত্যিক এলবাৰ্ট কেকুৱে কৈছিল— After many years, having seen many things what I know most surely about morality andtrob ligations of man I learned from sport. ক্ৰীড়াৰ মহত্ব এইখিনিতেই। আচলতে খেল মানেই প্ৰতিযোগিতা নহয়। ই যুৱচামৰ কামনা আৰু ইয়াৰ মাধ্যমেৰে উন্নয়ন আৰু ব্যক্তিগত Identity গঢ়ি তোলাত বিশাল ভূমিকা গ্ৰহণ কৰে। সেইবাবেই ক্ৰীড়াৰ সৈতে সাহিত্যৰ সম্পৰ্ক যুগমীয়া। বিশ্বসাহিত্যৰ পটভূমিত ক্ৰীড়াক সাহিত্যত স্থান দি শ্বেইকছপীয়েৰৰ দৰে মনীষিসকলে যিদৰে আগবাঢ়ি আহিছে ঠিক একেদৰে ভাৰতীয় সাহিত্যতো ক্ৰীড়াৰ সম্পৰ্ক ৰামায়ণ-মহাভাৰতৰ যুগৰ পৰা বা তাতোকৈ আগৰপৰা বিচাৰি পোৱা যায়।

ৰামায়ণ আৰু মহাভাৰতত বিভিন্ন সংখ্যাত বৰ্তমান প্ৰচলিত খেলৰ উদাহৰণ পোৱা যায়। গুৰু দ্ৰোণাচাৰ্যৰ ওচৰত একলব্যৰ, অৰ্জুনৰ ধনুৰ্বিদ্যা শিকাৰ ঘটনাক কোনে পাহৰিব। এনেদৰেই প্ৰত্যক্ষভাবেই হওক অথবা পৰোক্ষভাবেই হওক খেলৰ সাহিত্যৰ সৈতে সম্পৰ্ক ঘটিছিল। ভাৰতৰ বৰ্তমান কালত বিভিন্ন ভাষাৰ সাহিত্যত খেলৰ আদৰ সম্ভৱ হৈছে। আনহাতে বংগত সাহিত্য অকাডেমী বঁটা বিজয়ী মতী নন্দী কিন্তু তেওঁৰ আৰম্ভণি ক্ৰীড়া সাহিত্যিক হিচাবেহে। তেওঁ লিখা এম্পায়াৰিং, ষ্ট্ৰাইকাৰ আদি উপন্যাসৰ কথা কোনে পাহৰিব।

এতিয়া আহিছো অসমৰ বিষয়ক লৈ। অসমত প্ৰায় ক্ৰীড়া বাতৰি ১৯২৩ চনত প্ৰকাশ হ'লেও খেলৰ বাতৰি, খেলৰ নিবন্ধ নিয়মীয়াকৈ প্ৰকাশ পাইছিল ষাঠী-সত্তৰৰ দশকত। সেয়েহে অসমৰ ক্ৰীড়া সাহিত্যৰ পৰিসৰ বৃদ্ধি হৈছে যথেষ্ট পলমকৈ। কিন্তু পলমকৈ আৰম্ভ হ'লেও অসমৰ ক্ৰীড়া সাহিত্যৰ গতি যথেষ্ট সাৱলীল। অসমত প্ৰথমখন ক্ৰীড়াভিত্তিক উপন্যাস হ'ল আকাংখ্যাৰ আটলাণ্টিক। উপন্যাসৰ লেখক হ'ল শ্যামা প্ৰসাদ শৰ্মা। এয়া প্ৰায় চাৰে তিনি দশক আগৰ কথা। উপন্যাসখন যথেষ্ট মন পৰশা আছিল। এইখিনিতে কিছু আগলৈ গৈছো। অসমত ক্ৰীড়া সাহিত্যৰ উন্নতি হৈছিল সত্তৰৰ দশকত কেবাখনো ক্ৰীড়ালোচনী প্ৰকাশ হোৱাৰ পিছত। বিশেষকৈ অভিৰুচি, খেল-ধেমালি, ক্ৰীড়াংগন, ষ্টেডিয়াম আদি আলোচনীৰ জন্মৰ লগতে অসমৰ ক্ৰীড়া সাহিত্য আগবাঢ়ি গৈছিল দ্ৰুতভাৱে। পৰৱৰ্তী সময়ত ক্ৰীড়া সংবাদ, আজিৰ ক্ৰীড়াংগণ, অলিম্পিয়া আদি আলোচনী প্ৰকাশ হোৱাত আৱিৰ্ভাব হৈছিল অনেক ক্ৰীড়া লেখকৰ, ক্ৰীড়া সাহিত্যিকৰ। ষাঠীৰ দশকত দৈনিক অসম, দৈনিক জনমভূমি আদিৰ আৱিৰ্ভাৱে ক্ৰীড়া বাতৰিক নতুন দিক্ দিয়ে। মনিকূট, আমাৰ প্ৰতিনিধি, বিস্ময় আদিত নিয়মীয়াকৈ খেলৰ বিষয়ে লেখা-মেলা হোৱাত ক্ৰীড়া সাহিত্যই গা কৰি উঠিছিল। সত্তৰৰ দশকৰ শেষৰ পিনে অসমত ক্ৰীড়ালোচনী প্ৰকাশ হোৱাৰ সূত্ৰে সমুদ্ৰ গুপ্ত কাশ্যপ, পৱিত্ৰ গগৈ, নয়ন প্ৰসাদ, মানবেন্দ্ৰ বৰুৱা, অনিন্দ্য বৰগোহাই, উদয়াদিত্য ভৰালী, যতীন শইকীয়া, জীতেন গগৈ, গুঞ্জন ফুকন, হাৰনুৰ ৰছিদ, দ্বীজেন্দ্ৰ নাথ দাস, এই নিৱন্ধকাৰ, উদয় ভাস্কৰ নাৰায়ণ দেৱ আদিয়ে নিজস্ব ষ্টাইলেৰে আত্মপ্ৰকাশ কৰিছিল। ৮০ চনত পৱিত্ৰ গগৈৰ দ্বাৰা ৰচিত 'পেলে' আৰু 'ব্ৰেডমেন' শীৰ্ষক গ্ৰন্থ প্ৰকাশ কৰি অভিৰুচি প্ৰকাশো অসমৰ ক্ৰীড়া গ্ৰন্থৰ জয়যাত্ৰা আৰম্ভ কৰিবলৈ সক্ষম হৈছিল। ১৯৮১ৰ সাহিত্য সভাৰ তিনিচুকীয়া অধিৱেশনত উন্মোচিত পৱিত্ৰ গগৈৰ 'পেলে' নামৰ গ্ৰন্থখন অসমৰ ক্ৰীড়াৰ প্ৰথমখন গ্ৰন্থ আছিল। এইখিনিতে আমি গুঞ্জন ফুকনৰ নাম বিশেষভাৱে উল্লেখ কৰিব লাগিব। বিস্ময়ৰ পাতত গুঞ্জন ফুকনৰ গা-মন শিৰশিৰাই যোৱা ক্ৰীড়ালেখনি আছিল উল্লেখনীয়। অসমীয়া ভাষাৰ আমি অৱশ্যে দুটা ক্ৰীড়া গল্পৰ কথা বিশেষভাৱে উল্লেখ কৰিব লাগিব। ইয়াৰে এটা আছিল অনুবাদ গল্প। গল্পটোৰ নাম আছিল 'ক'ৰ্টক্লাউন' লিখক আছিল ইমৰাণ শ্বাহ। একেদৰে দ্বিতীয়বিধ গল্প হ'ল— বেইমানৰ ঠিকনা সন্ধান। উদয়াদিত্য ভৰালীৰ এই বিখ্যাত গল্পটো নিঃসন্দেহে অসমীয়া সাহিত্যৰ সম্পদ। আনহাতে দিলীপ চন্দনে অভিৰুচি নামৰ আলোচনীখনত 'এটি-দুটি এঘাৰটি তৰা' আৰু বিখ্যাত কথা সাহিত্যিক নিৰোদ চৌধুৰীৰ বিশ্ব ক্ৰীড়াংগন শীৰ্ষক আলোচনীত গোপাল ৰেড্ডী 'যশোধৰা আৰু মই' ক্ৰীড়া উপন্যাস লিখিছিল। উপন্যাস দুখন সম্পূৰ্ণ নহ'লেও অসমৰ ক্ৰীড়া সাহিত্যত নতুন ধাৰাৰ

সৃষ্টি কৰিছিল। যুগল লোচন দাসৰ অগ্নিযুদ্ধ, সোণালী বেট, টাইটানৰ টাই, সৰগৰ ফুল, ডাঃ দীপাংকৰ ভট্টাচাৰ্যৰ পলভল্টৰ দুদুল, মণিষ কুমাৰ ডেকাৰ উপন্যাসখন এভাৰেষ্টত বিছ মিনিট, লুইত পাঠকৰ মনালিছাৰ হাঁহি, পুৰুষ ভাল নোপোৱা ছোৱালীজনী আৰু এই নিবন্ধৰ ৰচক সুবোধ মল্ল বৰুৱাৰ ৰঙা ৰঙে ৰিঙিয়ায়, যাত্ৰাৰ আঁৰৰ যাত্ৰা আদি উপন্যাসে অসমৰ ক্ৰীড়া সাহিত্যক চহকী কৰিছে। উপন্যাসৰ সমানকৈ নিবন্ধ সংকলন, জীৱনভিত্তিক গ্ৰন্থ আদিৰে অসমৰ ক্ৰীড়া সাহিত্য সমৃদ্ধ হৈছে। এই দিশত পুলক লাহিড়ীৰ বিখ্যাত খেলুৱৈৰ ৰসাল কাহিনী, লোকেশ্বৰ গগৈৰ অসম ফুটবল, বিশ্ব ফুটবল, টঙ্কেন বৰাৰ মই যেতিয়া ফুটবল, মুকুট শৰ্মা-বিতোপন বৰাৰ শচীন, বিপুল বৰ্মনৰ পূৰ্বোত্তৰৰ অৰ্জন, উত্তৰ পূৰ্বাঞ্চলৰ মহান অলিম্পিয়ানসকল, হিমালয়ান স্কৰপিয়ন বাইচুং ভূটিয়া, সহজানন্দ ওজাৰ ক্ৰীড়াংগণ মোৰ জীৱন তীৰ্থ, কুলপ্ৰদীপ ভাগৱতীৰ ভাৰতৰ ভাগ্য বিধাতা, লণ্ডন অলিম্পিক, সপোনৰ বিশ্বকাপ, বিদ্যুত কলিতাৰ ঈশ্বৰ আমাক ফুটবল দিয়া, ৰোহিণী কুমাৰ ভূঞাৰ শিখৰে কন্দৰে, বিজয়লক্ষ্মী বৰুৱাৰ চিন্তাৰ সমলয়, চিৰঞ্জীৱ শৰ্মা, জিষ্ণু বৰঠাকুৰৰ ৰঞ্জী ক্ৰিকেটত অসম সন্তান, প্ৰদীপ কুমাৰ হাজৰিকাৰ ৰাষ্ট্ৰীয় ক্ৰীড়াৰ ৰণভূমিত, চিৰঞ্জীৱ শৰ্মা-গহীন সোণোৱালৰ থলুৱা তথা পৰম্পৰাগত খেল-ধেমালি, সিদ্ধাৰ্থ শংকৰ ডেকাৰ আইত্ৰছল সংশয় আৰু সম্ভাৱনা, পূৰ্বজ্যোতি চুতীয়াৰ শতাব্দিৰ অলিম্পিক, জীতেন গগৈৰ অসমৰ খেলৰ কুইজ, অমলানন্দ বৰদলৈৰ অলিম্পিক কুইজ, ৰাজীৱ প্ৰকাশ বৰুৱাৰ অসমত কাবাদীৰ নৱৰূপ, ডঃ সুনীল কুমাৰ বৰুৱাৰ ক্ৰিকেট পীটচ্ আৰু বিজ্ঞান আদি অন্যতম।। এই দিশত জয়ন্ত মাধৱ গগৈ, ডাঃ নাৰায়ণ বৰদলৈ, জয়ন্ত কুমাৰ দাস, নগেন্দ্ৰ নাথ বৰ্মন, নীলিময় চৌধুৰী, জ্যোতিষ গোহাই, প্ৰণয় বৰদলৈ, অৰুণ দাস, মানস প্ৰতীম বৰুৱা, শৰৎ ডেকা, বেদব্ৰত দেৱ মিশ্ৰ, পৱিত্ৰ ডেকা, জগত চন্দ্ৰ গোস্বামী, কুমুদেশ্বৰ হাজৰিকা আদিৰো নাম উল্লেখ কৰিব লাগিব। এইসকলে নিজৰ লেখনিৰে বিভিন্ন গ্ৰন্থ আদি প্ৰণয়ন কৰি অসমৰ ক্ৰীড়া সাহিত্যৰ ভৰাল চহকী কৰিছে। একেষাৰে প্ৰেমধৰ শৰ্মাৰ মুখ্য সম্পাদনাত প্ৰকাশিত মহীৰূহ আৰু সঞ্জীৱ শৰ্মা ঠাকুৰৰ সম্পাদনাত প্ৰকাশিত শশী প্ৰসাদ বৰুৱা শীৰ্ষক গ্ৰন্থখন নিপোটল গ্ৰন্থ। ডঃ উপেন ৰাভা হাকাছাম আৰু ডাঃ ধনেশ্বৰ কলিতাৰ সম্পাদনাত প্ৰকাশিত অলৌগুটি-তলৌগুটি আন এখন অনুপম গ্ৰন্থ।

এনেবোৰ গ্ৰন্থই অসমত ক্ৰীড়া সাহিত্যজগতখনক সমৃ কৰাৰ উপৰিও সমুদ্ৰগুপ্ত কাশ্যপ, দীপক বেজবৰুৱা, নয়ন প্ৰসা জয়ন্ত কুমাৰ দাস, দিগন্ত কুমাৰ চহৰীয়া, ধীৰেণ শৰ্মা, অৰূপ কুম বৰুৱা, ভাস্কৰ পাঠক, মৃণাল বৰা, আজাদ কুমাৰ গগৈ, মৃন্ময় লহক আব্দুল ৰছিদ চৌধুৰী, হেমন্ত বৰা, পাৰ্থ চক্ৰৱৰ্তী, সৌৰভ ব মানবেন্দ্ৰ কুমাৰ বৰুৱা, উদয় নাৰায়ণ দেব, সুষিম ঘোষ, ৰণজি ভট্টাচাৰ্য, প্ৰদীপ শৰ্মা, স্বপ্নীল বৰুৱা, মুহতৰা পিয়াৰ ৰহমান আ সুমন দত্ত, তীৰ্থ কুমাৰ শৰ্মা, প্ৰশান্ত বৰা, কুমুদ তালুকদাৰ, বিজ বৰুৱা, পংকজ ভট্টাচাৰ্য, দিগন্ত বৰগোহাঁই, ললিত বৰা, পংক চুতীয়া, অমৰ জ্যোতি মহন, নিপন দাস, ব্ৰজগোপাল দাস, উ বৰগোহাঁই, হিলদল গগৈ, কিশোৰ তালুকদাৰ, দীপাংকৰ কৌশি ৰাজদীপ দাস, দেবাশিষ ৰয়, তৈয়বুন নিছা, সুকুমাৰ মেধি, ৰবি ৰঞ্জন বৰুৱা আদিয়ে সময়ে সময়ে সাহিত্য চৰ্চাৰে ক্ৰীড়া সাহিত পৰিধি বৃদ্ধি কৰিছে।

ক্ৰীড়া সাহিত্যই গভীৰ উত্থান-পতনৰ মাজেৰে বৰ্তমা অৱস্থা পাইছেহি। তাহানিতে বলেন্দ্ৰ মোহন চক্ৰৱৰ্তীৰ অভিব প্ৰকাশ আৰু বৰ্তমানৰ চিৰজীৱ শৰ্মাৰ অলিম্পিয়া প্ৰকাশনে ক্ৰী সাহিত্য প্ৰকাশত উদ্যোগ লৈ ক্ৰীড়া সাহিত্য গতিত যতি পৰিব নিদিয়াকৈ ৰাখিছে। প্ৰকাশিত হৈছে অনেক গ্ৰন্থ কিন্তু এতিয় ক্ৰীড়া সাহিত্যত বিপননৰ ক্ষেত্ৰখন চালুকীয়া অৱস্থাতেই আ এই ক্ষেত্ৰত আমি উচ্চতৰ মাধ্যমিক সংসদৰো প্ৰশংসা কৰি লাগিব। সকলো শ্ৰেণীৰ অসমীয়া পাঠ্যপুথি সাহিত্য সৌৰভ ২০১০ৰ পৰাই দুটা ক্ৰীড়া পাঠ পাঠ্যক্ৰমত সন্নিৱিষ্ট কৰিছে। দুয়ো নিবন্ধৰ ৰচক আৰ্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। মাধ কন্দলিৰ পৰা লক্ষ্মী নাথ বেজবৰুৱাৰ লিখনি সন্নিৱিষ্ট এ পাঠ্যক্ৰমত নিৱন্ধকাৰ প্ৰণয় বৰদলৈ আৰু মোৰ (সুবোধ মল্ল বৰুৱ দুটি নিৱন্ধ পাঠক্ৰমত অন্তৰ্ভূক্ত হৈছে। ইয়াৰ দ্বাৰা ক্ৰীড়া সাহিত চৰ্চাত এনে পদক্ষেপে ইন্ধন যোগাইছে।

সি যিকি নহওক উপন্যাসোপম গ্ৰন্থ মনীষ কুমাৰ ডেকা 'এভাৰেষ্টত বিছ মিনিট' শীৰ্ষক গ্ৰন্থখনৰ আগকথাত প্ৰথিত যশ সাহিত্যিক হোমেন বৰগোহাঞিদেৱে লিখিছে, সাধাৰণ মানুহে কল্পনা কৰিব নোৱাৰা শাৰীৰিক কষ্ট স্বীকাৰ কৰি বা আনকি জীৱন মায়াও ত্যাগ কৰিও বহুত মানুহে পৃথিৱীৰ উচ্চতম গিৰিশৃং এভাৰেষ্টত আৰোহণ কৰিবলৈ ঢাপলি মেলে কিয়? বিশ্বৰ খ্যাতনাম পৰ্বতাৰোহী এভাৰেষ্ট বিজয়ী জিম হুইটেকাৰক সোধা হৈছিল এ প্ৰশ্নটো। প্ৰশ্নটোৰ উত্তৰ তেওঁ দিছিল এনেদৰে— Because it i

there ঠিক একেদৰে মহান অসমীয়া ভাষা আছে বাবেই আমি চেষ্টা কৰিছে আছো ক্ৰীড়া সাহিত্যক প্ৰতিষ্ঠিত কৰিবলৈ কাৰণ অসমীয়া ভাষা আছে বাবেই অসমৰ ক্ৰীড়া সাহিত্য আছে। অসমৰ ক্ৰীড়া প্ৰতিভাসমূহক লোকচক্ষুৰ সন্মুখলৈ উলিয়াই অনাৰ প্ৰয়াস ক্ৰীড়া সাহিত্যৰ মাজেৰে অব্যাহত আছে।

ক্ৰীড়া এক বৃহৎ উদ্যোগ অথবা নেশ্বনেল পাষ্টটাইম। ক্ৰীড়াক কলাক্ষেত্ৰত বিশাল সাংস্কৃতিক লেণ্ডস্কেপৰ জৰিয়তে বিশ্লেষণ কৰা হয়। ইয়াৰ ইতিবাচক দিশবোৰে সৃষ্টি কৰে অমৰত্বৰ। ক্ৰীড়াৰ মাজেৰে সৃষ্ট সাহিত্যই জীৱনৰ জটিলতা, জীৱনৰ প্ৰত্যাহ্বান, বন্ধুত্ব, আগ্ৰাসন, সফলতা-বিফলতা, আস্থা আৰু কলংকক ডাঙি ধৰে। এনেদৰেই গঢ়ি উঠিছে ক্ৰীড়া সাহিত্য। শেষত উল্লেখ কৰিছো মাৰ্ক টোৱেইনৰ বিখ্যাত পংক্তি A successful book is not made of what is in it. But of what is left out of it. আমাৰ ক্ৰীড়া সাহিত্যই নিশ্চয় এই বাৰ্তাকে দি গৈছে নহয় জানো? ■

# বিদ্ৰোহী জ্যোতিপ্ৰসাদৰ অগ্নিমন্ত্ৰ

□ জয়ন্ত কুমাৰ দাস
প্ৰাক্তন ছাত্ৰ



"কবি মই,
কল্পনাৰ বিলাসী হে
কল্পনাৰ বগা ডাৱৰৰ
মাজে মাজে উৰি ফুঁৰা
সোণোৱালী পুৱা সন্ধিয়াৰ
ফুলে ফুলে পাখি লগা
পখিলাটি হৈ
পাহৰিব খোজা নাই
জীৱনৰ কৰ্তব্য কঠোৰ
পৃথিৱীৰ মাটি-পানী
ধূলি বালি এৰি থৈ
হব খোজা নাই-জানা
কল্পনা ৰাগীৰে বিভোৰ"

এইয়া সুন্দৰৰ একনিষ্ঠ পূজাৰী, অসমৰ সংস্কৃ জগতৰ বিপ্লৱৰ স্ৰষ্টা, অসমীয়া নাট্য সাহিত্যৰ জে অসমীয়া বোলছবিৰ জন্মদাতা, ন-ন সৃষ্টিৰে নতুন আ পুৰণি ভাৱধাৰাৰ সামঞ্জস্যৰে এক নতুন পূৰ্বভাৰতী কল সংস্কৃতিৰ বিপ্লৱৰ গুৰি ধৰোতা, অসমীয়া সাহি সংস্কৃতিৰ একনিষ্ঠ পূজাৰী, ভাৰতৰ স্বাধীনতা সংগ্ৰাম অক্লান্ত সংগ্ৰামী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱাল জীৱন আৰু সাহিত্যৰ দৰ্শন স্বৰূপ আদৰ্শ। জ্যো প্ৰসাদেও সুন্দৰৰ পূজা কৰিছে— মৰতত কল্পনাৰ স ৰচি বিভোৰ হৈছে। কিন্তু তাকে কৰিবলৈ যাওঁতে তে সদায়েই বাস্তৱক আগতলৈহে আগবাঢ়িছে। অসমী জাতিৰ কলা-কৃষ্টিৰ ঘাই খুটাটি যিসকল স্বনামধ

শিল্পীয়ে উভালি নপৰাকৈ ধৰি ৰাখিছিল সই সকলৰ ভিতৰত জ্যোতিপ্ৰসাদ আছিল অন্যতম। আজি আমি সংস্কৃতিৰ যি ৰূপ দেখিছো, সাহিত্যৰ যি স্তৰত উপনীত হৈছো, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ অসমীয়া সাহিত্য সংস্কৃতিৰ দুৱাৰ-দলিত উপস্থিত নহ'লে তাক দেখিবলৈ নাপালোহেঁতেন।

"ৰাইজৰ যুঁজলৈ জীৱ আগ কৰা" অসমৰ উজ্জ্বল নক্ষত্ৰ জ্যোতিপ্ৰসাদ আগৰৱালা আছিল অসমী আইৰ অতিকৈ আপোন-চেনেহৰ পোনাকণ আৰু জাতীয় জীৱনৰ জীৱন্ত প্ৰতিনিধি। এইগৰাকী উজ্বল জ্যোতিয়ে যুগ যুগ ধৰি নানা আবৰ্জ্জনাৰে পোত গৈ থকা অসমৰ বৰবৰ মজিয়াখন উজ্জীৱিত কৰি তুলিছিল— যিজন অমৰ শিল্পীয়ে সৰগৰ আকাশী গঙ্গাৰ সোঁত বোৱাই আনিছিল মাটিৰ বুকুলৈ যি স্ৰোতৰ ৰসধাৰাত অৱগাহন কৰি অসমৰ হেজাৰ জনতাই চিঞৰি উঠিছিল নতুনত্বক পোৱাৰ আনন্দত আত্মহাৰা হৈ। সেই গৰাকী জননীৰ স্নেহৰ সন্তান, সুন্দৰৰ আৰাধক ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা। বুদ্ধিদীপ্ত নয়ন যুগল, বৈ পৰা নাক, চিকমিকাই থকা বিতচকুৰে মন-মোহনীয়া ৰূপকোঁৱৰৰ দেশৰ দুৰ্দ্দশাত অন্তৰাত্মা কান্দি উঠিছিল আৰু সেয়েহে কবিতাৰ ভাষাৰে তেওঁ তাকেই কৈছিল—

"এই মাটি মোৰ অধিকাৰ
মোৰ ভাত, মোৰ কাপোৰ, মোৰ দেশ
আজি মই নিজেই ৰখাও
কালৰ মূৰ্ত্তি ধৰি
শতৰু মুখত
আকাশৰ স্বৰগ পেলাওঁ।"

অসমৰ বিখ্যাত আগৰৱালা পৰিয়ালৰ একেটি থোপাতে তিনি পাহ সুগন্ধি ফুল— চন্দ্ৰকুমাৰ, আনন্দ চন্দ্ৰ আৰু জ্যোতিপ্ৰসাদ। অসমীয়া সাহিত্য-সংস্কৃতি তথা জাতীয় জীৱনত এই তিনিওজনৰে বিশিষ্ট বৰঙণি উল্লেখযোগ্য। এই তিনিওজনৰ ভিতৰতেই জ্যোতিপ্ৰসাদ উজ্বল জ্যোতিষ্ক। এই উজ্বল জ্যোতিয়েই পোহৰাই তুলিছিল আমাৰ সাহিত্য-সংস্কৃতিৰ বৰঘৰটোৰ কেইবাটাও খোটালী। আমি জ্যোতিপ্ৰসাদক নাট্যকাৰ আৰু সঙ্গীত ৰচক বুলিয়েই পৰিচয় পাও যদিও তেওঁৰ প্ৰতিভা আছিল বহুমুখী। তেওঁৰ সামাজিক আৰু ৰাজনৈতিক জীৱনতো জানিবলগীয়া বহু কথা আছে। মুঠতে জ্যোতিপ্ৰসাদ আছিল নাট্যকাৰ, সঙ্গীতজ্ঞ, কবি, শিশু সাহিত্যিক, জীৱনী লেখক, চুটি গল্প লেখক— তদুপৰি আছিল সাংবাদিক, দাৰ্শনিক, চিত্ৰকৰ, চিত্ৰ প্ৰযোজক, অভিনয় শিল্পী আৰু আছিল এজন নিভাজ দেশপ্ৰেমীক। বিপ্লৱীৰ অগ্নিমন্ত্ৰেৰে জ্যোতিয়ে চিঞৰিছিল—

"মোৰ গানে বিচাৰে
চিৰ দুখীয়াৰ চিৰ পৰিত্ৰাণ
মোৰ গানত গুজৰি
ভুইকপঁ কপেঁ, পৃথিৱীৰ নিৰ্ব্বাণ
মোৰ গানৰ জুইয়ে জগত পুৰিব
দুষ্কৃতি সাৱধান।"

জ্যোতিপ্ৰসাদৰ ব্যক্তিগত জীৱনলৈ লক্ষ্য কৰিলেই আমি দেখিবলৈ পাওঁ যে জ্যোতিপ্ৰসাদে নিচেই লৰালিকালতেই দেশপ্ৰেমৰ অগ্নিমন্ত্ৰত দীক্ষিত হৈছিল। তেজপুৰৰ হাইস্কুলৰ পৰা প্ৰৱেশিকাৰ বাছনি পৰীক্ষাত উত্তীৰ্ণ হৈ উঠি প্ৰৱেশিকা পৰীক্ষাত বহিবলৈ তেওঁ প্ৰস্তুতি চলাইছেহে মাথোন, এনেতে ১৯২১ চনত অসহযোগ আন্দোলন আৰম্ভ হোৱাত স্বদেশ প্ৰেমৰ মহান মন্ত্ৰত দীক্ষিত মুক্তি যুঁজাৰু জ্যোতিপ্ৰসাদে স্থিৰ হৈ থাকিব নোৱাৰিলে; প্ৰৱেশিকা পৰীক্ষাকো পাছ পেলাই থৈ আন্দোলনত জপিয়াই পৰিল। পিছত অৱশ্যে তাৰ মাজেদিয়েই পৰীক্ষা দি মেধাৱী ছাত্ৰ জ্যোতিপ্ৰসাদে দ্বিতীয় বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয় যদিও তেওঁ আন্দোলনৰ পৰা বিৰত হোৱা নাছিল।

১৯২৬ চনত উচ্চ শিক্ষাৰ কাৰণে জ্যোতিপ্ৰসাদ ইউৰোপলৈ যায় আৰু এডিনবৰা বিশ্ববিদ্যালয়ত এম, এ লৈকে পঢ়ে। তাত অধ্যয়ন কৰি থাকোতে জ্যোতিপ্ৰসাদে নানান স্বদেশপ্ৰেমমূলক গীত ৰচনা কৰে। ১৯৩০ চনত জ্যোতিপ্ৰসাদে ইউৰোপ, এছিয়া আদি ভ্ৰমণ কৰি অসম সোমাইহি।

সেই সময়ত মহাত্মা গান্ধীৰ নেতৃত্বত গোটেই ভাৰতত 'আইন অমান্য আন্দোলন' পূৰ্ণদ্যোমে চলি আছিল। জ্যোতিপ্ৰসাদে বিদেশৰ পৰা উলটি আহিয়েই আকৌ এই আন্দোলনত জপিয়াই পৰে আৰু তেজপুৰ কংগ্ৰেছ সেৱকৰ অধিনায়ক হৈ গাঁৱে-ভূঞে কাম চলাবলৈ ধৰে। এইবোৰ কাৰণতেই ১৯৩২ চনত জ্যোতিপ্ৰসাদৰ পোন্ধৰ মাহ সশ্ৰম কাৰাদণ্ড আৰু পাঁচশ টকা জৰিমনা হয়। কিন্তু জেলৰ ভিতৰতেই তেওঁ জ্বৰত ভোগাত সেই সময়ৰ গৱৰ্ণৰ চাৰ মাইকেল কীনে তেওঁক চিকিৎসাৰ বাবে জেলৰ পৰা অব্যাহতি পাবলৈ চৰকাৰক লিখি অনুৰোধ জনাবলৈ কয়, কিন্তু জ্যোতিপ্ৰসাদে নিৰ্ভীক-ভাৱে স্বদেশ প্ৰেমৰ মহান মন্ত্ৰ সমুখত লৈ নিজৰ জীৱনকো তুচ্চকৰি জেলতে দিন কটাবলৈ স্থিৰ কৰে।

কাৰাদণ্ড ভোগাৰ কেইবছৰমানৰ পাছতেই দ্বিতীয় মহাসমৰৰ ঢৌৱে অসমকো ঢৌৱাই পেলায়। জ্যোতিপ্ৰসাদে তেজপুৰত শান্তিসেনা বাহিনী গঠন কৰে। '৪২ বিপ্লৱ আৰম্ভ হোৱাত জ্যোতিপ্ৰসাদে আন্দোলনত যোগ দিয়ে। মহাত্মা গান্ধীৰ নেতৃত্বত চলা এই আন্দোলনৰ প্ৰধান উদ্দেশ্য আছিল বিদেশী ইংৰাজ শাসকক ভাৰত-ভূমি ত্যাগ কৰিবলৈ বাধ্য কৰোৱা, কিন্তু আন্দোলনে পূৰ্ণৰূপ লবলৈ নৌ-পাওঁতেই ইংৰাজ চৰকাৰে আন্দোলন বন্ধ কৰিবলৈ এজন এজন কৈ প্ৰায়বোৰ নেতাকে বন্দী কৰিবলৈ আৰম্ভ কৰিলে। এনে সময়তে জ্যোতিপ্ৰসাদে অসমত থাকি বিপ্লৱিক উদ্দীপনাৰে শান্তি সেনা বাহিনী আৰু ৰাইজক জাতীয় প্ৰেমত উদ্বুদ্ধ কৰিবলৈ আৰম্ভ কৰিছিল। তেজপুৰৰ পুৰণি কাছাৰী ঘৰৰ সন্মুখত চাৰ্চ ফিল্ডত তেজ উতলোৱা বক্তৃতা দি তেওঁ কৈছিল— "এই ইংৰাজী কাছাৰী ঘৰত আমি শ-ই-শ-ই মৰি হ'লেও ত্ৰিৰংগ নিচান উৰুৱাবই লাগিব...।"

জ্যোতিপ্ৰসাদৰ নাটক, গীত আৰু অন্যান্য ৰচনাৰাজিৰ মাজতো বিপ্লৱী ভাৱধাৰা প্ৰকাশ পাইছে। জ্যোতিপ্ৰসাদৰ সৰ্ব্বোৎকৃষ্ট নাটক— "কাৰেঙৰ লিগিৰী"ত জ্যোতিপ্ৰসাদে সাধাৰণ লিগিৰী এজনীক তেওঁ নাটকৰ নায়িকা কৰি সুস্থ-সবল দৃষ্টিৰে গণতন্ত্ৰৰ জয়ঢোল বজাইছে। এয়া ৰূপ কোঁৱৰৰ সৃষ্টিৰ বহ্নিশিখা। ইয়াতে ফুটি উঠিছে তেওঁৰ অসীম ধৈৰ্য্য আৰু সাহসৰ পৰিচয়। ইয়াতেই পৰিস্ফুট হৈছে প্ৰেমৰ কাৰণে মানুহে অন্তৰত বিপ্লৱৰ ভাৱ লৈ সামাজিক ৰীতি-নীতিবোৰ উলংঘা কৰিবলৈ যাওতে কেনেকৈ মৃত্যুকো তুচ্ছ কৰিব পাৰে তাৰ স্বচ্ছ দৃষ্টান্ত। এই নাটকৰ "সুন্দৰ কোঁৱৰ" চৰিত্ৰটি জ্যোতিপ্ৰসাদৰেই ভিন্ন অভিব্যক্তি বুলি কব পাৰি। ইয়াত সুন্দৰ কোঁৱৰে কৈছে— শতাব্দী ধৰি গোট খাই থকা আৱৰ্জনাবোৰ ধুই সমাজক নিৰ্মল আৰু পৱিত্ৰ কৰিবলৈ এক প্ৰলয়ৰ অতি আৱশ্যক হৈছে। মই সেই প্ৰলয়ক আজি মোৰ জীৱনলৈ, মোৰ সমাজৰ জীৱনলৈ আহ্বান কৰিছো। আমাৰ জ্যোতিপ্ৰসাদেও 'সুন্দৰ কোঁৱৰ'ৰ দৰেই সঁচাকৈয়ে আজীৱন সমাজখনক সংস্কৃতিৰ নৱনৱ সৃষ্টিৰে পৰিবৰ্ত্তন আনি সমাজখনক সুস্থ সবল আৰু অন্ধবিশ্বাস কু-সংস্কাৰ আদিৰ পৰা মুক্ত কৰিবলৈ চেষ্টা কৰিছিল। মৃত্যুৰে সখিপতা জ্যোতিপ্ৰসাদে তেওঁৰ শোণিত কুঁৱৰী নাটত ঊষা-অনিৰুদ্ধৰ গুপ্ত প্ৰেম লীলাৰ পুৰণি আখ্যানটি সজাই পৰাই ন-যুগৰ লগত খাপ খোৱাকৈ ৰচনা কৰিছে। 'শোণিত কুঁৱৰী'ৰ ঊষাই যেন পৰাধীন মানুহৰ মুক্তি লাভৰ স্পৃহাৰ প্ৰতিনিধিত্ব কৰিছে। প্ৰবল পৰাক্ৰমী বাণ ৰজাই ভূমিকা লৈছে বিদেশী-শাসকৰ। ঊষাৰ মুক্তিৰ কথাই হৈছে পৰাধীন মানু[illegible] মুক্তিৰ কাৰণে চেষ্টা কৰাৰ আয়োজন।

১৯৪৭ চনৰ ডিব্ৰুগড়ত ছাত্ৰ-কংগ্ৰেছৰ অধিৱেশনত 'নত[illegible] দিনৰ কৃষ্টি' নামৰ প্ৰবন্ধত তেখেতে দেশৰ ডেকা শক্তিক স্বাধীনত[illegible] নৱজ্যোতিৰ স্নান কৰি নতুন সংস্কৃতি গঢ়াৰ সংকল্প লোৱাৰ বা[illegible] দৃঢ়প্ৰতিজ্ঞ হ'বলৈ আহ্বান জনাইছিল। জগতত সদায়ে নতুনৰ সৃ[illegible] সময়ত বিপ্লৱ আহে নতুন প্ৰতিভাক আওপুৰণি সমাজে সা[illegible] লবলৈ টান পায়, সূৰ্য্য উদয়ৰ আৰক্তিম পুৱাকাশৰ দৰে এই বিপ্লৱে[illegible] অথবা নতুন আৰু পুৰণিৰ সংঘৰ্ষই অনাগত দিনৰ আগমণি ব[illegible] দিয়ে। চিন্তা-গধুৰ এই প্ৰবন্ধত জ্যোতিপ্ৰসাদে অসমীয়া কৃষ্টি [illegible] সভ্যতাৰ ব্যাখ্যাৰ লগতে নৱ-জাগৰণৰ যে প্ৰয়োজন হৈছে [illegible] প্ৰকাশ কৰিছে।

'ঢেকিয়াজুলি' নামৰ আন এটা প্ৰবন্ধত জ্যোতিপ্ৰস[illegible] বিয়াল্লিছৰ 'ঢেকিয়াজুলি'ৰ থানাত ত্ৰিৰংগ পতাকা উৰাবলৈ[illegible] মিলিটাৰীৰ হাতত বন্দুকৰ গুলীত আহত-নিহত সকলৰ আৰ্ত্তন[illegible] বৰ্ণনাৰে—' ৪২ৰ বিদ্ৰোহত শাসক শ্ৰেণীৰ অত্যাচাৰ [illegible] অমানুষিতাৰ প্ৰতি আঙুলীয়াই দিছে। 'তৰুণ তৰ্পণ' নামৰ [illegible] এটা প্ৰবন্ধত তেখেতে দেশভক্তৰ প্ৰতি শ্ৰদ্ধা জনাই বিদেশবা[illegible] ভাৰতৰ এইগৰাকী ক্ষণজন্মা নেতাৰ ব্যক্তিত্বৰে অনুপ্ৰাণিত হ'[illegible] আহ্বান জনাইছে...। ৰাজনীতি, সমাজনীতি, অৰ্থনীতি, আৱ[illegible] উন্নতি, জাতীয় কৃষ্টি, সাহিত্য, সঙ্গীত, কৃষি, শিল্প আৰু ল[illegible] কলাত সকলো বিষয়ে বুৎপত্তি থকা তৰুণ ৰামৰ ব্যক্তি[illegible] জ্যোতিপ্ৰসাদৰ অন্তৰ উদ্ভাসিত। দেশ ভক্তিৰ বীৰত্বৰে তেখে[illegible] অন্তৰ ৰোমাঞ্চিত, সেয়ে তেখেতৰ শ্ৰদ্ধা, প্ৰকাশ ভংগী মনোৰ[illegible]

'বেজবৰুৱাৰ প্ৰতিভা' নামৰ প্ৰবন্ধত— তেখেতে 'বাঁহ[illegible] সুৱাদি সঞ্জীৱনী মন্ত্ৰেৰে বিদেশীৰ প্ৰৰোচনাত পৰি অসমৰ [illegible] নোহোৱা হৈ যাবলৈ ধৰা ভাৰতৰ উল্লেখযোগ্য অসমীয়া ভা[illegible] ওজা লক্ষ্মীনাথৰ প্ৰতিভা ৰাশিক সুঁৱৰি শ্ৰদ্ধা জনাইছে। ৰসৰা[illegible] ব্যক্তিত্বৰে মোহিত লিখকৰ ই অন্তৰৰ ভাৱোশ্বাস মাথো। বি[illegible] প্ৰবন্ধটোত তেখেতে হতশ্ৰী হ'বলৈ ধৰা জাতীয়ত্বক লক্ষ্মীনাথেই-[illegible] জয়শ্ৰীমণ্ডিতা কৰা বুলি কৈছে।

বাস্তৱ জগতৰ জয়গান গাই, জাতীয় জীৱনত নৱ চেত[illegible] সঞ্চাৰেই জ্যোতিপ্ৰসাদৰ মূল্য লক্ষ্য আছিল। "বিশ্ব বিজয়[illegible] জোৱান", গীতত শক্তিশালী ভাৰতৰ বিপ্লৱী সন্তান সমূহক স[illegible] সমৰত যুঁজি যুঁজি স্বাধীনতাৰ দুৱাৰ মুকলি কৰিবলৈ তেখে[illegible] আকুল আহ্বান জনাইছে। দেশৰ বাবে লুইতপৰীয়া ডেকা ল'[illegible]

সন্মুখত মৃত্যু ভয় তুচ্চ। সেই মন্ত্রেৰে, সেই মন্ত্রপুত বাণীৰে অসমীয়া ডেকা শক্তিক বনগীতৰ সুৰেৰে তেওঁ আহ্বান জনাইছে—

"লুইতৰ পাৰৰে আমি ডেকা ল'ৰা—
মৰিবলৈ ভয় নাই—"

আকৌ সেই একে কাপকে জ্যোতিপ্রসাদে পূর্ব-পুৰুষৰ শৌর্য্য-বীর্য্য পাহৰি কাপুৰুষৰ দৰে দেশ মাতৃৰ লাঞ্ছনা সহি থকা ডেকাশক্তিক বন-গীত আৰু আই নামৰ মিলিত সুৰ্ৰে মাতৃ পূজাৰ দুৱাৰ মুকলি কৰিবলৈ আহ্বান জনাইছে....।

"আন্ধাৰত তই থাকিবি কয়নো জগত
পোহৰ হ'ল—
আইৰ পূজাৰ বেলি হ'ল সমনীয়া......."

কল্পনাৰ ফুলনিত সোণৰ কাৰেঙৰ সপোন দেখি থকা জ্যোতিপ্রসাদে এদিন স্বদেশী সভ্যতাৰ নিস্পেষণ সহিব নোৱাৰি জাতি ভেদ পাহৰি একতা-মন্ত্রত দীক্ষিত হৈ পৰ পদানত দেশমাতৃৰ অৱনত শিৰ উজ্জলাই তুলিবলৈ দেশমাতৃৰ নিজৰ বল-বীর্য্য পাহৰি যোৱা সন্তানসকলৰ প্ৰাণত গানৰ সুৰেৰে আলোড়ন তুলিবলৈ আপ্ৰাণ প্ৰচেষ্টা চলাইছিল—

"সাজু হ' সাজু হ' ন-জোৱান—
তই কৰিব লাগিব অগ্নি স্নান—
বজ্রৰ কণ্ঠেৰে বিশ্বক শুনা
সত্যৰ জয় গান!".....

গাঁৱে গাঁৱে স্বাধীনতা আন্দোলনৰ সময়ত সংগঠনৰ কাম কৰি ফুৰোঁতেও তেখেতৰ কণ্ঠ আৰু কাপৰ বিৰতি নালি। তাতো কৃষক ডেকাক জগাই তুলিবলৈ গীতৰ ভাষাক প্ৰয়োগ কৰিছে—

"গাঁৱৰ ল'ৰা গাঁৱে-গাঁৱে বন্তি জ্বলাই যাও আমি
গাঁৱৰ ল'ৰা আগবাঢ়ি যাম.....।"

ৰাজ্যলোভী, শোষণকাৰী, বগা বঙাল ইংৰাজৰ অনুগামী এক শ্ৰেণীৰ ভাৰতীয়ক জ্যোতিপ্ৰসাদে কাপুৰুষ বুলিছিল আৰু অন্তৰেৰে সৈতে ঘৃণা কৰিছিল। সেই মিছা ভেমত ওফন্দি স্বাধীনতাৰ পিছত নেতৃস্থানীয় লোকসকলে দেশৰ জনগণক অৱহেলা কৰাত তেখেতে সহিব পৰা নাছিল। যাৰ বুকুৰ তেজৰ উত্তাপত, যাৰ প্ৰাণৰ বিনিময়ত স্বাধীনতা লাভ কৰিবলৈ ভাৰতবাসী সমৰ্থ হ'ল তাৰ অপমানত কবি ক্ষুব্ধ হৈছে। তেখেতৰ আত্মাই নিস্পেষিত জনতাৰ দুখত বিদ্ৰোহী ঘোষণা কৰিলে—

"সুবিধাবাদীৰ দল
তোৰ মিছা হব কৌশল
ৰাইজৰ তই সেৰা চোৰ কৰি
বঢ়াব খুজিছ বল...."

বজ্রৰ, কণ্ঠেৰে সিংহৰ নিনাদেৰে, অগ্নিৰূপী কবিতাৰ ছন্দেৰে, প্ৰাণক পোৱা গীতৰ ঝংকাৰেৰে জ্যোতিপ্ৰসাদ স্বাধীনতাৰ কালছোৱাত ডেকা শক্তিক জগাবলৈ আপ্ৰাণ চেষ্টা কৰিছিল.....।

'ন-জোৱান ই হিন্দ' জ্যোতিপ্ৰসাদৰ এটি জাতীয় প্ৰেমৰ নিদৰ্শন স্বৰূপ কবিতা— জ্যোতিয়ে ইয়াত কৈছে...

"জাগে এক আলোকৰ মহাবসন্ত
অগ্নি পদুম ফুলি হাঁহিছে শ্ৰীবসন্ত....।"

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা দেৱৰ 'ৰূপহী', 'সোণতৰা', 'যুঁজাৰু' 'সোনটিৰ অভিমান', 'সন্ধ্যা', আদি চুটিগল্প বিলাকতো জ্যোতিপ্ৰসাদৰ কু-সংস্কাৰ আৰু অন্ধবিশ্বাসেৰে কু-সংস্কাৰ আৰু অন্ধবিশ্বাসৰে পৰিপূৰ্ণ সমাজ ব্যৱস্থাৰ ফলত মানুহে কি দৰে নিজৰ আশা-আকাংক্ষা পৰিহাৰ কৰি নানান দুখ ষ্টৰ মাজেৰে জীৱন অতিবাহিত কৰিবলগীয়া হৈ শেষত নিজৰ প্ৰাণক ও তুচ্চ কৰি মৃত্যুবৰণ কৰিবলগীয়া হয় তাকেই প্ৰকাশ কৰিছে। প্ৰকৃততে জ্যোতিপ্ৰসাদে বৰ্ত্তমানৰ কু-সংস্কাৰেৰে পৰিপূৰ্ণ সমাজ ব্যৱস্থা ভাঙি চুৰমাৰ কৰি এক নতুন অন্ধবিশ্বাস; কু-সংস্কাৰহীন সমাজ ব্যৱস্থা স্থাপন কৰিবলৈ জনসাধাৰণক আহ্বান জনাইছে।

লিখনি এৰি বন্দুক হাতত লৈ দেশমাতৃক লাঞ্ছনাৰ পৰা মুক্ত কৰিবলৈ সংগ্ৰামত জপিয়াই পৰা জ্যোতিপ্ৰসাদৰ মনৰ আন এটা দিশৰ পৰিচয় তেখেতে শিশুৰ উপযোগীকৈ লিখা নাট— "নিমাতী কইনা"। নিমাতী কইনাৰ নাটক ৰূপকোঁৱৰৰ মুখৰ সংলাপ আৰু গীত সমূহ জ্যোতিপ্ৰসাদৰ কাপেদি নিজৰি ওলোৱা নিজৰে অন্তৰ বীণাৰ সুৰৰ প্ৰতিধ্বনি মাথোন।

জ্যোতিপ্ৰসাদে শিশু সাহিত্যৰ উপযোগী হাতেলিখা অৱস্থাত লিখি থৈ যোৱা 'এটা মাতোৱাল বনুৱা' আৰু 'এটা পগলা খেতিয়ক' নামৰ গীতি নাটিকা দুখনি শিশু সকলৰ বাবে লিখা যদিও দুয়োখনৰ মাজেৰে দলিত", নিস্পেষিত একশ্ৰেণীৰ মানুহৰ যন্ত্ৰণাৰ কাহিনীকে নাট্যকাৰে সমাজৰ আগত কবি বিচাৰিছে।

'এটা মাতোৱাল বনুৱা'ত জ্যোতিপ্ৰসাদে চাহ বাগিচাত কাম কৰা এজন বনুৱাই টকা পইচাৰ অভাৱত কেনেকৈ খাবলৈ নাপাই, লাওপানী খাই পেটৰ ভোক পাহৰি থাকিবলগীয়া হয় তাকেই প্ৰকাশ কৰিছে। ডাঙৰ ঘৰৰ বোৱাৰী-জীয়াৰীয়ে আইনা চাই খোপা বান্ধে, গেন্ধাই ফুল গুজে, অথচ বনুৱাৰ তিৰোতাই কাপোৰৰ অভাৱত বাহিৰ ওলাবলৈ লাজ পায়। ধনতান্ত্ৰিক, ব্যক্তি প্ৰধান সমাজৰ স্বৰূপ— এয়া।

'এটা পগলা খেতিয়ক' নামৰ শিশু নাটিকাখনিতো জ্যোতিপ্ৰসাদে মাটিৰ খাজনা দিব নোৱাৰি সাতামপুৰুষীয়া মাটি ভেঁটি কেনেদৰে নীলামত দিবলগীয়া হ'ল তাকেই প্ৰকাশ কৰিছে। নিজৰ অতি মৰমৰ ঘৰ-মাটি হেৰাই পগলা হৈ যোৱা খেতিয়কজনৰ মুখেৰেই জ্যোতিপ্ৰসাদে কোৱাইছে—

"খেজনাৰে— খেজেনা—
নীলাম—নীলাম—নীলাম—
মোৰ চকুলো কাকনো বিলাম
ক্ৰোক্ ক্ৰোক্ ক্ৰোক
মৌজাদাৰৰ বৰ পেটটো ঢোৰোক।"

শাসক শ্ৰেণীকো দুৰচাৰ বুলি দুষাৰ-মান পগলা-খেতিয়কৰ দ্বাৰা কোৱাই জ্যোতি-প্ৰসাদে বিদ্ৰূপ কৰিছে।

এইদৰে দেখা যায় যে সুন্দৰৰ পূজাৰী, স্বদেশ প্ৰেমী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই সমগ্ৰ জীনটো কেৱলমাত্ৰ দেশৰ স্বাধীনতাৰ বাবে, জনসাধাৰণৰ মনৰ পৰা কু-সংস্কাৰ অন্ধবিশ্বাস আদি আঁতৰাবলৈ আৰু সমাজৰ দলিত, নিস্পেষিত দুখীয়া শ্ৰেণীৰ লোকৰ উন্নতি কৰিবলৈ বিপ্লৱ কৰিছিল। নানা প্ৰকাৰে চেষ্টা চলাইছিল। বিপ্লৱৰ প্ৰধান উদ্দেশ্যই কৈছে— আৱৰ্জনাময় তামসী পুৰণিক আঁতৰাই সু-সংহত আৰু ৰৌদ্ৰোজল নতুনৰ দৃষ্টি। ধ্বংস বিপ্লৱৰ উদ্দেশ্য নহয়, জ্যোতিপ্ৰসাদে কেতিয়াও বিপ্লৱৰ দ্ব
কোনো বস্তু ধ্বংস কৰিবলৈ আগবঢ়া নাছিল। বিপ্লৱ সম্প
জ্যোতিপ্ৰসাদে কৈছিল—

"বিপ্লৱ যদিও আমাৰ মাজত এটা ভয়-বহুতাৰ সৃষ্টি
ধ্বংসাত্মক মনোভাৱ জগাই নানা বিপৰ্য্যয় সংঘটিত কৰে
কদাকাৰ দৈত্য ৰূপেৰে, কিন্তু তথাপিও সি তাৰ মূৰত ভাৰ বৈ অ
এক নৱ সংস্কৃতিৰ নতুন দৃষ্টিৰ মণি সম্ভাৰ। সেই বাবেই ন
সংস্কৃতিৰ স্ৰষ্টা আৰু দ্ৰষ্টা সকল বিপ্লৱী ৰূপেৰে সমাজত
দিয়েহি, বাৰিষাৰ ঘোৰ-জটা জালত বিদ্যুৎ ৰশ্মি দেখিও খেতি
যেনেকৈ আনন্দ জাগে, কিয়নো তাৰ পথাৰ সোণোৱালী শই
ভৰপূৰ কৰি থৈ যাব— সেইদৰেই শিল্পীৰ আনন্দ, বিপ্লৱ ৰূপী
অহা মহাকাশৰ প্ৰলয় তাণ্ডৱ নৃত্য-ভংগীৰ মাজতো দেখি অ
কপালৰ আলোক সম্পাত, কিয়নো সেই আলোক সম্পাতেই
তুলিবহি মানৱ জীৱনত এক অভিনৱ সংস্কৃতি আৰু জগাই
অভূতপূৰ্ব কলাকৃষ্টিৰ, সৌন্দৰ্য্য সৃষ্টিৰ মহাপ্ৰতিভা" (জ্যোতি

নতুনৰ সুৰ ধৰি গান গাবলৈ, বিপ্লৱৰ অগ্নিমন্ত্ৰৰে হু
দিবলৈ জ্যোতিপ্ৰসাদ আজি আমাৰ মাজত নাই। জ্যোতিপ্ৰসাদ
জ্যোতিপ্ৰসাদ গুছি গ'ল, কিন্তু তেওঁৰ অম্লান জ্যোতিধাৰাই আ
সমগ্ৰ অসম আৰু অসমীয়াৰ অন্তৰতম প্ৰদেশ উজলাই ৰাখিছে

# ফূট গধূলিতে নৈখন উৰি গৈছিল

❐ অৰুণ মহন্ত
কবি সংবাদকৰ্মী
প্ৰাক্তন ছাত্ৰ

ফূট গধূলিতে নৈখন উৰি গৈছিল
হতবাক চৰাইবোৰে ইফালৰ পৰা সিফাললৈ
আঁকিছিল ৰঙচুৱা বতৰৰ আগলি গান
কি ফুলে ফুলাব বতৰৰ পাখিত যতৰ ঘূৰাদি ঘূৰিছে
দূবৰিবোৰে শিয়ৰি উঠিছিল
টোপকৈ নিয়ৰ এটোপ সৰি পৰা সময়ত
মোৰ কবিতাই কিয় জানো সুধিছিল
আজিও নক'বা দেই ভাল পাওঁ বুলি

ভালপাঁও বাবেইতো কবিতাত ইমান শব্দৰ সমাগম
সুউচ্চ পৰ্বতৰ সীমাৰে নামি আহে আকাশৰ
নীলাভ কুলু কুলু গুঞ্জন
ৰ'দৰ চৰাইবোৰে কিৰীলিপাৰি কবিতাৰ চোতালত
মৰণা মাৰে
শীৰ্ণ নৈখনত উজ্বলি উঠে তৰালি

তৰালি আছে বাবেইতো
চৌদিশে নীৰৱতাৰ কেৰল শাৰী শাৰী কবিতাৰ সমদল
আহিছে আৰু গৈছে
কবি সখী মোৰ কলম কামুৰি চেগ চাই
তাৰেই ছবি এখন আঁকিবহেনো

ছবিখনত কণাকড়িৰ জাক থাকিব
কণা-মুৰি লাগি চাই থাকিব সখীলৈ....

# কেৱল চৰৈৱেতী চৰৈৱেতী

(১)
গোলাপৰ দৰে
জীৱনৰো কাঁইট আছে
কাইট নেউচি গোলাপ চিঙাৰ
মোৰো যে ইমান হেঁপাহ
জীৱনক আঁকোৱালি ল'বলৈ সময়ে বা কিমান

(২)
জীৱন মানে ধূপ নহয়
ধূপৰ দৰে জীৱন
জীৱন মানে বৰফ নহয়
বৰফৰ দৰে জীৱন
জীৱন নহয় এপাহ ফুল
এপাহ ফুলৰ দৰে জীৱন

(৩)
এটুকুৰা ৰূপৰ খটখটিৰে আগবাঢ়ি আহি
এটুকুৰা সোণ পালোঁ
সোণ টুকুৰো খটখটিয়ে আছিল

এইবেলি এটুকুৰা হীৰাৰ খট্‌খটিৰে আগবাঢ়িছোঁ
জ্ঞান প্ৰদীপৰ শিখাৰ খোজে খোজে
অতি মূল্যৱান ধাতুবোৰ এনেদৰে আহি থাকিব
কেৱল চৰৈৱতী চৰৈৱতী.......

# থমকি নোৱোৱা ৰণুৱা ঘোঁৰা আৰু আমি

❑ বেদব্রত মিশ্র
প্ৰাক্তন ছাত্ৰ

অধ্যাপক গিৰিধৰ শৰ্মা। যিগৰাকীৰ নামৰ আগত বা বি
বিশেষণ লগোৱাৰ কোনো প্ৰয়োজন নাই। নামটো ল'লে বা ম
আহিলে স্বতঃস্ফূৰ্তভাৱে মূৰ দো খাই যায়। নামটোৱেই যিগৰা
স্বনামধন্য। নামটোৱেই এক বৃহৎ প্ৰতিষ্ঠানৰ ৰূপ লোৱা।
সাধাৰণ অৱস্থাৰ পৰা আহি প্ৰতিষ্ঠানিক ৰূপ লোৱা সহজ
নহয়। এক দূৰদৃষ্টি বুকুত লৈ সুচিন্তিতভাৱে, নিখুত পৰিক
বৈজ্ঞানিক দৃষ্টিভংগী, সকলো পক্ষকে সংযোগ কৰি, ত্যাগৰ নি
দেখুৱাই তেখেতে প্ৰতিষ্ঠা কৰি গ'ল আৰ্য বিদ্যাপীঠ।

দেশৰ স্বৰাজোত্তৰ কালৰ প্ৰায় তিনিটা দশক আছিল য
প্ৰত্যহ্বানপূৰ্ণ। কাৰণ বৃটিছ মুক্ত ভাৰতৰ অৰ্থনৈতিক অৱস্থা আ
বিধ্বস্ত প্ৰায়। এখন বিশাল দেশৰ নাগৰিকৰ সম উন্নয়ন ক
পৰিকল্পনা কৰাৰ লগতে শিক্ষাৰ প্ৰসাৰৰ দিশটো আছিল অ
গুৰুত্বপূৰ্ণ। একাধিক জাতি-জনগোষ্ঠী, প্ৰতিটো অঞ্চলৰ সুৰ্
ভৌগলিক অৱস্থান, পৰিবেশৰ ভিন্নতা, ভাষাৰ ভিন্নতা, খাদ্যাভ
ভিন্নতা আদি অনেক কাৰকৰ বাবে দেশীয় চৰকাৰ এক 
প্ৰত্যাহ্বানৰ সন্মুখত থিয় দিব লগা হৈছিল।

কিন্তু ইমানবোৰ প্ৰত্যাহ্বান থকাৰ পিছতো "ভাল পোৱ
কিমান কাম হৈছিল আজি এই কথা ভাবিলে আচৰিত লাগে। 
পোৱাৰ অৰ্থটো ল'ৰা-ছোৱালীৰ মাজত সীমাবদ্ধ নাছিল।
শব্দটোৰ এক ব্যাপক অৰ্থ প্ৰতিষ্ঠা কৰা হৈছিল। সংকীৰ্ণতাৰ মা
শব্দটো আৱদ্ধ কৰি ৰখা হোৱা নাছিল।

ভাল পোৱা কেনে আছিল চাওক। নিজৰ জন্মভূমি
জন্মস্থানক, গাঁওখনক, চুবুৰীটোক, সমাজখনক ইত্যাদি ইত্যাদি 
পালেই নহ'ব, কিবা এটা কৰিব লাগিব নিজৰ সমাজখনৰ সামা
উন্নয়ৰ বাবে।

অসমৰ প্ৰেক্ষাপটত এচাম লোক ওলাই আহিল শিক্ষানুষ্ঠান তিষ্ঠাৰ বাবে। এনে লোকেও এই ক্ষেত্ৰত সক্ৰিয় আৰু অগ্ৰণী ভূমিকা ললে যিসকলৰ কোনো আনুষ্ঠানিক শিক্ষা নাছিল। মানুষ্ঠানিক শিক্ষা নহ'লেও এইসকল লোকৰ আছিল চৰম কালপোৱা। এনে লোকসকলে নিজৰ সমাজখনৰ ভালৰ চিন্তা কৰি ভৱিষ্যৎ সুৰক্ষিত কৰাৰ বাবে তওঁলোকৰ পৰৱৰ্তী জন্মৰ কাৰণে মাটি দান দিছিল নিজৰ নিজৰ অঞ্চলত শিক্ষানুষ্ঠান পাতিবলৈ। ইয়াৰ উদ্দেশ্য আছিল শিক্ষাইহে এখন সুন্দৰ সমাজ গঢ় দিব পাৰে। এখন সুন্দৰ সমাজে এটা জাতি, এখন প্ৰদেশক মেৰুদণ্ড চিধা কৰি সকলোৱে সন্মুখত স-ম্মানে থাকিব পৰা কৰিব পাৰে। এই মূল উদ্দেশ্যৰে তওঁলোক ওলাই আহিছিল।



আনফালে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা গুৱাহাটীলৈ উচ্চ শিক্ষা লাভৰ বাবে ছাত্ৰ-ছাত্ৰী আহিছিল। আন কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে দলপানি লৈ অসমৰ বাহিৰত পঢ়িব গৈছিল। এটা চাম ছাত্ৰ-ছাত্ৰীকে আকৌ অভিভাৱকসকলে বিভিন্ন কাৰণত অসমৰ বাহিৰত জোৰকৈ পঢ়িবলৈ পঠিয়াই দিছিল।

কিন্তু গুৰুত্বপূৰ্ণ আৰু ভাল লগা কথাটো হ'ল— ওপৰিউক্ত ছাত্ৰ-ছাত্ৰীসকলৰ অধিক সংখ্যকে উচ্চ শিক্ষা গ্ৰহণ কৰি নিজ নিজ অঞ্চললৈ ঘূৰি আহি তেওঁলোকৰ অঞ্চলবোৰত গঢ় লৈ উঠা শিক্ষানুষ্ঠানবোৰত স্ব-ইচ্ছাই শিক্ষকতা কৰা আৰম্ভ কৰে। "ভাল পোৱা"ৰ ই এক উত্তম নিদৰ্শন নহয় নে বাৰু। নিজ নিজ অঞ্চলৰ ৰাইজে দান-বৰঙণি সংগ্ৰহ কৰি শিক্ষানুষ্ঠানবোৰৰ নিৰ্মান, খা-খৰচ, শিক্ষকসকলৰ নাম মাত্ৰ মাননী আদি দিছিল আৰু এইদৰে অসমৰ চুকে-কোনে বিভিন্নজনৰ আন্তৰিক সহযোগিতা, ত্যাগৰ বিনিময়ত একো একোখন শিক্ষানুষ্ঠান ঠন ধৰি উঠিছিল।

কটন কলেজৰ দৰে নাম থকা কলেজৰ অধ্যাপনা এৰি গুৱাহাটীৰ মাজমজিয়াৰ তেতিয়া পিটনিৰে ভৰা বৃহত্তৰ চেৰাবভাটী (বৰ্তমান বৃহত্তৰ আৰ্য্য নগৰ) অঞ্চলত গিৰিধৰ শৰ্মা ছাৰে আৰম্ভ কৰিলে আৰ্য্য বিদ্যাপীঠৰ আন এটা অংগ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়। আৰ্য্য পাঠশালা, আৰ্য্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ পিছতে। প্ৰাথমিকৰ পৰা স্নাতকোত্তৰ পৰ্যায়লৈ স্বয়ং সমপূৰ্ণ শিক্ষা প্ৰতিষ্ঠান।

শৰ্মা ছাৰৰ এক বৃহৎ সপোনৰ বাস্তৱ ৰূপ। ইয়াৰ ভিতৰত এটা অতি গুৰুত্বপূৰ্ণ কথা হ'ল— তেখেতৰ স্পষ্ট ধাৰণা এক স্বয়ং সম্পূৰ্ণ শৈক্ষিক প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰা। তেওঁৰ স্পষ্টতাৰ বাবেই সমাজৰ সকলো স্তৰৰ পৰা এইটো গঢ়াৰ পূৰ্ণ সমৰ্থন লাভ কৰিবলৈ সক্ষম হৈছিল। বিভিন্নজনে দান-বৰঙণি দিছিল, কোনোবাই এটা কোঠা নিৰ্মাণৰ বাবে পুঁজি দিছিল। আনকি এই শৈক্ষিক প্ৰতিষ্ঠানটোৰ মাটি ৰক্ষণাবেক্ষণ দিবলৈ শৰ্মা ছাৰৰ আহ্বানত আমাৰ দেউতা স্বৰ্গীয় মহাদেৱ মিশ্ৰই নিশা মাটি ৰখিছিল। কিজানিবা কোনোৱে বেদখল কৰে। সৰ্ব্বোপৰি তেওঁৰ কথাৰ-কামৰ গ্ৰহণযোগ্যতাই সকলোৱে ব্যাপক সমৰ্থন লাভ কৰিছিল।

স্নাতকোত্তৰ শ্ৰেণীৰ চূড়ান্ত পৰ্যায়ৰ ফলাফল প্ৰকাশ নহওঁতে শৰ্মা ছাৰ এনে কিছু ছাত্ৰ-ছাত্ৰীৰ ঘৰ ওলাইছিল যে সেই পৰিয়ালবোৰে আশ্চাৰ্য্য প্ৰকাশ কৰিছিল। কাৰণ এটাই যে তেওঁ পতা মহাবিদ্যালয়ত তেওঁলোকে অধ্যাপনা কৰিব লাগে এনে একাধিক ব্যক্তিয়ে ৰাজহুৱাভাৱে স্বীকাৰ কৰিছে যে গিৰিধৰ শৰ্মাই জীৱনৰ টাৰ্নিং পইণ্ট আনি দিছে।

শিক্ষক, ছাত্ৰ, অভিভাৱক। ইয়াৰ উপৰিও ওচৰ চুবুৰীয়া, শুভাকাংখী, প্ৰয়োজনীয় সহায়কাৰী ষ্টাফৰ সম্পূৰ্ণ আৰু সক্ৰিয় সহযোগত আৰ্য্য বিদ্যাপীঠ হৈ পৰিল উত্তৰ পূব অঞ্চলৰ জাকত জিলিকা শৈক্ষিক প্ৰতিষ্ঠান। পৰীক্ষাত ভাল ফলাফল দেখুওৱা ছাত্ৰ-ছাত্ৰী কটনত আহে, কিন্তু নিম্নস্তৰৰ ছাত্ৰ-ছাত্ৰীক কুণ্ডত কটাৰ দৰে নিজাকৈ আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ে জীৱন গঢ় দিয়া হ'ল। প্ৰকৃত শিক্ষা আৰু প্ৰকৃত মানুহৰ নিৰ্মাণৰ কমাৰশাল হৈ পৰিল আৰ্য্য বিদ্যাপীঠ সমাজৰ বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠা লাভ কৰা অসংখ্য আৰ্য্য বিদ্যাপীঠৰ ছাত্ৰ-ছাত্ৰীক আপুনি লগ পাব। ইয়াতকৈ আৰু উৎকৃষ্ট উদাহৰণ কি লাগে।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে যদিহে পাঠ্যক্ৰম, আনুসংগিক বিভিন্ন বিষয় খাপ খুৱাকৈ কৰি যোৱা নহয়, তেতিয়াহ'লে সমাজৰ সামগ্ৰিক উন্নয়নৰ গতি ত্বৰানিত কৰাত শৈক্ষিক প্ৰতিষ্ঠানে সহযোগ কৰাত ব্যৰ্থ হয়। শিক্ষক, ছাত্ৰ, অভিভাৱক, শিক্ষা নীতি প্ৰস্তুতকৰ্তা, ৰূপায়ণকাৰী, চৰকাৰ, আন্তঃগাঠনি, পুঁজিৰ আবণ্টন আদি বিষয়ৰ সু-সমন্বিত ব্যৱস্থাইহে ছাত্ৰ-ছাত্ৰীৰ উত্তৰণৰ বাট প্ৰশস্ত কৰে। প্ৰযুক্তি বিদ্যাৰ প্ৰয়োগ, শিক্ষকৰ বেপৰোৱা মানসিকতাৰ বৰ্জনেহে অবাটে যোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস কৰিব। তেতিয়াহে সুন্দৰ, সু-শৃংখল, সমৃদ্ধিশালী সমাজ হ'ব।

আনহাতে শৈক্ষিক প্ৰতিষ্ঠান এখনৰ গুণ-গৰিমা তেতিয়াহে বৃদ্ধি হ'ব, যেতিয়া প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সমাজত সু-অৱস্থান সম্পৰ্কত পৰৱৰ্তী প্ৰজন্মই ভালদৰে অৱগত হ'ব। এইটো অতি গুৰুত্বপূৰ্ণ দিশ। এই দিশটোত সাম্প্ৰতিকে NAAC এ অধিক গুৰুত্ব দিয়া দেখা গৈছে।

আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ত গঠিত প্ৰাক্তন ছাত্ৰ-ছ
সংগঠন এৰিয়ান এলুম্‌নি এছ'চিয়েচনে ২০০৯ চনত মহাবিদ্যা
উদ্‌যাপন কৰা সোণালী জয়ন্তী সমাৰোহ কলেজ কৰ্তৃপক্ষ, গ
বডী, কৰ্মচাৰীবৃন্দ, শিক্ষকবৃন্দ, অভিভাৱক, শুভাকাংখী,
পৰিয়ালৰ সক্ৰিয় সহযোগত অতি সফলতাৰে, মৰ্যদাপূৰ্ণ
সম্পন্ন কৰাটো গৌৰৱৰ বিষয়। আনকি কলেজে NAAC
Grade প্ৰাপ্তিত এলুম্‌নি এছ'চিয়েচনে গুৰুত্বপূৰ্ণ ভূমিকা
কৰাটো উল্লেখনীয় দিশ।

আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ে সোণালী জয়ন্তী উদ্‌য
সময়তে কলেজৰ খেলপথাৰখন উন্নয়নৰ বাবে এৰিয়ান এ
এছ'চিয়েচনে মুখ্য ভূমিকা লোৱাটো এক অন্যতম সফলতা

এখন সংবিধান থকা, পঞ্জীয়নভূক্ত ছ'চাইটি হোৱা, গি
দ্বাৰা হিচাপ পৰীক্ষা কৰি থকা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সংগঠন এ
এলুমনি এছ'চিয়েচন সম্ভৱতঃ অসমৰ একমাত্ৰ সংগঠন। প
প্ৰজন্মৰ বাবে এইবোৰ আমাৰ ফালৰ পৰা কৰি যোৱা তে
আধাৰ কৰি ৰখাৰ কাম।

আনুষ্ঠানিক শিক্ষাই শিক্ষিতৰ সংখ্যা বৃদ্ধি কৰিছে
প্ৰকৃত মানুহ বা প্ৰকৃত জ্ঞানীৰ সংখ্যা বৃদ্ধি কৰিছে বুলি আমা
নধৰে। স্বদেশ, স্বজাতিৰ, ভাষা-সংস্কৃতিৰ প্ৰতি আন্তৰিক ভাল
ইহে জাতিৰ পৰিচয় ৰাখিব পাৰে।

ত্যাগ, কৰ্মস্পৃহা, স্পষ্ট ধাৰণা, গ্ৰহণযোগ্য নী
বিজ্ঞানসন্মত পৰিকল্পনা, সকলো পক্ষৰে সহযোগহে এটি প্ৰতি
জাকত-জিলিকা কৰাত অৰিহণা যোগায়। ইয়াৰ চূড়ান্ত নিদৰ্শন
গিৰিধৰ শৰ্মা ছাৰ। ছাৰক সশ্ৰদ্ধ প্ৰণাম জনালো।

৬০ বছৰীয়া হোৱা আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ২০১৮
পালিত হীৰক জয়ন্তীত আমি সংশ্লিষ্ট সকলো পক্ষকে আন্তৰিক ন
জনাইছো আৰু আৰ্য্য বিদ্যাপীঠৰ জয়যাত্ৰা বিশ্ব জুৰি হওক— ই
কামনা কৰিছো। জয়তু এৰিয়ান এলুম্‌নি এছ'চিয়েচন।■

# কথাবোৰ বাৰু এনেকুৱা কিয় হ'ল ?

□ উপম শইকীয়া
প্ৰাক্তন ছাত্ৰ



(১)

কথাবোৰ বাৰু এনেকুৱা কিয় হ'ল ?
কথাবোৰ বাৰু
আমি সৰুতে পঢ়াৰ দৰে কিয় নহ'ল ?
এই যে পাঠশালাত পঢ়িছিলো
"মই গান্ধীজীৰ দৰে হ'ম
সদায় সত্য পথত ৰ'ম"
অথবা
"অহিংসাই পৰম ধৰ্ম"
পাৰিলো জানো ??
আমিতো পঢ়া নাছিলো
সত্যৰ অন্বেষণক ভেঙুচালি কৰিম।
অথবা অস্ত্ৰৰে সমাজ গঢ়িম।
তেনেহ'লে কথাবোৰ বাৰু
কিয় এনেকুৱা হ'ল ?
আপোন মাতৃৰ অশ্ৰু নিগৰাই
বিশ্বমাতৃ সেৱা
পিতায়েতো সৰুতে নিশিকালে কাহানিও
তেনেহ'লে কামবোৰ এনেকুৱা কিয় হ'ল।
"বিশ্ব শান্তি" যজ্ঞ
নকৰিলোৰেই যেনিবা
৮৩ লেখিয়া হত্যা যজ্ঞ
ৰুধিব নোৱাৰোনে ?
পৰিপন্থী ৰূপত ধেমাজিৰ শিশু
আৰু ৩০ অক্টোবৰৰ আৰ্তনাদ
বাৰে বাৰে আমি কিয় শুনো ??
ঘটনাবোৰ বাৰু এনেকুৱা কিয় হ'ল !



আশাৰ প্ৰদীপ ৪৭ আৰু ৮৫
পুনঃ পুনঃ কিয় বিচাৰো !
৮৫ৰ নিৰ্বাচনেই হওক বা ২০১৬।
অতি পৰিৱৰ্তনৰ আশাত
অপৰিৱৰ্তিত সমাজ এখন কিয় গঢ়ো।
কথাবোৰ বাৰু এনেকুৱা হ'ব নোৱাৰেনে !
শান্তিৰ চৰাই জুৰি আকাশত এৰি নিদি
বুকুত সাৱটি লম
বাহ্যিক স্বচ্ছতা নিবিচাৰি
আদৰ্শৰ স্বচ্ছতাৰে সমাজ গঢ়িম
গীত বুলি আমোদ নকৰি
হৃদয়ংগম কৰিম
"মানুহে মানুহৰ বাবে
যদিহে অকনো নাভাবে
অকনি সহানুভূতিৰে
ভাবিব কোনেনো কোৱা"
ভাবাচোন !! কথাবোৰ যদি
এনেকুৱা হয় !!!
আশাকৰো কথাবোৰ এদিন নহয় এদিন
এনেকুৱাই হওক।।

# কলম আৰু কণ্ঠ

(২)

শব্দ বিন্যাষৰ মাধুৰ্যতাৰে
কাব্য জগত চহকী কৰা
মই তেনে কোনো কবি নহয়।
মই সাধাৰণ কলম লোৱা মানুহ।
আইৰ চকুলো মচিবলৈ ৰুমাল কঢ়িয়াই ফুৰা
আৰু শিপিনীক তেনে বহু ৰুমাল ববলৈ আহ্বান কৰা
মই এজন সাধাৰণ মানুহ।

কলম আৰু কণ্ঠ
দুয়ো মোৰ সঙ্গ আৰু অস্ত্ৰ।

মোৰ বুকুৰ বাওঁফালে যেতিয়া
মিঠা মিঠা অনুভৱ হয়
কলমত তেতিয়া নীলা পাৰিজাত ফুলে।
কণ্ঠত মৌ বৰষে।
মোৰ বাওঁদিশত যেতিয়া বিষ হয়
কলমৰ আগত তেতিয়া
ৰঙা জবাফুল ফুলে।
কণ্ঠত তেতিয়া লাভা নিগৰে।

মই অনামিকাৰ সন্ধানৰত
কোনা প্ৰেমিক কবি নহয়।
দহৰা কথা কৈ
নিজৰ বাবে কলম চলোৱা

ভণ্ড দেশপ্ৰেমিকো নহয়।

কলমৰে লিখি যাওঁ মানুহৰ কথা
কণ্ঠৰে ৰুই যাওঁ মানৱতাৰ কঠীয়া।

কলম আৰু কণ্ঠৰেই যুজিচোঁ মই সূৰ্যৰ সতে।

কমল মোৰ চিৰচেনেহী মাতৃ।
কণ্ঠ মোৰ অফুৰন্ত শক্তি।
কণ্ঠ আৰু কলমৰেই নাশ কৰিম
যিয়ে গ্ৰাস কৰিব বিচাৰে
মোৰ জন্মদাত্ৰী মৰমী ধৰিত্ৰী।।

# কবিতাৰ সংজ্ঞা

(৩)

কবিতাৰ সংজ্ঞা কি?
মই নাজানো কবিতাৰ সংজ্ঞা।
কাৰণ
মই যে নহলো কবিতা বেত্তা।

কবিতা বেত্তাসকলে কয়
বুজা নুবুজাৰ দোমোজাত থকা
অথবা
নুবুজিও নিজৰ ভাৱে বুজা,
অৰ্থৰ লুকাভাকুৰে খেলা কৰা
গভীৰ শব্দ বিন্যাসৰ মাধুৰ্যতা
এয়াই ভাল কবিতা।

পিছে মই??
অৰ্থৰ সন্ধানত মূৰ আফলোৱা,
শব্দৰ চাকনৈয়াৰে পাঠকক পকনিয়াত পেলোৱা...
তেনে কবিতা ৰচক নহয় মই।

মোৰ কবিতা
মোৰ বুকুৰ শোৰনি কোঠাৰ·পৰা অহা
শব্দৰ গাথা।
য'ত থাকে ছান্দিকতা,
য'ত থাকে ভাষাৰ সৰলতা,
য'ত থাকে ভাৱৰ গভীৰতা,
য'ত মোৰ "মই" বোৰ পাঠকে "আমাৰ" কৰি লোৱা...
এয়াই

এয়াই
মোৰ কবিতা।
কবিতা...
আকাশলৈ মোৰ হৃদয়ৰ জখলা।
কবিতাৰেই আকাশলৈ চটিয়াও
মোৰ বুকুৰ বতৰা।
সেয়ে
মই হ'ব নোৱাৰিলো কবিতা বেত্তা।।

# ফ্ৰী অ'ফাৰ

## (৪)

মোৰ এখন দোকান আছে।
আহিবচোন কেতিয়াবা।
মোৰ দোকানত বহুত ফ্ৰী অফাৰ আছে।
এটা কিনিলে আন এটা ফ্ৰী।
যদি মৰম কিনে, অভিমান ফ্ৰী।
সুখ কিনিলে, শান্তি ফ্ৰী।
দুখ কিনিলে, হাঁহি ফ্ৰী।
খং কিনিলে মৰম ফ্ৰী
ক্ষোভ কিনিলে স্বাভিমান ফ্ৰী।
শ্ৰম কিনিলে ঘাম ফ্ৰী
অশ্ৰু কিনিলে আনন্দাশ্ৰু ফ্ৰী।
যদি অস্ত্ৰ কিনে, বাৰুদৰ সলনি
দুপাহ গোলাপ ফ্ৰী।
ক্ষমা কৰিব
মোৰ দোকানত হতাশা নাই।
তাৰ সলনি দিব পাৰো উদ্যম।
উদ্যম কিনিলে সপোন ফ্ৰী
সপোন কিনিলে, বাস্তৱ ফ্ৰী।
তাতোকৈ আকৰ্ষণীয় অ'ফাৰ কি জানেনে?
মোৰ দোকানলৈ আহি কিবা কিনক বা নিকিনক
দোকানলৈ অহাৰ বাবদ
এহাল কপৌ চৰাই ফ্ৰী।
আহিবচোন সময়পালে কেতিয়াবা
মোৰ দোকানলৈ!!!



# দুটি গীত

❑ ড° বিৰিঞ্চি কুমাৰ ৫
প্ৰাক্তন অধ্যা



(১)

অ' আমাৰ বুকুৰ আপোন
শান্তিৰূপা সংস্কৃতি
তোমাকেই আলিংগনত
সঞ্জীৱিত দিৱস ৰাতি।

ওঁঠত দিলা মধুৰ ভাষা
বুকুত প্ৰেমৰ সোৱণশিৰি
চকুত দিলা পৰম আশা
তৃপ্তি ঢালা জীৱন জুৰি
ক্লান্ত পৰাণ সজীৱ কৰি
বুলাই দিয়া পৰশকাঠি।

আমাক কৰা মন্ত্ৰমুগ্ধ
বিশ্ব কৰা আন্দোলিত
সফল কৰি অলেখ স্বপ্ন
স্তব্ধ মনৰ দিয়া গতি।

বুকুৰ ভূগোল কৰি আকুল
অন্ধকাৰত জ্বলাই চাকি
দগ্ধ মনত বোৱাই দিয়া
বিশ্বপ্ৰেমৰ অমল নদী
আমি তোমাৰ অমোঘ বাণীৰ
সঞ্চাৰিণী প্ৰতিধ্বনি।



(২)

ক'ত যে নামেৰে মাতিছো তোমাক
জন্মভূমি শতৰূপা
সুজলা সুজাতা শান্তা সুনভা
অলকানন্দা অনসূয়া।

গভীৰ আঘাত কৰি দিয়া শাঁত
বুকুত ফুলোৱা প্ৰীতিৰ ফুল
উদাস-হতাশ মনত সানিলা
দোকমোকালিৰ হেঙুলী বেলি
তুমিয়ে জননী শান্তি দায়িনী
অভিনন্দিতা নিৰুপমা।

নদীৰূপে মেলা প্ৰেমৰ পোহাৰ
শস্যৰূপেৰে যাচিলা আহাৰ
ক্লান্তি-বিষাদ বিলীন কৰিলা
নীৰৱে বোৱাই স্নেহধাৰা।

তোমাৰ ধূলিত অশুদ্ধ নৱনীত
সমীৰণে তোলে কৰুণা জটা
সচিতে-সপোনে যাচিলা সঘনে
জীৱন দায়িনী মমতা-মৌ
তুমি গৰীয়সী মাতৃ শ্ৰেয়সী
অপৰাজিতা প্ৰাণাধিকা।

# "ভাৰতৰ সাম্প্ৰতিক ৰাজনৈতিক পৰিস্থিতি আৰু নাৰীৰ অধিকাৰ"

❑ লক্ষ্মী মিশ্ৰ
প্ৰাক্তন ছাত্ৰী

"How women in India are not unreasonabily silent to preserve their age. Old traditional traits or tolerance. A Considerable section of women is coming forward to highlight the real position and conditions of women in Indian-Society with pledge to eradicate the said evils. They are determined to go on their endeavours to establish equal status of women in the Indian-Society, in all spheres of life, uprooting the seeds of mentality of indequalities from the society."

Smt. Bithika Acharya
Advocate & Chairperson, DLCCIW
Cachar, Silchar.

নাৰী আৰু পুৰুষ সকলো ভগৱানৰে সৃষ্টি। বৰ্ত্তমান সময়ত আজিৰ এই একবিংশ শতিকাত ভৰি দিয়াৰ আগমুহূৰ্তত নাৰী আৰু পুৰুষক লৈ ভিন্নভাৱে আলোচনা কৰাহে দেখা যায়। কাগজে-পত্ৰই সকলোতে আজিকালি নাৰী ধৰ্ষণ, নাৰীৰ বিভিন্ন সমস্যা, নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা আদি বিভিন্ন ধৰণে নাৰীক লৈ আলোচনা হয়; কিন্তু সেই অনুপাতে পুৰষক লৈ আলোচনা বা সমালোচনা কৰা দেখা নাযায়। কাৰণ, এইখন পুৰুষ প্ৰধান দেশ; তেওঁলোকে তেওঁলোকৰ স্বাধীনতা ভিক্ষা কৰি ল'ব লগা নহয়।

"মহিলাৰ সবলীকৰণ"- এক দৃষ্টি ঃ দেশৰ সংগ্ৰামত মহিলাসকলে পুৰুষৰ সৈতে হাতত হাত মিলাই যিদৰে জপিয়াই পৰিছিল আজিৰ সমাজে সেই কথা প্ৰায় পাহৰি যোৱাৰ দৰে হৈছে। SAARC - ২০০১ বছৰটো মহিলাৰ সবলীকৰণ বছৰ (Women Empowerment Year) হিচাপে উদ্‌যাপন কৰা হৈছিল আৰু এই

২০০১ বছৰটো বহুত ক্ষেত্ৰত স্মৰণীয় হৈ ৰ'ব; কাৰণ, এই বছৰতে ভাৰত চৰকাৰে মহিলা সবলীকৰণৰ বাবে ৰাষ্ট্ৰীয় নীতি (National Policy on Empowerment of Women) ঘোষণা কৰে।

১৯৯৫ চনত বেইজিঙত বহা সন্মিলনত ৰাষ্ট্ৰসংঘৰ চতুৰ্থ মহিলা বিশ্বসভাত (UN Fourth World Conference for Women) লোৱা সিদ্ধান্তৰ আধাৰত এই ৰাষ্ট্ৰীয় নীতি ঘোষণা কৰা হয়।

যোৱা দশকত মহিলাৰ সাক্ষৰতাৰ হাৰ আছিল ৩৯%, ইয়াৰ বিপৰীতে ২০০১ চনৰ লোকপিয়ল মতে মহিলাৰ সাক্ষৰতাৰ হাৰ ৫৪.১৬% লৈ বৃদ্ধি পালে। দীৰ্ঘায়ুতাৰ (life expectancy) মানে আয়ুসৰ হাৰ পুৰুষৰ বাবে ৬৩ বছৰৰ বিপৰীতে মহিলাৰ বাবে ৬৩.৪ বছৰলৈ বাঢ়িছে। লিঙ্গঁ অনুপাতৰ হাৰ (Sex-ratio) পৰ্য্যায়ক্ৰমে বিগত লোকপিয়ল কেইটাত নিম্নগামী হোৱাৰ বিপৰীতে যোৱা (২০০১ চনৰ) লোকপিয়লত প্ৰতি ১০০০ পুৰুষৰ বিপৰীতে এই হাৰ ৯২৭ ৰ পৰা ৯৩৩ লৈ বৃদ্ধি পোৱাটো (মহিলাৰ বাবে) শুভ লক্ষণ। প্ৰায় এক কৌটি মহিলাই স্থানীয় ভাৱে চৰকাৰী অনুষ্ঠানত নিজৰ মত সাব্যস্ত (decision making) কৰাৰ ক্ষমতা পাইছে আৰু আন কেবা কৌটি মহিলাই ভাৰতত "আত্ম সহায়ক গোট" (self help group) ৰ জৰিয়তে ঋণ পোৱাৰ সুবিধা লাভ কৰি স্বাৱলম্বিতাৰ পৰিচয় দিব পাৰিছে, এয়া সাম্প্ৰতিক পৰিস্থিতিত নাৰীৰ অধিকাৰ বাঢ়িছে বুলি মহিলাৰ বাবে এয়া এটা সুখৰ কথা নিশ্চয়।

**অহা শতিকাত জনসংখ্যা স্থায়ীকৰণ (Stabilization demographic) লক্ষ্যঃ**

দুটা সন্তানৰ নীতি, গৰ্ভাৱস্থাত লিঙ্গঁ নিৰ্ণয়ৰ কাৰিকৰী পদ্ধতি, গৰ্ভত সন্তানে স্থিতি লোৱাৰ আগতেই ভ্ৰূণ নিৰ্ণয় কৰি নিজে বিচৰামতে ভ্ৰূণ গৰ্ভধাৰণ কৰাৰ সূক্ষ্ম অত্যাধুনিক পদ্ধতি এই সকলোবোৰে শিশু কন্যাটিক মাক-বাপেকৰ পৰা আঁতৰাই পঠিয়াই পুত্ৰ সন্তান লাভ কৰাতহে অৰিহণা যোগাইছে। ২০০১ চনৰ লোক পিয়লমতে কম বয়সৰ ল'ৰা-ছোৱালী (০-৬) লিঙ্গঁ অনুপাত (Sex-ratio) শতিকাটোৰ নিম্নতম মান ৯২৭(927) লৈ কমি যায়। মহিলাৰ সবলীকৰণ বছৰটোত এই পৰিসংখ্যা যেন স্ব-মত বিৰোধী। UNICEF - ৰ সমীক্ষা মতে, ভাৰতত প্ৰতি বছৰত প্ৰায় ৫০ লাখ কন্যা ভ্ৰূণ হত্যা গুপুতে কৰা হয় (covert female foetiode) বিভিন্ন গৱেষণা/বিশ্লেষণ/আলোচনা সমালোচনাৰ তথ্যই উদঙাই দেখুৱাইছে যে দুটা বা তিনিটা সন্তানৰ পৰিয়ালত দ্বিতীয়জ ছোৱালীৰ কোনো স্থান নাই, কিন্তু দ্বিতীয়জন ল'ৰাৰ প্ৰয়োজ আছে বুলি বেছিভাগ পৰিয়ালে ভাবে।

Pre-Natal Diagnostic Techniques (Regulation a prevention of Musure) Act (PNDT Act) ১৯৯৪ আইন আজি প্ৰায় মৃতপ্ৰায় অৱস্থাত। ১৯৯৬ চনতে প্ৰণয়ন হোৱা আইনখনৰ জৰিয়তে কোনো এজনেও প্ৰায় বৰ্ত্তমানলৈ শাস্তি পে নাই। লিঙ্গঁ নিৰ্ণয়ৰ ব্যৱস্থা ও পদ্ধতিৰ সহজ-লভ্যতাৰ বহুত প্ৰা হৈছে কিন্তু এইবিলাকৰ অপব্যৱহাৰ হৈছে বুলি কোনো প্ৰামা তথ্য নাই। পৰিয়ালে যেন কেৱল পুত্ৰ সন্তানৰ বাবেহে আগ্ৰহী ত চিকিৎসক আৰু ক্লিনিকসমূহে যেন কেৱল টকা ঘটাৱহে পক্ষপা ন্যায় বুলি কোনো কথাই নাই।

এখন সুস্থ চৰকাৰে সকলোৰে বাবে বিশেষকৈ মহিলাৰ ব বন্ধু ভাৱাপন্ন আঁচনিৰ দ্বাৰা পুৰুষ-মহিলা উভয়ৰে জী ব্যাপকভাৱে সলনি কৰি দিব পাৰে। লিঙ্গ বৈষম্যতা (gender bi বহু পৰিমাণে নোহোৱা কৰিব পাৰে যদিহে এক শক্তিশালী মহি সম্পদ গঢ়ি তুলিব পৰা যায়। যোৱা প্ৰায় ৫০ বছৰত আমাৰ পৰিসংখ্যাবোৰে ফঁহিয়াই দেখুৱাইছে যে আমি কিমান কম পৰিম লাভৱান হৈছোঁ আৰু ফলস্বৰূপে আমি পাইছোঁ এক দুৰ্ব্বল (feeb মানৱ-সম্পদ।

**২০২০ চনৰ মহিলাৰ স্বৰূপ ঃ** সাম্প্ৰতিক ৰাজনৈতি সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক দিশত মহিলা এগৰাৰ প্ৰতি কোনো ধৰণৰ বৈষম্য (discrimination) নেদেখুৱাটো এ পৰিবেশ সৃষ্টি হয় আৰু মহিলাৰ নিৰাপত্তা, শান্তি-সমৃদ্ধি নিশ্চি কৰা আৰু মহিলাৰ উন্নতি আৰু জীৱন ৰক্ষাৰ বাবে আমাৰ অ চৰকাৰৰ লক্ষ্য হ'ব লাগিব বহুত ওপৰত। সমাজত মহিলাৰ মৰ্যা আৰু মহিলাৰ প্ৰগতিয়েহে এখন সমাজৰ প্ৰকৃত উন্নতি বা এ প্ৰকৃত উন্নতমানৰ সমাজ বুলি ক'ব পাৰি। অহা ২০ বছৰত এ লক্ষ্যত উপনীত হ'বলৈ যোৱা ৫০ বছৰে অনুকৰণ কৰা গতিৰ সলনি কৰি এক নতুন পথেৰে গতি কৰিব লাগিব আৰু এক গতিশী দ্ৰুত পথেৰে আগবাঢ়িব লাগিব। ইয়াৰ বাবে লাগিব ঃ সমাজি শিতান (Social Section) ত অধিক ধন বিনিয়োগ; প্ৰতি অঞ্চলত সেই অঞ্চলৰ বিশেষ অগ্ৰাধিকাৰ সমূহ চিহ্নিত কৰ সকলোৰে সহযোগত (মহিলাৰ সামাজিক অনুষ্ঠানবোৰ সহযোগতও) চৰকাৰে যুগ্ম ঐক্যকেন্দ্ৰিক কাৰ্য্যপন্থা (Coverge

action)) লোৱা; সমূহ ৰাইজৰ উমৈহতীয়া কামৰ দক্ষতা বঢ়োৱা; কামৰ সঠিক ৰূপায়ণত সতৰ্ক সৃষ্টি আৰু কামৰ সঠিক ৰূপায়ণ, চৰকাৰ, স্বেচ্ছাসেৱী অনুষ্ঠান, মহিলাৰ সৱলীকৰণ NGO সমূহ আৰু Corporate Sector সমূহৰ সৈতে সম্বন্ধ গঠন কৰি কামৰ গতি দ্ৰুত কৰা আৰু এক সুস্থ শাসনৰ প্ৰতিশ্ৰুতি দি কৰ্মত পৰিণত কৰা। ইয়াৰ বাবে এখন Table উল্লেখ কৰা হ'ল। আৰু এই Table খনৰ source from : Compiled from data from NFHS-2, National Profile on Women and Development, 2000 and National Population Policy, The Projections for 2020 are based on assumption of best practices :

## Table-2

### Projection of Goals for 2020 to Achieve the vision of 2020 for Women

| Details | Latest | 2010 | 2020 |
|---|---|---|---|
| IMR | 70 (1999) | 30 | 20 |
| Prenatal Mortality | 44.3 (1993) | 20 | 10 |
| Crude Death Rate (CDR) | 8.9 (1996) | 8 | 7 |
| Material Mortality Rate (MMR) | 407 (1997), 540 (1998-99) | 100 | 50 |
| Life Expectancy (years) Male -Female | 63 (1996-2000), 63.4 (1996-2000) | 70, 72 | 74, 77 |
| Earlier with Birth not below 2.5kg | 47% (1998-99) | 72 | 77 |
| Crude Birth Rate (CBR) | 26.1 (SRS 99) | 18.0 | 10.0 |
| Couple Protection Rate (CPR) | 46% (2000) | 80% | 90% |
| Net Replacement Rate (NRR) | --- | 1 | 1.6 |
| Total Fertility Rate (TFR) | 3.3 (SRS 97) | 2.1 | 1.6 |
| Annual Growth Rate | 1.6 | 1.1 | 0.9 |
| Immunization | --- | 100% | 100% |
| Age at marriage for girls | --- | 20+ | 20+ |
| Antenatal care | 65% (1998-99) | 90% | 96% |
| Deliveries Institutional | 35% | 80% | 90% |
| Trained Attendant | 76.7% | 100% | 100% |

### Project Age Composition (%)

| | | | |
|---|---|---|---|
| Below five years | 10.70 | 100% | 9.7 |
| 0 - 15 years | 33.43 | 24.48% | 27.73 |
| > 15 - 59 years | 58.70 | 63.38% | 63.33 |
| + 60 years | 6.97 | 8.14% | 8.94 |

সংবিধানৰ বিভিন্ন ধাৰাই নাৰীক বিভিন্ন ধৰণে সুৰক্ষা দিছে। নাবালক বিবাহ, যৌতুক প্ৰথা আদি আইনৰ দ্বাৰা বন্ধ কৰা হয়। আইনমতে কোনো পুৰুষে যৌতুক লোৱা বা পুৰুষজনৰ পৰিয়ালৰ পৰা যৌতুক দাবী কৰা আৰু যৌতুক দিয়া দুয়োটাই দণ্ডণীয়।

আইনৰ সুবিধাবোৰ আমাৰ নাৰীসকলে সম্পূৰ্ণৰূপে ভোগ কৰিব জনা নাই; কাৰণ নাৰীবোৰ কিছুক্ষেত্ৰত অনভিজ্ঞ হোৱাৰ কাৰণ নিৰক্ষৰতা বা কম সাক্ষৰতা। ২০১৪-২০১৫ চনৰ লণ্ডনৰ সমীক্ষা মতে বৰ্ত্তমান বিশ্বত নাৰীৰ সাক্ষৰতাৰ হাৰ ৩৫ (৩৫%)। বিশেষকৈ আইনৰ সুবিধাবোৰ জনাৰ ক্ষেত্ৰত অনভিজ্ঞ মুছলিম নাৰীসকল। বিয়াৰ পিচত এগৰাকী নাৰীৰ সম্পূৰ্ণ ভৰণ-পোষণ আৰু ল'ৰা-ছোৱালীৰ শিক্ষা-দীক্ষাৰ দায়িত্ব স্বামীৰ। আইনৰ Criminal Procedure Code ৰ 125 ধাৰামতে এজন পুৰুষ দোষী সাব্যস্ত হয় তেতিয়া, যেতিয়া তলত উল্লেখ কৰা বিষয় ক্ষেত্ৰত পুৰুষজন ভৰণ-পোষণ দিবলৈ অমান্তি হয় ঃ—

ক) নিজৰ পত্নী, যিয়ে নিজৰ ভৰণ-পোষণ উলিয়াব নোৱাৰে;

খ) তেওঁৰ আইন সিদ্ধ বা আইন বহিৰ্দ্ধ এটা শিশু মানে নাবালক বিয়া হোৱা বা বিয়া নোহোৱা শিশুৱে নিজৰ ভৰণ-পোষণ উলিয়াব নোৱাৰে;

গ) তেওঁৰ আইন সিদ্ধ বা আইন বহিৰ্দ্ধ সাবালক সন্তান (বিয়া হোৱা ছোৱালী সন্তানৰ বাহিৰে) যিজনে নিজৰ কিবা শাৰীৰিক বা মানসিক অক্ষমতাৰ বাবে নিজক ভৰণ-পোষণ দিব নোৱাৰে;

ঘ) তেওঁৰ মাক-দেউতাকক যদি ভৰণ-পোষণ নিদিয়ে আৰু তেওঁলোকক আইনমতে মাহেকীয়া ভাৱে মজুৰী এটা দিবলৈও বাধ্য, যিটো তেওঁলোকে নিদিয়ে।

এতিয়া আমাৰ প্ৰতিগৰাকী নাৰীয়ে নিজৰ বুদ্ধি আৰু সাহসৰ পৰিচয় দি পুৰুষৰ সমানে সকলো ক্ষেত্ৰতে খোজ মিলাবলৈ নিজে নিজক প্ৰস্তুত কৰি লোৱা উচিত। পুৰুষসকলেও এইটো বুজি উঠাৰ সময় হ'ল, নাৰী প্ৰকৃততে অকল ভোগৰ সামগ্ৰী নহয়; বুদ্ধিজীৱিসকলে সকলো প্ৰকাৰে সমাজত বুজাই দিয়া উচিত। যিহেতু, নাৰী এটা মুদ্ৰাৰে ইপিঠি আৰু সিপিঠি; গতিকে নাৰী অবিহনে পুৰুষ আৰু পুৰুষ অবিহনে নাৰী কেতিয়াও আগবাঢ়িব নোৱাৰে নিশ্চয়!

**ঃ ঘৰুৱা নিৰ্যাতনৰ পৰা মহিলাক সুৰক্ষা আইন, ২০০৫ ঃ**

ঘৰুৱা নিৰ্যাতনৰ কেইটামান উদাহৰণ হ'ল ঃ—

আঘাত কৰা, শাৰীৰিক পীড়া বা জীৱনৰ প্ৰতি ভা অংগ-প্ৰত্যংগ বা স্বাস্থ্যহানি কৰা, নিৰ্যাতন, ভীতি প্ৰদৰ্শন, মহি মৰ্য্যদা হানি বা নিম্নগামী বা লাঘৱ কৰিব পৰা যিকোনো ধ যৌন আচৰণ, অপমান, হেয় প্ৰতিপন্ন কৰা, শাৰীৰিক উৎপী ভাবুকি, মাতৃ-গৃহৰ পৰা মহিলা এগৰাকীক উলিয়াই পঠি হাৰাশাস্তি, অনিষ্ট সাধন, জোৰ-জুলুম কৰাৰ উদ্দেশ্যে আহ বিপদগ্ৰস্থ কৰা বা যৌতুক বা অন্যান্য সম্পত্তি বা মূল্যবান স আদি লাভৰ বাবে কৰা যিকোনো আইন বহিৰ্ভূত দাবী পূৰণৰ আন যিকোনো সম্পৰ্কীয় লোকৰ দ্বাৰা ভাবুকি, ইত্যাদি।

যিকোনো ধৰণৰ ঘৰুৱা নিৰ্যাতনৰ বলি হোৱা বুলি যিকোনো মহিলা বা ব্যক্তিয়ে সুৰক্ষা বিষয়াক (protection ficer) জনাব পাৰিব আৰু এই তথ্য আৰু অভিযোগ দিব প এজন পুলিচ বিষয়া/সুৰক্ষা বিষয়া/বেচৰকাৰী সংস্থা/দণ্ডা আগত।

**কৰ্মস্থানত যৌন উৎপীড়ন ঃ** কৰ্মস্থানত যৌন উৎপ বৰ্ত্তমান ভাৰতৰ সাম্প্ৰতিক পৰিস্থিতিত এটা সাধাৰণ কথাৰ হৈছে। কৰ্মস্থান মানে হ'ল— নিৰ্মাণস্থলী, কাৰখানা, খনি, শৈ প্ৰতিষ্ঠান, কাৰ্য্যালয় ইত্যাদি।

হাৰাশাস্তি কৰাজনক কু-কৰ্মৰ বাবে জগৰীয়া কৰিব ন আৰু ক্ষমা কৰিব নালাগে। গোপনীয়তা ৰক্ষা কৰা মানেই যিজন ব্যক্তিয়ে হাৰাশাস্তি কৰিছে তেওঁক সুৰক্ষা দিয়া। হাৰাশ উৎপীড়নৰ প্ৰতিবাদ কৰাটো ন্যায়সঙ্গঁত আৰু ই এক অধিকা

আতিশয্য সম্পৰ্কে যথাসম্ভৱ সোনকালে উচ্চপদস্থ বি বা পুলিচক জনাওক বা যিকোনো বেচৰকাৰী (মহিলা আয়োগ মহিলা সংস্থা) সংস্থাৰ সহায় বিচাৰিব লাগে বা আইনৰ সহায় লাগে।

স্বামী বিবেকানন্দই মহিলা জাগৰণৰ কথা কৈছিল। তে মতে মহিলাক পূজাঁ কৰিব লাগে, মহিলাক সন্মান নকৰা দে জাতিয়ে কেতিয়াও নিজৰ কল্যাণ সাধিব নোৱাৰে।

কিন্তু ভাৰতবৰ্ষত এতিয়াও মহিলাৰ ওপৰত যৌন নিৰ্যা যৌতুকৰ কাৰণে বা নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে বা ডাইনী স হত্যালীলা চলি আছে।

আজি একবিংশ শতিকাৰ দুৱাৰদলিতো শিক্ষিত মহি স্বামীৰ হাতত নিৰ্যাতিতা হৈ আহিছে আৰু নহ'লে হত্যা

কৰিবলৈ কুণ্ঠাবোধ কৰা নাই; তাৰেই উদাহৰণ স্বৰূপে সৌ-সিদিনা ৮ জানুৱাৰী ২০১৬ - কটন কলেজৰ সহযোগী অধ্যাপিকা পত্নীক দাৱে ঘঁপিয়াই নৃশংসভাৱে হত্যা কৰিছে স্বামীয়ে। স্বামীৰ নাম— ইমদাদুল ইছলাম আৰু পত্নীৰ নাম (অধ্যাপিকা) বেনজিৰ চুলতানা খানম।

৯ জানুৱাৰী ২০১৬ - ছয়গাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীত মেৰগাণ্ডা গাঁৱত স্বামী মহিদুল ইছলামে পত্নী ছুৱাতন নেছাক ছুৰীৰে নৃশংসভাৱে হত্যা কৰে; কাৰণ গৃহ কন্দল।

গুৱাহাটীৰ ওচৰৰ চন্দ্ৰপুৰৰ বোন্দাত ২০ ডিচেম্বৰ ২০১৫ত যৌতুকৰ বাবে স্বামী বিজয় চৌধুৰীয়ে পত্নী পুনম চৌধুৰীক ৰড়েৰে মৰিয়াই মৰিয়াই হত্যা কৰিছিল। এই হত্যাকাণ্ডত জড়িত আছিল পুনম চৌধুৰীৰ শাহুৰেক।

তিনি বছৰ পূৰ্বে নতুন দিল্লীত সংঘটিত দলবদ্ধ ধৰ্ষণ আৰু হত্যাৰ ঘটনাৰ অন্যতম হিংস্ৰ অভিযুক্ত কিশোৰজন ২০ ডিচেম্বৰ ২০১৫ ত মুক্তি লাভ কৰে। ধৰ্ষণ কৰি হত্যা কৰিছিল জ্যোতি সিং (নিৰ্ভয়া) নামৰ ছোৱালী এজনীক আৰু এই ধৰ্ষণত জড়িত থকা কিশোৰ জনক মুক্তি দিয়াৰ বিৰোধিতা কৰি প্ৰতিবাদ কৰিছিল ছোৱালীজনীৰ পিতৃ-মাতৃ, পৰিয়ালৰ লোক, ভাৰতৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন সংগঠনে আৰু লগতে দিল্লী মহিলা আয়োগে; কিন্তু এই প্ৰতিবাদৰ কোনোধৰণৰ ফল নহ'ল— তাৰ কাৰণ নাবালক অপৰাধীৰ আইনৰ বিধেয়কখন সংশোধিত হোৱা নাছিল, কিশোৰজন মুক্তি (অপৰাধী কিশোৰজন মুক্তি) পোৱাৰ সময়ত। কাৰণ, অপৰাধ কৰাৰ সময়ত কিশোৰজনৰ বয়স ১৮ বছৰ নাছিল, কিশোৰজন সেই সময়ত 'নাবালক' আছিল (১৮ বছৰৰ তলত)। কিন্তু ২২ ডিচেম্বৰ ২০১৫ ত এই বিধেয়কখন সংশোধিত কৰা হ'ল আৰু নাবালক অপৰাধীৰ বিচাৰৰ বয়স ১৮ বছৰৰ পৰা ১৬ বছৰলৈ হ্ৰাস কৰা হ'ল। নৃশংস অপৰাধৰ ক্ষেত্ৰত এতিয়াৰে পৰা ১৬ বছৰৰ উৰ্দ্ধৰ (ওপৰৰ) সকলো নাবালক অপৰাধীয়েই প্ৰাপ্তবয়স্ক হিচাপেই গণ্য কৰা হ'ব। যিকোনো ন্যায়ালয়ে (ভাৰতবৰ্ষৰ যিকোনো প্ৰান্তৰ ন্যায়ালয়ে) এনেকুৱা নৃশংস জঘন্য অপৰাধীক ৭ বছৰ পৰ্যন্ত কাৰাদণ্ড বিহাৰ নিৰ্দেশনা দিব পাৰিব। ২০১৫ ৰ ৭ মে' তাৰিখে লোকসভাত এই বিধেয়কখন গৃহীত হৈছিল কিন্তু ৰাজ্য সভাত এই বিধেয়কখন ২২ ডিচেম্বৰ ২০১৫ ত গৃহীত হ'ল। এই ধৰ্ষণৰ কাণ্ড সংঘটিত হৈছিল — নতুন দিল্লীত ২০১২ চনৰ ১৬ ডিচেম্বৰৰ নিশা।

১১ জানুৱাৰী, ২০১৬ তাৰিখে হাৰিয়ানাত উদ্ধাৰ হৈছিল নগাঁৱৰ বিবাহিতা মহিলা এগৰাকী; আৰু এই মহিলা গৰাকীৰ নিজ ভাতৃৰ দ্বাৰাই প্ৰতাৰণাৰ বলি হৈছিল। মহিলা গৰাকীৰ ছয়মহীয়া সন্তান থকা অৱস্থাতেই ভাতৃয়ে দিল্লীত কৰ্মসংস্থাপনৰ প্ৰলোভন দি লৈ গৈ নিজ ভগ্নীক এগৰাকী মহিলাৰ হাতত বেশ্যা বৃত্তিৰ বাবে বিক্ৰী কৰিছিল।

২০ জানুৱাৰী ২০১৬ ত কোকৰাঝাৰৰ অন্তৰ্গত দুৱামাৰী গাঁৱৰ পত্নী আমেলা বিবিৰ ওপৰত স্বামী খলিল শ্বেখে অত্যাচাৰ কৰি (শাৰীৰিক অত্যাচাৰ) হত্যা কৰিছিল; আৰু এই শাৰীৰিক-মানসিক অত্যাচাৰ বিবাহৰ পিচৰে পৰা ১৫ বছৰ ধৰি চলাই আহিছিল আৰু এই অত্যাচাৰ -হত্যাকাণ্ডৰ কাৰণ আছিল স্বামীৰ পৰস্ত্ৰীৰ লগত সম্পৰ্ক।

বিভিন্ন সময়ত বিভিন্ন প্ৰান্তত (ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত) মহিলাসকলে সময়ে সময়ে সমাজৰ পৰাও লাঞ্চিতা হ'ব লগা হয় আৰু অত্যাচাৰৰ বলি হ'ব লগা হয়। ডাইনী সজাই বিভিন্ন প্ৰান্তত বৃদ্ধা মহিলা বা মহিলাক সমাজৰ মানুহে অত্যাচাৰ কৰি হত্যা কৰি আহিছে; ইয়াৰ উপৰিও ভূমি বিবাদ; পৰিয়ালত (বহুত পৰিয়ালত) বহুতে নজনাকৈ মহিলাসকলে সমাজৰ ভয়ত বা পৰিয়ালৰ সন্মানৰ কথা ভাবি অত্যাচাৰ সহ্য কৰি আহিছে যদিও মুখ খুলি ব্যক্ত নকৰে বা আইনৰ ওচৰ চাপিবলৈ শিক্ষা বা আৰ্থিক ফালৰ পৰা অপৰাগ। আৰু এই পৰিয়ালৰ পৰা বা সমাজৰ পৰা সহ্য কৰি অহা অত্যাচাৰ বিভিন্ন বিষয় লৈ হ'ব পাৰে যদিও এই মানসিক বা শাৰীৰিক অত্যাচাৰৰ কাৰণ হয়তু — 'দুৰ্ব্বল' হোৱাৰ বাবে— দুৰ্ব্বল নাৰীৰ ওপৰত সমাজৰ বা পৰিয়ালৰ সদস্যৰ বা পুৰুষৰ অত্যাচাৰ।

কেতিয়াবা দেখা যায় — আইনে মহিলাক সুৰক্ষা দিছে বাবে (মহিলাৰ সুৰক্ষাৰ বাবে আইন বহুত আছে বাবে) কিছু সংখ্যক মহিলাই এই আইনৰ সুৰুঙা লৈ আইন হাতত তুলি লোৱা বা অপব্যৱহাৰ কৰা দেখা যায়। কেতিয়াবা দেখা যায় — ভাৰতবৰ্ষৰ বিভন্ন প্ৰান্তত (বৰ্ত্তমান সামাজিক পৰিবেশত) মহিলাৰ দ্বাৰা পুৰুষ লাঞ্চিত হৈছে; কিছু ক্ষেত্ৰত মহিলাৰ দ্বাৰা অত্যাচাৰ (মানসিকভাৱে অত্যাচাৰ) ভুগিব লগা হৈছে পুৰুষে। এনেকুৱা হোৱাটো সমাজৰ বাবে দুৰ্ভাগ্যজনক।

গ্ৰীক দাৰ্শনিক ছক্ৰেটিছে কৈছিল — "যেতিয়ালৈকে মানুহে নিজৰ মগজুৰ চিন্তা কৰিবলৈ নিশিকিব তেতিয়ালৈকে এখন ৰাষ্ট্ৰৰ সৰ্ব্বাংগীণ উন্নতি সম্ভৱপৰ নহ'ব। জনগণৰ সচেতনতা, সহযোগ আৰু শিক্ষা অবিহনে কোনো দেশেই প্ৰগতিৰ পথত আগবাঢ়িব নোৱাৰে।"

ভাৰতবৰ্ষ আজি জনসংখ্যাৰ ক্ষেত্ৰত পৃথিৱীৰ ভিতৰতে শীৰ্ষস্থান দখল কৰিবলৈ আগবাঢ়িছে; এই বিশাল জনৰাশি যিদৰে শিক্ষিত আৰু সচেতন হ'ব লাগিছিল ঠিক তেনেদৰে হোৱাগৈ নাই। ভাৰতবৰ্ষৰ ৰাজনৈতিক নেতা সকলে দৰিদ্ৰ শ্ৰেণীটোক ক্ষমতা লাভৰ জখলা হিচাপে বাছি লয়। কাৰণ, শিক্ষা আৰু সচেতনতাৰ অভাৱ হোৱাৰ বাবে এওঁলোকক অতি সহজেই প্ৰলোভিত কৰিব পাৰি। কেইশমান টকা, কেইবাণ্ডিলমান টিনপাত, শৌচালয়ৰ বাবে সহায়, খেতি-বাতিৰ বাবে সহায়, কেইমুঠিমান সূঁতা অথবা একোখন কম্বল, চাইকেল, আঠুৱা, সুৰাৰ বটল ইত্যাদিয়ে নিৰ্ণয় কৰে একো-একোজন প্ৰাৰ্থীৰ ৰাজনৈতিক যোগ্যতা। নিৰ্বাচিত হৈয়েই তেওঁলোকে পাঁচ বছৰলৈ ৰাজপাট দখল কৰে আৰু অন্যায়-অনীতিৰে নিজৰ ধনৰ ভঁৰাল চহকী কৰি তোলে আৰু নিজৰ অঙহী-বঙহীক সহায়-সুবিধা কৰি দিয়ে। সৰ্বসাধাৰণৰ লগতে গ্ৰাম্যাঞ্চলৰ মহিলাক সীমাহীন সমস্যাৰ মাজলৈ ঠেলি দি নিজে এটা আৰামদায়ক জীৱন কটায়, নিজৰ সন্তানক দেশৰ বাহিৰত শিক্ষা গ্ৰহণৰ বাবে পঠিয়ায়, এনে এক পৰম্পৰাই ভাৰতীয় ৰাজনীতিত সুদীৰ্ঘদিন ধৰি বৰ্ত্তমানলৈ চলি আছে। নেতা আছে, নৈতিকতা নাই, ভোট আছে বিবেক নাই, জনতা আছে সজাগতা নাই....! নহ'লেনো ধৰ্মৰ নামত ৰক্তক্ষয়, সংঘৰ্ষ, অন্ধবিশ্বাসৰ নামত - ডাইনী হত্যা, কু-সংস্কাৰৰ নামত অমানৱীয় কাৰ্যকলাপ বিলাক নঘটিলেহেঁতেন। ঈশ্বৰ বা আল্লাৰ নামত আত্মঘাতী উপায়েৰে হেজাৰ হেজাৰ মানুহৰ প্ৰাণ লোৱাৰ পৰম্পৰা আৰু নিজৰ নিজৰ ৰাজনৈতিক মুনাফাৰ বাবে হিন্দু-মুছলমানক পৃথক কৰা পৰম্পৰা আৰম্ভ নহ'লহেঁতেন। আজি ছক্ৰেটিছো নাই, চাণক্যও নাই।

বাল্য বিবাহ বা ভ্ৰূণ হত্যাৰ বিপৰীতে ২০১৫ বৰ্ষত ভাৰতবৰ্ষত আইন বা আঁচনি কেন্দ্ৰীয় চৰকাৰে আৰম্ভ কৰিছে— "বেটী বচাও, বেটী পঢ়াও"। ভাৰতৰ পৰিসংখ্যা বিজ্ঞানৰ সমীক্ষামতে প্ৰতি ১০০০ জন পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা ৯৩৬ (approximately) জনী। এই ভাৰতবৰ্ষতেই প্ৰতি বছৰে ৮০ লাখ বাল্য বিবাহ হয় আৰু প্ৰতিবছৰে এই অপৈণত বিবাহৰ বয়স আৰু সন্তান জন্ম আৰু এখন পৰিয়ালৰ দায়িত্ব ইত্যাদি কাৰণৰ বাবে ৯ লাখ মহিলাৰ মৃত্যু হৈ আহিছে (মৃত্যু হৈছে।)

**বাল্য বিবাহৰ কু ফল ঃ** স্বাস্থ্যৰ বিষম অৱনতি বা বিপত্তি, HIV, ৰক্তহীনতা, স্ত্ৰী-ৰোগ ইত্যাদিত মহিলাসকলে ভুগিব লগা হয়। গৰ্ভধাৰণ (অপৈণত অৱস্থাত) মৃত্যুৰ ঘাই কাৰণ আৰু ১৫-১৯ বছৰৰ ভিতৰত মহিলাৰ মাজত অক্ষমতা। ছোৱালীৰ শৈক্ষিক, সামাজিক আৰু আৰ্থিক বিকাশ ৰুদ্ধ হৈ যায়।

**বাল্য বিবাহ এক ডাঙৰ অপৰাধ ঃ** ছোৱালীৰ ক্ষেত্ৰত ... বছৰ আৰু ল'ৰাৰ ক্ষেত্ৰত ২১ বছৰৰ পূৰ্বে বিয়া পতাটো এক অপ... নিৰ্দ্দিষ্ট বয়সৰ সীমাৰ পূৰ্বে বিয়া পাতিবলৈ সন্মতি দিয়াজনৰ ক্ষে... জৰিমনা বা কাৰাবাস বা দুয়োটাই আইনমতে প্ৰযোজ্য।

**প্ৰবাসী ভাৰতীয় লগত বিবাহ ঃ** প্ৰবাসী ভাৰতীয় সব... বিত্তশালী বুলি ভাবি লৈ কিছুমান ৰাজ্যৰ পিতৃ-মাতৃয়ে তেওঁলো... ছোৱালীক তেনে লোকলৈ বিয়া দিয়াৰ প্ৰৱণতা এটা গঢ়... উঠিছে। তেওঁলোকে ভাবে যে প্ৰবাসী ভাৰতীয়সকলে তেওঁলো... ছোৱালীক সুখ, শান্তি, সমৃদ্ধি আৰু বিলাসী জীৱন-যাপনৰ সু... দিব আৰু তেওঁলোকৰ পৰিয়ালক বিত্তীয় সাহায্য প্ৰদান কৰাৰ ল... বিদেশত তেওঁলোকৰ সহোদৰ বা জ্ঞাতি-কুটুম্বৰ কাৰণে নতুন... মুকলি হ'ব। বৰ্ত্তমান সমাজত (ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত) এনেধ... বিবাহ প্ৰায়ে হয় আৰু কন্যাৰ জীৱনলৈ (সকলোৰে ক্ষেত্ৰত ন... বিভিন্ন সমস্যাৰ সৃষ্টি হয়। এনে পৰিস্থিতিত হাত সাৰিবৰ ... আগতীয়াকৈ গ্ৰহণ কৰা ব্যৱস্থাসমূহ হ'ল ঃ প্ৰবাসী ভাৰতীয়ৰ ল... আপোনাৰ কন্যাৰ বিবাহ কাৰ্য্য সম্পন্ন কৰিবৰ বাবে কেতি... খৰখেদা নকৰিব। নিয়োগ কৰ্ত্তা বা কৰ্মস্থান বা প্ৰতিবেশীৰ ... ল'ৰা আৰু ল'ৰাৰ পৰিয়াল সম্পৰ্কে ভালকৈ জানি-বুজি ল'ব লা... বিস্তৃতভাৱে তদন্ত কৰি ল'ৰাৰ মৰ্য্যাদা নিশ্চিত কৰাৰ দৰকাৰ। বি... আইনগতভাৱে পঞ্জীভূত কৰাটো খুবেই আৱশ্যক।

**ভ্ৰূণৰ লিংগ নিৰ্ণয় কৰা বা ভ্ৰূণ হত্যা কৰা (গৰ্ভপাত ক... আইনমতে দণ্ডণীয় ঃ** কোনো কোনো পৰিস্থিতিত (পতি-পত্নী ... পৰিয়ালৰ সন্মতি সাপেক্ষে বা গৰ্ভধাৰণ কৰা মহিলা গৰাকী... শাৰীৰিক অসুবিধা বা অসুস্থতাৰ বাবে) গৰ্ভপাত আইন সং... হ'লেও তেনে কাৰ্য্য কিন্তু আইন অনুযায়ীহে সম্পাদন কৰিব লাগি... এগৰাকী মহিলাক গৰ্ভপাত কৰিবলৈ বাধ্য কৰাটো আইনম... অপৰাধ; আৰু লিংগ নিৰ্ণয় কৰি প্ৰকাশ কৰাটো আইনমতে ... ডাঙৰ অপৰাধ।

**ভাৰতত মহিলাৰ সম্পত্তিৰ অধিকাৰ আৰু ভৰণ-পোষ...** পুৰুষতান্ত্ৰিকতাত পিষ্ট নাৰীৰ মৰ্ম গাথা - ওপৰত লিখক তুল... প্ৰিয়া বৰদলৈৰ উপন্যাস (প্ৰথম উপন্যাস) 'ষ্টানিং টু ডেথ্' ছোৱাই... — ত লিখিছে সমাজৰ চৰম পুৰষতান্ত্ৰিকতাৰ বলি হোৱা এগৰা... নিৰ্দোষী মমতাময়ী পতিব্ৰতা নাৰীৰ মৰ্মন্তুদ গাথা—। স্বামী, পিতৃ... একাংশ সপোন পুৰুষ, আনকি নিজৰেই কণমান পুত্ৰৰ শিলগু... আঘাতত মৃত্যুৰ ক্ষণ গণিবলগা হোৱা এগৰাকী দুৰ্ভগীয়া নাৰী... মৰ্মবেদনা — নাম তেওঁৰ চোৰাইয়া।

নাৰীৰ সমঅধিকাৰ আৰু সবলীকৰণ শ্ল'গানেৰে এচাম নচেতন তথা প্ৰগতিশীল লোকে নাৰীক পুৰুষৰ সমানে সমানে আগবঢ়াই নিয়াৰ নিৰন্তৰ প্ৰচেষ্টা চলাই থকা সত্বেও নাৰীৰ প্ৰতি অৱহেলাৰ মনোভাৱ প্ৰদৰ্শনৰ পৰা বৰ্ত্তমানেও (ভাৰতৰ সাম্প্ৰতিক পৰিস্থিতিত) সম্পূৰ্ণ মুক্ত হ'ব পৰা নাই পুৰুষ পৰিচালিত সমাজ। নাৰীৰ মানৱ অধিকাৰ ভূলুণ্ঠিত কৰি আধুনিক বিশ্বৰ চুকে কোণে ভিন্ন সমাজত এতিয়াও নাৰীৰ ওপৰত চলি আছে নাৰকীয় নিৰ্যাতন, নিৰ্দোষী নাৰীৰ মৰণ কাঁতৰ আৰ্তনাদত প্ৰতিনিয়ত হেৰাই গৈছে মানৱতা, অন্ধবিশ্বাসে এতিয়াও আৱৰি ৰখা গ্ৰাম্য সমাজৰ কথা বাদেই, তথাকথিত আধুনিক চহৰ-নগৰৰ সমাজতো যেন নাৰীক সম-মৰ্যাদা দিয়াত 'নাৰাজ' একাংশ আধুনিক চিন্তাৰ পুৰুষ। এখন বাছত উঠিলেও এগৰাকী মহিলা উঠিবলৈ বা নামিবলৈ ল'লে বাছৰ হেণ্ডিমেন্ বা কণ্ডাক্টৰ (টকা - ভাড়া লোৱাজনে) জনে চিঞৰি উঠে আৰু কয় 'এই লেডিচ্, লেডিচ্।' লেডিচ্ এগৰাকীয়ে যদি বাহিৰত ওলায় গৈ পুৰুষৰ সমানে) বা কিছুক্ষেত্ৰত পুৰুষতকৈ আগবাঢ়ি) কাম কৰিব পাৰিছে তেন্তে পুৰুষ প্ৰধান ভাৰতীয় সমাজত (বৰ্ত্তমান সমাজতো) এতিয়াও নাৰী 'অবলা' বুলি নিৰূপণ কিয় কৰা হয়?

আইন

**হিন্দু আইন ঃ** কন্যা সন্তানৰ ক্ষেত্ৰত পুত্ৰসকলৰ দৰে কন্যা সন্তানৰো পৈত্ৰিক সম্পত্তিৰ ওপৰত উত্তৰাধিকাৰী হোৱাৰ সমান অধিকাৰ আছে। কন্যা সন্তানসকলে মাঁকৰ সম্পত্তিৰো অংশ পাব। হিন্দু উত্তৰাধিকাৰী (সংশোধন) আইন, ২০০৫ ৰ মতে হিন্দু উত্তৰাধিকাৰী আইন, ১৯৫৬ খনত থকা লিংগ বৈষম্যৰ ব্যৱস্থাসমূহ আঁতৰ কৰা হৈছে আৰু কন্যা সন্তান সকলক নিম্ন লিখিত অধিকাৰসমূহ প্ৰদান কৰা হৈছে —

ক) পৰিয়ালৰ ল'ৰাজনৰ নিচিনাকৈ ছোৱালীজনীও একে ব্যৱস্থাৰ অধীনতে নিজৰ অধিকাৰৰ বলত যৌথ উত্তৰাধিকাৰী বুলি গণ্য হ'ব;

খ) ল'ৰা এজনে যেনেদৰে যৌথ সম্পত্তিৰ অংশীদাৰ হ'ব তেনেদৰে ছোৱালীজনীও যৌথ অংশীদাৰৰ অধিকাৰ লাভ কৰিব;

গ) পুত্ৰক দিয়াৰ দৰে ছোৱালীকো একে ধৰণৰ সম্পত্তিৰ অংশ দিব লাগিব; ইত্যাদি।

পত্নীসকলৰ বাবে ঃ (ক) নিজৰ ব্যক্তিগত সম্পত্তিৰ ওপৰত এগৰাকী বিবাহিত মহিলাৰ সম্পূৰ্ণ অধিকাৰ আছে; যেতিয়ালৈকে ইয়াৰে কোনো অংশ বা গোটেইখিনিকে কাৰোবাক দান নকৰে তেতিয়ালৈকে মহিলাগৰাকী নিজে অৰ্জা, উত্তৰধিকাৰী সূত্ৰে পোৱা বা দান হিচাপে পোৱা তেওঁৰ সম্পত্তিখিনিৰ একমাত্ৰ গৰাকী আৰু পৰিচালিকা হৈ থাকে। (খ) স্বামীৰ পৰা তেওঁ ভৰণ-পোষণ খৰছ, সমৰ্থন আৰু আশ্ৰয় পাব অথবা তেওঁৰ স্বামী যদি যৌথ পৰিয়ালৰ সদস্য হয়, তেনেহ'লে সেই পৰিয়ালৰ পৰা ওপৰোক্ত সুবিধাবোৰ পাব। (গ) পৰিয়ালৰ যৌথ সম্পত্তি যেতিয়া স্বামী আৰু পুত্ৰসকলৰ মাজত বিভাজন কৰা হয়, সেইসময়ত তাৰ যিকোনো এজনে পোৱাৰ দৰে পত্নীগৰাকীয়েও (বিধবা হ'লেও) সমান এক অংশ ভাগত পাব। সেইদৰে তেওঁৰ স্বামীৰ মৃত্যু হ'লে তেওঁৰ ল'ৰা-ছোৱালী আৰু স্বামীৰ মাঁকৰ দৰে স্বামীৰ এক সমান অংশ পত্নীগৰাকীয়েও পাব।

মাতৃসকলৰ বাবে ঃ (ক) অনিৰ্ভৰশীল সন্তানৰ পৰা মাতৃয়ে ভৰণ-পোষণ লাভ কৰিব; তেওঁ প্ৰথম শ্ৰেণীৰ উত্তৰাধিকাৰী বুলি গণ্য কৰা হ'ব। (খ) যৌথ পৰিয়ালৰ সম্পত্তি পুতেকহঁতৰ মাজত ভাগ হ'লে বিধৱা মাতৃগৰাকীয়েও এজন পুতেকৰ ভাগত পৰা সম্পত্তিৰ সমান এটি ভাগ পাব। (গ) মাতৃগৰাকীয়ে নিজাকৈ আহৰণ কৰা সকলো সম্পত্তি বিক্ৰী, ইচ্ছাপত্ৰ অথবা উপহাৰ (Gift Deed) হিচাপে হস্তান্তৰ কৰিব পাৰিব। (ঘ) সম্পত্তি কাকো উইল (ইচ্ছাপত্ৰ) কৰি নিদিয়াকৈ যদি মাতৃগৰাকী ঢুকায় যায় তেন্তে লিংগ বিচাৰ নকৰাকৈ সম্পত্তিখিনি তেওঁৰ সন্তানসকলৰ মাজত সমানে ভাগ হ'ব ইত্যাদি।

**মুছলিম আইন ঃ** কন্যাসন্তানৰ বাবে ঃ (ক) এগৰাকী মহিলা এজন পুৰুষৰ আধা, এই ধাৰণাৰ আধাৰতে উত্তৰাধিকাৰ সংক্ৰান্তত জীয়েকৰ প্ৰাপ্য পুতেকৰ প্ৰাপ্যৰ সমানে আধাংশ হ'ব। (খ) সেইখিনি সম্পত্তিৰ ওপৰত জীয়েক গৰাকীৰ সদায় পুৰামাত্ৰাই অধিকাৰ থাকিব। ইয়াক পৰিচালনা, নিয়ন্ত্ৰণ আদি কৰাত আৰু লগতে জীৱন কালত অথবা মৃত্যুৰ পাচতো কাৰোবাক যদি চমজাই দিব খোজে তেনেহ'লে আইনসন্মতভাৱে সেই অধিকাৰো তেওঁৰ থাকিব। (গ) যিসকলৰ পৰা ছোৱালীজনীয়ে উত্তৰাধিকাৰী সূত্ৰে সম্পত্তি লাভ কৰিলেহেঁতেন, তেওঁলোকৰ পৰা তাই উপহাৰ হিচাপেও সম্পত্তি গ্ৰহণ কৰিব পাৰিব। উত্তৰাধিকাৰ আইনমতে এজন পুৰুষৰ নিজৰ ভাগৰ এক তৃতীয়াংশ সম্পত্তি হস্তান্তৰ কৰিব পাৰিব। (ঘ) জীয়েকসকলে বিয়া হৈ নোযোৱা পৰ্যন্ত মাঁক-বাপেকৰ ঘৰত বসবাস কৰা আৰু ভৰণ-পোষণৰ অধিকাৰ ভোগ কৰি থাকিব; বিবাহ-বিচ্ছেদৰ (তালাকৰ) ক্ষেত্ৰত ইদ্দতৰ সময়ছোৱাত (তিনিমাহ আৰু তেৰ দিন) পাচত অভিভাৱকৰ পৰিয়ালে তেওঁৰ ভৰণ-পোষণৰ

টকা ঘূৰাই পাব লাগিব; অৱশ্যে যদিহে তেওঁৰ খোৰাকী যোগাব পৰা ল'ৰা-ছোৱালী থাকে তেনেহ'লে তেওঁলোকৰ ওপৰতহে এই দায়িত্ব আহি পৰিব।

পত্নীসকলৰ বাবে ঃ (ক) মুছলিম আইনত এগৰাকী পত্নীৰ পৰিচয় যদিওবা মৰ্য্যাদাৰ ক্ষেত্ৰত এজন পুৰুষতকৈ তলত তথাপি বিয়াৰ পিচত তেওঁৰ পৰিচয় পুৰুষজনৰ লগত একীভূত নহয়। (খ) পত্নীগৰাকীৰ হাততেই তেওঁৰ বস্তু-বাহানি আৰু সম্পত্তিৰ নিয়ন্ত্ৰণ বাহাল থাকে। পুৰুষজনৰ যদি আৰু পত্নী থাকে (মুছলিম বিবাহ আইনমতে), তেনেহ'লে তেওঁলোকে পোৱাৰ দৰে একেই পৰিচৰ্য্যা পোৱাৰ অধিকাৰ থাকিব আৰু এইক্ষেত্ৰত যদি পুৰুষজনে কিবা হীন ডেঢ়ি কৰে তেনেহ'লে ইয়াৰ বিৰুদ্ধে (বেলেগ) পত্নীগৰাকীয়ে আইনমতে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব পাৰিব। ইত্যাদি।

মাতৃসকলৰ বাবে ঃ (ক) কোনো মাতৃ বিবাহ-বিচ্ছেদিতা অথবা বিধৱা হ'লে তেওঁৰ ল'ৰা-ছোৱালীসকলে তেওঁৰ জীৱন-নিৰ্ব্বাহৰ দায়িত্ব ল'ব লাগিব। (খ) মাতৃ গৰাকীৰ সম্পত্তিৰ ভাগ বটোৱাৰা মুছলিম আইনৰ নিয়মাৱলীৰ আধাৰতহে হ'ব। (গ) মাতৃগৰাকীয়ে তেওঁৰ মৃত সন্তানৰ সম্পত্তিৰ এক ষষ্ঠাংশ উত্তৰাধিকাৰ সূত্ৰে লাভ কৰিব।

**খ্ৰীষ্টিয়ান আইনমতে ঃ** কন্যাসন্তানসকলৰ বাবে ঃ (ক) কন্যা সন্তান গৰাকীয়েও তেওঁৰ অন্যান্য ককাই-ভাইসকলৰ দৰে সমানেই পিতৃ অথবা মাতৃৰ সম্পত্তিৰ উত্তৰাধিকাৰী হ'ব। (খ) বিয়াৰ আগতে তেওঁ মাক-বাপেকৰ পৰা আশ্ৰয়, পৰিচৰ্য্যা আদি পাব, অৱশ্যে বিয়াৰ পাচত সেয়া নাপাব। (গ) প্ৰাপ্তবয়স্ক হোৱাৰ লগে লগে নিজৰ ব্যক্তিগত সম্পত্তিৰ ওপৰত সম্পূৰ্ণ অধিকাৰ পাব, তাৰ আগত সেই অধিকাৰ তেওঁৰ অভিভাৱক অৰ্থাৎ পিতাকৰ হাতত ন্যস্ত থাকিব।

পত্নীসকলৰ বাবে ঃ (ক) পত্নী এগৰাকীয়ে তেওঁৰ স্বামীৰ দ্বাৰা পালিত হ'ব; কিন্তু তাকে কৰিবলৈ স্বামীজন অপাৰগ হ'লে সেয়া পত্নী গৰাকীৰ বিবাহ বিচ্ছেদৰ কাৰক বুলি গণ্য নহ'ব। (খ) তেওঁৰ স্বামীৰ মৃত্যু হ'লে তাই স্বামীৰ সম্পত্তিৰ এক তৃতীয়াংশৰ গৰাকী হ'ব; বাকীখিনি তাইৰ সন্তানসকলৰ মাজত সমানে ভাগ হ'ব। (গ) তেওঁ স্বামীৰ সম্পত্তিৰ পৰা নিম্নতম ৫০০০/- (পাঁচ হাজাৰ) টকা লাভ কৰিব যদিহে সেই সম্পত্তিৰ মূল্য তাতকৈ বেছি হয়। তেনে নহ'লে তেওঁ গোটেইখিনি সম্পত্তিৰে উত্তৰাধিকাৰী হ'ব।

মাতৃসকলৰ বাবে ঃ মাতৃগৰাকীয়ে - সন্তানৰ পৰা ভ
পোষণ দাবী কৰিব নোৱাৰে, যদিহে তেওঁৰ কোনো এগৰাকী স
তেওঁৰ পত্নী বা স্বামী অথবা কোনো জীৱিত সন্তান নোহোৱ
মৃত্যুবৰণ কৰে তেনেহ'লে মাতৃগৰাকীয়ে সেই সন্তানৰ সম্প
এক চতুৰ্থাংশ লাভ কৰিব। ইত্যাদি।

**বিনামূলীয়া আইন সাহাৰ্য্য ঃ** অৰ্থনৈতিক অথবা
অসমৰ্থতাৰ বাবেই নহওঁক কিয়, কোনো নাগৰিক যাতে
পোৱাৰ পৰা বঞ্চিত নহয়; তাক নিশ্চিত কৰাৰ বাবে বিনামূ
আইন সাহাৰ্য্য ব্যৱস্থা ৰাষ্ট্ৰই কৰিছে—

ক) অনুসূচীত জাতি বা অনুসূচীত জনজাতিৰ লোক;

খ) মানুহ বেচা-কিনাৰ সন্দৰ্ভত বলি হোৱা লোক অ
ভিক্ষাৰী লোকসকল;

গ) মহিলা বা শিশু;

ঘ) মানসিক ৰোগী বা আনধৰণৰ অক্ষম ব্যক্তি;

ঙ) গোষ্ঠীগত সংঘৰ্ষত পীড়িত ব্যক্তি, জাতিগত অত্য
বানপানী, খৰাং, ভূমিকম্প অথবা ঔদ্যোগিক দুৰ্যোগৰ দ্বাৰা পী
লোক;

চ) উদ্যোগিক শ্ৰমিক, চৰকাৰী বনুৱা বা শ্ৰমিক;

ছ) জিম্মাত থকা ব্যক্তি, ইত্যাদি।

প্ৰতিখন ৰাজ্য আৰু জিলাতে (ভাৰতবৰ্ষৰ) আইনী সা
কৰ্তৃপক্ষ গঠন কৰা হৈছে। ব্লক অথবা মণ্ডল আইনী সেৱা স
সমূহো গঠন কৰা হৈছে। ৰাষ্ট্ৰীয় আইন সেৱা কৰ্তৃপক্ষই হ'ল কে
কৰ্তৃপক্ষ যিয়ে বিভিন্ন ধৰণৰ আঁচনিবোৰ ৰূপায়ণ কৰে; যেনেঃ
থকা গোচৰবোৰৰ নিষ্পত্তিৰ বাবে লোক আদালত, আইনী সাক্ষ
আৰু সতৰ্কতা অভিযান, কাৰাগাৰত আইনী সাহায্যৰ সুবিধা দি
ইত্যাদি। আইনী সাহাৰ্য্য লাভৰ বাবে এজন ব্যক্তিয়ে উচ্চ ন্যায়
অথবা জিলা আদালতৰ কাষ চাপিব পাৰিব; যিয়ে আইন সা
দিয়াৰ বাবে আইন সাহায্য কৰ্তৃপক্ষসমূহ গঠন কৰি দিছে। ইত

অন্যান্য গুৰুত্বপূৰ্ণ আইন আৰু সাধাৰণ বিষয়বোৰ (ৰা
সমমৰ্য্যাদা দিছে) ঃ— (ক) বন্ধকত থকা শ্ৰমিক (পুৰুষ-মহি
বাবে সমমৰ্য্যাদা); (খ) একেধৰণৰ কামৰ বাবে একেধৰ
পাৰিশ্ৰমিক (পুৰুষ-মহিলাৰ বাবে); (গ) প্ৰসূতিৰ বাবে (শ্ৰ
মহিলা) সা-সুবিধা; (ঘ) নূন্যতম মজুৰী আইন সুবিধা পুৰুষ অ
মহিলাৰ বাবে সমান সুবিধা; (ঙ) কাৰখানাত কাম কৰা মহি

বাবে সা-সুবিধা; (চ) গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনি— এই আঁচনিৰ লক্ষ্য - গ্ৰাম্যাঞ্চলত পৰিয়ালৰ জীৱন ধাৰণৰ নিৰাপত্তা বৃদ্ধি কৰা; এই আঁচনিৰ অধীনত নিযুক্তি প্ৰাপ্তিৰ ক্ষেত্ৰত (কৰ্ম সংস্থাপন ক্ষেত্ৰত) মহিলাৰো সমান অধিকাৰ থাকিব; মহিলাক অগ্ৰাধিকাৰ - এই আঁচনিৰ অধীনত পঞ্জীভূক্ত হোৱা আৰু কাম বিচৰা সকলৰ ভিতৰত অতি কমেও এক তৃতীয়াংশ হ'ব লাগিব মহিলাৰ বাবে; পঞ্চায়ত, নিকায়, ইত্যাদিসমূহত মহিলাৰ বাবে ৩৩% আসন সংৰক্ষিত চৰকাৰী চাকৰি, ঠিকা-ঠুকুলি ইত্যাদিত মহিলাৰ বাবে ৩০% আসন সংৰক্ষিত; ইন্দিৰা আবাস যোজনা, বন্ধন জ্যোতি আদি আঁচনিত মহিলা হিতাধিকাৰীৰ নিৰ্বাচন বাধ্যতামূলক কৰা হৈছে; পোন প্ৰথম বাৰৰ বাবে ৰাজ্যসমূহত মহিলাৰ অধিকাৰ সুনিশ্চিত কৰাৰ অৰ্থে ৰাজ্যিক মহিলা নীতি (আয়োগ) প্ৰণয়ন কৰা হৈছে।

**শিক্ষাৰ অধিকাৰ ঃ** শিক্ষাই মানুহক জীৱনত বহু জ্ঞান আৰু বহু কিবাকিবি পাবলৈ সক্ষম কৰায়।

প্ৰত্যাহ্বান সকলোতেই থাকে। প্ৰত্যাহ্বানলৈ ভয় কৰি থমকি ৰোৱাজন সময়ৰ লগত খোজ মিলাব নোৱাৰি বিলীন হয় পাহৰণিৰ গৰ্ভত। ইয়াৰ বিপৰীতে অদম্য সাহসেৰে প্ৰত্যাহ্বান গ্ৰহণ কৰি আগুৱাই যোৱাজনে আৰোহণ কৰে সাফল্যৰ শীৰ্ষত। জুয়ে পোৰা সোণৰ দৰেই উজলি উঠে দুৰন্ত সাহসী প্ৰতিভা। শিক্ষাই মানুহক সকলো ক্ষেত্ৰৰেই উন্নতিৰ জখলাত বগাই যাবলৈ সহায় কৰে। এখন তৰোৱালতকৈ এটা কলমৰ শক্তি বহুত বেছি; এটা কলমৰ লেখনিৰ বাবে কোনো এজন মানুহৰ জীৱনৰ দিশ সলনি কৰি দিব পাৰে।

শিক্ষাৰ অধিকাৰৰ অন্তৰ্গত আঁচনি ঃ (ক) প্ৰতিজনী ছোৱালী আৰু ল'ৰাক সমানে শিক্ষা দিয়ক। (খ) ৬ ৰ পৰা ১৪ বছৰ বয়সৰ সকলো ল'ৰা- ছোৱালীৰ কাৰণে বিনামূলীয়া শিক্ষাৰ ব্যৱস্থা আছে। (গ) প্ৰাথমিক পৰ্য্যায়ত শিক্ষাৰ সুবিধা নোপোৱা বা শিক্ষাত বাধাগ্ৰস্ত হোৱা ছোৱালীৰ বাবে শিক্ষাৰ ৰাষ্ট্ৰীয় কাৰ্য্যসূচীয়ে শিক্ষাৰ সুবিধা দিছে। (ঘ) শাৰীৰিকভাৱে অক্ষম ল'ৰা-ছোৱালী তথা অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা জাতিৰ ল'ৰা-ছোৱালীৰ বাবে বিশেষ উদ্‌গনিমূলক বৃত্তিৰ ব্যৱস্থা আছে। (ঙ) অনুসূচীত জাতি, অনুসূচীত জনজাতি, অন্যান্য পিছপৰা জাতি তথা সংখ্যালঘু সম্প্ৰদায়ৰ ছোৱালীসকলৰ বাবে কস্তুৰবা গান্ধী বালিকা বিদ্যালয় আঁচনিৰ জৰিয়তে আবাসী বিদ্যালয় স্থাপন কৰা হৈছে। (চ) ৰাষ্ট্ৰীয় পুষ্টিগত সহায় কাৰ্যসূচীৰ অধীনত প্ৰাথমিক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকললৈ মধ্যাহ্ন ভোজন যোগান ধৰা; আঁচনিত অন্তৰ্ভূক্ত আছে। (ছ) দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা যিবিলাক পৰিয়ালত কন্যা শিশুৰ জন্ম হয়, সেইবিলাক পৰিয়াললৈ বালিকা সমৃদ্ধি যোজনাৰ অধীনত বিত্তীয় সাহায্য (চৰকাৰী প্ৰতিষ্ঠানৰ যোগেৰে বা বেঙ্কৰ দ্বাৰা) আগবঢ়োৱা হৈছে। এই আঁচনিৰ অধীনত ছোৱালী সকললৈ বাৰ্ষিক বৃত্তিও প্ৰদান কৰা হয়। (জ) এক নতুন আঁচনিৰ সহায়ত অধীনত এজনী ছোৱালীয়ে যেতিয়া অষ্টম শ্ৰেণী উত্তীৰ্ণ হ'ব আৰু মাধ্যমিক পৰ্য্যায়ত নামভৰ্ত্তি কৰিব তেতিয়া তেওঁ ৩,০০০/- (তিনি হেজাৰ) টকা উদ্‌গণি হিচাপে পাব। টকাখিনি ছোৱালীজনীৰ নামত জমা হ'ব আৰু তেওঁ যেতিয়া ডাঙৰ (maturity) হ'ব, টকাখিনি উলিয়াই ল'ব পাৰিব। (ঝ) গাঁও অঞ্চলত মহিলাৰ শিক্ষা আৰু সৱলীকৰণ আঁচনিৰ অধীনত ছোৱালী বিলাকক অনানুষ্ঠানিক শিক্ষা আৰু দক্ষতা বিকাশ কাৰ্য্যসূচীৰ উপৰিও শৈশৱৰ প্ৰাক্-বিদ্যালয়, ওমলাঘৰৰ সুবিধাও দিয়া হৈছে। (ঞ) ৰাজ্যখনৰ (অসম ৰাজ্যৰ) হাজাৰ-হাজাৰ নিবনুৱা যুৱকৰ লগতে যুৱতীলৈকো সমানেই চৰকাৰী চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি দিয়া হৈছে। লগতে— (ক) দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ পৰিয়ালৰ ছাত্ৰীলৈ একোখনকৈ বিনামূলীয়া চাইকেল প্ৰদান কৰা হ'ব। (খ) প্ৰতিবন্ধী ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ আঁচনি। (গ) ৰাজ্যখনৰ সকলো ভেঞ্চাৰ স্কুল, চৰকাৰী স্বীকৃতিপ্ৰাপ্ত আৰু প্ৰাদেশীকৃত বিদ্যালয়, চাহ-বাগিচাৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ বিনামূলীয়াকৈ পাঠ্যপুথি যোগান ধৰা আঁচনি। (ঘ) উদ্যোগ ক্ষেত্ৰত ১০০০ (এক হাজাৰ) বা ওপৰৰ শিক্ষিত যুৱক-যুৱতীক ৰাজ্যৰ বাহিৰলৈ প্ৰশিক্ষণৰ বাবে পঠোৱা ইত্যাদি।

সেয়েহে এটা আঁচনি বা শ্ল'গান হিচাপে ২০১৫ বৰ্ষত কেন্দ্ৰীয় চৰকাৰে আৰম্ভ কৰিলে "বেটী বচাও, বেটী পঢ়াও"। অসম চৰকাৰে কন্যাসন্তানৰ আৰু মহিলাসকলৰ ভৱিষ্যত সুন্দৰ হোৱাৰ বাবে বিভিন্ন আঁচনি— 'মাজনী', 'মামনি', 'নবৌ', 'বাইদেউ', 'আত্ম সহায়ক গোট', 'অটল পেঞ্চন যোজনা' ইত্যাদি আঁচনি চলাই আহিছে।

যৌতুক দিয়া আৰু লোৱা দুয়োটায়ে অপৰাধ, অৱশ্যে বিয়াৰ সময়ত কন্যাক বা দৰাক কিছু উপহাৰ দিয়াৰ ক্ষেত্ৰত আইনে অনুমতি প্ৰদান কৰিছে।

যদি কোনো পক্ষই কোনোধৰণৰ যৌতুক গ্ৰহণ কৰে তেতিয়াহ'লে আইনৰ ব্যৱস্থাৱলী অনুসৰি যৌতুকখিনি পত্নীৰ উপকাৰৰ অৰ্থে ব্যৱহৃত হ'ব আৰু সেইবোৰ তেওঁলৈ বা তেওঁৰ উত্তৰাধিকাৰীৰ হস্তান্তৰ কৰিব লাগিব। যৌতুক দিয়া/দাবী কৰা আৰু

যৌতুক লোৱাৰ শাস্তি হ'ব ঃ

১) অতি কমেও পাঁচ বছৰ কাৰাবাস আৰু কমেও পোন্ধৰ হাজাৰ টকা জৰিমনা। ২) যদি যৌতুকৰ পৰিমাণ পোন্ধৰ হাজাৰ টকাতকৈ অধিক হয়, তেতিয়াহ'লে জৰিমনা হিচাপে দিবলগীয়া ধনৰ পৰিমাণ যৌতুকৰ পৰিমাণৰ সমান হ'ব।

প্ৰতিখন ৰাজ্য চৰকাৰতে যৌতুক নিবাৰণ বিষয়া (ডি.পি.অ) একোজন নিযুক্তি দিয়াৰ ব্যৱস্থা আইনত ৰখা হৈছে।

যৌতুক প্ৰথাটো এটা ডাঙৰ অপৰাধ। ইয়াক নোহোৱা কৰাটো আমাৰ সমাজৰ দায়িত্ব। যৌতুকৰ বাবে বহুতো ছোৱালীক স্বামী আৰু পৰিয়ালৰ মানুহে অত্যাচাৰ (মানসিক আৰু শাৰীৰিক ভাৱে) কৰা হৈছে। জ্বলাই দিয়া হৈছে বা মাৰি পেলোৱা হৈছে। আইন আছে, কিন্তু এই আইনবোৰ কামত লগোৱা প্ৰতিজন সচেতন নাগৰিকৰে কৰ্ত্তব্য হোৱা উচিত। যৌতুক দিয়া মানে কন্যাজনীৰ মানদণ্ড তলত পেলোৱা; অতি শিক্ষিত ছোৱালী/কম শিক্ষিত/বা নিৰক্ষৰ হ'লেও কন্যাৰ পিতৃ-মাতৃয়ে কন্যাক বিয়াৰ সময়ত যৌতুক দিয়াটো বন্ধ কৰাৰ প্ৰয়োজন আহি পৰিছে; আৰু এই যৌতুক প্ৰথাই একোটা পৰিয়ালক (দৰিদ্ৰ বা মধ্যবিত্ত শ্ৰেণীৰ পৰিয়াল) নিঃশেষ কৰি পেলায়। এই যৌতুক প্ৰথাটো কন্যা গৰাকীয়েও বিৰোধিতা কৰাৰ অতিকৈ প্ৰয়োজন। বৰ্ত্তমান যৌতুক প্ৰথা সম্পূৰ্ণভাৱে নিৰ্মূল কৰিবলৈ সকলোৱে মাৰ বান্ধি ওলাই আহক — এই যুগ বৰ্ত্তমান প্ৰযুক্তিবিদ্যাৰ যুগ।

ঘৰুৱা নিৰ্যাতন/নিষ্ঠুৰ ব্যৱহাৰ সম্পৰ্কীয় অপৰাধৰো ভাৰতীয় দণ্ডবিধি আইনৰ ৪৯৮ (ক) ধাৰাৰ আওঁতাত পৰে।

এগৰাকী পত্নী বা ভগ্নী বা ছোৱালী বা মাতৃ আৰু বনকৰা মহিলা/ছোৱালী ইত্যাদিক অত্যাচাৰ, নিৰ্যাতন/নিষ্ঠুৰ ব্যৱহাৰ ইত্যাদি কৰিলে— ঘৰুৱা নিৰ্যাতনৰ পৰা মহিলাক সুৰক্ষা আইন, ২০০৫ মতে দণ্ডণীয় হ'ব বা এইখন বিধেয়কত আইনসমূহ (শাস্তিমূলক ব্যৱস্থা) মতে দণ্ডণীয় হ'ব। নাবালিকাক বনকৰা ছোৱালী হিচাপে ৰখাও আইনমতে দণ্ডণীয়।

**সাম্প্ৰতিক অসমৰ ৰাজনীতি ঃ এটি মাথো প্ৰসংগ**

অসমৰ চহৰে-নগৰে যোৱা কিছুদিন ধৰি কেতবোৰ সুদৃশ্য হৰ্ডিং দেখা গৈছে— য'ত অসমীয়া লিপিত এটা ইংৰাজী বাক্য লিখা হৈছে — "ডণ্ট আণ্ডাৰ এষ্টিমেট দা পাৱাৰ অব কমন মেন।" এই বাক্যৰ অৰ্থ হ'ল— "সাধাৰণ মানুহৰ শক্তিক অৱমূল্যায়ণ নকৰিব।" সাধাৰণ মানুহক চিৰকাল প্ৰতাৰণা কৰি যাব নোৱাৰি। সাধাৰণ মানুহৰ অসাধাৰণ শক্তিয়ে দেশ কঁপাই দিব পাৰে। সা[...] মানুহৰ শক্তিক নিৰ্ব্বাচনমুখী বিজ্ঞাপনেৰে কৌতুক কৰাটো উ[...] নহয়, কাৰণ আজিকালি প্ৰতিজন নাগৰিকেই সকলো দিশত অ[...] সচেতন।

**বিবাহ বিচ্ছেদ (Divorce)/ব্যাহত বিবাহ (Bro[...] Marriage of Separation)**

বিবাহ তথা বিবাহিত জীৱনৰ আচল উদ্দেশ্যই হৈছে [...] স্ত্ৰী দুয়ো দুয়োৰে সুখ দুখৰ সমভাগী হৈ সুখে-শান্তিৰে এৰে[...] বিবাহিত জীৱন কটোৱা। তাৰোপৰি নিজৰ ল'ৰা-ছোৱালীকো [...] স্ত্ৰী একেলগে যিকোনো পৰিস্থিতিৰ সন্মুখীন হৈ তাক জয় [...] লালন-পালন কৰি, তেওঁলোকক দেশৰ সু-নাগৰিক কৰি[...] তোলাটোও বিবাহিত স্ত্ৰী-পুৰুষৰ আন এক গুৰুত্বপূৰ্ণ কৰ্ত্তব্য; [...] এই দুয়োটাতেই যদি স্বামী-স্ত্ৰী সম্পূৰ্ণৰূপে ব্যৰ্থ হয় অৰ্থাৎ [...] দুয়োকে বুজিব নোৱাৰা পৰিস্থিতি এটাৰ সৃষ্টি হৈ বিবাহিত [...] বিষময় হৈ উঠে আৰু তাক যদি পুনৰ ঘূৰাই পাবলৈ অসম[...] সংসাৰখনেই ভাগি পৰে তেন্তে তেনে বিবাহিত জীৱন অব[...] ৰখাৰ কোনো যুক্তি নাই বুলি উচ্চতম ন্যায়ালয়ে বিভিন্ন গো[...] ৰায়দান কৰি থৈছে; সুখৰ বিষয় যে সেই একেই উচ্চতম ন্যায়া[...] দুজনীয়া বিচাৰপীঠে উপৰোক্ত ৰায়দান খণ্ডন কৰি নতুনকৈ ৰা[...] কৰিছে যে ভগা বা ব্যাহত বিবাহ (Broken Marriage) বা [...] দাম্পত্য জীৱন বিবাহ বিচ্ছেদৰ বাবে যুক্তিসংগত কাৰণ [...] নোৱাৰে; আৰু ইয়াৰ কাৰণ বিশ্লেষণ কৰি কোৱা হৈছে যে— [...] এজনৰ পক্ষে স্ত্ৰী গৰাকীক ঘৰৰ পৰা খেদি দিয়াটো আৰু [...] স্ত্ৰী গৰাকীয়ে নিজে গুচি গৈ বৈবাহিক জীৱন ব্যাহত কৰিছে [...] অভিযোগ অনাটো স্বামী এজনৰ বাবে অতি সহজ কথা; [...] সেয়েহে স্ত্ৰীগৰাকীয়ে যে স্বামীগৃহ কোনো যুক্তিসংগত ক[...] নোহোৱাকৈ ত্যাগ কৰিছে, তাক প্ৰমাণ কৰাটো উচ্চতম ন্যায়া[...] অধিক গুৰুত্ব দিছে — কাৰণ হিচাপে ইয়াকে বিশ্লেষণ কৰা [...] যে স্বামীয়ে নিজৰ ভুলৰ সুবিধা লৈ ইচ্ছা কৰিলেই বিবাহ-বি[...] পাব নোৱাৰে। Divorce ৰ বাবে হিন্দু, মুছলিম আইন [...] বেলেগ।

পদ্মভূষণ সমাজসেৱী পুষ্পলতা দাসৰ উদ্ধৃতি দি - যি [...] অধীন সি স্বাধীন, কিন্তু নাৰীৰ স্বাধীনতাৰ কথা কৈ মই বিল[...] উইমেনচ্ লীগক সমৰ্থন কৰিব নোৱাৰোঁ। কাৰণ তেওঁলোকৰ [...] গ'লেই আন পুৰুষৰ লগত সহবাসৰ যি প্ৰাবল্য তাক মই সম[...] কৰিব নোৱাৰোঁ।

নাৰী স্বাধীনতাৰ কথা কৈ মই সেইসকল মহিলাক সমৰ্থন কৰিব নোৱাৰোঁ যিসকলে নিজৰ শৰীৰৰ আকৃতি নষ্ট হ'ব বুলি নিজৰ সন্তানক গাখীৰ নুখুৱাই, যিসকলে আকৃতি নষ্ট হ'ব বুলিয়ে কেঁচুৱা জন্ম নিদিয়ে; ভ্ৰূণ হত্যা কৰে। ভ্ৰূণ হত্যা (অকাৰণত) মহাপাপ।

আমি আধুনিক আদৰ-কাইদাবোৰ শিকিছোঁ, আধুনিক পোছাক পিন্ধিছো কিন্তু আচল কথা হৈছে, প্ৰকৃততে আমাৰ মনবোৰ কিমান আধুনিক, কিমান কালচাৰড্!

**নাৰীৰ শালীনতাৰ অৰ্থ হ'ল ঃ** মহিলাৰ শালীনতা মূলতঃ সাজপাৰ, কথা-বাৰ্তা আৰু চাল-চলনত প্ৰকাশ পায়। বৰ্ত্তমান আধুনিক সমাজত আধুনিকতাৰ ঢৌত উটি গৈ নিজৰ সাজপাৰ যে মৰ্যাদাপূৰ্ণ হ'ব লাগে, আধুনিক বহুসংখ্যক যুৱতী-মহিলাই পাহৰি গৈছে; ভদ্ৰ আচৰণ কমি গৈছে; চাল-চলনবোৰ বেয়া — যাব নলগা ঠাইত যায়, নাখাব নলগা বস্তু খায় আৰু নকৰিব লগা কাম বেছিকৈ কৰে; কাৰণ আধুনিকতা যেন এটা প্ৰতিযোগিতাহে। নাৰী স্বাধীনতা মানে ভ্ৰষ্টাচাৰিতা নুবুজায়।

**যুৱমানসিকতা ঃ** মানুহৰ জীৱনৰ যুৱ কালটো হৈছে মূল্যবান জীৱনটোৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সময়। বৰ্ত্তমান দেশত যুৱচামৰ সমাজত যে নৈতিকতাৰ স্খলন ঘটিছে সেয়া সকলো ক্ষেত্ৰতে দেখা যায়। তেওঁলোকৰ অধিকাংশৰে মনত সহনশীলতা, নৈতিক ভাৱধাৰা ভাল-বেয়া বুজা-বুজি আদি গুণবোৰ প্ৰায়ে প্ৰতিফলিত হোৱা দেখা নাযায়। এই যুৱক-যুৱতীৰ নৈতিক স্খলনৰ বা অৱনতিৰ বাবে মূলতঃ নিম্নলিখিত বিশেষকৈ চাৰি (4) টা কাৰণেই জগৰীয়া— ১) উপযুক্ত শিক্ষাৰ অভাৱ, (২) অভিভাৱকৰ দায়িত্বহীনতা, (৩) চৰকাৰৰ তৎপৰতাৰ অভাৱ, (৪) ৰাজনৈতিক দলসমূহৰ অবাঞ্চিত হস্তক্ষেপ।

কন্যা সন্তান বিয়া দিয়াৰ ক্ষেত্ৰত পিতৃ-মাতৃ বা অভিভাৱকে ছোৱালীৰ লগত দিয়া সকলো বয়-বস্তু (ক্ৰয় কৰি) দিওঁতে 'কেশ্বমেম' সংৰক্ষণ' কৰি যত্ন কৰি নিজৰ লগত ৰাখিব লাগে। কাৰণ— সাম্প্ৰতিক সময়ত বিবাহ-বিচ্ছেদৰ সংখ্যা বাঢ়ি গৈছে। আজিকালি ক্ষেত্ৰবিশেষে বিবাহ কাৰ্য্য বাণিজ্যিকীকৰণ চলিছে। প্ৰেম-ভালপোৱা, সহানুভূতিৰ প্ৰয়োজন নাই, প্ৰয়োজন টকাৰ। বিয়াৰ সম্পৰ্ক যৌতুকৰ লগত; 'ইজিমানি' সংগ্ৰহৰ এটা উপায়। আইনজীৱিসকলেও কেশ্বমেম' সংৰক্ষণৰ কথা কয়; প্ৰমাণৰ বাবে, কাৰণ নাৰীগৰাকীৰ সুৰক্ষাৰ বাবে। বিশিষ্ট লেখিকা ড° অনিমা গুহই বিবাহৰ ক্ষেত্ৰত বৰ্ত্তমান সমাজত নাৰীৰ সুৰক্ষাৰ বাবে বিবাহত ছোৱালীজনীৰ লগত দিয়া বস্তুৰ কেশ্বমেম' সংৰক্ষণ কৰা প্ৰয়োজন বুলি আঙুলিয়াইছে।

ভাৰতবৰ্ষত গড় হিচাপত তিনি বছৰ বৈবাহিক জীৱন কটোৱাৰ পিচতে কমেও এবাৰ পত্নীৰ হাতত পীড়িত হয় ৯৮ শতাংশ পুৰুষ। পত্নীৰ হাতত নিগৃহীত হ'লেও পুৰুষ নিশ্চুপ হৈ থাকে (প্ৰায়ে); কাৰণ, তেওঁলোকে পীড়নৰ কথা ক'লে কোনেও বিশ্বাস নকৰিব। নেশ্যনেল ক্ৰাইম ৰেকৰ্ডছ ব্যুৰোৰ তথ্য অনুসৰি ১৯৯৬-২০০৬ চনলৈ ভাৰতত গাৰ্হস্থ্য হিংসাৰ পৰিণতিত ৪০ শতাংশ পুৰুষে প্ৰাণ ত্যাগ কৰিছে— ই দুভাৰ্গ্যজনক। নাৰীৰ স্বাধীনতা মানে স্বৈৰাচাৰিতা নুবুজায় নিশ্চয়! Power ৰ Misuse (ক্ষমতাৰ অপব্যৱহাৰ) কৰিব নালাগে।

নাৰীয়েই নাৰীৰ শত্ৰু বুলি বহুক্ষেত্ৰত কোৱা হয়। নিজৰ বোৱাৰীৰ অত্যাচাৰত থাকিব নোৱাৰি নিজৰ ঘৰ এৰি বৃদ্ধাশ্ৰমত থাকিব লগা বা য'তে-ত'তে থাকিব লগা অৱস্থা আজিকালি প্ৰায়েই শুনিবলৈ বা দেখিবলৈ পোৱা যায়; ঠিক সেইদৰে শাহুৱেকৰ অত্যাচাৰত মৃত্যুবৰণ কৰা বা মাতৃ গৃহত আহি থাকিবলৈ লোৱা বোৱাৰীৰ জীৱন্ত কাহিনী শুনিবলৈ বা দেখিবলৈ পোৱা যায়— ই দুভাৰ্গ্যজনক পৰিস্থিতি; - বৰ্ত্তমান আধুনিক সমাজত ই এটা লজ্জাজনক কথা।

এই ভাৰতবৰ্ষত মহিলা কোনোগুণে পুৰুষতকৈ পিচপৰি থকা নাই; সমানে আগবাঢ়িছে; হয়তো কিছু ক্ষেত্ৰত পুৰুষতকৈ বহুগুণে আগবাঢ়িও গৈছে। ভাৰতৰ ৰাজনীতি জগতখনত প্ৰাক্তন প্ৰধানমন্ত্ৰী স্বৰ্গীয়া ইন্দিৰা গান্ধী বিশ্বৰ ৰাজনীতিৰ জগতখনত উজ্জ্বল নক্ষত্ৰ হৈ, পৃথিৱী থাকে মানে জিলিকি থাকিব। মহাত্মা গান্ধীয়ে কৈছিল— অসমৰ মহিলাই কাপোৰত সপোন ৰচে।

বৰ্তমান মহিলাই ৰেল চলাবলৈও লৈছে। এনেকুৱা এটা ক্ষেত্ৰ নাই; য'ত মহিলাই নিজৰ স্থান আয়ত্ব কৰিব পৰা নাই। বৰ্ত্তমান ভাৰতবৰ্ষত লগতে বিশ্বৰ সকলো প্ৰান্তত সকলো ক্ষেত্ৰতেই মহিলা আগবাঢ়িব পাৰিছে আৰু নিজৰ নাম নিজৰ ক্ষেত্ৰখনত সোণালী আখৰেৰে সন্নিবিষ্ট কৰিব পাৰিছে।

বৰ্ত্তমান সমকামীতা বিবাহো আইনমতে গ্ৰাহ্য হৈছে। খাদ্য সুৰক্ষা আইন (আঁচনি) etc.

"Man's requirement for law to govern its relationship with the society at large and its growing need for code of conduct and obedience to a superior being

marked the very beginning of the human civilisation. In fact, the begining of the civilisation was the very beginning of the growing requirement of law governing the various facts of human relationships in all (men and women its dimensions."

–M.K. Choudhury, Advocate, Gauhati High Court

''**महिलायें देश की महान शक्ति**'' – हरिवंश राय बत्चन (বিশিষ্ট হিন্দী কবি হৰিবংশ ৰায় বচ্চন)

অসমত স্বাস্থ্য বিভাগত মহিলাৰ আৰু কণ-কণ ল'ৰা-ছোৱালীৰ সহায়ৰ বাবে গাঁও-নগৰ-চহৰ সকলোতে 'আশা' কৰ্মী অসম চৰকাৰৰ স্বাস্থ্য বিভাগে আৰম্ভ কৰিছে; লগতে পুলিচ বিভাগত মহিলা পুলিচৰ সংৰক্ষিত আসন হিচাপে 'বীৰঙ্গনা' পুলিচ কৰ্মী অসম চৰকাৰৰ গৃহ বিভাগে আৰম্ভ কৰিছে।

অসমত সংখ্যালঘু আৰু জনজাতীয় মহিলাসকলৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় সংখ্যালঘু উন্নয়ন মন্ত্ৰী শ্ৰদ্ধাষ্পদ নাজমা হেপ্‌তুল্লাই ৩০ জানুৱাৰী, ২০১৫ ত আঁচনিৰ শুভাৰম্ভ কৰে— অসমৰ নগাওঁ জিলাত।

'কৰ্তা'ৰ ইচ্ছাই কৰ্ম বুলি ভাৰতীয় পুৰুষপ্ৰধান সমাজত দীৰ্ঘকালৰ পৰা চলি অহা ধাৰণাটো ২০১৬ চনৰ ২ ফেব্ৰুৱাৰী তাৰিখে সলনি কৰিলে দিল্লী উচ্চ ন্যায়ালয়ে।

মহাৰাষ্ট্ৰৰ শনি শিংনাপুৰ মন্দিৰত আৰু বৰ্তমানে ভাৰতৰ কেবাটাও মন্দিৰত মহিলাৰ প্ৰৱেশকেন্দ্ৰিক (প্ৰৱেশ নিষিদ্ধ) বিতৰ্কই সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰি থকাৰ সময়তে দিল্লী উচ্চ ন্যায়ালয়ে হিন্দু পৰিয়ালৰ জ্যেষ্ঠ কন্যা- মানে হিন্দু পৰিয়ালত সবাতোকৈ জ্যেষ্ঠজন কন্যা সন্তান হয়, তেন্তে পৰিয়ালটোৰ হ'ব পাৰিব (সেই কন্যা-পৰিয়ালৰ জ্যেষ্ঠ কন্যা সন্তান গৰাকী) ৰায়দান দিয়ে। ৰায়টোৰ মতে, হিন্দু পৰিয়ালৰ জ্যেষ্ঠ কন্যা গৰাকী আইনগতভাৱে 'কৰ্তা' (হিন্দু যৌথ পৰিয়ালৰ 'কৰ্তা') পাৰিব। ন্যায়াধীশ নাজমী ৱাজিৰিয়ে ৰায়টোত কয়— যদি জন্মাৰ সুবাদত হিন্দু যৌথ পৰিয়াল এটাত পুৰুষ এজন 'কৰ্তা' পাৰে, তেন্তে আগতে জন্মিলে কন্যা সন্তানেও 'কৰ্তা' হ'ব পা

'কৰ্মৰ দ্বাৰাইহে ডাঙৰ-সৰু নিৰূপণ হয়'— এই মহামানৱ মহাত্মা গান্ধী দেৱৰ। বৰ্তমান বিশ্বৰ বিভিন্ন প্ৰান্তত, বিভাগত আৰু বিভিন্ন পদবীত পুৰুষতকৈ মহিলাৰ সংখ্যা হোৱা পৰিলক্ষিত হৈছে — ইয়াৰ কাৰণ একাগ্ৰতা; তথাপি প্ৰতিদিনে সংবাদ মাধ্যমৰ দ্বাৰাই হওঁক বা নিজৰ স্বচক্ষুৰে পাওঁ বা শুনোঁ— নাৰীৰ ওপৰত অত্যাচাৰ— উৎপীড়ন— মা বা শাৰীৰিক অত্যাচাৰ, যৌন উৎপীড়ন, ডাইনী সজাই হত্যা আৰু হত্যাৰ চৰম সীমালৈ যোৱা— এনেদৰেই পুৰুষৰ দ্বাৰাই লাঞ্চিতা হৈ আছে, বৰ্তমান প্ৰযুক্তি বিজ্ঞানৰ— একবিংশ শতিকাৰ সমাজত।

আইন থাকিলেও যেন একাংশ পুৰুষে ভ্ৰূক্ষেপ নক সৌ সিদিনা জুলাই মাহত (২০১৮ চনৰ) ডাইনী বুলি হত্যা কঠোৰ শাস্তি দিয়াৰ বাবে আইন প্ৰৱৰ্তিত হ'ল; আৰু যৌন নি চলোৱা (মহিলাৰ ওপৰত পুৰুষে)জনক 'ফাৰ্ষ্ট ট্ৰেক্' কোৰ্টত ৰা কৰি শাস্তি বিহা আইন প্ৰৱৰ্তিত হয়।■

# বিশ্ব এথলেটিক্স ইতিহাসৰ এক ব্যতিক্ৰম চৰিত্ৰ ঃ চিবোষ্টিয়ান ক'

□ বিনোদ কুমাৰ পায়েং
প্ৰাক্তন ছাত্ৰ

বিশ্ব এথলেটিক্স বৈচিত্ৰময়। এই বৈচিত্ৰময় এথলেটিক্স ইতিহাস বিভিন্ন ক্ৰীড়া চৰিত্ৰ আৰু ঘটনাৰে পৰিপূৰ্ণ। ইয়াৰ অন্তৰ্গত বৃটেইনৰ এথলেটিক্স ইতিহাস মন কৰিবলগীয়া। বৃটিছ-ধাৱক ৰগাৰ বেনিষ্টাৰ বিশ্ব এথলেটিক্সৰ এটি লেখতলবলগীয়া ক্ৰীড়া চৰিত্ৰ। এওঁৰ পিছতে বৃটেনৰ দৌৰ ট্ৰেকত তেনে বিস্ময় সৃষ্টিকাৰী মিডিল ডিচ্‌টেন্স (Middle distance) দৌৰ বীৰৰ অভ্যুত্থানী হোৱা নাছিল। এই কালছোৱাত ওচেনিয়া, মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু আফ্ৰিকাৰ দৌৰ বীৰসকলে মধ্যদূৰত্ব (Middle distance) দৌৰত আধিপত্য বিস্তাৰ কৰি আছিল। যদিও সত্তৰ দশকৰ অন্তিমভাগত অভ্যুদয় হোৱা দুৰ্দ্ধৰ্ষ বৃটিছ ক্ৰীড়াবিদ চিবেষ্টিয়ান



'ক'ৰ অসাধাৰণ দৌৰ প্ৰতিভাই পূৰ্ব্ববৰ্তীকালৰ দৌৰ বীৰসকলৰ কৃতিত্বক ম্লান পেলাই দিয়ে। এই গৰাকী মহান ক্ৰীড়াবিদে ১৯৭৯ চনত তিনিটা বিশ্বৰেকৰ্ড প্ৰতিষ্ঠা কৰি ধুমুহাৰ সৃষ্টি কৰাৰ লগতে আগন্তুক কালৰ বৃহৎ ক্ৰীড়া আসৰ সমূহত বিশেষকৈ মস্কো অলিম্পিক গেমছত অপৰাজেয় প্ৰতিদ্বন্দীৰূপে দেখা দিয়ে। মস্কো অলিম্পিক গেমছৰ মধ্য দূৰত্ব (Middle distance) দৌৰত 'ডাবল' অৰ্জন তেওঁৰ প্ৰধান লক্ষ্য থাকিলেও স্বদেশী প্ৰবীন ক্ৰীড়াবিদ ষ্টিভ্ অভেট তেওঁৰ ঘাই প্ৰতিদ্বন্দী আছিল। এইখিনিতে উল্লেখযোগ্য— চাঞ্চল্য সৃষ্টিকাৰী চিবেষ্টিয়ান ক'ই মস্কো অলিম্পিকৰ কিছুদিন পূৰ্ব্বেই এটা বিশ্ব কেৰ্ড প্ৰতিষ্ঠা কৰিছিল। ই আছিল তেওঁৰ জীৱনৰ চতুৰ্থ বিশ্ব ৰেকৰ্ড। যি কি নহওক মস্কোত তেওঁ ১৫০০ মিটাৰ দৌৰত স্বৰ্ণপদ লাভ কৰি অলিম্পিক চেম্পিয়নৰ দুৰ্ল্লভ খ্যাতি অৰ্জন কৰে। বিশেষকৈ পৰৱৰ্তী বছৰত আৰু চাৰিটা বিশ্ব ৰেকৰ্ড ভঙ্গ কৰি মধ্যদূৰত্ব দৌৰৰ সম্ৰাটৰূপে পৰিগণিত হয়।

চিবেষ্টিয়ান ক'ই ১৯৫৬ চনত য়ৰ্কচায়াৰৰ চিচ উইকত জন্মগ্ৰহণ কৰে পিটাস ক'ৰ চাৰিগৰাকী সন্তানৰ এজন চিবেষ্টিয়ান ক' এটা কাটলেৰি (cutlary) প্ৰতিষ্ঠানৰ প্ৰডাকচন ডাইৰেক্টৰ আছিল। চিবেষ্টিয়ান ক'ই চেফিল্ডতে পঢ়া-শুনাৰ পাতনি মেলাৰ লগে লগে ক্ৰীড়া ক্ষেত্ৰতো আত্মনিয়োগ কৰে। তেওঁ ১২ বছৰ বয়সৰ পৰা দৌৰৰ পাতনি মেলি ভৱিষ্যতে পেশাদাৰ 'ফুটবলাৰ' হোৱাৰ সপোন ৰচনা কৰিছিল। দ্ৰুত দৌৰৰ অধিকাৰী চিবেষ্টিয়ানে সেই সময়ত ফুটবল আৰু ৰাগবী উভয় খেলতে সাফল্যৰ প্ৰভাত নেদেখি এই বিষয় ত্যাগ কৰে। ইতিমধ্যে ১৪ বছৰ বয়সীয়া চিবেষ্টিয়ানে "য়ৰ্কচায়াৰ স্কুল ক্ৰচ কাণ্ট্ৰি" দৌৰ (Cross country race)ত জয়ী হয় আৰু এথলেটিক্সক ভৱিষ্যতৰ একমাত্ৰ ইভেন্ট (event) স্বৰূপে গ্ৰহণ কৰে। তেওঁ অতি কম বয়সৰ পৰা এথলেটিক্স চৰ্চ্চা কৰিলেও ১৯৩৫ চনতহে পোনপ্ৰথমবাৰৰ বাবে আন্তৰ্জাতিক খ্যাতিসম্পন্ন ক্ৰীড়াবিদৰূপে স্বীকৃতি পায়। তেতিয়াই ইউৰোপীয় জুনিয়ৰ এথলেটিক্স চেম্পিয়নচিপৰ ১৫০০ মিটাৰ দৌৰত ব্ৰঞ্জৰ পদক লাভ কৰে। কিন্তু দুবছৰৰ পিছতে স্পেইনৰ চান চিবোষ্টিয়ানত অনুষ্ঠিত "ইন্দৰ এথলেটিক্স ক্ৰীড়া" (Indoor Athletics Meet)ৰ ৮০০ মিটাৰ দৌৰত স্বৰ্ণপদত লাভ কৰি এই যুৱ এথলেট গৰাকীয়ে ইউৰোপীয় ট্ৰেকত বিশ্বক চমক লগাই। দিয়ে যদিও বিশ্ব এথলেটিক্সত পোন প্ৰথমবাৰৰ বাবে বিস্ফোৰণৰ সৃষ্টি কৰে ১৯৭৯ চনৰ ৫ জুলাই তাৰিখেহে। স্থান নৰৱেৰ ওচলো। বিচলেট ষ্টেডিয়ামত অনুষ্ঠিত বছেৰেকীয়া আন্তৰ্জাতিক আসৰত ৮০০ মিটাৰ দৌৰ ১ মিনিট ৪২°৪ চেকেণ্ডত দৌৰি নতুন বিশ্ব[illegible] প্ৰতিষ্ঠা কৰোতে কিউবাৰ দুৰ্দ্ধৰ্ষ দৌৰবীৰ তথা অলিম্পিক চে[illegible] এলকাটো জুৱানটুৰেনাৰ বিশ্ব ৰেকৰ্ড [১:৪৩°৪ চে] ভঙ্গ [illegible] বাৰ দিনৰ পিছতে পুনৰ এই ট্ৰেকতে মাই দৌৰ ৩ মিনিট [illegible] চেকেণ্ডত দৌৰি নৱ বিশ্বৰেকৰ্ড প্ৰতিষ্ঠা কৰোতে ১৯৭৪ নিউজিলেণ্ডৰ জন ৱাকাৰ স্থাপিত বিশ্বৰেকৰ্ড ৩:৪৯°৪ চে[illegible] ভঙ্গ কৰে। মাইল দৌৰ ইতিহাসত এই দৌৰ ক্ৰীড়া জগতৰ সবা[illegible] আলোড়নকাৰী ঘটনা, কাৰণ দহজন ক্ৰীড়াবিদে ৩:৫৬°০ চে[illegible] কম সময়ত দৌৰে। গতিকে দৌৰত প্ৰতিদ্বন্দিতা কিমান [illegible] হৈছিল তাক নিশ্চয় সহজে অনুমান কৰিব পাৰি। এইখি[illegible] মনকৰিবলগীয়া, নৰৱেৰ, বিচলেট ষ্টেডিয়াম বিশ্বৰ 'ফাষ্টেট[illegible] নামেৰে জনাজাত। এই কীৰ্ত্তি লাভ কৰা এমাহ নৌহ[illegible] চুইজাৰলেণ্ডৰ জুৰিখত এইগৰাকী ২৩ বছৰীয়া ক্ৰীড়াবিদে [illegible] মিটাৰ দৌৰ ৩:৩২°১ চেকেণ্ডত দৌৰি নৱ বিশ্বৰেকৰ্ড [illegible] কৰোতে লিটজি গ্ৰাণ্ড ষ্টেডিয়ামৰ ২৪০০০ হাজাৰ ক্ৰীড়া[illegible] দৰ্শকে তুমুল হৰ্ষধ্বনিৰে অভিনন্দন জনাইছিল। পূৰ্ব্বৰ বিশ্ব[illegible] ৩:৪২°২ চেকেণ্ডত টানজানিয়াৰ দৌৰবীৰ ফিলবাৰ্ট বেইয়ে [illegible] চনত স্থাপিত কৰিছিল। উল্লেখযোগ্য যে তেওঁ মাত্ৰ ৪১ ভিতৰতে মধ্যদূৰত্ব দৌৰৰ তিনিটা ইভেন্টত নতুন বিশ্বৰেকৰ্ড [illegible] কৰে আৰু একেটা সময়তে মধ্যদূৰত্ব দৌৰৰ তিনিটা বি[illegible] বিশ্বৰেকৰ্ড প্ৰতিস্থা কৰি অসামান্য কৃতিত্ব অৰ্জন কৰাতো [illegible] প্ৰথম এথেলেটৰূপে অভিহিত হয়। ইতিমধ্যে বিশ্ব এথলে[illegible] খ্যাতনামা হৈ ক'ৰে এই কীৰ্ত্তি প্ৰতিষ্ঠা কৰাৰ পিছতে বিশ্বৰ [illegible] দেশৰ ১৪ টা টেলিভিচন কোম্পানীয়ে তেওঁৰ সাক্ষাৎ[illegible] উদ্দেশ্যে জুৰিত উপস্থিত হয় আৰু সাংবাদিক মেলত সাংবা[illegible] প্ৰচণ্ড ভীৰ হয় যাৰ ফলত প্ৰেছ গেলেৰিত স্থানৰ অভাৱ হৈ[illegible]

চিবেষ্টিয়ান ক'ৰে বিশ্বৰ অন্যতম এথলেটৰূপে গঢ় [illegible] মূলতে পিতৃ পিটাৰ ক'। পিটাৰ ক' চিবেষ্টিয়ান ক'ৰ স্বাভ[illegible] যোগ্যতাত আকৃষ্ট হৈ, সম্ভাৱনাময় ভৱিষ্যতৰ ৰেঙনি দেখি [illegible] প্ৰকৃত ক্ৰীড়াবিদৰূপে গঢ় দিবলৈ এথলেটিক্স অনুশী[illegible] কিতাপসমূহ আনি কঠোৰ অধ্যয়ন কৰিবলৈ দিছিল। যাৰ[illegible] চিবেষ্টিয়ান ক'ৰে বিশ্বৰ শ্ৰেষ্ঠ এথলেটৰূপে স্বীকৃতি পায়[illegible] পিতৃ পিটাৰ ক'ক বিশ্ব ক্ৰীড়া সন্থাই এজন সুযোগ্য এথলে[illegible] প্ৰশিক্ষকৰূপে স্বীকৃতি দিবলৈ বাধ্য।

লাফব্ৰাগ বিশ্ববিদ্যালয়ত অৰ্থনীতি বিজ্ঞানৰ অধ্যয়নৰ [illegible] ১৯৭৮ এদমন্টন কমনৱেলী ক্ৰীড়াত ভাগ লোৱাৰ পৰা [illegible]

থাকে যদিও সেই বছৰতে চেকোশ্লভিয়িাৰ প্ৰাগত অনুষ্ঠিত ইউৰোপীয় এথলেটিক্স ক্ৰীড়াত অংশগ্ৰহণ কৰি ৮০০ মিটাৰ দৌৰত ব্ৰঞ্জৰ পদক লাভ কৰে। সেই মৰছুমৰ শেষ বৃহৎ সাফল্যলগুনৰ ক্ৰিচটাল পেলেচত ৮০০ মিটাৰ দৌৰত নতুন বৃটিছ ৰেকৰ্ড গঢ়ে। এইখিনিতে উল্লেখযোগ্য চিবেষ্টিয়ান ক'ৱে ১ঃ৩৫°৪ চেকেণড আৰু ১ঃ৪৩°০ চেকেণ্ডৰ কম সময়ত দৌৰা বৃটেনৰ প্ৰথম দৌৰবীৰ।

চিবেষ্টিয়ান ক'ৱে মস্কো অলিম্পিকৰ পূৰ্ব্বে স্পেইন আৰু ইটালিত গোপনে অনুশীলন কৰিছিল। তেওঁৰ একমাত্ৰ আকাঙ্খা মস্কো অলিম্পিক গেমছত মধ্য দূৰত্ব দৌৰত (৮০০ মি. আৰু ১৫০০ মি.) 'ডাবল' অৰ্জন। বিশেষকৈ উল্লেখযোগ্য মস্কো অলিম্পিকৰ আগে আগে ওচলোৰ বিচলেট ষ্টেডিয়ামত ১০০০ মি. দৌৰ ২ঃ১৩°২ চেঃত দৌৰি নৱ বিশ্বৰেকৰ্ড প্ৰতিষ্ঠা কৰোতে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ৰিচাৰ্দ উলছটাৰৰ বিশ্বৰেকৰ্ড ২ঃ১৩°৯ চেকেণ্ডত ভঙ্গ কৰে। উলছটাৰে এই কীৰ্তি ১৯৭৪ চনত প্ৰতিষ্ঠা কৰিছিল। যি কি নহওঁক চিবেষ্টিয়ান ক'ৰ এই বিশ্বকীৰ্তিমানে তেওঁক মস্কোৰ নিশ্চিত বিজয়ীৰূপে পূৰ্বেৰ্বপ্ৰতিপন্ন কৰে যদিও তেওঁ 'ডাবল' অৰ্জন কৰিবলৈ সক্ষম ন'হল। তেওঁ ১৫০০ মিটাৰ দৌৰত প্ৰথম স্থান অধিকাৰ কৰি অলিম্পিক চেম্পিয়ৰ দুৰ্ল্লভ খ্যাতি অৰ্জন কৰে। লাফব্ৰাগ বিশ্ববিদ্যালয়ত এম, এ,ৰ ছাত্ৰ চিবেষ্টিয়ানে মাষ্টাৰ ডিগ্ৰী লোৱাৰ পিছত ৫,০০০ মিটাৰ দৌৰত প্ৰতিদ্বন্দিতাৰ কাল্পনিক আঁচনি এখন তৈয়াৰ কৰিছিল। তেতিয়া হয়তো বিশ্বৰ এক নম্বৰ ৫,০০০ মিটাৰ দৌৰ বীৰৰূপে খ্যাতি অৰ্জন কৰিব— হয়তো এই ইভেন্টত ১৩ মিনিটৰ সীমাৰেখা ভঙ্গ কৰিব !!

মস্কো অলিম্পিকৰ গৌৰৱান্বিত বিজয় আৰু পূৰ্ব্বৰ বিশ্বকীৰ্তি সমূহে গৌৰৱৰ গৰিমা কঢ়িয়াই অগ্ৰসৰ হওঁতে চিৰেষ্টিয়ান ক'ৱে ১৯৮১ চনত চাৰিটা বিশ্বৰেকৰ্ড ভঙ্গ কৰে— ৮০০ মিঃ [১ঃ৪১°৭২ চে], ১০০০ মিঃ [২ঃ১২°১৮ চে] ১ মাইল দৌৰ [৩ঃ৪৮°৫৩ আৰু ৩ঃ৪৭°৩০ চে] বিশ্ব এথলেটিক্স ইতিহাসত একেজন ক্ৰীড়াবিদে চাৰিটা বিশ্বৰেকৰ্ড ভঙ্গ কৰা বিৰল যাৰ বাবে আমি চিবেষ্টিয়ান ক'ক Middle distance দৌৰৰ নায়কৰূপে স্বাগত জনাবলৈ বাধ্য।■

# আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল হীৰক জয়ন্তীৰ প্ৰাক্‌ক্ষণত মোৰ কিছু আবেগিক এৰি অহা স্মৃতি

□ কিংকৰ দাস
প্ৰাক্তন ছাত্ৰ

আজি আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ জন্মৰ গৌৰৱো
৬০ বছৰ (১৯৫৮-২০১৮) অৰ্থাৎ হীৰক জয়ন্তী বৰ্ষ স
পৰিসমাপ্তিৰ দিন। এইখন মহাবিদ্যালয়ৰ পৰা বিজ্ঞান স্নাতক
ওলাই যোৱা ৩৫ বছৰ হ'ল। এই পবিত্ৰ শুভক্ষণত স্মৃতি গ্ৰ
কিবা এটা লিখিবলৈ কলমটো হাতত তুলি ল'লো। বহু কথা ম
আহিছে। সৰ্বপ্ৰথমে যি সকল মহান মনীষীয়ে অশেষ কষ্ট
ত্যাগ স্বীকাৰ কৰি মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰি আজিৰ
অৱস্থালৈ আনিলে তেওঁলোকলৈ সহস্ৰ প্ৰণাম জনাইছো।
মৰমৰ মহাবিদ্যালয়খনৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰীলৈ মৰম শুভেচ্ছা
ছাৰ বাইদেউ সকললৈ সেৱা আন্তৰিক শুভেচ্ছা এই লেখ
জৰিয়তে যাছিলোঁ।

দীৰ্ঘসময় অসমৰ অস্তিত্ব ৰক্ষাৰ বিদেশী বহিষ্কাৰ মূল
হিচাপে লৈ হোৱা আন্দোলনৰ পিছত ১৯৮৩ চনৰ কোনোবা
দিনত মই আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ত বিজ্ঞান শাখা (পি.
১ম বৰ্ষ)ত নাম ভৰ্ত্তি কৰো। বুকুত অলেখ সপোন। গাওঁ য
গুৱাহাটীৰ পৰা ৪০ কি.মি. মানহে আঁতৰ মোৰ ঘৰ। সপোনৰ
নাই। দিনৰ ১.০০ বজাত মোৰ বাবে আগতীয়াকৈ ঠিক হৈ
অসম সেৱা সমিতিৰ ছাত্ৰাবাসত গৈ পদাৰ্পন কৰো। ঘৰৰ পৰা
প্ৰথম বাহিৰত থাকিম তাতে আকৌ ছাত্ৰাবাসত, বহুত কল্পনা,
শংকা, সহপাঠী আৰু ৰুমমেটবোৰ বা কেনে হয়। ৰুম নং- ৩
থাকিলো। বিচনা আদি ঠিক কৰি সৰু সৰু বস্তু কেইপদ মান আ
বুলি দোকানলৈ গলো। নিশা ভাত খোৱাৰ আগত ছাত্ৰাবা
ৰুমমেট চাৰিজনৰ লগত চিনাকি পৰ্ব। কোনেও ভালকৈ ক
নাপাতে, দুজনে মাত্ৰ কলে পিচত কথা হম। এজনেটো চা
নোখোজে মুখলৈ মানে মই যেন অপৰাধীহে। পিচতহে ওলা
তেওঁ বপুৰাই মোৰেই সমনীয়া মণিকাঞ্চন বৰুৱা, মংগলদৈৰ এটি
প্ৰতিস্থিত ব্যৱসায়ী, সি বদমাছে মোক মেচৰ কাঠিৰে ক্ৰিকেট খেলি

দিলে। পিছত যেনিবা বন্ধু নলেগলে লগা। কেইদিনমান যোৱাৰ পিছত সকলোৰে মিলা প্ৰীতি আৰম্ভ হ'ল যদিও জেষ্ঠ আবাসী সকলৰ লগত অলপ দূৰত্ব এতিয়াও আছে।

নৱাগত আদৰণি সভাৰ আগদিনা নিশা সকলো নৱাগতৰ সৈতে জ্যেষ্ঠ সকল ভালদৰেই চিনাকি হ'ল। খং উঠিল যদিও বহুত ভাল লাগিল হাঁহিও উঠিল। বিচনাৰ তলত সোমাই মাইকী মহ ধৰিব দিয়া হৰ সিংহ দাদা, নয়ন পাঠক দাদা, *পূৰ্ণানন্দ বুঢ়াগোহাঁই দাদাই হলৌ উঠিল তকৌ গছত গাই গাই বাৰান্দাৰ খুটা বগাবলৈ দিয়া কথাবোৰ মাজে মাজে বৰ মনত কষ্ট দিয়ে, সেই দিনবোৰলৈ মনত পেলায়। সদায় তেনেকৈ হাঁহি ধেমালিৰে থাকিব পৰা হ'লে। আজিকালি ইমান জটিল সামাজিক, ৰাজনৈতিক পৰিৱেশ। ছাত্ৰাবাসত ছাত্ৰ-ছাত্ৰীক ৰেগিঙৰ নামত অত্যাচাৰ আন কি মৃত্যু পৰ্য্যন্ত হৈছে আজিকালি। কিন্তু তাৰ সম্পূৰ্ণ বিপৰীত সেই সময়ৰ ছাত্ৰাবাসৰ কথাবোৰ। জেষ্ঠসকলে কনিষ্ঠসকলক শাসন কৰাৰ চলেৰে বহুত মৰম কৰিছিল।

ছাত্ৰাবাসৰ সেই সময়ত লগ পোৱা দাদাসকলক সঘনাই মনত পৰে আজিও, যদিওবা সকলোৰে জীৱিকাৰ তাগিদাত লগ পোৱা কঠিন কথা কিন্তু আনৰ মুখেৰে হলেও খা-খবৰ লোৱাটো কৰ্তব্যৰ ভিতৰত কথা মোৰ বাবে। বহুত মনত পৰে সেই সময়ত ছাত্ৰাবাসত মোৰ মুৰব্বীৰ দৰে নয়ন পাঠক, হৰ সিংহ, অনুপ চেতিয়া, *পূৰ্ণানন্দ বুঢ়াগোহাঁই, অনুপম ফুকন, লক্ষ্য সন্দিকৈ, মিন্তু বৰকটকী, প্ৰণৱজ্যোতি ফুকন আদি কৰি বহুজন।

ছাত্ৰাবাসৰ আবাসীৰ লগতে মহাবিদ্যালয়ত অধ্যয়নৰত বহুত ছাত্ৰ-ছাত্ৰীৰ লগত লাগে লাহে আত্মীয়তা বাঢ়িব ধৰিলে। অধ্যয়নৰ কামও চলি থাকিল, অচিনাকি সকলোবোৰ ল'ৰা-ছোৱালী এটা পৰিয়ালৰ দৰে হ'ল। ঘৰৰ পৰা অহা পৰিয়ালৰ লোক সকলো আপোন হ'ল। ঘৰলৈ মনত পৰি মন মাৰি থকা কোনোবাক দেখিলে সকলোৰে মিলি তেওঁৰ দুখৰ সমভাগী হ'ব খোজা কথাষাৰে কন্দুৱাই, আজিও পাতল হৈ যায় মন। একেলগে মহাবিদ্যালয়ত পঢ়া ছাত্ৰাবাসত থকা বহু জেষ্ঠ, কনিষ্ঠ জন আজি দেশৰ সমাজৰ আগশাৰীৰ প্ৰতিষ্ঠিত ব্যক্তি।

১৯৮৩ চনৰ পৰা ১৯৮৯ চনলৈ আৰ্য বিদ্যাপীঠত অধ্যয়ন কৰি থকা সময়ত আমি নেদেখা বা কল্পনা কৰিব নোৱাৰা কিছু কথা বাৰ্তাই মোক অলপ দুখ দিয়ে। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্ব্বাচনত ছাত্ৰাবাসৰ আবাসী সকলৰ সৱল ভূমিকা থাকে। এইখন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয় ববীয়া নিৰ্বাচন প্ৰক্ৰিয়া আন বহু মহাবিদ্যালয়ৰ লগত নিমিলে। শ্ৰেণী প্ৰতিনিধি সকেলে নিৰ্বাচিত হোৱাৰ পিছত মূল একতাসভাৰ কাৰ্য্যকৰী সমিতি গঠন হয়। মোৰও দুবাৰ শ্ৰেণী প্ৰতিনিধি হোৱা সৌভাগ্য হৈছিল। গৌৰৱ অনুভৱ হয় যেতিয়া প্ৰতিদন্দী সকলে ভোট বিচাৰি যাব। মহেন্দ্ৰ গগৈ, দিলীপ শংকৰ শইকীয়া, পাৰ্থপ্ৰতিম ভৰালী, শ্ৰীতনু দেৱগোস্বামী (মৰম), গিৰিন শৰ্মা আৰু ৰূপম গোস্বামীক সম্পাদক হিচাপে লগ পাইছিলো। সুন্দৰভাৱে পৰিচালনা কৰিছিল মহাবিদ্যালয় ছাত্ৰ একতা সভা মিলা-প্ৰীতি অলেখ।

বহুত কথাই মনত পৰি মনটো ভাল লাগি যায় কিন্তু এষাৰি বাক্যই ছাত্ৰাবাসৰ আবাসী সকলক দুখ দিয়ে, যেতিয়া কোনাবাই কয় ছাত্ৰাবাসবোৰ Local নহয় সিহঁতে সকলো কথাতে ভাগ লব নোৱাৰে। এইদৰে মন্তব্য দিয়াৰ বাবে সৰু সুৰা ঘটনা দুই এটা নোহোৱাও নহয়। পিছত যেনিবা স্থানীয় বন্ধু বান্ধৱৰ লগত লগ-লাগি মিলা-প্ৰীতি হৈছিল।

মহাবিদ্যালয়ৰ বহু ঘটনাই সতেজ হৈ আছে মানসপটত চকুৰ আগতে একেলগে ক্লাছ কৰি ওলায় আহি থকা অৱস্থাত পৰেশ বৈশ্যৰ চিটি বাছৰ সৈতে দুৰ্ঘটনা হৈ মৃত্যু মুখত পৰে কলেজ গেটত। মহাবিদ্যালয় সপ্তাহ ছাত্ৰাবাসৰ আবাসীসকলে বেছি উপভোগ কৰিব পৰাৰে আন ছাত্ৰ-ছাত্ৰীতকৈ। মহাবিদ্যালয়ৰ সকলো ধৰণৰ ঘটনাৰ সাক্ষী হৈ থাকে ছাত্ৰাবাসৰ আবাসী। ছাত্ৰাবাসৰ আবাসী হিচাপে ছাত্ৰাবাসলৈ অহা বহু ল'ৰাক লগ পালো। বহুতৰ সৈতে এতিয়াও দাদা আৰু ভাইটি সম্পৰ্ক। পৰিয়ালৰ সৈতেও আহ-যাহ আছে। বহু কেইজন আবাসীৰ অকাল মৃত্যু হ'ল। দুখ লাগে মনত পৰিলে। সংযুক্ত মুক্তি বাহিনীৰ সদস্য হয়ও কেইজন মানৰ অকাল বিয়োগ হ'ল। ধ্ৰুৱজ্যোতি বৰগোহাঁই, জ্যোতি প্ৰসাদ শইকীয়া আদি। এওঁলোক দুয়োৰে লগত বহুত আত্মীয়তা আছিল মোৰ। ধ্ৰুৱজ্যোতিৰ মাকে কোৱা কথা এষাৰ আজিও কাণত বাজি থাকে, তাৰ মৃত্যু হ'ল কাৰ্বি আংলঙৰ ঘন জংঘলত। মৃতদেহ অনাৰ পিচত ঘৰলৈ গ'লো মোক দেখি ধ্ৰুৱৰ মাকে ক'লে বাবা তহঁতৰ লগৰবোৰক কবি স্বাধীন অসমৰ অলীক কল্পনা কৰি লাভ নাই, অসমীয়া ভাল লৰাবোৰ মৰি শেষ হব আৰু সংগঠনৰ নামত এচামে আৰ্থিকভাৱে সৱল হব। ৰাজনৈতিকভাৱে প্ৰতিস্থিত হব। তাকেই আজি ভাবো তেনেকুৱাই হ'ল নেকি বাৰু সঁচাকৈ। মায়ে বাৰু সেই সময়তে বুজি পাইছিল নেকি?

আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ সন্মুখত এখন মাত্ৰ চাহ দোকান আছিল। চাৰাপভাটি নামটো কিবা আচহুৱা লাগে। গোপীনাথ নগৰ বুলি বহুতে নাজানে। আমি পঢ়া সময়ত তাত দোকান-পোহাৰ নাই বুলি কব পাৰি। বহুদিনৰ বিৰতিৰ পিছত গৈ দোকান-পোহাৰ মানুহৰ সমাগম দেখি আচৰিত হলো। মানে জনসংখ্যাৰ বিস্ফোৰন দেশী-বিদেশী মানুহৰে ভৰি পৰিল।

আমি থকা সেৱা-সমিতিৰ ছাত্ৰাবাসটোও আজি কালি বন্ধ হ'ল। অধ্যক্ষ অমৃত সিং আৰু সহায়ক এমুখ দাড়িৰে মনিপুৰী সিং উপাধিৰ মানুহজন আজিও মনত পৰে। ছাত্ৰাবাসৰ অধীক্ষক ডাঃ জগদীশ শৰ্মালৈ মনত পৰে বহুত। মোৰ লগতে আৰু দুজনক ছাত্ৰাবাসৰ অলপ উতপতীয়া বুলি ভাৱে। বাকী দুজনৰ নাম নকও এতিয়া। আমি সদায় গালি খাবলৈ নজনাকৈ ঘটনা এটা হয়।

এইখিনিতে ছাগলী চুৰ কৰি খোৱা ঘটনা এটা মনত পৰিছে বগা ৰঙৰ এটা খাহী ছাগলী সদায় আমাৰ ছাত্ৰাবাসৰ সন্মুখত এৰাল দিয়ে। আমি তিনি বন্ধুৱে ভাবিলো খাব পাৰি নেকি? ধৰা পৰাৰ ভয়, ধৰা পৰিলেটো ঘৰলৈ টালি-টোপোলা বান্ধি যোৱাহে কথা। মনে নেমানে পিচত এটা বুদ্ধি কৰিলো — চুলিত লগোৱা কলা ৰং আনি ছাগলীটোৰ মুৰটো আৰু ঠেং কেইখন ক'লা কৰি আকৌ আগৰ ঠাইত এৰাল দি আহিলো। গৃহস্থই সন্ধিয়া চিনিব নোৱাৰি আমাকে শুধিব আহিলে ছাগলীটো দেখিছে নেকি? আমাক আৰু কোনে পায়? দুদিন পিছত মহা ভোজ লগৰ বন্ধু-বান্ধৱী মাতি।

ছাত্ৰাবাসত থাকোতে মোক মাত্ৰ এবাৰেই মেচ মেনেজাৰ পাতিছিল আজিও মনত পৰে মেচ ডিউচৰ ধন ১৫ নে ২০ দিন মানতে শেষ হ'ল— ভালদৰে খুৱাব গৈ মিলাব পৰা নাই শেষত যেনিবা ধাৰ কৰি শেষ কৰিলো আৰু মাহটো যেনে তেনে আৰু বহুত কথা আছে ছোৱালী বান্ধৱী লৈ ৰসাল কথা আছে। জ্যেষ্ঠ জনৰ প্ৰেমিকৰ পত্ৰ বাহক কনিষ্ঠজনৰ লগত প্ৰেমিকাই মন প্ৰাণ দিয়া। নাম নকও মোক ঘৰলৈ আহি পিতিব নহ'লে, পঢ়িলে বুজালোকে বুজিব।

আমাৰ মহাবিদ্যালয়ৰ সেই সময়ত সমৰ কলা আৰু বক্সিং খেলত বিশ্ববিদ্যালয়ৰ ভিতৰতে প্ৰথম স্থানত আছিল। আজিৰ লৰা-ছোৱালীবোৰে আগতকৈ বেছিহে পাৰ্গত হৈছে চাগৈ। আৰ্য্য মহাবিদ্যালয় অসমীয়া আবেগ অনুভুতি হৈ দেশৰ প্ৰথম স্থানত থাকিব তাৰে আশা সদায় কৰো। মই পঞ্চায়ত প্ৰতিনিধি হিচাপে বহুবাৰ নিৰ্বাচিত হৈছো। গাঁওৰ সমাজৰ কাম কৰাৰ স্বাৰ্থত। মই ২০১৩-২০১৮ লৈ জিলা পৰিষদৰ সদস্য আছিলো। শ্ৰীযুত বিবেকানন্দ চৌধুৰীক (বিবেকদা) লগ পালো। মুখ্য কাৰ্য্যবাহী বিষয়া হিচাপে। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ আমাতকৈ জেষ্ঠ, এতিয়া উপাযুক্ত বহুত ভাল লাগিল, জিলা পৰিষদ চলোৱাত সহজ হ'ল, নজনা কথা জানিলো তেওঁৰ পৰা। বহুত জনা ব্যক্তি, কাৰ্য্যালয় কেনেদৰে চলাব লাগে জানে তেওঁ।

আজিলৈ বিভিন্ন ঘটনা পৰিঘটনাত এৰিয়ান বহুতক পালো। এৰিয়ান সকলক লগ পালে নিজকে পাহৰি যাও। সেই সময়লৈ মনত পৰে। ২৬-০৮-২০১৮ ইং তাৰিখে এৰি এলুমনি এছোছিয়েচনৰ সাধাৰণ সভা এখন অনুস্থিত হ'ল। উপস্থিত থকাৰ সৌভাগ্য হ'ল। সভাত বহু পুৰণি বন্ধু সহপা জেষ্ঠ সকলক লগ পালো। ৰানা, অমৰ দাস, সদানন্দ গগৈ, ফাইজুল, নিৰ্মল ডেকা, প্ৰশান্ত দত্ত, চুনু, গৌতম দাস, জেষ্ঠ স কৃষ্ণ বৰা, পৰমানন্দ তালুকদাৰ, বিবেকানন্দ চৌধুৰী, দিলীপ শ শইকীয়া আৰু বহুজন। গৌতমক দেখি মনত পৰিছে মহাবিদ্যা সপ্তাহৰ বক্সিং খেলৰ ঘটনা সিদ্ধাৰ্থ ভট্টাচাৰ্য আৰু গৌতম দ মাজত হেভী ৱেইট বিভাগৰ খেল। সিদ্ধাৰ্থ পলায় পত্ৰং, গৌত অকলে ৰিঙত ৰৈ আছে। গৌতমক ৱাক অভাৰ দিয়া হ'ল। সময়খিনিত সঘনে লগ পায় থকা সকলো বন্ধু-বান্ধৱীৰ সৈতে খুব আপোনত্ব ভাব আজিও বিৰাজমান। কিমান যে ঘট পৰিঘটনাৰে ছাত্ৰাবাস আৰু মহাবিদ্যালয়ৰ সময়বোৰ পাৰ হ ৩৫/৪০ বছৰ হ'ল আজি সেইদিনাহে যেন লগা অনুভৱ।

লিখাখিনি মনোগ্ৰাহী হৈছে নে নাই নাজানো, মোৰ ম ভাৱ অলপ প্ৰকাশ কৰিব চেষ্টা কৰিছে। এইখিনিতে শ্ৰীতনু গোস্বামী আৰু শ্ৰীমহেন্দ্ৰ গগৈয়ে মোক অলপমান লিখা কিবা কোৱাত তেওঁলোক দুয়োকে ধন্যবাদ জনালো। লগতে শ্ৰীপ প্ৰতিম ভৰালীক।

আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ পৰা আজি প্ৰতিভা, দক্ষতা আৰু কৃতিত্বৰ লগতে সততা আৰু নিষ্ঠাৰে সু কৰ্মজীৱন অতিবাহিত কৰা ছাৰ, বাইদেউ আৰু মহাবিদ্যালয়ৰ বি কৰ্মচাৰীসকলক মই প্ৰণিপাত জনালোঁ। লগতে অধ্যয়ন ক সুখ্যাতিৰে উত্তীৰ্ণ হোৱা আৰু বিভিন্ন কামত জৰিত হৈ জী জীৱিকা উলিয়াই ঘৰ সংসাৰৰ লগতে সামাজিক ক্ষেত্ৰখ আগভাগ লোৱা মোৰ অতি মৰমৰ সহপাঠী ও দাদা আৰু বাইদে লগতে কনিষ্ঠ সকলোকে মৰম, চেনেহ যাচিছোঁ। নাজানো প পৰা হৈছে নে নাই। মনৰ মাজত লুকাই থকা ভাৱ কিছুমান প্ৰক কৰিলোঁ।■

জয়তু আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়
জয়তু আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়
জয়তু আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়

# আমি 'এৰিয়ান'
# আমি খোজ কাঢ়িব জানো....

❐ মহেন্দ্ৰ গগৈ
প্ৰাক্তন ছাত্ৰ



সঁচাই প্ৰেমত পৰিছিলো ;
কলেজখনৰ
আমাক যেন কোনোবাই মাতিব
আহা, এই খিনিতে বহা
তুমি বহিব পাৰিবা........

এতিয়া আকৌ আহিছো কলেজ খনলৈ ; দুৱাৰ খিড়িকীবোৰে ৰ' লাগি চাই আছে ; কোনোবাই মাতিছে , আহা আহা আমাৰ সভা আৰম্ভ হৈছে - এই মাত্ৰ ; তুমি ঠিক সময়তে আহিছা। আকৌ ৪০ টা বছৰৰ পিছত লগ পালো সেই দিনবোৰ ; আকৌ উভতি গ'লো পঢ়ি থকা দিনৰ দুবৰী বুটলিবলৈ আজি উপস্থিত হৈছো -'হীৰক জয়ন্তী' উপলক্ষে।

গাওঁ খনৰ পৰাই
আৰম্ভ হৈছিল
অনুপম ভাস্কৰ্যৰ চহৰখন।

সঁচাই গাওঁ বিলাক চহৰ হোৱা দৃশ্য অনুপম। এতিয়াও মনৰ মাজত বৈ আছে সেই দিন বোৰ ; গাঁৱৰ পৰা গৈছো চহৰলৈ তাকো অকলে ; হাইস্কুলীয়া জীৱনৰ শেষত চহৰৰ আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ত অকলে গৈ নাম লগাইছো। মহাবিদ্যালয় খনত ভৰি দি নতুন জীৱন আৰম্ভ কৰা অদম্য হেঁপাহ। তেতিয়া জীৱনৰ ফেঁহুজালি আৰু যৌৱনৰো ফেঁহুজালিৰ সময় ; মনটো চঞ্চল যদিও, গহীন-গম্ভীৰ কোনো ব্যক্তিক লগ পালেই আমি হৈ পৰো এজন মানুহ ; মানে কলেজীয়া ছাত্ৰৰ গাম্ভীৰ্যটো দেখুওৱাব বিচাৰো।

কলেজ খনলৈ সোমাই গৈ প্ৰথমে পাওঁ প্ৰেক্ষাগৃহ। প্ৰেক্ষাগৃহতে আমাৰ শ্ৰেণীৰ পাঠদান। প্ৰায় এশ ডেৰশ ছাত্ৰ-ছাত্ৰীয়ে

প্ৰেক্ষাগৃহ ভৰি থাকে। শিক্ষকে স্বভাৱতে কাকোৱেই চিনি নাপাব যেন লাগিলেও শিক্ষকক জানে একে নামৰ কেইজন শিক্ষাৰ্থী আছে। ইংৰাজী, অসমীয়া, বুৰঞ্জী, ৰাজনীতি বিষয়ৰ শিক্ষক সকল অগাধ পণ্ডিত আছিল। সেই শিক্ষক সকল আজিও আমাৰ মানস পটত একোখন জীয়া নৈ হৈ বৈ আছে। আমি সঁচাই সৌভাগ্যৱান ; মনত পৰিলেই ভাবো আৰু নিজে নিজে কথা পাতো সেই ঋষিতুল্য শিক্ষাগুৰু সকলৰ লগত। শিক্ষক সকলে কেতিয়াও নাভাবে আমি নতুন ছাত্ৰ বুলি। শিক্ষক সকলে সকলো পাঠেই আপোন ভাৱত আমাক বুজাই দিয়ে ; পাঠবোৰৰ ব্যাখ্যা, বিশ্লেষণ আৰু সিদ্ধান্ত ও দিয়াই। কিযে মনোৰম দিন আছিল।

আমি পঢ়োতে ১৯৮১-১৯৮২ বৰ্ষটোত অধ্যক্ষ আছিল শ্ৰদ্ধাৰ অমৃত সিং । কলেজ খনত চাৰিগৰাকী 'সাহিত্য একাডেমী' বঁটা পোৱা শিক্ষাগুৰু আছিল— নলিনীধৰ ভট্টাচাৰ্য, নীলমনি ফুকন, লীলবাহাদুৰ চেত্ৰী আৰু ড° ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য। ছাৰ সকলৰ বৈভৱ আৰু সন্মানক লৈ আমি গৌৰৱ কৰো। ঋষি তুল্য আৰু এজন ছাৰ শ্ৰদ্ধাৰ ˚ দেৱানন্দ শইকীয়া দেৱ। তেখেতে গণিত পাঠবোৰ মানে অংকবোৰ সৰল ভাৱে ছাত্ৰ-ছাত্ৰীক বুজাব পাৰিছিল। ছাত্ৰ সকলে প্ৰায় আলোচনা কৰা শুনো ; শইকীয়া ছাৰে অংক শিকাই পানী কৰি। অসমীয়া শিক্ষক ৰূপে নলিনীধৰ ভট্টাচাৰ্য আৰু বুৰঞ্জীৰ নীলমনি ফুকন ছাৰৰ পাণ্ডিত্যও প্ৰণিধানযোগ্য। কিযে সাগৰ মন্থন কৰি পাঠদান দিয়ে। দুৰ্গেশ্বৰ শৰ্মা ছাৰৰও পাঠদানৰ কৌশল মানিব লাগিব। ছুটিগল্প আৰু উপন্যাসৰ সংজ্ঞা দিবলৈ গৈ ছাৰে আমাক কৈছিল - "চুটি গল্প হৈছে সৰু এখন আঁৰ্ছী মানে দাপোন, যাৰ সহায়ত চকুত আইব্ৰো, লিপষ্টিক হে বোলাব পাৰি; উপন্যাস হৈছে লাইফ চাইজৰ দাপোন য'ত সমগ্ৰ শৰীৰটো দেখা পাব পাৰি। সেই সংজ্ঞাটো আজিও মনত আছে।

ইংৰাজী পঢ়াইছিল এম. আৰ দে, কল্পনা নাথ বাইদেউ আৰু গনেশ দাস ছাৰে। আৰ্য্য আছিল উত্তৰ পূৰ্বাঞ্চলৰ শিক্ষাৰ সিংহ দুৱাৰ।

নলিনীধৰ ভট্টাচাৰ্য ছাৰ আছিল একেধাৰে কবি, সমালোচক, অনুবাদক আৰু লেখক। তেখেতৰ কবিতাই আলোড়িত কৰিছিল সমাজক ; তাৰ গোটাচেৰেক দৃষ্টান্ত ডাঙি ধৰিলো —

'ননী আছেনে ঘৰত'

"বতাহ জাকত তেজৰ চিটিকণি আহি আছে। ননী, আছেনে ঘৰত। ক'ব পাৰেনে, তেজৰ ছিটিকণি পৰি আছে। ঘৰত , বিছনাত পৃথিবীত। তেজ, তেজৰ দাগ......" ১৯৭৯ চনত ছাৰৰ প্ৰথমখন কবিতা পুথি "এই কুঁৱলীতে" প্ৰকাশ পাইছিল।

নীলমনি ফুকন ছাৰে বুৰঞ্জী পঢ়াইছিল ; সঁচাকৈ ত
থকালৈকে নিশ্চয় কেতিয়াও পাহৰিব নোৱাৰিম। ছাৰও
সমালোচক আৰু ভাস্কৰ্য শিল্পীও অন্যতম লেখক ; 'ৰূপবৰ্ণ'
'শিল্পকলা দৰ্শণ' স্থাপত্য-ভাস্কৰ্যৰ উল্লেখযোগ্য কিতাপ।

ছাৰৰ এটা কবিতা ডাঙি ধৰিলোঁ—

"কেনেকুৱা আছিল পৃথিবীৰ
প্ৰথম ৰাতিপুৱাটো
মিঠা ফল এটা মুখত দিলেই
কিয় তিতা হয় ?
ঠিক ৰাতি বাৰটালৈ
চাৰি মিনিট থাকোঁতে
পকা অঙঠাৰ দৰে
আকাশখন জ্বলি উঠা
লাহে লাহে মাটি বালি হৈ অহা
বাঁহ গছবোৰ ছাঁ ছাই হৈ অহা
নাইতো এতিয়া মোৰ
একো মনত নাই
অলপ আগতে তুমি কৈছিলা মেকি
মোক ভাল পাওঁ বুলি।

আৰ্য্য কলেজ খন বৌদ্ধিক সমাজৰ এক আশ্ৰয়ৰ স্থ
কিমান শিক্ষক কিমান কৰ্মচাৰী আছিল পাহৰিলোঁ। মুঠতে ব
শিক্ষক আৰু বহুত কৰ্মচাৰী আৰু বহুত শিক্ষাৰ্থীয়ে কলেজ
সদায় জী থাকে। সঁচাই 'আৰ্য বিদ্যাপীঠ' কলেজখন প্ৰতিষ্ঠা ক
স্বনামধন্য শিক্ষাবিদ গিৰিধৰ শৰ্মা চাৰক পাহৰা কাৰণ না
আৰ্যবিদ্যাপীঠ উচ্চ মাধ্যমিক বিদ্যালয়, আৰ্য্যবিদ্যাপীঠ প্ৰাথমি
বিদ্যালয় আৰু স্নাতকোত্তৰ শ্ৰেণীৰ পাঠদান হোৱা এক শিক্ষানুষ্ঠ
ও আছিল। আৰ্য্যই আমাক আৰ্য্য কৰি এই সময়ত উপনী
কৰিছে।

আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ত শিক্ষা-সংস্কৃতি, শিল্প-সাহি
খেলাধুলা সকলো দিশতে প্ৰচুৰ চৰ্চা হৈছিল। বক্সিং, পাঞ্জা, কে
কম্ফু, ভলীবল, ফুটবল, ক্ৰিকেট, জুদু , দৌৰ, পৰ্বতাৰোহন অ
নাচ-গান, অভিনয়তও কলেজ খনৰ সুনাম আছে। অভি
পথাৰখনত ৰবীন্দ্ৰ নেওঁগ, ভবেশ দাস, মহেন্দ্ৰ গগৈৰ ন
উল্লেখযোগ্য।

সীমা বিশ্বাসৰ কথা কোনে পাহৰিব বাৰু? 'বেণ্ডিত কুই
খ্যাত অভিনেত্ৰী গৰাকী আৰ্য্যৰে ছাত্ৰী। দেহশ্ৰী মুকুল দাস আৰ্য্যে

আৰ্য্যৰ অলেখ সুনাম আছে আৰ্ন্তজাতিক পৰ্যায়ত। কলেজখনৰ একালৰ 'আলোচনী' সম্পাদক তথা 'ছাত্ৰ-সংসদৰ' সাধাৰণ সম্পাদক মহেন্দ্ৰ গগৈৰ কথাকোনে পাহৰিব বাৰু? মহেন্দ্ৰ গগৈ বৰ্তমানেও 'হীৰক জয়ন্তী'ৰ প্ৰাক্তন ছাত্ৰসন্মিলনীৰ সভাপতি।

খেল জগতত ৮০০ মিটাৰ দৌৰত বিনোদ পায়েঙে অভিলেখ স্থাপন কৰিছিল। পৰ্বতাৰোহনত কেইবাটাও দলে অংশ গ্ৰহণ কৰা খবৰ সৰ্বজন বিদিত। কলেজ খনৰ বহুটো ছাত্ৰ-ছাত্ৰীয়ে সমাজৰ সেৱাত ব্ৰতী হৈ আছে। এই কলেজৰ প্ৰাক্তন ছাত্ৰ বেদব্ৰত মিশ্ৰ 'দৈনিক অসম'ৰ সহকাৰী সম্পাদক, অমল দাস 'নিয়মীয়া বাৰ্তা' ত কৰ্মৰত। আৰ্যৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলক লগ পোৱা যায় অসমৰ বিভিন্ন প্ৰান্তত বিভিন্ন সেৱাৰ মাজত। কোনোবা আছে কলেজত, কোনোবা বিদ্যালয়ত, কোনো বিশ্ববিদ্যালয়ত আৰু বহুতে নিজৰ ইচ্ছামতে বাণিজ্যত মনোনিবেশ কৰি সংসাৰত আছে। কলেজ খনৰ দাদা, বাইদেউ আৰু সহপাঠি সকলক মাজে সময়ে ক'ৰবাত লগ পালে থমকি ৰোৱাৰ অভ্যাস এতিয়াও আছে।

সকলোৱে যেন একে লগে বহি কথা পাতিম আকৌ যেন উভতি যাম কলেজৰ দিন বোৰলৈ, আমাৰ লগৰবোৰ কোন ক'ত ঘৰে ঘৰে গৈ খবৰ লৈ আহিম যেন মন হয়।■

# মোৰ কলেজীয়া জীৱনৰ এৰি অহা স্মৃতিবোৰ

□ দীপক কুমাৰ শৰ্মা
স্নাতক (বিজ্ঞান)
প্ৰাক্তন ছাত্ৰ



মোৰ এই টোকা লিখনিৰ আৰম্ভণিতে সমূহ এৰিয়ান শিক্ষক, কৰ্মচাৰীবৃন্দক কলেজৰ মহা হীৰক জয়ন্তী বৰ্ষ উদ্‌য মুহূৰ্তত আন্তৰিক শুভেচ্ছা যাচিছো।

মই পোন প্ৰথমে কলেজৰ প্ৰতিষ্ঠাতা প্ৰয়াত গি শৰ্মাদেৱক সোঁৱৰণ কৰিছো। যিজন মহান ব্যক্তিৰ কষ্ট আৰু ে ফচল হিচাপে আৰ্য্য বিদ্যাপীঠ আজি এটা বিশাল বিদ্যাআয় অনুষ্ঠান হিচাপে সমাদৃত হৈছে। তেখেতক পোনতে আমি সুঁৱ লাগিব।

তেখেতে বিভিন্ন ঠাইৰ পৰা বচা বচা ব্যক্তিক শিক্ষক হি আমন্ত্ৰণ কৰি পোনতে এই শিক্ষানুষ্ঠানত জড়িত কৰাইছিল। ব্যক্তিসকলেও হাঁহিমুখে এই অনুষ্ঠানত জড়িত হৈ শিক্ষাৰ ে বিলোৱা বাবে আজি আৰ্য্য বিদ্যাপীঠ এক বৃহৎ আৰু সৰ্ব সম অনুষ্ঠান হিচাপে স্বীকৃতি পাইছে।

১৯৮৫ চনত ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰা সময়ত স্কুলীয়া ছাত্ৰ আছিলো। সেই সময়ত আমাৰ মাজত কোনো ে ভেদ নাছিল কলেজ আৰু স্কুল হিচাপে। পৰৱৰ্তী সময়ত কলে বিজ্ঞান শাখাত নামভৰ্তি কৰি খুব কম সময়তে এজন শ্ৰ শিক্ষাগুৰুক অকালতে হেৰুৱাইছিলো। তেখেত আছিল গ বিভাগৰ মুৰব্বী অধ্যাপক ডঃ দেৱানন্দ শইকীয়া। তেখেতে ১৯ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসমৰ ভিতৰত প্ৰথম স্থান পাইছি তেখেতৰ মৃত্যুৰ সময়ত এজন গণিতৰ ছাত্ৰ হিচাপে অ কেইজনমান ছাত্ৰ তেখেতৰ ঘৰলৈ গৈ তেখেতৰ কোঠাত দেখিছি মাথোন কিতাপেই কিতাপ। আনকি তেওঁৰ বিচনাটো কিতা পাহাৰ দেখিছিলো। আমি তেতিয়াই অনুধাৱন কৰিছিলো তেখে প্ৰজ্ঞা, জ্ঞান আৰু ছাত্ৰক সকলো উজাৰি দিয়া তেখেতৰ সৰি

জ্ঞানৰ পৰিসৰ। পৰৱৰ্তী সময়ত তেখেতক দৈহিক হিচাপে নাপালেও আন শিক্ষকবৃন্দই যেতিয়া শ্ৰেণীত পাঠদান কৰে, ব'ৰ্ডৰ এটা কোনত "Notes from Debananda Saikia Sir" উদ্ধিতিৰে পাঠ্যক্ৰম আগবঢ়াই নিছিল। ইয়াৰ কাৰণ আছিল প্ৰয়াত ডঃ দেৱানন্দ শইকীয়া ছাৰে জটিল পাঠ তেওঁ নিজৰ স্বকীয়তাৰে সহজ কৰিছিল যিটো ছাত্ৰ সমাজে সহজে গ্ৰহণ কৰি বুজি পাইছিল। তদুপৰি শিক্ষক জনৰো তেওঁৰ সৈতে থকা স্মৃতি সজীৱ কৰাৰ প্ৰয়াস কৰিছিল। পৰৱৰ্তী পৰ্যায়ত ডঃ দীননাথ বৰ্মন, ডঃ মাধৱ গোস্বামী, ডঃ ৰত্ন ভট্টাচাৰ্য্য আদি ছাৰৰ সান্নিধ্য পাইছিলো। তেওঁলোকে যি ধৰণে বিষয়বস্তুক বুজাইছিল, টিউচন লোৱাৰ কোনো প্ৰয়োজন নাছিল। ছাৰসকলেও পোনতে তেওঁৰ শ্ৰেণীত ছাত্ৰসকলক উপস্থিতি কথা সকীয়াই এটাও শ্ৰেণী ক্ষতি নকৰাকৈ পাঠ গ্ৰহণৰ বাবে অনুৰোধ কৰিছিল। ইয়াৰ কাৰণ আছিল ক্ৰমিক নং দি তেওঁলোকে পাঠদান কৰিছিল। এই কথাত উৎসাহিত হৈ আমি পাৰ্যমানে শ্ৰেণীত উপস্থিত আছিলো। যাৰ বাবে মই শিক্ষকৰ চকুত পৰা হৈছিলো। অনুপস্থিতিৰ সময়ত আন ছাত্ৰৰ পৰা মোৰ অনুপস্থিতিৰ কাৰণ তেওঁলোকে জানিব বিচাৰিছিল। পুনৰ শ্ৰেণীকোঠাত লগ পালে পূৰ্ব্বৱৰ্তী শ্ৰেণীৰ পাঠ মোক দিছিল। এই কথা মই কেতিয়াও পাহৰিব নোৱাৰো। এয়াই আছিল ছাত্ৰ-শিক্ষকৰ মাজৰ সম্বন্ধ। পৰীক্ষাৰ সময়ত পৰীক্ষাগৃহত নিজে শিক্ষকসকলে উপস্থিত হৈ প্ৰশ্নকাকত সম্বন্ধে খবৰ লৈছিল। এনেবোৰ কথা আজিও মই আজিৰ ছাত্ৰক কওঁ আৰু নিজে গৌৰৱ অনুভৱ কৰো।

এইখিনিতে এটা কথা মই উনুকিয়াব লাগিব যে আজিৰ উচ্চতৰ মাধ্যমিক কাউঞ্চিল, অসম গঠনৰ মধ্যমণি আছিল প্ৰয়াত দেৱানন্দ শইকীয়া ছাৰ। উক্ত কাউঞ্চিল গঠনৰ আলোচনা চক্ৰত অংশগ্ৰহণ কৰি থকা মুহূৰ্তত মগজুৰ ৰক্ত ক্ষৰণ হৈ তেওঁৰ অকাল বিয়োগ ঘটিছিল। আনহাতে ডঃ ৰত্ন ভট্টাচাৰ্য্য ছাৰ পৰৱৰ্তী সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ দীন হিচাপে কাৰ্য্য নিৰ্বাহ কৰিছিল।

মই গণিত, পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞানৰ ছাত্ৰ হোৱা হেতুকে ৰসায়ন বিজ্ঞানতো ডঃ প্ৰবাল সেন ছাৰ, ডঃ সুনীল ঘোষ ছাৰ আদিক ঘনিষ্ঠভাৱে লগ পাইছিলো। আমাৰ মাজত ছাত্ৰ-শিক্ষকৰ এনাজৰীডাল ইমানেই সুদৃঢ় আছিল যে কলেজৰ পৰা পাছ কৰি ওলাই অহাৰ পাছতো বাটত লগ পালে ইজনে আনজনৰ খবৰ লৈছিলো।

তেখেতসকল ইমানেই জনপ্ৰিয় আছিল যে আন কলেজৰ ছাত্ৰও প্ৰায়ে আমাৰ কলেজত শ্ৰেণীত উপস্থিত আছিল। যিটো শ্ৰেণী কোঠাত ছাৰসকলে গম পাইছিল আৰু সেই আন কলেজৰ অতিথি ছাত্ৰক সন্মুখৰ আসনত বহিবলৈ দি পাঠদান কৰিছিল।

মই আজিও গৌৰৱ কৰো এনেবোৰ মহান শিক্ষকৰ ছাত্ৰ হৈ এৰিয়ান হোৱা বাবে।

এই স্মৃতিবোৰ লিখিবলৈ মোক উৎসাহিত কৰিছে মই কলেজত পঢ়া সময়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক মাননীয় পাৰ্থপ্ৰতিম ভৰালী দেৱে। তেওঁ মোৰ ওচৰ-চুবুৰীয়া হোৱা বাবে কেতিয়াবা কেতিয়াবা কলেজৰ এৰি অহা দিনবোৰৰ অতীত ৰোমন্থন কৰা হয়।

কলেজত পঢ়া কালত অসমীয়া বিভাগত প্ৰফেছাৰ হিচাপে পোৱা কবি, সাহিত্যিক নীলমণি ফুকন ছাৰলৈ মনত পৰে। তেনেদৰে আন এজন কবি পদাৰ্থবিদ শিৱনাথ বৰ্মন ছাৰলৈ মনত পৰে। এই লিখনিত এজন বিশেষ ব্যক্তি কথা উনুকিয়াব খুজিছো। তেওঁ হ'ল অধ্যক্ষ শ্ৰীঅমৃক সিং। তেখেতে কলেজৰ মুৰব্বী হৈ কলেজৰ প্ৰশাসন সফলতাৰে পৰিচালনা কৰাৰ উপৰিও ছাত্ৰক নিৰাপত্তা দিছিল। অসম আন্দোলন চলা কালত ছাত্ৰক দিয়া নিৰাপত্তাৰ কথা সেই সময়ৰ ছাত্ৰৰ নিশ্চয় মনত আছে।

যি কি নহওঁক মই পঢ়া ১৯৫৮ চনত স্থাপিত কলেজখনে ষাঠি বছৰৰ পৰিক্ৰমা অতিক্ৰম কৰিলে। কলেজখন প্ৰজ্ঞা, জ্ঞানৰ কেন্দ্ৰ হওঁক তাকে কামনা কৰিলো।■

# অসমীয়া সাহিত্যলৈ খৃষ্টান মিছনেৰীসকলৰ অৱদান

❑ বাদল চন্দ্ৰ ঘোষ
প্ৰাক্তন ছাত্ৰ

ইং ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ সৰ্ত্ত অনুসৰি অসম ইংৰাজৰ অধীনলৈ যায়। ইংৰাজে অত্যাচাৰী মানক খেদি ৰাজত্ব প্ৰতিষ্ঠা কৰিছিল আৰু অসমীয়া মানুহেও ইংৰাজ শাস সুফল কুফলৰ কথা নাভাবি মানৰ অত্যাচাৰৰ পৰা ৰক্ষা পো নিশ্বাস পেলাইছিল; কিন্তু সাধাৰণ প্ৰজাই ইংৰাজ শাসন মানি লৈ যদিও ডাঙৰীয়া শ্ৰেণীৰ লোকে সহজে বিদেশী শাসন মানি লে নাছিল। পিয়লি ফুকন, গমধৰ আৰু আন আন ডেকা সক তেওঁলোকৰ বিৰুদ্ধে বিদ্ৰোহ সূচনা কৰিছিল। ৰাজত্বৰ প্ৰথম বছৰৰ ভিতৰত ইংৰাজ সকলে ৰাজ্য সুপ্ৰতিষ্ঠিত কৰা কাৰ্য্যত ব থাকিব লগা হৈছিল, আনফালে দেশৰ শিক্ষা-সমস্যা বা ভাষা সম ইত্যাদিৰ পিনে দৃষ্টি দিবলৈ সময় নাপাইছিল। আগৰ পৰা চ অহা পিয়লি ফুকন, গমধৰ কোঁৱৰ আদিৰ বিদ্ৰোহত সম্ভ্ৰান্ত বংশ লোকসকল জড়িত থকা দেখি আৰু উজনি অসমৰ উচ্চ শ্ৰেণ লোকে ইংৰাজ ৰাজত্বক ভাল চকুৰে নোচোৱা দেখি আৰু ইংৰা শাসন ব্যৱস্থাৰ লগত তেওঁলোকক অনভিজ্ঞ দেখি বঙ্গদেশৰ প বঙালী কেৰাণী-মহৰি আমদানি কৰি দেশৰ শাসন ব্যৱস্থা চলাব আৰম্ভ কৰিছিল। এইদৰে ইংৰাজসকলে দেশ শাসন কৰি অসমী জাতিক বিভ্ৰান্ত কৰি তুলিছিল। অসম দেশৰ ৰাজত্বৰ ভাৰ অপ কৰি অসমৰ মানুহ বা অসমীয়া জাতিৰ লগত সম্পৰ্ক স্থাপ তেওঁলোকে প্ৰয়োজনীয় বুলি নাভাবিছিল।

কিন্তু "ঘনান্ধকাৰেষু ইবদীপদৰ্শনম"ৰ দৰে ১৮৩৬ চনত আমেৰিকান বেপ্টিষ্ট মিছনে হাতত খৃষ্টধৰ্ম্মৰ জোৰলৈ অসমত ভ দিলেহি। তাৰ পিছত ক্ৰমে ক্ৰমে আহিল ৰেভাৰেণ্ড নাথান ব্ৰাউ টি, কট্ৰৰ, ডক্তৰ মাইলচ্ ব্ৰনচনে, জেকব থমাচ আৰু এ,কে, গা আদি। তেওঁলোকে এই দেশলৈ আহি বিভিন্ন সমস্যাৰ সন্মুখী

হৈছিল। এই দেশত ধৰ্ম্ম প্ৰচাৰ কৰিবৰ কাৰণে আহি তেওঁলোকে প্ৰথমে ভাবিছিল মাতৃভাষাৰ যোগেদি জাতিক আত্মসচেতন কৰিব নোৱাৰিলে ধৰ্ম্ম প্ৰচাৰ কৰা অসম্ভব হৈ পৰিব।

পৰ্ব্বতীয়া জাতিৰ মাজত ধৰ্ম্মপ্ৰচাৰ কৰা সহজ নহ'ব বুলি ভাবি ভৈয়ামৰ লোকৰ মাজত খৃষ্টধৰ্ম্ম প্ৰচাৰ কৰিবলৈ ব্ৰাউন, ব্ৰন্‌চন, বাৰ্কাৰ আদি মিছনেৰিসকলে শিৱসাগৰ, নগাওঁ আৰু গুৱাহাটীত থাকিবলৈ ললে। আৰু বিভিন্ন ঠাইত পঢ়াশালি আৰু অনাথ আশ্ৰম পাতি লাহে লাহে তেওঁলোকে ধৰ্ম্মপ্ৰচাৰ কৰিবলৈ আৰম্ভ কৰিলে।

কিন্তু ধৰ্ম্মপ্ৰচাৰ আৰু কৰোঁতেই দেখা দিলে ভাষা সমস্যা। তেওঁলোকে ভালকৈ বুজিছিল থলুৱা ভাষাত ধৰ্ম্ম সম্পৰ্কীয় পুথি পাঁজি প্ৰকাশ নকৰি বিদেশী বঙলা ভাষাৰ সহায় ললে উদ্দেশ্যে সিদ্ধি নহয়। অথচ দেখা পালে যে, মাতৃভাষাৰ সলনি তেতিয়া পঢ়াশালি, আইন আদালতত আৰু শাসন-ব্যৱস্থা সকলোতে বঙলাৰহে প্ৰচলন। বিদেশী ভাষাৰ যোগেদি যে এটা জাতিক শিক্ষিত আৰু জ্ঞানী কৰি তুলিব নোৱাৰি সেই কথা মিছনেৰীসকলে বুজি পাইছিল। সেই কাৰণে খৃষ্টান মিছনেৰীসকলে অসমীয়া মানুহৰ মনৰ ভিতৰত সোমোৱাৰ উদ্দেশ্যৰে লুপ্তপ্ৰায় অসমীয়া ভাষা আৰু সাহিত্যক অকাল মৃত্যুৰ হাতৰ পৰা ৰক্ষা কৰিবলৈ উঠি পৰি লাগিল।

তেওঁলোকে ইংৰাজ চৰকাৰৰ লগত যুঁজ কৰি অসমীয়া ভাষাক পঢ়াশালি আৰু আইন আদালতত পুনৰ প্ৰতিষ্ঠা কৰাত সহায় কৰিলে। ব্যাকৰণ, অভিধান আৰু পাঠ্যপুথি ইত্যাদি ৰচনা কৰি সাহিত্যৰ ভেটি স্থাপন কৰিলে। অভিধান, ব্যাকৰণ আৰু পাঠ্যপুথি নহলে কোনো ভাষা আয়ত্ব কৰা আৰু সাহিত্য ৰচনা কৰা সম্ভৱ নহয়। অৱশ্যে এইবোৰ তেওঁলোকৰ নিজৰ সুবিধাৰ কাৰণেই ৰচনা কৰিছিল। কিন্তু উদ্দেশ্য যিয়েই নাথাকক, অসমীয়া ভাষাৰ যে প্ৰভূত উপকাৰ সাধিত হ'ল, সেই বিষয়ে সন্দেহৰ কাৰণ নাই।

তেওঁলোকে অসমীয়া ভাষাত প্ৰথম আলোচনী বাতৰি কাকত প্ৰকাশ কৰি অসমীয়া জাতিক নতুন পোহৰৰ সন্ধান দিলে। এই ক্ষুদ্ৰ দেশৰ বাহিৰে যে এখন বিৰাট দেশ বা জগত বিস্তৃত আছে সেই জগতৰ সন্ধান দি জাতিক আত্ম-সচেতন কৰি তুলিবলৈ চেষ্টা কৰিলে। অসমীয়া জাতিয়েও সেই বৃহত্তৰ ভাণ্ডাৰৰ অমৃত পাণ কৰি নিজৰ প্ৰতি লাহে লাহে সজাগ হৈ উঠিল।

তেওঁলোকে পুৰণি জ্ঞান-বিজ্ঞানৰ আৰু বুৰঞ্জীৰ পুথি সংগ্ৰহ কৰি প্ৰকাশ কৰিলে। নানান পুৰণি পুথি আবিষ্কাৰ কৰিলে। পাদুৰি চাহাবসকলে অসমীয়া ভাষাৰ শব্দাৱলীত নতুন নতুন সংযোজন কৰিবলৈ ধৰিলে; তেওঁবিলাকে ইংৰাজী শব্দৰ ভাব লৈ বহুত অসমীয়া শব্দ সৃষ্টি কৰিলে আৰু অসমীয়া ভাষাৰ যিবোৰ মিঠা মিঠা সুৱলা শব্দ ব্যৱহাৰ নকৰাত মামৰ ধৰিছিল সেইবোৰ শব্দ পুনৰ ব্যৱহাৰ নকৰাত মামৰ ধৰিছিল সেইবোৰ শব্দ পুনৰ ব্যৱহাৰ কৰি মৃতপ্ৰায় ভাষা সাহিত্যক ৰক্ষা কৰে।

অসমীয়া ভাষাত এটি নতুন সুৰ বাজি উঠিল। সেই সুৰটি আগেয়ে অসমীয়া ভাষাই নাজানিছিল, ভাৰতবৰ্ষৰ কোনো ভাষাই নাজানিছিল। ই পাশ্চাত্য সাহিত্যৰ নিজা সম্পত্তি। তাক পাদুৰি সকলে সাত সাগৰ তেৰ নৈ পাৰ হৈ আহি ভাৰতবৰ্ষৰ ভাষাবোৰৰ মুখত তুলি দিলেহি। বৰ্ত্তমান যুগৰ ভাৰতবৰ্ষীয় আন আন সাহিত্যৰ দৰে অসমীয়া সাহিত্যৰ ভিতৰতো এই বিলাতী সুৰটিৰ গুণগুনণি পাওঁ। স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামীৰ ৰচিত "অসমীয়া ভাষা" প্ৰবন্ধৰ এঠাইত লিখা আছে "তুমি সেই সুৰটিৰ স্বভাৱ নুবুজিব পাৰা...... কিন্তু শঙ্কৰদেৱক মাতা, মাধৱ দেৱক মাতি আনা, তেওঁলোকে ততালিকে বুজাই দিব.... যে এইটো ভাৰতবৰ্ষীয় সুৰ নহয়, বিলাতী সুৰ।" আন কথাত মিছ্‌নেৰীসকলৰ লেখনীৰ যোগেদিয়েই পাশ্চাত্য ভাৱধাৰাই অসমীয়া সাহিত্যত প্ৰথম প্ৰৱেশ কৰে।

এই মিছনেৰী সকলক অনুসৰণ কৰি আনন্দৰাম ঢেকিয়াল ফুকন, নিধিৰাম ফাৰয়েল, যাদুৰাম ডেকাবৰুৱা, সোনাচাঁদ ডেকাবৰুৱা, পূৰ্ণানন্দ বৰুৱা, গুনাভিৰাম বৰুৱা, বলৰাম ফুকন আদি অসমীয়া দেশহিতৈষী ডেকাসকলে অসমীয়া সাহিত্যৰ উন্নতিৰ কাৰণে প্ৰাণপণে চেষ্টা কৰিবলৈ ধৰিলে।

আধুনিক অসমীয়া সাহিত্যৰ ভেটি ৰচিত হোৱা এই প্ৰায় অৰ্দ্ধশতাব্দী কালছোৱাক (১৮২৬-১৮৮০) মোটামুটিভাবে মিছনেৰী সাহিত্যৰ কাল বুলি ক'ব পাৰোঁ। এই কালছোৱাৰ দুটা স্তৰ (১) প্ৰাক অৰুণোদয় আৰু (২) অৰুণোদয়।

প্ৰাক্ অৰুণোদয় স্তৰ (১৮২৬-১৮৪৬ খৃঃ)— এই কালছোৱাতেই শ্ৰীৰামপুৰ প্ৰেছৰ পৰা প্ৰকাশিত হোৱা আত্মৰাম শৰ্ম্মাৰ 'বাইবেলৰ অসমীয়া ভাঙনিৰ ২য় সংস্কৰণ (১৮৩৩), শ্ৰীৰামপুৰৰ ৰবিন্সন চাহাবৰ ইংৰাজীত লিখা অসমীয়া ব্যাকৰণ' (১৮৩৯) কাশী ৰাম তামুলি ফুকনৰ 'অসম বুৰঞ্জী (১৮৪৪), আলিবৰৰ টি কটৰৰ পত্নী শ্ৰীমতী কটৰৰ 'অসমীয়া শব্দাৱলী আৰু খণ্ডবাক্য' (১৮৪০), বিশ্বেশ্বৰ বৈদ্যাধিধৰ 'বেলিমাৰৰ বুৰঞ্জী' (১৮৩৩ খৃঃ), যদুৰাম ডেকাবৰুৱাৰ 'অসমীয়া অভিধানৰ লিখাৰ কৌশল দেখি ব্ৰন্সন চাহাবে এখন কিতাপত লিখিছে ঃ— "The system of arthography adopted in this work is that of Jaduram Borua, a learned Assamese

Pandit, which it is believed much better corresponds with the actual Pronunciation of the people than any other system met with."

অৰুণোদয় স্তৰ (১৮৪৬-১৮৪২ খৃঃ)— শিৱসাগৰ মিছনেৰী প্ৰেছৰ পৰা ইং ১৯৪৬ চনত 'অৰুণোদয়' নামেৰে এখন মাহেকীয়া আলোচনী প্ৰকাশ হয়। প্ৰথমতে ৰেভাৰেণ্ড, ও,টি, কটৰ, তাৰ পাছত ক্ৰমে নাথান ব্ৰাউন, আদিয়ে এই কাকত সম্পাদনা কৰি ১৮৮২ খৃঃ লৈকে প্ৰকাশ কৰে। এই কাকত প্ৰধানকৈ খৃষ্টধৰ্ম্ম প্ৰচাৰৰ কাৰণে উলিওৱা হৈছিল যদিও অনেক দেশৰ সংবাদ প্ৰদান, বিভিন্ন দেশৰ প্ৰসিদ্ধ ঐতিহাসিক ঘটনাৰ পৰিচয়, বাইবেলৰ কাহিনীৰ অনুবাদ, ধৰ্ম্ম-কথা, নৈতিক শিক্ষা, পুৰণি অসম বুৰঞ্জী, চুটি গল্প জীৱনী, ভূগোল বিষয়ক ৰচনা, বৈজ্ঞানিক আবিষ্কাৰ, অধিকাৰ, স্তুতি-গীত আদি বিভিন্ন বিষয়ে ইয়াত স্থান পাইছিল। এই কাকতে আলোচনী আৰু বাতৰি কাকত দুয়োটাৰ কাম কৰিছিল।

এই কাকতেই অসমীয়া সমাজক দেশ বিদেশৰ জ্ঞানৰ ভাণ্ডাৰৰ সন্ধেদ দি বহল জগতৰ লগত পৰিচয় কৰি দিয়ে। এই কাকতৰ মাজতেই আনন্দৰাম ঢেকিয়াল ফুকন, নিধিৰাম ফাৰৱেল, হেমচন্দ্ৰ বৰুৱা আদিক অসমীয়া সাহিত্যত দীক্ষিত কৰি উৎসাহ উদ্দীপনা যোগায়। তেওঁলোকে নিজে অসমীয়া সাহিত্যৰ উন্নতিৰ কাৰণে আন এটা লেখক গোষ্ঠী গঢ়ি তুলিছিল। অৰুণোদয়কে অনুসৰণ কৰি আসাম বিলাসিনী, আসাম মিহিৰ, আসাম দৰ্পণ আদি কাকত ওলাই অসমীয়া সাহিত্যৰ উন্নতি আৰু বিস্তাৰৰ ইন্ধন যোগায়। আৰু খৃষ্টিয়ান পাদুৰিসকলে সেই সময়ত অৰুণোদয়ত যি অসমীয়া ভাষা লিখিছিল সেই ভাষা সৰল আৰু উচ্চাৰণ অনুসৰি ভাষা আছিল। কিন্তু সেইটো অসমীয়া ভাষাৰ শুদ্ধ আৰু স্বাভাৱিক অৱস্থা নহয়। ভালকৈ মাত নুফুটা সৰু ল'ৰাৰ ভাষাত যেনে সৰলতা আৰু মধুৰতা গুণ থাকে পাদুৰিসকলৰ ভাষাতো তেনে এটি বিশুদ্ধ সৰলতা আৰু মধুৰতাই বিৰাজ কৰিছিল। তলত উদ্ধৃত কৰা "মৰণৰ ভয় হেলা কৰা এজনৰ কথা" শীৰ্ষক নীতিমূলক গল্পটোৰ অংশটোৰ চানেকি দিয়া হ'ল।

"হাঙ্গেৰি দেশৰ এজন খৃষ্টিয়ান ৰজাই এদিন আপোনাৰ মনত বৰ বিয়াকুল পাইছিল। তেনেতে ৰজাৰ ভায়েকে তেওঁক সুধিলে— তোমাৰ মনত কিয় এনে চিন্তাৰ বিয়াকুল হৈছা? তাতে ৰজাই মাত লগাই কলে— হে ভাই পৰম ঈশ্বৰৰ আগত মই মহা অপৰাধী হৈছো, সেই নিমিত্তে মৰণ আৰু বিচাৰৰ সময়ত ঈশ্বৰৰ সাক্ষাতে থিয় হব লাগিব। এই দুটা কথাত মোৰ মনত অতি ভয় জন্মিছে। তাতে ৰজাৰ ভায়েকে হাঁহি ক'লে— এনে সময়ত কৰা আপোনাৰ উচিত নহয়। ইয়াত কেৱল মনৰ সুখহে গুচে। ৰজাই একো উত্তৰ নকৰি ভায়েকক কুশল বিদায় দিলে।"

যদিও মিছনেৰীসকলে যত্ন কৰি অসমীয়া ভাষা লৈছিল আৰু তেওঁলোকৰ ভাষা সৰল আৰু কথিত ভাষাৰ চপা আছিল তথাপি তেওঁলোকে অসমীয়া ঠাঁচটো সম্পূ আয়ত্ত কৰিব পৰা নাছিল। ইংৰাজী ভাষাৰ ঠাঁচটো অজানিতে অসমীয়া লেখোঁতেও প্ৰকাশ পাইছিল।

আমেৰিকাৰ বেপটিষ্ট মিছনৰ প্ৰকাশিত অন্যান্য ভিতৰত পঢ়াশলীয়া পাঠ, ধৰ্ম্মপুথি, শিশুপাঠ্য প্ৰধান।

(ক) পঢ়াশলীয়া পাঠ ঃ— বাৰে মতৰা, প্ৰথম কিতাপ, সাধু প্ৰথম গণনা, দুতিয় গণনা, পদাৰ্থ বিদ্যা, ফুলমণি কৰুণা, মাক-জীয়েক, হেনৰী আৰু তেওঁৰ লগুৱা, যা যাত্ৰা, অপৰিমিতাচাৰৰ পৰিণাম, জোচেফৰ কা আমেৰিকা অবিষ্কাৰ, বৰ্ণবিচাৰ ইত্যাদি।

(খ) ধৰ্ম্মপুথি ঃ— আমাৰ ত্ৰাণকৰ্ত্তা যিশুখৃষ্টৰ নতুন নিয়ম, বিৱৰণ আৰু শুভযাত্ৰা, ডেভিডৰ গীত নিস্তাৰৰ উ কথোপকথন, পৱিত্ৰ অৱতাৰ, স্তুতি গান (২১০ টি) বাৰ্থৰ বাইবেলৰ সাধু।

(গ) শিশু পাঠ্য ঃ— শুৱনীসাঁকো, আফ্ৰিকাৰ কোঁৱৰ, যুদ্ধ ন ৰামগতিৰ কাহিনী, ৰেবিৰ কাহিনী, বেজ কাহিনী, সৰুক ধৰ্ম্ম, মাউৰী ছোৱালী, ঈগলৰ বাই। ইয়াৰ বাহিৰে ১৮ চনত কটৰৰ মেমে উলিওৱা ২৫৬ পিঠীয়া অসমী শব্দাৱলী আৰু খণ্ডবাক্য, ৰবিচন্দ্ৰ ডেকা বৰুৱাৰ অ দণ্ডবিধি আইন ১৮৪৫ চনত ব্ৰাউনে উলিওৱা বকুল কা পদগণিত আৰু লীলাৱতীৰ ভাঙনি; ১৮৯৩ চনত বিশ্বকোষৰ সহায়ত লিখা 'অসমীয়া ল'ৰাৰ মিত্ৰ', পিঠীয়া ভূগোল শিক্ষক; আৰু ২২২ পিঠীয়া 'অসমী শিক্ষক' আৰু বিজ্ঞান আদি বিষয়ক সমাচাৰ চন্দ্ৰিকা ছ পেটাৰ কাৰ্ণিৰ অনুকৰণত লিখা ব্ৰাউনৰ মেমৰ প্ৰথম ভূগোল ইত্যাদি।

এইবাৰ খৃষ্টান মিছনেৰীসকলৰ লিখাৰ চানেকি চি কৰিলে আমি দেখিবলৈ পাম যে তেওঁলোকৰ যিশুখৃষ্ট আদিৰ ঠাঁ বিষ্ণু, কৃষ্ণ আদি বহুৱালে বৈষ্ণৱ ধৰ্ম্মৰ কবিতা হৈ পৰিব। নিধি ফাৰৱেলৰ ৰচিত বিনয় বচনৰ এফাঁকি উদ্ধৃত কৰিলে তাৰ যথা প্ৰমাণ কৰিব পাৰি।

"শুনা সৰ্বজন বিনয় বচন ৰিদয়ে দিওক বাস।
পাপ তৰিবৰ য়িচু পদসাৰ নাহি অন্যআৰ আশ।
তেৰেঁ দয়াতুৰ আপনি ঈশ্বৰ পূৰ্ণ ব্ৰহ্মাসনাতন।
য়িচু বিনে আৰ সকলো অসাৰ ভাবি দেখাঁ সৰ্বজন।
জেন ব্ৰিখ্যা ডালে পখি গৈ সাকলে দণ্ড কি দুদণ্ড থাকে।
সেইৰূপে জ্ঞান দেহত জিৱকে নিচয়ে বোলা সৱাকে।
দিপ্তিতে সঘণ কৰিলে গমন অপমান নাহি হব।
অন্ধকাৰে ভাই চলিলে সবাই পথতে উজান্তি খাব।
এই হেতু সুণ মোৰ নিবেদন খ্ৰীষ্টত কৰা আশ্ৰই।
য়িচু বিনে আৰ নাহিকে উধাৰ জানিব নিচয়ে ভাই।"

হেমচন্দ্ৰ গোস্বামীয়ে কবৰ দৰে সাত সাগৰ তেৰ নদী পাৰ হৈ অহা এই পাদ্ৰীসকলে দহ-বাৰ বছৰৰ ভিতৰত ততাতয়াকৈ অসমীয়া ভাষা আয়ত্ত কৰি লিখিব লগা হোৱাত তাত এটা আচহুৱা স্বভাৱ থাকিবই; আৰু তাত যিমান ক্ৰটিয়েই থাওক, তাত দোষতকৈ গুণৰ ভাগ নিশ্চয় অত্যন্ত ৰূপে অধিক হব। ঘাইকৈ তেওঁলোকে অসমীয়া জনগণৰ মাত কথা অনুকৰণ কৰি লিখাৰ বাবে তেওঁলোকৰ ভাষা কেঁচুৱাৰ থুনুক-থানাক মাতৰ দৰে মিঠা আৰু স্বাভাৱিক; কিন্তু ইংৰাজী ভাষাৰ সংস্পৰ্শত সাহিত্যৰ এটা নতুন গোন্ধ ওলাই পৰিছে। উদাহৰণস্বৰূপে ১৮৫৭ চনৰ অৰুণোদয়ত ওলোৱা 'মা' 'ৰ' 'ব' 'ৰ' "সৰু চিমু এল" পঢ়ি চালে দেখিবলৈ পাওঁ ঃ—

সৰু চিমু এল যি-যমই নিমাত শুনি প্ৰভুৰ মাত।
আনন্দ জন্মিল তাৰ বিদই জানি ঈশ্বৰ আছিল তাত।
কেনে সুখৰ ভাগি সি প্ৰভুৰ প্ৰিয় সন্তানটি,
যদি দায়াল প্ৰভুজনে মোত সুনাম সুখী বাণী।
গুচাই পাপ পৰাক্ৰম দিব তাৰ পৰা মুক্তি;
তেওঁলৈ প্ৰেম পাপলৈ ভয়, মোৰ মন পুৰিছে নিচই।"

১৮১২ শকৰ প্ৰথম বছৰৰ 'বিজুলীত' ওলোৱা 'আদ্যশক্তি স্তোত্ৰ' আৰু ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ বৈকুণ্ঠ প্ৰয়াণত 'ভাৰত বিলাপ' আদি পদ্যৰ ছদ্মনামা কবি 'গুৰদত্ত' এই গুণাভিৰামেই।

কান্দত ভাৰত আই হিয়া মোৰ পুৰি যায়,
বিদ্যাসাগৰৰ বিয়েগত।
কি পাপে পাপিনী মই, মোহোৰ মৰণ নাই,
যাতনা হে মোৰ কপালত।।
যি জনে মোহোৰ অৰ্থে ধনে প্ৰাণে যত্ন কৰে,
যাৰ হন্তে বাঢ়ে মোৰ আশা।
কোঁৱা নিদাৰণ বিধি, কিয় তাক হেৰুৱাওঁ,
কিয় মোৰ এনুৱা দুৰ্দ্দশা।।
দান্তে তৃণ তুলি লওঁ, তোমাক কাকুতি কৰোঁ।
ই দুৰ্দ্দশা নিদিবা আমাক।
দয়া কৰাঁ দয়াময় মই হওঁ নিৰাশ্ৰয়
কৃপা কৰাঁ তুমি আমাসাক।।

আনন্দৰাম ফুকনৰ পিছতে গুণাভিৰাম অসমীয়া ভাষাৰ এজন ঘাই উৎসাহ দাতা বুলি হেমচন্দ্ৰ বৰুৱাই শ্ৰদ্ধাৰে তেওঁৰ আত্মজীৱনীত লিখি গৈছে। মুঠতে ঢেকিয়াল ফুকন আৰু হেমচন্দ্ৰ বৰুৱাৰ পাছতে অসমীয়া সাহিত্যৰ ওখ আসনখনি যে গুণাভিৰাম বৰুৱাৰ তাত সন্দেহ নাই। খৃষ্টান মিছনেৰীসকলৰ অনুপ্ৰেৰণাত আমাৰ ডেকাসকলে নানা ধৰণৰ কাব্য ৰচনা কৰি অসমীয়া সাহিত্যৰ ভৱিষ্যৎ পথ পৰিষ্কাৰ কৰি থৈ গৈছে।

অসমীয়া সাহিত্যত প্ৰথম উপন্যাস 'কামিনীকান্ত'। খৃষ্টান মিছনেৰীসকলৰ কাব্যৰ অনুপ্ৰেৰণা পাই এই উপন্যাসখন ৰচনা কৰিছে. এই উপন্যাসত লিখা আছে যে কমলাকান্ত হিন্দু ধৰ্ম্মত দেৱ-দেৱী পূজা-পাৰ্ব্বন ইত্যাদিৰ মাজত ভগবানৰ প্ৰকৃত সত্তা বিচাৰি নাপাই নিজ পিতৃমাতৃ হিন্দুধৰ্ম্ম সমাজ আদি পৰিত্যাগ কৰি খৃষ্টধৰ্ম্মৰ অনুৰাগী হৈছে। কিন্তু বাহিৰে যিয়েই নাথাকক বোধকৰো নায়ক কামিনীকান্তৰ অন্তৰত হিন্দু ধৰ্ম্ম লুকাই আছিল যাৰ ফলত খৃষ্টধৰ্ম্ম গ্ৰহণ কৰি যীশুৰ মহিমা বৰ্ণনা কৰাৰ ভিতৰত নিকা অসমীয়া ভাষাই ব্যৱহাৰ কৰিছে। 'খৃষ্ট—পৰমাৰ্থিক সূৰ্য' নামৰ পদ্যটোত এই কথা প্ৰায় স্পষ্ট।

"খৃষ্ট পৰমাৰ্থিক সূৰ্য"
(The sun of the Righteousness)

সৰ্ব্বলোকে দেখা
পুৱাইছে কাল-নিশা,
যীশুৰ আগমনত পুৱাইবোৰ নিশা।
খৃষ্টৰ যি আগমণ
গুচুৱাই অন্ধকাৰ
উল্লসিত হয় সকল এই মৰ্ত্ত্য ভুবন
আদৰ মান দেৱতাৰ
আৰু ঘোৰ অন্ধকাৰ
পৰমাৰ্থিক সূৰ্যৰ তাপে হব চাৰখাৰ
মৃত্যু ছাঁয়াৰ এন্ধাৰ

পৰিছিল ওপৰ যাৰ
দেখিছে সেইলোকৰ উদয়-দিবাকৰ।
খৃষ্টৰ এই আগমন
লগতে পায় চেতন
ঘুমটি দূৰ হয়া দেখা সকল নয়ন।

এনেদৰে অসমীয়া সাহিত্যৰ Christian era বা খৃষ্টান যুগ আলোচনা কৰিলে দেখিবলৈ পাওঁ যে যদিও তেওঁলোক ধৰ্ম্মপ্ৰচাৰৰ গুৰুভাৰ লৈ এই দেশলৈ আহিছিল, তথাপি অসমীয়া সাহিত্য উন্নতিৰ কাৰণে প্ৰাণ-পনে চেষ্টা কৰিছিল। তেওঁলোকে কেৱল সাহিত্য ৰচনা কৰি ক্ষান্ত নাছিল। এদল অসমীয়া লেখক গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল। খৃষ্টান মিছনেৰীসকলে এই দেশলৈ আহি অসমীয়া বিভিন্ন বিভাগত সাহিত্য ৰচনা কৰি এটা নতুন যুগৰ সূচনা কৰিলে।

যুগৰ পিছত যুগ আহিব বা সৃষ্টি হ'ব, উদ্ভব-বিলয় ঘটিব— কিন্তু অসমীয়া সাহিত্যত খৃষ্টান মিছনেৰীসকলৰ দান চিৰকাল অম্লান হৈ থাকিব।■

# পুৰণি এৰিয়ানৰ গল্প আৰু কবিতা

❑ পৰমেশ শীল
বি.এ. (অনাৰ্চ), প্ৰাক্তন ছাত্ৰ

ছাত্ৰৰ সাহিত্য চৰ্চ্চাৰ ক্ষেত্ৰ ব্যাপক নহয়, সাধনাৰ একাগ্ৰতাও অধ্যৱসায়ী নহয়, তৰল অনুভূতি আৰু উচ্ছাসেই অধিক ক্ষেত্ৰত ইয়াৰ বৈশিষ্ট্য, ফলত ছাত্ৰাৱস্থাতে স্কুল-কলেজৰ সাহিত্য পৰিসৰৰ বাহিৰলৈ ওলাব পাৰে কম সংখ্যক ছাত্ৰহে। উপযুক্ত বাতাবৰণৰ অভাবো ইয়াৰ এটা কাৰণ। পাঠ্যক্ৰম আৰু শিক্ষা-পদ্ধতিয়ে ছাত্ৰক কৰি তুলিছে পৰীক্ষামুখী, 'নোটচ'ৰ 'ৰেডিমেড' প্ৰশ্নোত্তৰে স্বকীয় বুদ্ধিৰ কৰ্ষণত অন্তৰায় ৰূপে থিয় দি ছাত্ৰৰ প্ৰতিভা বিকাশত ওলোটা ক্ৰিয়া কৰে। মননশীলতাহীন ছাত্ৰৰ মাজত সাহিত্য-বৃক্ষৰ অঙ্কুৰণ আৰু বৰ্দ্ধণ কল্পনাতীত। ব্যৱসায়ী প্ৰতিস্থানসমূহে প্ৰকাশ কৰা সাহিত্যালোচনীবোৰতো ন-লেখকক উৎসাহ দেখুৱাই আগবঢ়াই অনাৰ চেষ্টাতকৈ প্ৰতিযোগিতা আৰু প্ৰতিস্থাৰ ভিত্তিতহে বাছনিৰ মাপকাঠি হাতত লোৱা দেখা যায়। এনেয়ে অসমীয়া সাহিত্য বিষয়ক আলোচনীৰ অৱস্থা দুখ লগা, তাতে আকৌ মুষ্টিমেয় প্ৰতিষ্ঠিতি লেখকৰ বাবে সৰ্ব্বস্বত্ব সংৰক্ষিত ধৰণৰ ব্যৱস্থা, অধিক ক্ষেত্ৰতে এনেবোৰ আলোচনীয়ে পাঠকক ৰসাস্বাদনকাৰী হিচাবেই বিচাৰ কৰি আহিছে, শৃঙ্খলাবদ্ধভাৱে সাহিত্য বিষয়ৰ শিক্ষামূলক আৰু প্ৰেৰণাদায়ক আলোচনাৰ দ্বাৰা নতুন সমাজৰ বুদ্ধি-জ্ঞান কল্পনা বৃদ্ধি কৰাৰ চেষ্টা নাই; ফলস্বৰূপে উপযুক্ত বাতাবৰণৰ অভাৱত অনুশীলনত ব্ৰতী ন-লেখকৰ সংখ্যা আশানুৰূপ নহয়। এনে এটা অৱস্থাত অনুৰাগী ছাত্ৰ নিৰূপায়; চৰ্চ্চাৰ ক্ষেত্ৰ একমাত্ৰ স্কুল আৰু কলেজৰ মুখপত্ৰ সমূহ। কিন্তু যেহেতু এনেবোৰ মুখপত্ৰৰ প্ৰকাশ বছৰত মাত্ৰ এবাৰহে ই ছাত্ৰক সাময়িকভাবে অনুপ্ৰেৰণা যোগাব পাৰে; সৃষ্টি ক্ষম কৰি গঢ়ি তুলিব নোৱাৰে।

বিষয়বস্তু আৰু প্ৰকাশভঙ্গী— দুয়োটাৰে সু-সমন্বয় সাধনৰ অভাৱত একোটাহঁত আকৰ্ষণীয় idea বিকৃত হৈ পৰা দেখা যায়। ছাত্ৰৰ মাজত মননশীলতাৰ অভাৱ আৰু তাৰ কাৰণ ওপৰত উল্লেখ

কৰি অহা হৈছে। একে কাৰণতে বহু সময়ত ভাল বিষয় এটাও ছাত্ৰৰ লিখাত কিবাটো হৈ পৰে।

দ্বিতীয় অথচ দুৰ্ব্বলতা প্ৰকাশভঙ্গী আৰু ভাষ্য। যি মাধ্যমেৰে বক্তব্য বিষয়ক মূৰ্ত্তিমান কৰি তুলিবলৈ বিচৰা হয় তাৰ সম্যক জ্ঞান থকাটো আৱশ্যক। কিন্তু সৰহ ভাগতে দেখা যায় ভাষাৰ প্ৰতি নিষ্ঠুৰ অৱহেলা। অকল ব্যাকৰণগত বিশুদ্ধতাই ভাল ভাষাৰ নমুনা বুলি ভবাটো যুক্তিহীন। উপযুক্ত শব্দৰ অবিহনে ভাব প্ৰকাশৰ চেষ্টা বিফলপ্ৰায়,— বোবাৰ কক্-বকনিৰ দৰেহে; অথচ অকল ছাত্ৰৰ ক্ষেত্ৰতে নহয় বস্তুত তথাকথিত সাহিত্যিকৰ ক্ষেত্ৰতো এই দুৰ্ব্বলতা প্ৰকট। যথোপযুক্ত ভাববাহক শব্দ প্ৰয়োগৰ অকৃত-কাৰ্য্যতাই বক্তব্য বিষয়ৰ গাম্ভীৰ্য্য, সৌন্দৰ্য্য আৰু আবেদন বহুলাংশে নষ্ট কৰে। অন্ততঃ মাতৃভাষাটোক শ্ৰদ্ধা সহকাৰে শুদ্ধ ভাবে আয়ত্ব কৰিবলৈ শিকাটো ছাত্ৰসকলে ব্ৰত হিচাবে গ্ৰহণ কৰা নিতান্ত আৱশ্যক বুলি ভাবোঁ।

এৰিয়ানৰ ছাত্ৰ-লেখকসকলকে অকল এনেবোৰ দোষত দোষী কৰিবলৈ বিচৰা নাই; সাধাৰণভাৱে সকলো ছাত্ৰৰ বেলিকাই এই কথা খাটে। এই সামগ্ৰিক দৃষ্টিৰ বাহিৰলৈ ওলাব পৰা ছাত্ৰও আছে আৰু সেই সকলে কৃতিত্ব দেখুৱাই আগবাঢ়ি যায়। দৰাচলতে প্ৰথম প্ৰচেষ্টাতে সফলতাৰ শিখৰ বগোৱাৰ স্বপ্ন ভঙ্গত নিজক নেহেৰুৱালে, অকৃতকাৰ্য্যতা জনিত হতাশা ত্যাগ কৰি নিষ্ঠা সহকাৰে অনুশীলনত ব্ৰতী হলে আৰু স্কুল কলেজৰ আলোচনী সম্পাদকে জাননী দিলেহে কিবাকিবি লিখিবলৈ চেষ্টা কৰাৰ অভ্যাস ত্যাগ কৰি লিখাটো দায়িত্বত পৰিণত কৰি লব পাৰিলে যিকোনো অনুৰাগী ছাত্ৰ এদিন সফল হব; ই ধ্ৰুৱপ।

প্ৰকৃত অৰ্থত সমালোচনা কৰিব পৰাকৈ পুৰণি এৰিয়ানৰ বুকুত গল্প আৰু কবিতা বিচাৰি পোৱাটো দুৰূহ; সংখ্যাত যথেষ্ট হলেও মানদণ্ডৰ বিচাৰত মাত্ৰ কেইটামানহে কিছু পৰিমাণে উন্নত। তথাপি আমি এনে কাৰ্য্যত ব্ৰতী হৈছো; আৰু এই ক্ষেত্ৰত এটা যুক্তিকে বিচাৰি পাইছো- হয়তো এনে আলোচনাই আলোচ্য লেখকসকলক নিজৰ সৃষ্টি সম্পৰ্কে আত্মবিশ্লেষণৰ সুযোগ দিব আৰু ভৱিষ্যত আৰ্য্যবিদ্যাপীঠ কলেজৰ ছাত্ৰ সকলৰ বাবে এটা উদ্দীপনা স্বৰূপ হৈ ৰব। ছাত্ৰ সকলক এই বিষয়ত গভীৰভাবে মনোনিবেশ কৰাত ই যদি তিলমানো ইন্ধন যোগায় আমাৰ শ্ৰম সাৰ্থক হ'ব। প্ৰসঙ্গ ক্ৰমে আন এটা কথা উনুকিয়াই ৰাখো যে প্ৰথম তিনি বছৰমানৰ এৰিয়ানৰ অংশীদাৰ আৰ্য্যবিদ্যাপীঠ উচ্চ মাধ্যমিক শাখাৰ ৰচনা বিভিন্ন কাৰণবশতঃ ইয়াৰ অন্তৰ্ভুক্ত কৰিব পৰা নগ'ল; কলেজীয়া স্তৰৰো অপেক্ষাকৃত ভাৱে আকৰ্ষণীয়বোৰহে আলোচনাৰ বাবে ললোঁ।

প্ৰথম সংখ্যা 'এৰিয়ান'ত প্ৰকাশ পোৱা নবেন
'জেমী' নামৰ গল্পটোত এক কাৰুণ্য মিশ্ৰিত বাতাবৰণ পোৱা
গাঁৱলীয়া ছোৱালী জয়া, পিতাকৰ মৃত্যুৰ পিচত আশ্ৰয় লয়
খুৰীয়েকৰ অবৰ্ণনীয় অত্যাচাৰ সহ্য কৰিও ঘৰখনৰ কাম কা
যায়, তাই; কিন্তু হঠাতে খুৰীয়েকৰ মৃত্যু হয়, ঋণৰ অজুহাতত
সুদখোৰ ধনীৰাম বৰুৱাই খুৰাকৰ মাটি-বাৰী আত্মসাৎ কৰে।
নিৰুদ্দেশ হয়, জয়া হৈ পৰে নিঠৰুৱা, ধনীৰাম বৰুৱাৰ শিক্ষি
অজিত বৰুৱাৰ ভীতি প্ৰদৰ্শনত তাই অজিতৰ কামনাৰ
হবলগীয়াত পৰে। ফলত গাঁৱৰ মানুহৰ মনত তাই হৈ পৰে দ্বিচা
কলঙ্কৰ হাত এৰাবলৈ ভবেশ ৰয়ৰ ফুচুলনিত ভোল গৈ ন
অহা জয়া শেষলৈ হৈ পৰে জেমী— এজনী গণিকা। জে
দৈনন্দিন জীৱনৰ মাজতো জয়াৰ জীৱনৰ কল্পনা কৰে আৰু
আবেগৰ বশীভূতা হৈ প্ৰতিশোধ লবলৈ ব্যগ্ৰ হৈ উঠে; কিন্তু
জীৱনৰ সোঁতত বালিভেটাৰ সৃষ্টি কৰা অজিত বৰুৱাক
পায়ো চিনিব নোৱাৰি কয়, "আপুনি যাওক বৰুৱা, ঘৰলৈ
যাওক। কিয় আহে আপুনি ইয়ালৈ ? আপুনি জানো ডাঙৰ
ল'ৰা নহয় ?" এয়া যেন জেমীৰ প্ৰতি নিয়তিৰ পৰিহাস—
matic irony.

'জেমী' চৰিত্ৰত বেশ্যাতকৈ এগৰাকী সহায় সম্ব
নিৰুপায় অথচ মহিয়সী নাৰী স্পষ্ট হৈ পৰিছে। তাইক দো
নোৱাৰি, গালি দিব নোৱাৰি—তাই পুতৌৰ পাত্ৰী। অৱস্থাৰ
পৰিও সহজ ভাবে ভাগ্যৰ বিড়ম্বনা মানি লব পৰা নাই; সেয়ে
মাজত সৎ শক্তি শেষ মুহূৰ্ত্তলৈকে জীয়াই আছিল। তাই সমা
ভালকৈ চিনি পায় আৰু চিনি পায় "ভদ্ৰতাৰ মুখা পিন্ধা এ
নৰপিশাচ যি সকলে চুমাৰ চলেৰে গাৰ ছাল চিঙিবলৈ কু
নকৰে।"

কল্পনাৰ বৈচিত্ৰ আৰু বিশালতা দেখা গৈছে
মজুমদাৰৰ গল্প 'মৃত্যুমুখীৰ স্বপ্ন'ত (৩য় সংখ্যা ১৯৬২)।

পঞ্চম-ষষ্ঠ সংখ্যা (১৯৬৪-৬৫) এৰিয়ানৰ ভাৰত চন্দ্ৰ
'অভিনয়' গল্পটো একে আষাৰতে আকৰ্ষণীয় বুলি কব পাৰি।
প্ৰেমিক লেখক প্ৰণৱ ফুকনৰ ভৰিত কুষ্ঠৰোগ হয়। আনমন
এৰাই ফুৰিবলৈ বিচৰা প্ৰণৱ ফুকনৰ পৰা মীৰাই এদিন
আৱিষ্কাৰ কৰে। অসহনীয় মানসিক যন্ত্ৰণাত মীৰা হৈ পৰে
প্ৰায়; জীৱনৰ স্বাভাৱিক গতি স্তব্ধ হৈ যায় সকলোবোৰতে
লাগে অথচ কাকো নজনায়। কুষ্ঠৰোগীৰ কথা শুনিলেই
ধৰণে মানসিক যন্ত্ৰণাত জৰ্জ্জৰহৈ সকলোবোৰ মানুহকে
অকলে নিজৰ কোঠাত সোমাই থাকে।

মানসিক চিকিৎসক ডঃ ফুকনৰ দৃষ্টিগোচৰলৈ কথাটো আনে, পলাশে। মীৰাৰ লগত কথা বতৰা হৈ, পলাশৰ সহায়ত মীৰাৰ ডায়েৰী পঢ়ি ফুকনে এদিন ৰহস্য উদঘাটন কৰে। কিছুদিন পিচত এদিন দেওবাৰে আবেলি ডঃ ফুকন, পলাশ আৰু প্ৰণৱ ফুকন আহি মীৰাহঁতৰ ঘৰত উপস্থিত হয়। প্ৰণৱে মীৰাৰ কোঠালৈ গৈ নিজৰ চিনাকি দিয়ে, মীৰা আচৰিত, বিশ্বাস অবিশ্বাসৰ সানমিহলি ছাঁ, প্ৰমাণৰ বাবে ৰোগ হোৱা ভৰিখনৰ জোতা খুলি ভাল হোৱা দেখি আনন্দত আত্মহাৰা হৈ পৰে। মীৰাৰ জীৱনৰ স্বাভাৱিক গতি উভতি আহে। মীৰাৰ দেউতাক প্ৰবোধ দুৱৰাই ডঃ ফুকন, পলাশ আৰু প্ৰণৱৰ ভাও দিয়া অভিনেতা অতনু দাসক ধন্যবাদ জনায়। চেহেৰাত সাদৃশ্য থকা অতনু দাসক বিচাৰি উলিয়াইছিল ডঃ ফুকনে প্ৰণৱ ফুকনৰ ফটো এখনৰ ওপৰত ভিত্তি কৰি।

গল্পটোৰ গাঁথনি সুন্দৰ, আটাইবোৰ চৰিত্ৰতে মানৱীয় দিশটোৰ প্ৰতিফলন ঘটিছে। মীৰাৰ প্ৰেম উচ্চ স্তৰৰ। প্ৰণৱে নিজৰ দুৰ্ভাগ্যৰ কথা জনাই তেওঁক পাহৰি যাবলৈ দিয়া উপদেশো সময়োপযোগী, তাত চৰিত্ৰটোৰ মহানুভৱতা প্ৰকাশ পাইছে।

হৰেন্দ্ৰ কুমাৰ ভূঞাৰ 'ভাড়াৰ' (৫ম ৬ষষ্ঠ সংখ্যা ১৯৬৪-৬৫) গল্পটোত এফালে আৰ্থিক অনাটনত জুৰুলা নিম্ন বেতনভোগী অথচ সৎ আৰু উচ্চাভিলাষী ডেকা এজন আৰু আনহাতে অশিক্ষিতা আৰু আধুনিক ফেশ্যনৰ ষোলমাত্ৰাই বিভূষিতা উচ্ছৃঙ্খল যৌনসম্ভোগৰ স্বাদলোৱা এজনী ধনীৰ ছোৱালীৰ মায়াজালেৰে সৎ আৰু শুদ্ধ জীৱন যাত্ৰাত আউল লগোৱাৰ চেষ্টাক সমান্তৰালভাৱে থিয় কৰাইছে। দুয়োটাৰে যোগসূত্ৰ হিচাবে থিয় কৰাইছে এটা ভাড়াঘৰ, এগৰাকী আজলী গাঁৱলীয়া বুঢ়ী আৰু কূটনীতিৰে পূৰ্ণ 'মেকী' সভ্যতাৰ সৃষ্টি এহাল দম্পতী। গল্পটোত বিস্তৃত জীৱনবোধৰ পৰিচয় আছে।

ভবেন বেজৰ 'হবও পাৰে' গল্পটোত (৯ম সংখ্যা, ১৯৬৭-৬৮) অশিক্ষিত সমাজৰ ভীতি মিশ্ৰিত অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিপৰীতে বৈজ্ঞানিক সত্যক প্ৰতিস্থা কৰাৰ চেষ্টা আছে। গল্পটোৰ বক্তব্য কম অথচ আঙ্গিকৰ ফালৰ পৰা উচ্চ পৰ্য্যায়লৈ উন্নীত হৈছে। মানুহ মৰি ভূত হোৱা, ভূতেই উকা ৰূপে উপদ্ৰৱ কৰা বিভিন্ন উদাহৰণৰ মাজেৰে বিশ্বাসযোগ্য কৰি তুলিব পাৰিছে এইবোৰৰ বিৰুদ্ধে কৰা দুঃসাহসিক অভিযানসমূহো বিফল হোৱা প্ৰমাণ কৰি। হৰিধন, ৰমাকান্ত, হৰমোহন, ৰত্নেশ্বৰহঁতৰ ভূত সম্পৰ্কে থকা ব্যক্তিগত অভিজ্ঞতা, হংস বেজৰ ভূত খেদাৰ বৰ্ণনা সঁচা বুলি প্ৰত্যয় নিয়াব পাৰিছে গল্পকাৰে বিশেষ কৌশলেৰে; বীৰেণৰ মাজত থকা দেও ভূত নমনা তজবজীয়া ডেকা লৰাজনো মিথেন গেছৰ কবলত পৰি পৰাজয় হোৱাত অবিশ্বাসৰ ঠাই নাইকিয়া হৈ গৈছে। অৱশ্যে শেষৰ পিনে বক্তৃতাধৰ্ম্মী হৈ পৰাত ইয়াৰ স্বাভাৱিক আকৰ্ষণ বহুলাংশে হ্ৰাস পাইছে। তথাপি বৈজ্ঞানিক যুক্তিক অবিশ্বাস কৰাৰ প্ৰমাণ হৈছে "হবও পাৰে" শব্দ দুটা। তাতেই নামাকৰণো সাৰ্থক হোৱা বুলিব পাৰি। গল্পকাৰ হিচাবে ভবেন বেজৰ উজ্জ্বল ভৱিষ্যতৰ ইঙ্গিত এই গল্পটোত স্পষ্ট।

এৰিয়ানৰ বুকুত দুটা নতুন গল্পই ভুমুকি মৰা কথাটো আধুনিক ছাত্ৰ সমাজৰ আৰু বিশেষকৈ গল্পকাৰৰ জীৱন-জিজ্ঞাসাৰ বহ্নিশিখা আৰু পৰ্য্যবেক্ষণ ক্ষমতাৰ পৰিচায়ক। দুয়োটা গল্পৰে গল্পকাৰ বীৰেণ দত্ত একেজন মানুহ বুলি অনুমান কৰিব পাৰি। প্ৰথমটো গল্প 'এজন বন্ধুৰ মৃত্যু' (৯ম সংখ্যা, ১৯৬৭-৬৮) আৰু দ্বিতীয়টো 'যোগ-বিয়োগ' (১০ম সংখ্যা, ১৯৬৮-৬৯) দুয়োটা গল্পতে কাহিনী, চৰিত্ৰ, সংলাপ কোনোটোকে প্ৰাধান্য দিব নোৱাৰি আৰু এক কথাত সমস্যা প্ৰধান গল্প বুলি কৈ দিয়াটোহে দুৰূহ। 'এজন বন্ধুৰ মৃত্যু' গল্পটোত 'অনুপম চৌধুৰী'য়ে 'নৰহৰি দাস' নামৰ বিচিত্ৰ চৰিত্ৰ এটাৰ লগত পাঠকক পৰিচয় কৰাই দিয়ে। প্ৰথম দৰ্শনতে মানুহক আপোন কৰি লব পৰা, প্ৰতিটো কথাতে আৱশ্যকে অনাৱশ্যকে হো-হোৱাই হাঁহি দিয়া, বিভিন্ন বিপদৰ অচিলা লৈ যাৰে তাৰে ওচৰত দ্বিধাহীন ভাবে ধাৰ বিচৰা, ধাৰ পৰিশোধ নকৰা, নিজৰ ঘৰলৈ পৰিচিত মানুহক নিমন্ত্ৰণ কৰিম বুলি কৈ ইটো সিটোকৈ সদায় একোটা অসুবিধা দেখুৱা নৰহৰি দাসৰ এদিন চাকৰিটো যায়। কিছুদিন কোনো বাতৰি নাই, এদিন হঠাতে সহকৰ্ম্মী অনুপম চৌধুৰীৰ ঘৰ ওলাই নেফাত চাকৰী পোৱাৰ বাতৰি দিয়ে আৰু ঘৈনীয়েকৰ চিকিৎসাৰ বাবে অনুপমৰ পৰা টকা দুশ লৈ ঘৈনীয়েক থকা হস্পিতেলৰ ঠিকনা পৰ্য্যন্ত দি যায়। কিন্তু আচলতে ঘৈনীয়েকৰ অসুখেই হোৱা নাছিল। দুই এজনৰ পৰা খবৰ লৈ দুদিনো অনুপম চৌধুৰী নৰহৰি দাসৰ ঘৰ বিচাৰি উলিয়ালে; দাস ব্যস্ত মানুহ, তেওঁৰ অনুপস্থিতিত ঘৈনীয়েকৰ লগতে কথা বতৰা হয়;— বেচ সাদৰী তিৰোতা, সুন্দৰী, কথা কব জানে ভালকৈ। উভতি অহাৰ পথত অনুপমে লগ পালে মাহী দেৱেকক আৰু আইভীক। কথাই কথাই আগবাঢ়ি গৈ নতুনকৈ কনষ্ট্ৰাকচন হৈ থকা ওভাৰব্ৰীজৰ কাষ পালে আৰু তাত দেখিলে এটা খাকী হাফপেন্ট পিন্ধি অন্যান্য কুলিৰ লগতে কাম কৰি থকা নৰহৰি দাসে লাইট এটাৰ তলত থিয় হৈ একেথৰে চাই আছে অনুপম চৌধুৰীলৈ।

নৰহৰি দাসৰ চৰিত্ৰক কেন্দ্ৰ কৰি গল্পৰ জাল গোঠা আছে, দেখাত ই চৰিত্ৰ প্ৰধান গল্প; কিন্তু আৰ্থিক পৰিস্থিতিয়ে মানুহৰ চৰিত্ৰত বহুৱা সাঁচে সমস্যা প্ৰধান গল্পলৈ উন্নীত কৰিছে। নৰহৰি দাস বৰ্ত্তমন অৰ্থনৈতিক হেঁচাত জন্ম লোৱা এটা বাস্তৱ চৰিত্ৰ। আঙ্গিক তথা কলা-কৌশলৰ ফালৰ পৰা গল্পকাৰ সফল বুলিব নোৱাৰি।

অধিকাংশই বৰ্ণনাৰ মাজেৰে আগবাঢ়িছে, মাজে মাজে কথোপকথন প্ৰয়োগ কৰা হৈছে। নৰহৰি দাস, অনুপম চৌধুৰী, নৰহৰি দাসৰ ঘৈনীয়েক মুখ্য চৰিত্ৰ, এওঁলোকৰ বাহিৰে মলয়া দাস, খগেন ভূএগ্রা আদিৰ প্ৰয়োজন বিশেষ নাছিল। মাহীদেৱেক আৰু আইভী নিষ্প্ৰয়োজনীয় চৰিত্ৰ। উদ্দেশ্য সাধনৰ কাৰণে চৰিত্ৰবোৰ উলিয়াই নানি অন্যধৰণেও গল্পকাৰে উদ্দেশ্য পূৰণ কৰিব পাৰিলেহেঁতেন। শব্দ প্ৰয়োগৰ অমিতব্যয়ীতাই গল্পটো অযথা দীঘল কৰি তুলিছে। গল্পকাৰৰ কৃতিত্ব ফুটি উঠিছে মাজৰ এটা শ্ৰেণীৰ প্ৰতি নিক্ষেপ কৰা সুক্ষ্ম নজৰ আৰু শেষত নৰহৰি দাসক বনুৱালৈ ৰূপান্তৰ কৰি মৰ্য্যাদা দিয়াত। গোটেই জীৱনটো ফাকি দি চলাহী কথাৰে আনক ঠগোৱা নৰহৰি দাসে এইবাৰ যেন আচল জীৱনটোক চিনি পালে। তাতেই 'এজন বন্ধুৰ মৃত্যু' নামাকৰণৰ সাৰ্থকতা, বন্ধু এজনৰ মৃত্যুৰ মাজেৰে এজন মানুহৰ জন্মৰ ইঙ্গিত; কাৰণ "মানুহজনক ইয়াৰ পৰা কোনোমতে নৰহৰি দাস বুলি চিনিব নোৱাৰি।

'যোগ-বিয়োগ' গল্পটো অবয়বৰ পৰিপ্ৰেক্ষিতত এখন উপন্যাস, চাৰিত্ৰিক বৈশিষ্ট্যৰ বিচাৰত কিন্তু মুলতঃ গল্পহে, চুটী নহয় দীঘল ইয়াতো অনুপম চৌধুৰী আছে, নৰহৰি দাস আছে। নিৰলা ভূএগ্রা, মাইনু আৰু তেওঁলোকৰ মাক নৱাগতা। নৰহৰি দাসে সুত্ৰধাৰৰ ভুমিকা পালন কৰি আঁতৰি পৰিছে, অনুপম চৌধুৰী বক্তাৰ ভূমিকা লৈছে। কথা ভাগ গঢ় লৈছে। (কোনো নিৰ্দ্দিষ্ট ঘটনা ইয়াত নাই) নিৰলা ভূএগ্রাক কেন্দ্ৰ কৰি, মাইনু আৰু মাকে অপৰিহাৰ্য্য চৰিত্ৰ হোৱাৰ চেষ্টা কৰিছে। একেবাৰে অনাৱশ্যকীয় চৰিত্ৰৰ মিল ইয়াত নাই। চৰিত্ৰ সৃষ্টি আৰু সমস্যাৰ প্ৰতি সমানে দৃষ্টি দিছে যদিও চৰিত্ৰ কেইটা সমস্যাই সৃষ্টি কৰা। বিক্ষিপ্ত ঘটনাৱলীয়ে ইয়াক anti-storyৰ মৰ্য্যাদা দিছে। বৌদ্ধিক দৃষ্টি কোণেৰে সমাজৰ কেইটামান দিশ চালি-জাৰি চোৱাৰ আগ্ৰহ স্পষ্টতৰ হৈ ধৰা দিছে।

ইংৰাজীত অনাৰ্চ লৈ বি,এ পঢ়া নিৰলা ভূএগ্রাই পৰীক্ষা নিদি চাকৰি কৰি মাক আৰু মইনুৰ দায়িত্ব গ্ৰহণ কৰিব লগাত পৰে। অফিচলৈ অহা যোৱা কৰোতে বহুদূৰ বাট খোজ কঢ়া নিৰলাই আধুনিক কবিতাৰ দুৰ্ব্বোধ্যতাৰ লগত সমাজৰ জটিলতা বিজায়, উপন্যাসৰ বাতৰি জানে, বিবেকৰ কথা কয়, মাকে নিজকে নিজকে দোষী দোষী বুলি ভবা কথা বুজিব পাৰে, ব্যক্তি স্বাধীনতাৰ নামত উচ্ছৃঙ্খল ব্যভিচাৰী জীৱন ঘৃণা কৰে, Paradiese Lostৰ কথাও কব পাৰে, Hitchocockৰ 'The Birds' চাই "চিনেমাখনৰ শেষত মানুহে চৰাইৰ লগত compromise কৰাৰ দৰে" নিজৰ জেদী মনটোৰ লগত অৱস্থাই বাধ্য কৰা হিচাবে compromise কৰাৰ থা চিন্তা কৰে, sexৰ ওপৰত মন্তব্য দিব পাৰে, নিজে কিবা abnormality develop কৰা বুলিও সন্দেহ কৰে আৰু কয়, "ভবিষ্যতে মোৰ কাৰণে কেতিয়াবা এখন দেৱাল, কেতিয়াবা পাহাৰ, নদী, গুহ কেতিয়াবা মহানগৰ, ৰাজপথ আৰু কেতিয়াবা বেশ্যালয়।" নিসন্দে নিৰলা ভূএগ্রা আধুনিক যুগমানসৰ প্ৰতিচ্ছবি, আধুনিক যুৱক-যুৱতী চাৰিত্ৰিক বৈশিষ্ট অস্থিৰতাৰ প্ৰতীক। আধুনিক জীৱনৰ অভিজ্ঞতা পুষ্ট বুদ্ধিদীপ্ত মনটোত কেতিয়াবা অনুভূতিয়ে ক্ৰিয়া কৰে আ তেতিয়াই নিৰলা ভূএগ্রা হৈ পৰে প্ৰগলভা, কথাই কথাই বিদেশী কবিত মাতে। তুলনামূলক ভাবে মাইনুৰ চৰিত্ৰ বায়েক নিৰলা ভূএগ্রাৰ বিপৰী কিন্তু বহুলাংশে নিৰলা ভূএগ্রাৰ দ্বাৰা প্ৰভাৱান্বিত আৰু আধুনিক যু মানসৰ এটা অন্য ৰূপ— এটা মূৰ্ত্ত বিষাদ।

গল্পকাৰৰ বিস্তৃত অধ্যয়ন, জীৱনবোধ, বৌদ্ধিক সত্তাৰ আৰু নিভৃত চিন্তাৰ ই পৰিচয় জ্ঞাপক; বহিৰ্জাগতিক সংঘাততকৈ আধুনিক যুগৰ বুদ্ধিনিষ্ঠ মানসিক সংঘাতৰ নিখুঁট চিত্ৰন। দুৰ্ব্বল বাক্য গাঁথনি আৰু উপস্থাপন ৰীতিৰ দুই এটা দোষ বাদ দিলে নিসন্দেহে ই এটা সুন্দৰ গল্প।

বিশুদ্ধ প্ৰেম আৰু তাৰ পৰিণতি হিচাবে থকা বিচ্ছেদ যন্ত্ৰণাক উপজীব্য কৰি লিখা কেবাটিও গল্প এৰিয়ানৰ পাতত পোৱা যায়। কিছুমান সাধাৰণ ফৰ্মূলা টাইপৰ, ব্যতিক্ৰমবোৰৰ ভিতৰত জয়মতী ডেকাৰ 'অপ্ৰকাশ বেদনাৰ ইতিহাস' (১ম সংখ্যা, ১৯৫৯) ও এটা।

অধৰ চক্ৰৱৰ্ত্তীৰ 'অন্য আকাশ' (৩ সংখ্যা, ১৯৬২) গল্পটোৰ এটা নিজস্ব আবেদন আছে। বিনু আৰু বকুলী এহাল গাঁৱলীয়া ল'ৰা-ছোৱালী, দুয়ো একেলগে ফুৰে, ওমলে। বকুলীয়ে ভুঁই ৰুই থকা মাকক জলপানৰ টোপোলাটো দি থৈয়েই নৈৰ দাঁতিত বিনুৰ লগত ধেমালি কৰি সময় কটায়। ইতিমধ্যে চহৰত চাকৰি কৰা বিনুৰ ককায়েকে মাক আৰু বিনুক চহৰলৈ লৈ যোৱাৰ প্ৰস্তুতি চলায়। বিনু আৰু বকুলীয়ে খেলৰ সময়খিনি কথাপাতি কটাবলৈ ধৰে। কিছুদিন পিচত বিনুক চহৰলৈ লৈ অহা হ'ল, অহাৰ সময়ত বকুলীয়ে বিনুক দেখা নিদিলে, হয়তো অকলে কৰবাত কান্দি আছিল। গল্পকাৰে এহাল সৰল গাঁৱলীয়া শিশুৰ অবুজ আকৰ্ষণটো দক্ষতাৰে বৰ্ণাব পাৰিছে।

অধ্যাপক মিহিৰ দাসগুপ্তৰ 'কুসুমৰ স্বপ্ন' (৯ম সংখ্যা, ১৯৬৭-৬৮) গল্পটোৰ পৰিকল্পনা সুন্দৰ, গাঁথনি উৎকৃষ্ট, বৰ্ণনা সাৱলীল ড্ৰাইভাৰৰ ঘৈনীয়েক কুসুমে ধনী বান্ধৱী এগৰাকীৰ ঘৰলৈ ফুৰিবলৈ যাবলৈ গিৰিয়েকক কৈ মালিকৰ গাড়ীখন লৈ আহিবলৈ সন্মত কৰালে। যথা সময়ত যাত্ৰা আৰম্ভ হ'ল। কুসুমৰ আনন্দৰ সীমা নাই— বান্ধৱী দীপাক আচৰিত কৰি তুলিব আজি। কিন্তু মাজ বাটতে কুসুম যেন কি হ'ল? "বাহিৰৰ মানুহে নিশ্চয় ভুল কৰিব। গাড়ীখন কুসুম আৰু...।" গাড়ীৰ আয়নাত ওচৰা-ওচৰিকৈ দুখন মুখ দেখিলে—

এখন তাইৰ, আনখন ৰাজেনৰ—জপৰা চুলি আৰু দাড়িৰে ভৰা। তাইৰ অসহ্য লাগিল। ৰাজেন দৰমহা খোৱা ড্ৰাইভাৰ। গিৰিয়েকক কৈ তাই গাড়ী ঘূৰাই লোৱালে। উভতি আহোতে তাই আয়নাত মাত্ৰ এখন মুখ দেখিলে— সেইখন ৰাজেনৰ মুখ।

দুয়োটা চৰিত্ৰ গল্পকাৰে সুন্দৰ ভাবে ফুটাই তুলিব পাৰিছে। ৰাজেন সকলো কথাতে যেন নিৰ্বিকাৰ, মাত্ৰ গাড়ী চলাব জানে। তাতকৈ বেলেগ কিবা যদি চিন্তা কৰিব লাগে সিয়ো পৰিয়ালৰ সুখৰ বাবেহে। কুসুমৰ মনত চঞ্চলতা আছে, বান্ধৱীৰ ঘৰলৈ গাড়ীত উঠি গৈ আচৰিত কৰি দিয়াৰ ইচ্ছাও আছে; কিন্তু যদি কোনোবাই ভাবে যে গাড়ীখন কুসুমৰ আৰু ৰাজেন তাৰ ড্ৰাইভাৰ? এই সচেতনতাই তাইৰ পতিপ্ৰেম প্ৰকট কৰি তুলিছে।

'এটি হাঁহি' (৩য় সংখ্যা ১৯৬২) গল্পটোত হিৰণ্য কুমাৰ শৰ্ম্মাই আৰু "এটি মৌ সন্ধিয়াৰ ডায়েৰী" (৫ম, ৬ষষ্ঠ সংখ্যা, ১৯৬৪-৬৫) ত ৱাহিদ উল্লাই হাস্য ৰসপূৰ্ণ ভঙ্গীৰে প্ৰেম সম্পৰ্কীয় বিচিত্ৰ অভিজ্ঞতাৰ কথা কৈছে। 'এটি হাঁহি'ত লেখকে (প্ৰথম পুৰুষত বৰ্ণিত) ৰুবীৰ মিচিকিয়া হাঁহি এটাত ভোল গৈ বলিয়াৰ দৰে হৈ পৰিল, সদায় তাইৰ কথাকে ভাবি থকা হল আৰু এদিন সন্ধিয়া গৈ ৰুবীৰ ঘৰ ওলাল। ভয়ে ভয়ে গৈ দুৱাৰত টোকৰ মাৰি কোনোবা ওলাই আহিব বুলি বাৰান্দাত বহি বহি ৰুবীৰ কথাকে ভাবিবলৈ ধৰিলে। কিছু সময় পিচত ৰুবীৰ মাক ওলাই আহি মানুহ এজন আন্ধাৰতে বহি থকা দেখি কোন বুলি প্ৰশ্ন কৰিলে। এনেতে ভিতৰৰ পৰা "কি অ' মা" বুলি ওলাই অহা ৰুবীয়ে চিনিব পাৰি প্ৰশ্ন কৰিলে— "কিহে? কি খবৰ? বলিয়া হলা নেকি?" লেখকে আবেগ, সঙ্কোচ, উৎকণ্ঠা আদিৰে বিষয় বস্তু আগবঢ়াই নি নাটকীয় মুহূৰ্ত্ত এটাত উপনীত কৰাত সফল হৈছে বুলিব লাগিব। 'এটি মৌন সন্ধিয়াৰ ডায়েৰী' নামৰ গল্পটোত কবিতা নামৰ ছোৱালী এজনীৰ প্ৰতি আকৰ্ষিত নেপুৰ। নেপুৰৰ দুৰ্ব্বলতা যাৰে মুখত কবিতাৰ প্ৰশংসা শুনে তাকেই আপোন বুলি ভাবে। নেপুৰ এই দুৰ্ব্বলতাৰ সুযোগ লৈ বন্ধু কেতবোৰে আকৰ্ষণীয় ভাবে সজাই পৰাই নেপুৰৰ আগত কবিতাৰ কথা কয় আৰু নেপুৰৰ পৰা চাহ, চপ এনেকি চিনেমা চোৱাৰ পইচাও আদায় কৰে। আকৰ্ষণীয় ভাবে আৰম্ভ কৰি গল্পটো আমোদজনক ভাবে শেষ কৰাত গল্পকাৰ কৃতকাৰ্য্য হৈছে। উল্লেখ কৰা গল্পকেইটাৰ বাহিৰেও আৰু কেইটামান প্ৰেমৰ গল্প এৰিয়ানৰ পাতত আছে। সিবোৰত নতুন কিবা এটা দিয়াতকৈ গতানুগতিক ধাৰাৰ প্ৰবাহ স্পষ্টতৰ, আঙ্গিকৰ ফালৰ পৰাও বিশেষ উল্লেখযোগ্য নহয়।

দিন যোৱাৰ লগে লগে সাহিত্যৰ বিষয় বস্তুৰো পৰিৱৰ্ত্তন হৈ আহিবলৈ ধৰে। কল্পনা, ভাৱবিলাসৰ ঠাইত বাস্তৱৰ ৰূঢ়তাই সাহিত্যৰ বুকু অধিকাৰ কৰে। মানুহৰ মনৰ আশা আকাঙ্খাক বাস্তৱ পৰিস্থিতিয়ে কোনো দিনেই সহায় কৰি সফল ৰূপদানৰ বাট মোকোলাই নিদিয়ে। মধ্যবিত্ত জীৱনৰ দুৰ্য্যোগ বাঢ়ি গৈ আছে; নিম্নবিত্ত জীৱনৰ আশা ভাঙি চুৰমাৰ হৈ ধূলিৰ লগত মিহলি হবলৈ ধৰিছে। এৰিয়ানৰ গল্পতো ইয়াৰ প্ৰতিফলন হোৱা দেখা যায়। ভাৰত চন্দ্ৰ শৰ্ম্মাৰ 'যাযাবৰ সঙ্গীত' (৭ম সংখ্যা ১৯৬৫-৬৬) গল্পটোত এজন এম, এ পাচ যুৱকৰ কষ্টপূৰ্ণ জীৱন, ভৱিষ্যতৰ ৰঙীণ কল্পনা ভাঙি চুৰমাৰ হোৱাৰ কথা, তিৰোতা, প্ৰেম এইবোৰ শব্দই মনত তোলা ভীতি মিশ্ৰিত প্ৰতিক্ৰিয়া, চাকৰিৰ মহাৰ্ঘ্যতা আৰু শেষত গুদাম মহৰী হিচাবে এশ টকীয়া দৰমহাৰ চাকৰি কৰি আত্ম-সন্মান, ডিগ্ৰীৰ মৰ্য্যাদা পাহৰি যোৱা আৰু নাৰী, প্ৰেম আদি শব্দক সহজ ভাবে গ্ৰহণ কৰিব পৰা হোৱা অৱস্থাৰ কথা বৰ্ণাইছে। শ্ৰেণী সংঘাতৰ কথা পোনপতীয়াভাবে কোৱা নাই যদিও গল্পকাৰে ইয়াত অৰ্থনৈতিক বিবৰ্ত্তনৰ লগে লগে সমাজত নৈতিক পৰিবৰ্ত্তনৰ কথা কব খুজিছে। একে ধৰণে মিহিৰ ফাংচে 'ভূমিকা' (৭ম সংখ্যা, ১৯৬৫-৬৬) নামৰ গল্পটোৰ পঞ্চায়তৰ 'সভাপতি' আৰু 'সম্পাদক'ৰ অসৎ কাৰ্য্য আৰু দুৰ্নীতিৰ মাজেৰে ঘৃণীয়া সমাজখনৰ বাস্তৱ চিত্ৰ আঁকিছে। 'ত্ৰিভুজ' (৮ম সংখ্যা, ১৯৬৬-৬৭) গল্পটোত ভাৰত চন্দ্ৰ শৰ্ম্মাই তিনিজন প্ৰাপ্ত বয়স্ক ক্ষমতাপন্ন মানুহৰ বিকৃত ৰুচিৰ লগত ইঙ্গিত ধৰ্ম্মী ভাবে আমাৰ পৰিচয় কৰি দিছে. ভবেন বেজৰ 'এটা মুদ্ৰাৰ দুটা পিঠি' (৮ম সংখ্যা, ১৯৬৬-৬৭) আৰু 'মকৰা' (১০ম সংখ্যা, ১৯৬৮-৬৯) নামৰ গল্প দুটাৰ মাজেৰে সমাজৰ সৰু শ্ৰেণীৰ মানুহৰ প্ৰতি কৰা অৱহেলাৰ কথা কৈছে। প্ৰথমটোত সাধাৰণ শ্ৰেণীয়ে ৰূঢ় বাস্তৱৰ লগত কৰা যুঁজ আৰু ক্ষমতা সম্পন্ন লোকে বিনাকষ্টে সুবিধা ভোগ কৰি নিজকে কৃতঃকৃত্য মনাৰ ইঙ্গিত আৰু দ্বিতীয়টোত সুবিধা বাদী, ক'লা বজাৰীহঁতৰ বিৰুদ্ধে মূৰ দাঙি উঠিব নোৱাৰাৰ আক্ৰোশ তীব্ৰতৰ হৈ পৰিছে। মাৰ্ক্সীয় ধাৰাৰে অৰ্থনৈতিক শ্ৰেণী সংঘাতৰ কথা কোৱা নাই যদিও ই তাৰ ভিত্তি ভূমি স্বৰূপ।

এখন কলেজে একোজন ছাত্ৰক সাধাৰণতে চাৰি বছৰতকৈ অধিক কাল আশা কৰিব নোৱাৰে, গতিকে ক্ৰমশঃ উন্নতি লাভ কৰা মানদণ্ডৰ কথাও ভাবিব নোৱাৰে। নতুন নতুন ছাত্ৰ আহি থাকে, নতুনকৈ মানদণ্ড গুৰিৰে পৰা আৰম্ভ হৈ থাকে। তথাপি এৰিয়ানৰ মাজেৰে কেইজনমান ছাত্ৰৰ উজ্বল ভৱিষ্যতৰ ইঙ্গিত আমি পাইছো। এৰিয়ানে সেই সকলৰ গল্প লিখাৰ ধাউতিটো অভ্যাস, তাৰ পিচত

সাধনালৈ ৰূপান্তৰ কৰাত বৰঙণি যোগাব বুলি আশা কৰিব পাৰি। গল্পবোৰত পোৱা মনৰ দিগন্তৰ প্ৰসাৰতা, অভিজ্ঞতা, সূক্ষ্মদৃষ্টি আদিক গল্পকাৰ সকলে অৱহেলা নকৰি ব্ৰতী হোৱাটো কাম্য। সাধাৰণ প্ৰেম প্ৰীতিৰে পৰা আৰম্ভ কৰি জটিল সমস্যা আৰু মাৰ্ক্সীয় ভঙ্গীৰে সমাজ বিশ্লেষণ (মাত্ৰ ফ্ৰয়েদীয় আৰ্হিত psycho analysis নাই) আদিৰ মাজেৰে গভীৰ জীৱনবোধৰ পৰিচয় দিব পৰা ছাত্ৰসকলে ছাত্ৰ জীৱনৰ পিচতো চৰ্চা নেৰক— এৰিয়ানৰ উদ্দেশ্য তেতিয়াহে সফল হব।

কবিতা কি? — পুৰণি হৈও ই এটা নতুন প্ৰশ্ন। বিভিন্ন সময়ত ভিন ভিন কবিৰ হাতত হোৱা পৰীক্ষা নিৰীক্ষাই কবিতাক সদায় নতুনত্ব দি আহিছে আৰু কবি আৰু সমালোচক সকলেও নিজ নিজ দৃষ্টিভঙ্গী অনুসাৰে কবিতাক সংজ্ঞাৰ ভিতৰলৈ অনাৰ চেষ্টা কৰি আহিছে। ৱৰ্ডচৱৰ্থৰ "Spontaneous overflow of powerful feelings" য়েই হওক বা কলেৰিজৰ "best words in the best order" য়েই হওক অথবা শ্যেলীৰ "expression of the imaginson," মেথিউ আৰ্নল্ডৰ "criticism of life য়েই হওক— কবিতা জীয়াই আছে তাৰ স্বকীয় সংবেদনশীলতাৰ বাবে আৰু ই জীয়াই থাকিবও। ১৯৪৪ চনতে লে' হাণ্টে "the perfection of poetical spirit demands it" বুলি কবিতাৰ ছন্দবদ্ধ ৰূপৰ অপৰিহাৰ্য্যতা প্ৰতিপন্ন কৰিছে যদিও তেওঁৰ "what is poetry" শীৰ্ষক আলোচনাটোত এটা বিশেষ মন কৰিবলগীয়া কথা হৈছে— "it embodies and illustrates its impressions by imagination, or images of the objects of which it treats, and other images brought in to throw light on those objects, in order that it may enjoy and impart the feeling of their truth in its utmost conviction and affluence." সাম্প্ৰতিক যুগৰ কবিতাত বন্ধন মুক্তিৰ বিজয়ডঙ্কা কোবাইছে যদিও কল্পচিত্ৰ প্ৰয়োগৰ ক্ষেত্ৰত লে' হাণ্টৰ দৃষ্টিৰ মূল্য এতিয়াও আছে।

সাহিত্যৰ আনবোৰ দিশৰ তুলনাত কবিতাই এতিয়ালৈ অধিক পৰিৱৰ্তনৰ মাজেৰে আগবাঢ়ি আছে। অকল অসম বা ভাৰতৰ কবিতাৰ ক্ষেত্ৰতেই নহয় পৃথিৱীৰ সকলো দেশৰ সকলো ভাষাৰ কবিতাৰ ক্ষেত্ৰতে এই কথা খাটে। অসমীয়া সাহিত্যৰ ক্ষেত্ৰতে পৰিবৰ্তনৰ স্পষ্টতা সুন্দৰকৈ মন কৰিব পাৰি। 'আদি কবি অপ্ৰমাদী, মাধৱ কন্দলীৰ যুগৰ কবিতা (কাব্য)ৰ লগত অসমীয়া ৰোমাণ্টিক কাব্য সাহিত্য নিমিলে, লক্ষ্মীনাথ— চন্দ্ৰ কুমাৰে আৰম্ভ কৰা ৰোমান্তিক সুৰৰ লগত স্বৰ্গীয় অমূল্য বৰুৱাৰ সুৰৰ মিল নাই। হেম বৰুৱা-নৱ বৰুৱাই ৰচনা কৰা কবিতাৰ পৰা একেবাৰে সাম্প্ৰতিক কবিতাও কিছু পৰিমাণে পৃথক।

গল্পৰ পৰিৱৰ্তন প্ৰধানত বিষয়গত, ৰূপগত পৰিৱৰ্তন কম। কবিতাই অকল বিষয়গত পৰিবৰ্তন লাভ কৰিয়েই এৰা নাই ই ৰূপৰ পৰিবৰ্ত্তন দ্ৰুত গতিত লাভ কৰিবলৈ ধৰিছে। ছন্দ-বদ্ধ ৰূপৰ সমান্তৰালভাৱে অমিতাক্ষৰ ৰূপত ধৰা দিয়া কবিতাইও এক নিৰ্দ্দিষ্ট ছন্দৰ অনুশাসন মানি আহিছে। (নৱ বৰুৱাৰ 'অসমীয়া ছন্দ শিল্পৰ ভূমিকা' দ্ৰষ্টব্য); কিন্তু পিচৰ কালত ই স্পন্দিত গদ্যত পৰিণত হৈ শেহলৈ ছন্দৰ অপৰিহাৰ্য্যতা একেবাৰে অস্বীকাৰ কৰিছে। শ্ৰৱণেন্দ্ৰিয়ত ছন্দই তোলা সুৰ-সুৰণিতকৈ, হৃদয়ত সৃষ্টি কৰা আবেগৰ প্ৰৱাহতকৈ মগজুত তোলা আলোড়ণৰ প্ৰতিহে এতিয়াৰ কবিতাত অধিক নজৰ। আঙ্গিক পৰিবৰ্ত্তনৰ লগে লগে আত্মিক পৰিবৰ্ত্তনে কবিতাক বুদ্ধিনিষ্ঠ বিষয় কৰি তুলিছে। ঠায়ে ঠায়ে কল্প চিত্ৰৰ প্ৰয়োগে জটিলতা বৃদ্ধি কৰিছে সঁচা, কিন্তু বৰ্ণনা চমু কৰাত আৰু আবেদন গভীৰ কৰি তোলাত কল্পচিত্ৰৰ মহিমা অতুলনীয়।

'এৰিয়ান'ৰ কবিতা সমূহৰ কিছুমান নীচক পদ্য, কিছুমান পঢ়িব পৰা বৰ্ণনা, কিছুমান সঁচা কবিতা। মুক্তক ছন্দ, কথাছন্দৰ প্ৰয়োগ প্ৰায়বোৰতে আছে; কিন্তু স্বৰূপাৰ্থত কল্পচিত্ৰৰ প্ৰয়োগ থকা কবিতা খুব কম। প্ৰথম সংখ্যা (১৯৫৯) এৰিয়ানত প্ৰকা পোৱা খগেন দত্তৰ 'শতিকাৰ আৱাহন'ত কুৰি শতিকাৰ মানৱ সভ্যতাৰ জয়গান গোৱা হৈছে।

একে সংখ্যাৰ গদাধৰ দত্তৰ 'মই কবি'ত 'এখনি বস্ত্ৰ আৰু এমুঠি অন্নৰ বাবে' হাহাকাৰ কৰা জনতাৰ প্ৰতি সমবেদনা আৰু ধনীক শ্ৰেণীৰ প্ৰতি ঘৃণাৰ ভাৱ প্ৰকাশ পাইছে। দ্বিতীয় সংখ্যাত (১৯৬০) প্ৰকাশিত জিতেন মজুমদাৰৰ 'প্ৰতীক্ষাত' বৰ্ণনাৰ ফালৰ পৰা উন্নত; বিষয় বস্তুৰ ঐক্য সাধনত নিশ্চেষ্ট হৈ পৰা বাবে কবিতা হিচাবে মূল্য দিব নোৱাৰি।

ফণী ভূষণ নাথৰ 'কুন্তলিকা' (৩য় সংখ্যা, ১৯৬২) দীঘল স্পন্দিত গদ্যত বৰ্ণিত, তিনিটা খণ্ডত বিভক্ত। আবেগৰ আতিশায্যত আচল ভাব ঢাক খায়ে বৈ গৈছে। আবেগৰ বশীভূত কবিয়ে শব্দ প্ৰয়োগ সম্বন্ধে সাৱধান হোৱাৰ অৱকাশ নাপালে। (অৱশ্যে ১৯৬২) চন মানত যধে মধে শব্দ প্ৰয়োগ কৰি কবিতা লিখাৰ চখ বহুত ডাঙৰ কবিৰ গাতো দেখা গৈছিল। ভবেন বৰুৱাৰ কবিতা সম্পৰ্কে কৰা আলোচনা ৰামধেনু, আৱাহন আদিত দ্ৰষ্টব্য।)

অধ্যাপক নলিনীধৰ ভট্টাচাৰ্য্যৰ 'হে পৃথিৱী তোমাৰ কোলাত,' (৩য় সংখ্যা, ১৯৬২) কবিতাটোত বস্তুবাদী দৃষ্টিৰ বিপৰীতে শিল্পীৰ দৃষ্টিৰে জগতখনলৈ চোৱাৰ হেঁপাহ প্ৰকাশ পাইছেঃ

"বস্তু ভাৰাক্ৰান্ত এই কোলাত তোমাৰ
ফুলি ৰক জক মক ফুল হৃদয়ৰ
উঠক সফল হৈ স্বপ্ন সুন্দৰম।"

১৯৬৪-৬৫ চনত যুটীয়াভাৱে প্ৰকাশ পোৱা ৫ম আৰু ৬ষ্ঠ সংখ্যা এৰিয়ানৰ কবিতাসমূহে এৰিয়ানৰ কবিতাত কিছু পৰিমাণে হলেও নতুনত্ব আনি দিব পাৰিছে। ইতিমধ্যে কাব্য জগতত প্ৰৱেশ কৰা পৰিৱৰ্ত্তনৰ ঢৌৱে ছাত্ৰ কবি সকলকো স্পৰ্শ কৰাৰ প্ৰমাণ এইবোৰত আছে। কল্পনা আৰু আবেগৰ জগতখন চেৰাই কিছুপৰিমাণে হলেও সঁচা জগতখনলৈ মনোনিবেশ কৰাৰ লক্ষণ আৰু বাস্তৱ সমস্যাক বুদ্ধিৰ দ্বাৰা উপলব্ধি কৰাৰ প্ৰচেষ্টা এইবোৰ কবিতাত ধৰা পৰে। প্ৰণৱানন্দ দেৱ গোস্বামীৰ 'জীৱনক যদি পাব খোজা'ত এক বস্তুবাদী দৃষ্টি ঃ

"—পিয়লা ভৰাই খাবা
আৰু পুৰি যোৱা চিগাৰেটৰ দৰে
দূৰলৈ দলিয়াই দিবা সেই সুৰৰ পিয়লা
জীৱনক যদি পাব খোজা
জীৱনৰ দৰে।"

পূৰ্ণিৰাম বৰাৰ সন্ধ্যাতৰাত এজী বেশ্যা আৰু সভ্য সমাজৰ সম্পৰ্ক ঃ

"....... কাউৰীৰ অশ্লীল গীতত
সমাজ সবাক হয়।"

আৰু একে সুৰতে ৰমেশ শইকীয়াৰ "এটা চাইমুমঃ এক সমীক্ষণ" নামৰ প্ৰতীকী কবিতাটো গঢ় লৈছে। 'এটা চাইমুমঃ এক সমীক্ষণ'ত কোনো এক শাওনৰ বেলি ৰেলিঙত আনন্দমনে বগোৱা কুমজেলুকা এটা দেখি কবিৰ মনলৈ আহিছে এদিন শীত কালৰ ৰাতি কবিয়ে সেই কুমজেলুকাটো বুকুত সাবটি লৈছিল আৰু কিছু পৰৰ মুৰত গাত উকট বিজলুৱা গোন্ধত বিবশ হৈ এৰি দিছিল। বহুদিন পিচত এয়া শাওনৰ আবেলি কবিক দেখি কুমজেলুকাটোৱে ঘৃণাৰে কৈছে ঃ

"তুমি এটা কুমজেলুকা, তোমাৰ হাড় নাই
তোমাৰ তেজ নাই।"

টিকেন্দ্ৰ ভূঞাই 'এজনী বেশ্যা' কবিতাটোত 'এজনী বেশ্যাৰ যৌৱন একুৰা নুমাবলৈ পাহৰা জুই" বুলি মানি লৈও তাই "কাম্য নহয় দিনৰ ভাগত" অথচ "যোগ্য ভোগ্যা বসুন্ধৰা নিশাৰ আন্ধাৰত" বুলি কৈ কুৰি শতিকাৰ সভ্যতাক গৰিহণা দিছে। জনেক চন্দ্ৰ বৈশ্যৰ 'মই জীয়াই থাকিবলৈ বিচাৰোঁ'ৰ মাজেৰে কৈছে যে আমি কিয় জীয়াই আছো নাজানো, অথচ জীয়াই থাকিবগৈ বিচাৰোঁ। চন্দ্ৰ বৰাই 'প্ৰকৃতি ভাল লাগে'ত বিশাল আকাশৰ তলত কিছুমান প্ৰাণী দেখিছে— "লক্ষ্য যাৰ এটি মাত্ৰ বিন্দু, মৃত্যুলৈকে জীয়াই থকাৰ।" 'তিনিটা অটোগ্ৰাফ'ৰ প্ৰথমটোত অধ্যাপক দৰ্প বৰাই হৰ্ষ-বিষাদ-গ্লানি-গৌৰৱ, আৰু দিয়া-নিয়াৰ মাজতো বিচাৰি পাইছে— "জীয়াই থকাৰ অকণি প্ৰাৰ্থনা।"

উক্ত কবিতাবোৰে এৰিয়ানৰ কবিতাত কিছুপৰিমানে নতুনত্ব আনিছে, তথাচ এইবোৰক উৎকৃষ্ট কবিতাৰ শাৰীত পেলাব নোৱাৰি; বেছি ভাগতে মাত্ৰাধিক বৰ্ণনা কাব্য ৰসাস্বাদনৰ অন্তৰায় ৰূপে থিয় দিছে। ৭ম সংখ্যাটোৰ (১৯৬৫-৬৬) কবিতাই তাৰ ঠিক পূৰ্ব্ববৰ্ত্তী সংখ্যাৰ কবিতাৰ ঐতিহ্য হেৰুৱাই পেলাইছে। উপেন্দ্ৰ শৰ্মাৰ 'চিৰন্তন' যেন বিশুদ্ধ কবিতা নহয় তথাপি তাৰ আবেদন মৰ্ম্মস্পৰ্শী, বৰ্ণনা সাৱলীল। সমাজৰ শোষণৰ প্ৰতি এটা উপমাৰ মাজেৰে ঘৃণা প্ৰকাশ পাইছে। অধ্যাপক উমেশচন্দ্ৰ চক্ৰৱৰ্ত্তীৰ 'দুটা কবিতা ঃ এক মুমুৰ্ষুৰ" শীৰ্ষক কবিতা দুটাত প্ৰেয়সীৰ প্ৰতি অনুৰাগ প্ৰকাশ পাইছে। সাধাৰণ দৃষ্টিত ৰহস্যবাদৰ ছিটিকনি থকা যেন লাগে যদিও দৰাচলতে ই পাৰ্থিৱ প্ৰেয়সীৰ উদ্দেশ্যে প্ৰকাশ কৰা অন্তৰৰ আবেগহে।

৮ম, ৯ম আৰু ১০ম— এই তিনিও সংখ্যা এৰিয়ানৰ কবিতাৰ আকৃতি আৰু প্ৰকৃতি দুয়োদিশৰ পৰা লাভ কৰা পৰিৱৰ্ত্তন মন কৰিবলগীয়া। এইবোৰৰ ছন্দত কথাৰ ভাষা, ভাৱত ইঙ্গিতময়ীতা, বৰ্ণনা সংযত আৰু কবিতাবোৰ তুলনামূলক ভাবে চমু। ভাৱ বিলাসিতা, কল্পনা প্ৰৱণতা নোহোৱা নহয়, কিন্তু বৰ্ণনা বাহুল্যবৰ্জ্জিত হোৱাত পেনপেননি কমিছে; ইঙ্গিতেৰে কব খোজা কথা বস্তুৱে কেতিয়াবা হৃদয়ৰ পৰা মগজুলৈও আলোড়ণ বিয়পাব বিচাৰিছে। সৌন্দৰ্য্য ৰূপায়ণ, বাস্তৱ সমস্যাৰ চিত্ৰায়ণ আৰু সৰ্ব্বোপৰি কবি সকলৰ আত্মস্থ ভাব এইবোৰত প্ৰকট। বিৰিঞ্চি কুমাৰ ডেকাৰ 'এথোপা ৰজনী গন্ধা ফুল' কবিতাটো চোৱা যাওক ঃ

"আকাশত ওলমি আছে
এটা জোন
হয়তো এতিয়াই আহিব নামি
খিৰিকীৰ ৰেলিঙেদি
এই ভাব"

সৌন্দৰ্য্যই কবিৰ অন্তৰত সৃষ্টি কৰা আহলাদৰ ব্যঞ্জনা ইয়াত আছে। আহলাদৰ আতিশায্যত কবিয়ে অনুভৱ কৰিছে যেন ওলমি থকা জোনটো খিৰিকীৰ ৰেলিঙেদি (?) নামি আহিব।

"দূৰৈৰ ৰূপালী বালিৰ চৰ
জোনাকত নদীৰ ঢৌ"

— এয়া দৃষ্টিৰ প্ৰসাৰতা তথা বিশালতা। যাৰ মনত সৌন্দৰ্য্যই দোলা দি যায় সি সকলোতে সৌন্দৰ্য্য দেখে।

"নিচুপ এটি মন লৈ
মই ৰৈ আছিলোঁ,"

ইয়াত কবি আত্মস্থ হৈ পৰিছে।

"মোৰ সমুখত ৰৈ আছিল
মোৰ অজানিতে
সেই চিৰন্তন নাৰী"

কোনো নিৰ্দ্দিষ্ট নাৰীদেহ নহয়; চিৰন্তন নাৰী বা সত্বা। আত্মস্থ কবিৰ মনত জোন আৰু নাৰী একাকাৰ হৈ গল। আৱহমান কালৰ পৰা নাৰীয়ে পুৰুষ-হৃদয়ত সঞ্চাৰ কৰি অহা আনন্দ, আবেগৰ লগত জোনৰ সৌন্দৰ্য্য-সম্ভূত আনন্দৰ তুলনাই কথাখিনি বেছি উপাদেয় কৰি তুলিছে।

"হাতত এথোপা ৰজনী গন্ধা ফুল।"

ৰজনী গন্ধা ফুল এটা প্ৰতীক। নাৰীয়ে পুৰুষক আচলতে কি দিয়ে? আনন্দ। এই আনন্দৰ তুলনা নাই। "মোৰ সমুখত ৰৈ আছিল... এথোপা ৰজনী গন্ধা ফুল" লৈ এই image টোৱে বক্তব্য বিষয় স্পষ্টতৰ কৰাত বিশেষ সহায় কৰিছে। বিপুৰ 'অচিনাকি ফুলৰ ৰং' (৮ম সংখ্য, ১৯৬৬-৬৭) কবিতাটোত এটা আক্ষেপ প্ৰকাশ পাইছে ঃ

"...... প্ৰকাণ্ড একুৰা জুই

হলহেঁতেন যদি এইবিধ ফুলৰ ৰং।" ইয়াত 'জুইৰ' ব্যঞ্জনা মুখ্য। ৯ম সংখ্যা (১৯৬৭-৬৮)ৰ কমল শৰ্ম্মাৰ 'কাঁচি জোন'ত সৌন্দৰ্য্য ৰূপায়ণ মুখ্য। কাঁচিজোন হেৰাই যোৱাৰ পিচত নিশাৰ মাদকতা, ৰঙা বেলি ওলোৱাৰ লগে লগে জোনৰ অস্তিত্ব বিলোপ এনেকি স্মৃতিৰ পৰা হেৰাই যোৱাৰ কথাও সুন্দৰকৈ প্ৰকাশ কৰিছেঃ

"তোমাৰ নামৰ আগত আঁকি দিলো
এটা কাঁচিজোন
আৰু তাৰ ঠিক মাজতে এটা সৰু ফোঁট" — জোনটো মৰি

অৰ্থাৎ জোনৰ নামৰ আগত, চিনটো দিলোঁ। একে সংখ্যাৰ পৰমে শীলৰ 'বৰষুণ পৰাৰ শব্দ'ত জীৱনৰ দুটা দিশৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰাৰ উদাহৰণ আছে। এফালে বতাহে কোবোৱা খিৰিকীৰ আয়নাৰ ঝণঝননি— দুৰ্য্যোগপূৰ্ণ জীৱন, আনহাতে বৰষুণ পৰি তিতা মাটিৰ পৰা ওলোৱা সেমেকা গোন্ধ- এটা মিঠা আমেজ। এহাতে স্নায়ুৰ মাজেৰে বৈ গৈছে এক উষ্ণ শিহৰণ আনহাতে নাকত লাগিছে তিতা গাৰ পৰা ওলোৱা লুনীয়া গোন্ধ আৰু সেই শৰীৰৰ গৰাকীৰ (যাৰ জীৱন দুৰ্য্যোগপূৰ্ণ) প্ৰতীক্ষা ক্লিষ্ট মুখৰ ছবি ; প্ৰতীক্ষা বৰষুণ এৰালৈ—দুৰ্য্যোগ আঁতৰালৈ।

পাৰুল বুজৰবৰুৱাৰ "এপাহ ফুল ঃ এটা আশা" (১০ম সংখ্যা, ১৯৬৮-৬৯) কবিতাটোত কল্পনাৰ সুখ আৰু বাস্তৱৰ ৰূঢ়তাত হোৱা মানসিক সংঘাট অঙ্কিত হৈছে ঃ

"মেকুৰীৰ হাতোৰাৰ কোমল থাবা
আৰু জোঙাল নখত
ওলমি থকাৰ ভয়ংকৰ সুখ"

কোমল থাবা আৰু জোঙাল নখৰ ব্যঙ্গাৰ্থ অনুপম। প্ৰফুল্ল শৰ্ম্মাৰ 'বিপৰ্য্যয়' কবিতাটোত (১০ম সংখ্যা আত্ম-উপলব্ধিৰ মাজেৰে বিচাৰি পোৱা নিঃস্বতা আৰু যুঁজত থকা-সৰকা হোৱা জীৱন ঃ

"দেখিলো আমি প্ৰতিজনেই নগ্ন
আৰু আমাৰ সৰ্বাঙ্গত কাঁইটৰ আঁচোৰ।"

তদুপৰি সমুখৰ পথ সুগম নহয় ঃ

"সমুখত সিজু কাঁইটৰ
ঘন অৰণ্য।"

গতিকে নিৰুপায় হৈ ঃ

"পৃথিৱীৰ ফালে উৰি অহা এটি তৰালৈ চাই থৰ হৈ ৰলো।
আমি আটাইবোৰ।"— মানুহৰ জ্ঞানৰ নিঃস্বতা (প্ৰতিজনেই নগ্ন), দুৰ্য্যোগত ক্ষতবিক্ষত হোৱা জীৱন (সৰ্ব্বাঙ্গত কাঁইটৰ আঁচোৰ), উদ্ধাৰৰ উপায়হীনতা, (সমুখত সিজু কাঁইটৰ ঘন অৰণ্য) শেষত কৰা আৰু সমৰ্পণ আৰু এটা ক্ষীণ আশা (পৃথিৱীৰফালে উৰি অহা এটা তৰালৈ চাই থৰ হৈ ৰলো আমি আটাইবোৰ)ৰ ভাৱ ইয়াত স্পষ্ট। কৰি উপলব্ধি বিষাদ মিশ্ৰত।■

# প্ৰেমে সময় নামানে

❒ ড° মহেন্দ্ৰ গগৈ
প্ৰাক্তন ছাত্ৰ



দিনটোৰ সমস্ত কাম শেষ কৰি নিশান্তই নিজৰ বিছনাখনত দীঘল দি পৰিল। দহ বছৰতকৈয়ো অধিক কাল সি জেলত কটালে। যাৱজীৱন কাৰাদণ্ডৰে দণ্ডিত কনভিকটেড প্ৰিজনাৰ সি। তাৰ ভাল ব্যৱহাৰৰ বাবে ইতিমধ্যে ভালেমান দিন জেল কৰ্তৃপক্ষৰ পৰা ৰেমিচন পাইছে। সেই বাবেই আৰু বৰ বেছি দিন সি জেলত কটাব নালাগে।

সি জেলত থকা অৱস্থাতে কেবাজনো জেইলাৰ আহিল আৰু বদলি হৈ গ'ল। কোনো এজনকে সি বেয়া পোৱা নাই। বৰ্তমানৰ জেইলাৰ প্ৰমোদ দাস মানুহজনো বৰ ভাল। দুৰ্নীতি, অন্যায়, অবিচাৰত লিপ্ত নহয়। সি শুনি আছে কিছুমান জেইলাৰে কয়দীৰ খাদ্যৰ পৰা চান কাঢ়ি নিজৰ ঘৰলৈ লৈ যায়। এনেয়ে সপ্তাহত এসাজহে মাছ বা মাংস জেলত খাবলৈ পোৱা যায়। তাৰ পৰাই খাদ্য চান কাঢ়িলে কয়দীয়ে খাব কি! এবাতি পানীত দুই বা তিনিটুকুৰা মাংস।

জেললৈ অহা দিন ধৰি নিশান্তই জেলৰ হাস্পতালতে কাম কৰি আহিছে। হাস্পতালৰ খাদ্য অৱশ্যে বাকীবোৰ কয়দীতকৈ উন্নত। শাৰীৰিকভাৱে অসুস্থ বন্দীকহে ইয়াত ৰখা হয়। গতিকে স্বাভাৱিকতে ইহঁতে প্ৰায়ে গাখীৰ, কণী, মাছ, মাংস আদি খাবলৈ পায়। কিছুমান বন্দীয়ে বেমাৰৰ ভাও ধৰি আহি ইয়াত

থাকিবলৈ চেষ্টা কৰে। কিন্তু জেলৰ ডাক্তৰে ইনেজেকচন্ দিয়াৰ কথা ক'লেই নকল বেমাৰীৰ বেমাৰ নিজে নিজেই ভাল হৈ যায়। গাখীৰ, কণীৰ কথা পাহৰি যায়। কাম কৰা এলাহো মুহূৰ্ততে নোহোৱা হয়। হাস্পতালত চিকিৎসাধীন হৈ থকা বন্দীবোৰে নিজৰ নিজৰ কামৰ পৰা ৰেহাই পায়। গতিকে স্বাভাৱিকতে বহুতেই ভাল খাদ্যৰ লোভত আৰু কাম-বন নকৰাকৈ হাস্পতালত থাকিব বিচাৰে।

বিছনাতে লৰচৰ কৰি নিশান্তই ওপৰৰ চিলিংখনলৈ চালে। আজৰি সময়ত জিৰণী লৈ থাকোতে তাক প্ৰায়ে হাইস্কুলৰ শেষৰ দিনবোৰ, কলেজৰ দিনবোৰৰ স্মৃতিয়ে আমনি কৰে। জচবীৰ বাৰু এতিয়া ক'ত আছে? ইমান দিনে তাই অন্য কাৰোবাক বিয়া কৰাই ঘৰ-সংসাৰ কৰিলে নিশ্চয়। তাইৰ ল'ৰা-ছোৱালীয়ে বোধহয় এতিয়া স্কুললৈ যায়। জচবীৰ কৌৰ নামটোৰ সলনি তাইৰ ঘৰত মতা বেবী নামটো বেছি সহজ। বেবীয়ে বাৰু এতিয়া অসমীয়া কথা ভালদৰে ক'ব পাৰেনে! তাইৰ বাৰু পাঞ্জাবী নে অসমীয়া ল'ৰাৰ লগত বিয়া হ'ল। অসমীয়া ভাষা শিকিবলৈ তাই খুব চেষ্টা কৰিছিল।

আৰু ৰশ্মিতা! কি আকাশ-পাতাল পাৰ্থক্য আছিল বেবী আৰু ৰশ্মিতাৰ মাজত। কিন্তু কথাবোৰ বুজি পাওতে বহুত দেৰি হ'ল নিশান্তৰ। ৰশ্মিতাৰ দৰে বিচিত্ৰ চৰিত্ৰৰ ছোৱালীৰ কথা সি আজিলৈকে শুনা নাই। মূৰৰ ওপৰেদি পাৰ হৈ যোৱা ধুমুহাজাকৰ পিছত সি উপলব্ধি কৰিছিল জীৱনৰ প্ৰকৃত সত্যটো। কিন্তু বহুত দেৰি হৈ গৈছিল তেতিয়া। জীৱনৰ বিধ্বস্ত অধ্যায়টো মেৰামতি কৰাৰ কোনো উপায় নাছিল তাৰ হাতত। উভতি যোৱাৰ সকলো পথ বন্ধ হৈ যোৱাৰ পিছতহে সি গম পাইছিল নিজৰ দুৰ্যোগৰ কথা। সংসাৰত ইমানবোৰ ল'ৰা থাকোতে কেৱল তাৰ জীৱনটোহে ধ্বংস হ'ল কিয় বাৰু! কালৰ কুটিল গতিত সি ভৰি দিলে নৰকৰ পথত। তেতিয়াই ভালদৰে নিজৰ ভৱিষ্যতৰ কথা চিন্তা কৰিলে আজি তাৰ ইমান দুৰ্গতি নহয়। ক্ষন্তেকীয়া উত্তেজনাই মানুহৰ সুখৰ সংসাৰৰ পতন ঘটাব পাৰে মুহূৰ্তৰ ভিতৰতে।

আদালতে নিশান্তক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰাৰ দিনা বেবীয়ে হুকহুকাই কান্দি দিছিল সকলো মানুহৰ সন্মুখতে। সাম্ভাব্য এক পৰিণতিৰ কথা আগতীয়াকৈ মনলৈ অহাৰ বাবে নিশান্তই কোনো প্ৰতিক্ৰিয়াই প্ৰকাশ কৰা নাছিল। অথচ তাৰ বাবে ব্যাকুল আছিল বেবী। তাই বোধহয় মনে-প্ৰাণে কামনা কৰিছিল নিশান্তৰ শাস্তি লঘু হ'ব। আদালতৰ ঘোষণা তাইৰ বাবে অপ্ৰত্যাশিত আছিল নিশ্চয়। সেয়েহে তাই নাৰী জীৱনৰ সমষ্ট লাজ-মান বিসৰ্জন দি ৰাজহুৱা ভাবে প্ৰকাশ কৰিছিল মনৰ ভাব।

সেয়াই আছিল তাইৰ লগত নিশান্তৰ শেষ দেখা। ৰাজহুৱা ভাবে তাক ভাল পাও বুলি কলেও পিছত তাই কিন্তু কোনো দিনেই জেললৈ নাহিল তাক দেখা কৰিবলৈ, মনৰ ভাব প্ৰকাশ কৰিবলৈ। ইমান ডাঙৰ অঘটন এটা ঘটোৱাৰ পিছতো তাই বাৰু কেনেকৈ ক'লে তাক ভাল পাও বুলি। বোধহয় আবেগৰ বশবৰ্তী হৈয়েই তাই কৈছিল কথাবোৰ।

কিন্তু বেবীৰ ভাল পোৱা আছিল সম্পূৰ্ণ একপক্ষীয়। নিশান্তই কোনো দিনেই ভাল পোৱা নাছিল তাইক। সি তাইক অৱজ্ঞাহে কৰিছিল। তাই তাক ভাল পাও বুলি কোৱাৰ পিছতো সি সহাৰি দিয়া নাছিল কোনোদিনেই। তাই আছিল সদা উপেক্ষিতা।

নিশান্তই ভাল পাইছিল ৰশ্মিতাক। এটা সময়ত তাই আছিল তাৰ হিয়াৰ আমঠু। বেবীয়ে কেবাদিনো তাক ৰশ্মিতাৰ লগত দেখিছিল ৰিক্সাত। সেই সময়ত বেবীৰ মনত কেনেধৰণৰ প্ৰতিক্ৰিয়া হৈছিল সেইকথা ভাবিবলৈ আহৰি পোৱা নাছিল নিশান্তই। ইমানখিনি হোৱাৰ পিছতো বেবীয়ে বাৰু তাক কেনেকৈ ভাল পাইছিল। আচৰিত কথা।

নিশান্ত আছিল কলেজ ষ্টুডেণ্টছ ইউনিয়নৰ সমাজ সেৱা বিভাগৰ সম্পাদক। ব্যস্তভাৱে কলেজৰ বাৰান্দাত ঘূৰি থাকোতে এজনী ছোৱালীয়ে তাক পিছফালৰ পৰা মাতিলে— দাদা, অলপ মাত দিবচোন।

নিশান্তই অলপ ৰৈ ছোৱালীজনীৰ ফালে চালে। লগত আৰু এজনী ছোৱালী আছে। দুয়োজনীকে সি ভালদৰে চিনি নাপায়। খুব সম্ভৱ হায়াৰ ছেকেণ্ডাৰী ফাইনেল ইয়েৰৰ ছাত্ৰী। কথা-বতৰা নাপাতিলেও সি কলেজৰ বেছিভাগ ল'ৰা-ছোৱালীকে জানে। ইউনিয়নৰ কামত ব্যস্ত থাকিবলগীয়া হোৱাৰ বাবে দিনটোৰ বেছিভাগ সময় সি কলেজতেই কটায়। দেখি থকা ল'ৰা-ছোৱালীখিনি কোনে কোন ইয়েৰত পঢ়ে সেই কথাও জানিবলৈ চেষ্টা কৰে সি। আগতেও বেলেগ ছোৱালীয়ে তাক তেনেকৈ মাতে নিজৰ নিজৰ সমস্যাৰ কথা ক'বলৈ। যাক যেনেকৈ পাৰে সি সহায় কৰি দিয়ে। লাইব্ৰেৰীৰ কিতাপ ঘৰলৈ লৈ গৈ সময়মতে ঘূৰাই নিদিয়াৰ বাবে হোৱা ফাইন ৰেহাই, কাৰোবাৰ ছাবজেক্ট চেঞ্জ, কাৰোবাৰ ছেকচন চেঞ্জ আদি বিভিন্ন সমস্যাৰ বাবে ল'ৰা-ছোৱালী কিছুমানে ইউনিয়নৰ ল'ৰাবোৰক লগ ধৰে। ল'ৰা-ছোৱালীবোৰে কিন্তু ইউনিয়নৰ অন্যান্য ল'ৰাবোৰ বা জেনেৰেল চেক্ৰেটেৰীতকৈ বেছিকৈ লগ ধৰে তাকহে। ইয়াৰ প্ৰধান কাৰণ হ'ল দিনটোৰ বেছিভাগ সময় সি কলেজত কটায় ল'ৰা-ছোৱালীবোৰেও তাক সহজে বিচাৰি পায়। গতিকে

ছোৱালীজনীয়ে মতা বাবে সি বিশেষ আচৰিত নহ'ল। বৰঞ্চ উৎসাহেৰে সুধিলে—

তোমালোকৰ কি সমস্যা হ'ল কোৱাচোন।

সমস্যা মোৰ নহয়। এইৰহে। এই কথাটো আপোনাক ক'বলৈ টান পাইছে কাৰণে মই মাজত সোমাবলগীয়া হৈছে। এইৰ হেনো আপোনাক কিবা এটা ক'বলগীয়া আছে।

নিশান্তই কথা কৈ থকা ছোৱালীজনীৰ লগৰজনীলৈ এবাৰ চালে। শৰীৰৰ ৰঙটো মিঠাবৰণীয়া। দেখাত সিমান ধুনীয়া নহয় যদিও একেবাৰে কুৎসিত বুলিও ক'ব নোৱাৰি। সহজ ভাষাত ক'বলৈ হ'লে ছোৱালীজনী ধুনীয়া নহয়। তাইৰ মুখলৈ কেইছেকেণ্ডমান চাই নিশান্তই সুধিলে—

কোৱাচোন কি কথা আছিল? সাধ্য অনুসৰি সকলোকে সহায় কৰি দিয়াটোৱেই মোৰ দায়িত্ব।

এইবাৰ ছোৱালীজনীয়ে হিন্দীতে ক'লে—

ইমান ভিৰৰ মাজত মই কথাটো ক'বলৈ অলপ টান পাইছো। নিৰিবিলি ঠাইতহে ক'ব পাৰিম। অৱশ্যে আপোনাৰ সময় নাই যদি পিছত কেতিয়াবা কম। কিন্তু কথাটো সোনকালে ক'বলৈহে মোৰ মন গৈছিল। কাৰণ বহুত দিনৰ পৰাই কথাটোৱে মোৰ মনত খেলা কৰি আছে।

নিশান্তই ভাবিলে ছোৱালীজনী অনা-অসমীয়া। অসমীয়া কথা ক'ব নাজানে। গতিকে নিশ্চয় কিবা অসুবিধা হৈছে। কিন্তু খুলি ক'বলৈ টান পাইছে। কোনোবা ছোৱালীৰ কিবা অসুবিধা হৈছে আৰু ভালদৰে কথা পাতিবলৈ তাৰ সময় নাই সেই কথা হ'বই নোৱাৰে। কলেজৰ ল'ৰা-ছোৱালীখিনিৰ সুখ-দুখৰ প্ৰতি চকু দিয়াটোহে তাৰ প্ৰথম আৰু প্ৰধান কাম। তদুপৰি অহা বছৰৰ কাৰণে তাৰ আন এটা পৰিকল্পনাও আছে। গতিকে কাকো অসন্তুষ্ট কৰিব নোৱাৰে। হাতত সময় নাথাকিলেও সময় উলিয়াব লাগিব। সি মিচিকিয়া হাঁহি মাৰি হিন্দীতে ক'লে—

মোৰ হাতত অফুৰন্ত সময়। ইয়াতে ক'বলৈ অসুবিধা পাইছা যদি বাৰান্দাৰ পৰা নামি যাও। তলেৰে খুব কম ল'ৰা-ছোৱালীয়েহে অহা-যোৱা কৰে। তাতে ক'বলৈ তোমাৰ অসুবিধা নহয় নিশ্চয়।

তাই অলপ থেৰো-গেৰো কৰিলে। কি বা কথা ক'ব! নিশান্তই ভাবিলে। কথাটো ক'বলৈ টান পাইছে কিয়। অলপ বৈ ছোৱালীজনীয়ে ক'লে—

এতিয়া নকও বাৰু। পিছতে কম। আপুনি বেয়া নাপায় যদি দুই বজাত লাইব্ৰেৰীৰ ওচৰলৈ আহিব। এতিয়া মোৰো ক্লাচ আছে। তাতে আপোনাক সকলো কম। অ' আৰু এটা কথা, মই অসমীয়া ভালদৰে ক'ব নোৱাৰো। কিন্তু বুজি পাও। আপুনি অসমীয়াতে ক'লেও হ'ব। দুটা বজাত আপুনি আহিব পাৰিবনে? আহিলে মই খুব ভাল পাম।

পাৰিম। নিশান্তই এটা শব্দেৰে উত্তৰ দিলে।

সঁচা নে? ছোৱালীজনীৰ সন্দেহ দূৰ নহ'ল।

সঁচা। সি পুনৰ ক'লে।

বাই'— ছোৱালীজনীয়ে মিচিকিয়া হাঁহি এটা মাৰি ক'লে। দুয়োজনী ছোৱালী উভতি গ'ল। লগে লগে সিয়ো আহিল ইউনিয়ন ৰুমলৈ।

গোটেই কথাটো নিশান্তৰ অস্বাভাৱিক যেন লাগিল। কিবা যদি অসুবিধা হৈছে ছোৱালীজনীয়ে লগে লগে ক'ব পাৰিলে হয়। বাৰান্দাত ল'ৰা-ছোৱালীবোৰ অহা-যোৱা কৰি থকা বাবে ক'বলৈ টান পাইছে যদি বাৰান্দাৰ পৰা নামি গৈয়ো ক'ব পাৰে। লাইব্ৰেৰীত আকৌ সময় দি লগ ধৰিব লাগে কিয়? তালৈ প্ৰেমিক-প্ৰেমিকাবোৰেহে যায় নীৰলে কথা পাতিবলৈ। কিতাপৰ লগত যাৰ যাৰ সম্পৰ্ক আছে সিহঁতে লাইব্ৰেৰীলৈ গৈ কিতাপ লয়। অথবা ৰিডিং ৰুমত বহি নিজৰ দৰকাৰী কিতাপবোৰ পঢ়ে। কিছুমানে তাতে বহি কিতাপৰ পৰা দৰকাৰী চেপ্টাৰবোৰ লেখি লয়। আনহাতে যিখিনি ল'ৰা-ছোৱালীয়ে অন্তৰংগভাৱে কথা পাতিবলৈ বিচাৰে সিহঁতে বাৰান্দাখনত পিটিপিটাই ফুৰে। কিছুমানে এখোপ আগবাঢ়ি বিল্ডিঙলৈ যোৱা চিৰিত বহেগৈ। আনকি বিল্ডিঙৰ ওপৰো পায়গৈ। সি কথাবোৰ শুনিছেহে। নিজে কিন্তু কোনোদিনে দেখা নাই। আগবেলা বেছিভাগৰে ক্লাছ থাকে বাবে এইবোৰ কাণ্ড পিছবেলাহে ঘটে। এই আদ্দাবোৰ ভাঙি দিয়া দৰকাৰ বুলি তাক এদিন জেনেৰেল চেক্ৰেটেৰী দিলীপ চেতিয়াই কৈছিল। কিন্তু কি হ'ব, লেকচাৰ মাৰিলেও ল'ৰাটো নিয়মিত কলেজলৈ নাহে। তাৰ কাৰণেই ইউনিয়খনে কাম কৰিব পৰা নাই বুলি দুই এটাই বদনামো কৰিবলৈ সাহস কৰিছে। ইউনিয়নৰ লিডাৰটোৰহে দায়িত্ব কলেজলৈ নিয়মিত আহি কাৰ কি অসুবিধা হৈছে খবৰ লোৱাটো। অকল সেয়ে নহয়, কলেজখনৰ বহুবোৰ সমস্যা আছে। এইবোৰ সমাধান কৰাৰ বাবে প্ৰিন্সিপাল ছাৰ আৰু অন্য মেম্বাৰবোৰৰ লগত আলোচনা কৰাৰ দৰকাৰ। তাৰ মাজতে গা-এৰা দিয়া উচিত নহয়। দায়িত্ব পালন কৰা সামৰ্থ নাথাকিলে দায়িত্ব ল'বই নালাগে। কেৱল মানুহক দেখাবৰ কাৰণে অথবা নিজৰ নামটো কলেজত প্ৰচাৰ কৰাৰ বাবে কোনো এটা পৰ্টফলিঅ' দখল কৰাটো উচিত নহয়।

ইউনিয় ৰুমৰ আড্ডাৰ নিশান্তই ছোৱালীজনীয়ে কোৱা কথাটো সিমান চিন্তা নকৰিলে। দুটা বজাত লাইব্ৰেৰীলৈ যাবলৈ স্থিৰ কৰি বাকীবোৰৰ লগত কথা পতাত লাগিল। সিহঁতৰ আলোচনাত বিভিন্ন বিষয়ে স্থান পায়। দেশৰ ৰাজনীতিৰ পৰা আৰম্ভ কৰি কলেজত নতুনকৈ জইন কৰা প্ৰফেচাৰ কিৰণ বৰাই লেকচাৰৰ মাজে মাজে ছোৱালীবোৰলৈ পিৰিক-পাৰাককৈ চাই থকা কথা আলোচনা কৰিলে। কিৰণ বৰাই ইউনিভাৰচিটিৰ পৰা পাচ কৰি আহি পোনে পোনে কলেজত জইন কৰিছে। জুতিকাক হেনো বৰা ছাৰে ইনডাইৰেক্টলি চিনেমা চাবলৈও লগ ধৰিছিল। চিনেমা চাই কেনে পায়, উৰ্বশীত দিয়া নতুন চিনেমাখন চালে নে নাই, নাই চোৱা যদি ছাৰে দেখাব পাৰে। জুতিকাই হেনো ক'লে তাই চিনেমা চাই একেবাৰে বেয়া পায়। চিনেমা হ'লৰ হুলস্থুলবোৰ তাইৰ মুঠেই ভাল নালাগে। ঘৰত ভায়েকহঁতে চিনেমা চায় যদিও তাই কোনো দিনে সম্পূৰ্ণ চিনেমা চোৱা নাই। কেতিয়াবা অলপ সময় চাবলৈ বহিলেও আমনি লগা কাৰণে উঠি আহে। তাইৰ কথা শুনি ছাৰ হতাশ হ'ল। মৃণালে কৈ থকা কথাখিনি শেষ কৰাত অমৃতে হাঁহি মাৰি ক'লে—

ইমানখিনি কথা জুতিকাৰ লগত পাতিবলৈ ছাৰে সুবিধা পালে কেনেকৈ? তাৰ মানে ছাৰে সদায় কলেজত ৰোমাণ্টিক মুডত থাকে। মৃণালে পুনৰ ক'লে—

জুতিকাই সদায় ৰিক্সাত উঠি নিবেদিতাৰ লগত ঘৰলৈ যায়। কিন্তু এদিন নিবেদিতা কলেজলৈ অহা নাছিল। তাইক অকলে খোজ কাঢ়ি গৈ থকা দেখি ছাৰে স্কুটাৰখন কাষতে ৰখাই তাইক কথাখিনি সুধিছিল।

ছাৰে বাৰু তাইক লিফ্‌ট দিম বুলি কোৱা নাছিল নেকি?— অমৃতে সুধিলে।

ৰুমৰ গোটেইকেইটাই তাৰ কথাত গিৰ্জনি মাৰি হাঁহি দিলে। খুব ৰস পালে সিহঁতে কথাটো শুনি। সুৰেখাই হাঁহি হাঁহি ক'লে—

তোৰো যে কথা আৰু। বেলেগ চিন্তা মনলৈ নাহিল নেকি? সকলো সময়ত সেইবোৰ কথাই চিন্তা কৰি থাক।

মৃণালে মাজতে মাত দি ক'লে।

ৰ ৰ অমৃতে ভুল কথা সোধা নাই। ঠিকেই সুধিছে। বৰা ছাৰে সেইটো কথা জুতিকাক সোধা নাছিল ঠিকেই। ইয়াৰো কাৰণ আছে। ছাৰে তাৰ অলপ দিন আগতে মচলা পাই থৈছে। সেইকাৰণে সাহস নহ'ল। ইণ্টাৰেষ্টিং কথা হ'ল অমৃতে কোৱা কথাটো ছাৰে এদিন নমিতাক কৈছিল। নমিতাই উত্তৰত কি ক'লে জান?

নিশান্তই লগে লগে সুধিলে—

কি ক'লে?

তাই ক'লে যে ভগৱানে খোজ কাঢ়িবলৈ ভৰি দুখন দিছে যেতিয়া তাই খোজ কাঢ়িয়েই ঘৰলৈ যাব। নিয়মিত খোজ কাঢ়িলে স্বাস্থ্যৰ পক্ষে ভাল বুলি ডাক্তৰেও সদায় কৈ থাকে। সেই কাৰণেহে ৰিক্সাত নগৈ তাই খোজ কাঢ়িয়েই ঘৰলৈ যায়। আৰু স্কুটাৰত উঠা মানুহবোৰৰ খুব কঁকালৰ বিষ হয়। তাইৰ কথা শুনাৰ পিছত ছাৰে মুখেৰে নামাতি ভো-ভোৱাই গুছি গ'ল।— মৃণালে ক'লে।

হৃষিকেশে এইবাৰ মাত দিলে।

নিজৰ ছাত্ৰীক এনে ব্যৱহাৰ কৰিবলৈ ছাৰৰ লাজ নালাগেনে? কলেজ আৰু ইউনিভাৰচিটিত ছাৰক কোনো ছোৱালীয়ে পাত্তা নিদিলে যেন পাও। অথবা ছাৰৰ কলিৰ কৃষ্ণ হ'বলৈ মন। আমাৰ দৰে ল'ৰাবোৰ থাকোতে বাৰু ছাৰৰ লগত প্ৰেম কৰিবলৈ কোন ছোৱালী যাব? কাৰোবাৰ মগজুৰ বিকৃতি ঘটিব লাগিব তেতিয়াহে ছাৰৰ লগত কোনোবাই প্ৰেম কৰিব। ঘৰলৈ টিউচন কৰিবলৈ যোৱা মাষ্টৰৰ লগত বহুতো ছোৱালীয়ে প্ৰেমত পৰা শুনিছো। আনকি তেনে প্ৰেমৰ পৰিণতিৰূপে ছাত্ৰী-শিক্ষকৰ মাজত বিয়া হোৱাও দেখিছো। কিন্তু কলেজ এখনৰ প্ৰফেচাৰ এজনৰ লগত ক্লাছৰ ছাত্ৰীয়ে প্ৰেম কৰা ঘটনা শুনা নাই। ইমান সন্মানীয় পদ এটাত থাকি এইবোৰ কাম কৰিবলৈ তেওঁৰ লাজ নালাগে নেকি? জুতিকা আৰু নমিতাই সকলো কথা ক্লাছৰ ল'ৰাবোৰৰ আগত কৈ দিয়া বাবেহে আমি আচল কথা গম পালো। তেনেকুৱা আন কোনোবা ছোৱালীও থাকিব পাৰে যিয়ে ছাৰৰ প্ৰস্তাৱ নাকচ কৰি বদনাম হোৱাৰ ভয়তে কথাবোৰ লুকুৱাই ৰাখিছে। অথবা ছাৰে পৰীক্ষাৰ সময়ত কিবা অনিষ্ট কৰিব বুলিও মনে মনে থাকিব পাৰে। জানইতো সকলোৰে সিমান সাহস নাই।

তাৰ কথা শুনি সুৰেখাই ক'লে—

এহ মানুহৰ কথা কি কবি আৰু। কিছুমান মানুহৰ স্বভাৱেই তেনেকুৱা। যিমানে যি নকয় কিয় এইবোৰ মানুহৰ স্বভাৱ সলনি নহয়। কোনোবা দিনা চাবি ছাৰৰ কাৰণে আমাৰ কলেজৰ ভীষণ বদনাম হ'ব। বয়ফ্ৰেণ্ড থকা কোনোবা ছোৱালীক তেওঁ প্ৰপ'জেল দিব আৰু ছোৱালীজনীয়ে বয়ফ্ৰেণ্ডটোক সকলো কথা লগাই দিলে লংকা কাণ্ড হৈ যাব। ছাৰৰ কামবোৰ ঠিক হোৱা নাই বুলি কোনোবা দুজনমানে ভালদৰে তেওঁক বুজাই ক'লে ভাল হয়। কিন্তু মেকুৰীৰ ডিঙিত টিলিঙা আৰিব কোনে?

মোৰ দ্বাৰা সেই কাম নহ'ব দেই। নিশান্তই ক'লে।

সুৰেখাই পুনৰ ক'লে—

তই অকলে যোৱাৰ কথা কোৱা নাই। আমি ইউনিয়নৰ কেইজনমানে ছাৰক ভালদৰে কথাটো ক'ব পাৰিলো হয়। তেতিয়াহ'লে তেওঁৰ এনেধৰণৰ একটিভিটি নিশ্চয় বন্ধ হ'ব। গণ্ডগোল এখন হোৱাতকৈ আমি প্ৰতিকাৰৰ বাবে আগতীয়াকৈ ব্যৱস্থা ল'ব পাৰো। কলেজৰো বদনাম হ'ব।

এহ, ছাৰ আমাতকৈ সৰু নেকি যে আমি তেওঁক বুজাবলৈ যাম। নিজৰ দায়িত্ব নিজে বুজি পোৱা উচিত। মোৰ দ্বাৰাও সেই কাম নহ'ব। সুৰেখা তয়ে যা, ছাৰক কগৈ। —অমৃতে ক'লে।

নাই, নাই ময়ো ক'ব নোৱাৰো। এনেকৈয়ে থাকক দে। —থতমত খাই সুৰেখাই ক'লে।

আলোচনাৰ মাজতে হঠাৎ নিশান্তৰ মনত পৰিল ছোৱালীজনীৰ কথা। ইমান সময় জমাই থকা বাবে কথাটো প্ৰায় পাহৰি গৈছিল। হাতৰ ঘড়ীটো চাই দেখিলে দুটা বাজিবলৈ দহ মিনিট আছে। সি নিজৰ বহা চকীখনৰ উঠি লাহেকৈ ক'লে—

তহঁত বহ। মই অলপ ডিপাৰ্টমেণ্টৰ পৰা আহো।

বাকীবোৰক কোনোধৰণৰ কথা কোৱাৰ সুযোগ নিদি নিশান্ত ওলাই গ'ল ইউনিয়ন ৰূমৰ পৰা। ইউনিয়ন ৰূমৰ বাৰান্দাৰে আগবাঢ়ি গ'ল সি। প্ৰথম চিৰিটোৰে নানামি আগবাঢ়িল লাইব্ৰেৰী অভিমুখে।

বাৰান্দাখনৰ ৰেলিঙত ভেজা দি নিশান্ত থিয় হৈ থাকিল। দুটা বাজিবলৈ এতিয়াও চাৰি মিনিট আছে। ছোৱালীজনী বোধহয় কাটাই কাটাই দুটা বজাতহে আহিব। ইমান সময় সি ছোৱালীজনীৰ কথা ভবাই নাছিল। কিন্তু এতিয়া অকলশৰীয়া অৱস্থাত পুনৰ তাইৰ কথা মনলৈ আহিল। কি কাৰণে বাৰু তাই এনেকৈ লাইব্ৰেৰীৰ বাৰান্দাত লগ ধৰা কথা ক'লে। কলেজৰ কিবা কাম আছে নে অইন কিবা ইন্টাৰেষ্ট আছে। বেলেগ ঠাইতো লগ ধৰাৰ কথা ক'ব পাৰিলে হয়। ইমানকৈ এতিয়া ভাবি আৰু লাভ নাই। কেই মিনিটমান পিছতে তাই আহিব আৰু লগে লগে সকলো উৎকণ্ঠাৰ ওৰ পৰিব। কথাবোৰ ভাবি থাকোতে কেতিয়া আহি ছোৱালীজনী তাৰ কাষত থিয় হ'ল সি ক'বই নোৱাৰিলে। তাই আহিয়ে ক'লে—

হাই।

হেল্লো— নিশান্তই উত্তৰ দিলে।

কথা আৰম্ভ কৰাৰ আগতে মই আপোনাক নিজৰ পৰিচয়টো দিও। মোৰ নাম জচবীৰ কৌৰ। ঘৰত বেবী বুলি মাতে। আপুনিও মোক বেবী বুলি মাতিলেহে ভাল পাম। মই প্ৰায়ে আপোনাক দেখি আছো যদিও আপোনাৰ নামটো নাজানো। মোৰ বান্ধৱীকো আপোনাৰ নামটো মই সোধা নাই। মই ভাবিছো নিজে সুধি লোৱাই ভাল। যদি বেয়া নাপায় নামটো ক'ব নেকি?

নিশান্ত, নিশান্ত বৰদলৈ। এতিয়া কোৱা তোমাৰ অসুবিধাৰ কথা। —সি লাহেকৈ ক'লে।

সি ভাবিলে যিকোনো কথা পতাৰ আগতে পৰস্পৰৰ নামটো জনা দৰকাৰ। বেবীৰ কথাত কোনোধৰণৰ অস্বাভাৱিকতা নাই। তাইৰ কথা শুনাৰ পিছতহে ক'ব পৰা যাব। কামটো কৰিব পাৰে নে নোৱাৰে। এনেকৈ আহি লাইব্ৰেৰীৰ বাৰান্দাত বৈ থাকিবলৈ তাৰ ভাল লগা নাই। তাতে সন্মুখত ছোৱালী এজনী বৈ থাকিলে হয়তো লগৰ কোনোবাই দেখা পাব। অন্তৰংগ অৱস্থাত কথা পাতি থকা বুলি প্ৰচাৰ কৰিলে শেষেই। লগৰবোৰে জোকাই জোকাই তাক হায়ৰাণ কৰি দিব। তেনে এটা অৱস্থালৈ কোনো পধ্যে যাব নোৱাৰি। অৱশ্যে বেবীয়ে কথাটো কৈ লগে লগে বিদায় ল'লে তেনেধৰণৰ অসুবিধা হোৱাৰ সম্ভাৱনা নাই। সেই আশাৰেই নিশান্তই এবাৰ বেবীৰ মুখলৈ চালে। তাই একেথৰে তাৰ মুখলৈ চাই আছে। সি থতমত খাই চকু অন্যফালে ঘূৰালে। তাইৰ বাৰু মতলব কি। কোনো অস্বাভাৱিক কথা নক'লেও চকুৰ চাৱনি কিন্তু অলপ বেলেগ ধৰণৰ। এনেধৰণৰ চাৱনিৰ অৰ্থ সি ভালদৰে বুজি পায়। অকল সিয়ে কিয়, যিকোনো স্বাভাৱিক ল'ৰাই সেই কথা বুজে। বেবীয়ে বাৰু অন্য কিবা কথা চিন্তা কৰিছে নেকি! তথাপি সংযত হৈ সি ক'লে—

সোনকালে কোৱা, মোৰ বহুত কাম আছে। ইয়াতে বৈ থাকিলে অসুবিধা হ'ব।

বেবীয়ে অলপ বৈ ক'লে—

আপুনি মোক আগতে লক্ষ্য কৰিছে নে নাই নাজানো। মই কিন্তু আপোনাক প্ৰায়ে দেখি আছো। আচলতে আনোপাক চাবলৈকে মই কলেজলৈ আহো। সেইকাৰণে এই কেইদিন পঢ়া-শুনাৰ সকলো চিন্তা মোৰ মনৰ পৰা আঁতৰি গৈছে। কথাটো কম কম বুলি ভাবিও আপোনাক ক'ব পৰা নাই। মোৰ বান্ধৱী ডলীয়ে আপোনাক এনেকৈ লগ ধৰি মনৰ কথা ক'বলৈ উপদেশ দিলে। তিনিদিনৰ পৰা চেষ্টা কৰি আজিহে আপোনাৰ সন্মুখত থিয় হৈ কথাটো ক'বলৈ সাহস গোটাইছো। তথাপি মোৰ মনত ভয় এটা সোমাই আছে। মোৰ কথাটোৰ উত্তৰ আপুনি কেনেদৰে দিয়ে বা। আজি এই মুহূৰ্তত একো ক'ব নালাগে। দুদিনমান পিছত আপোনাক পুনৰ লগ ধৰিম। তেতিয়া ৰিপলাই দিলেই হ'ব। এতিয়া কথাটো হ'ল...... কথাটো হ'ল মই আপোনাক ভাল পাও।

লগে লগে বেবীয়ে তলমূৰ কৰিলে। এচাতি শীতল বতাহ যেন নিশান্তৰ ভৰিৰ পৰা মূৰলৈ বাগৰি গ'ল। সি আশা কৰা নাছিল বেবীৰ পৰা এনে প্ৰস্তাৱ পাব বুলি। কি দুঃসাহস, দুঃসাহস বুলিয়েই ক'ব লাগিব। কাৰণ কোনোবা ছোৱালীয়ে ল'ৰাক আগতে প্ৰপজেল দিছে বুলি সি নাজানে। সি যিমানকেইটা পেয়াৰৰ কথা জানে প্ৰত্যেকটো প্ৰপজেল ল'ৰাইহে আগত দিছে। কলেজৰ প্ৰেমিক-প্ৰেমিকা বা বাহিৰৰ প্ৰেমিক-প্ৰেমিকাৰ ক্ষেত্ৰতো সেই একে কথা। প্ৰেমৰ প্ৰস্তাৱটো আগবঢ়াইছে ল'ৰাটোৱে। ছোৱালীৰো এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা আছে। ছোৱালীয়ে কোনোবা ল'ৰাক আগতীয়াকৈ ভাল পাব পাৰে। চকু মুখত সেই ভাব ফুটি উঠিব পাৰে। কিন্তু সি জনাত কোনো ছোৱালীয়ে পেটৰ কথা আগতে প্ৰকাশ কৰা নাই। এটা অন্তৰংগ সম্পৰ্ক স্থাপন হোৱাৰ পিছতহে মনৰ কথা মুখলৈ আহে। তাকো বহুত পলমকৈ। ল'ৰাটোৱে ভাল পায় বুলি নিশ্চিত হোৱাৰ পিছতহে।

বেবীৰ পৰা প্ৰস্তাবটো পোৱাৰ লগে লগে নিশান্ত ভীষণ অস্বস্তিত পৰিল। আচলতে কোনোবা ছোৱালীক যে ভাল পাব লাগে সেই কথা তাৰ মনলৈ এবাৰো অহা নাছিল। প্ৰেম, ভাল পোৱা এই বিষয়টোত তাৰ মুঠেই ইণ্টাৰেষ্ট নাই। কোনোদিনে নভবাকৈ আকস্মিকভাৱে এজনী ছোৱালী আহি তাক ভালপাও বুলি কোৱাৰ লগে লগে সি কি উত্তৰ দিব বাৰু! তদুপৰি শাৰীৰিক সৌন্দৰ্যৰ দিশৰ পৰা তাৰ দৃষ্টিত ছোৱালীজনী মুঠেই আকৰ্ষণীয় নহয়। তাইক ভাল পাও বুলি লগে লগে ক'বলৈ উৎসাহিত নোহোৱাৰ আৰু এটা কাৰণ আছে। বেবী অসমীয়া ছোৱালী নহয়, পাঞ্জাবী ছোৱালী। অসমীয়া ভাষা ভালদৰে ক'বই নোৱাৰে। তেনেধৰণৰ ছোৱালী এজনীক ভাল পাব পাৰি জানো! মুখেৰে হয়তো ভাল পাব পাৰি। কিন্তু অন্তৰেৰে ভাল পোৱা কথাটো চিন্তা কৰিব লাগিব। ইয়াত ভৱিষ্যতৰ কথা আছে। প্ৰেম ভাল পোৱা হ'লে তাৰ মাজত বিয়া বাৰুৰ কথাও আছে। তাৰ ঘৰখনে জানো এজনী অনা অসমীয়া ছোৱালীক বিয়া কৰাবলৈ অনুমতি দিব। নিশ্চয় নিদিয়ে। হয়তো বৰ বেছিকৈ জোৰ দিলে আপত্তি নকৰিব।

ভাল পাও বুলি তাইৰ লগত অলপ দিন এনজয় কৰিব পাৰে। ভালপোৱাৰ অভিনয় কৰি বহুত কিবা-কিবি আদায় কৰিব পাৰি এজনী ছোৱালীৰ পৰা। নিখুত প্ৰেমৰ অভিনয় কৰি তাৰ দৰে বয়সৰ এটা ডেকা ল'ৰাই এজনী গাভৰু ছোৱালীৰ শৰীৰৰ বিভিন্ন ৰহস্য উদঘাটন কৰিব পাৰে। কিন্তু কাৰোবাক মিছা কথা কৈ প্ৰতাৰণা কৰাটো সি কেতিয়াও সমৰ্থন নকৰে। মাজনিশা কেতিয়াবা সূৰ্য্যৰ পোহৰ ওলাব পাৰে, কিন্তু নিশান্তই কোনো ছোৱালীক ঠগাব নোৱাৰে। অইনৰ ক্ষেত্ৰতো সি কোনো অৱস্থাতে এই কথা সমৰ্থন নকৰে। মিছা কথা কৈ কোনোবা ছোৱালীৰ জীৱন ধ্বংস কৰাটো কাপুৰুষৰহে কাম। সি কাপুৰুষ নহয়। কাপুৰুষৰ স্থান নৰকতহে। নিশান্তই ভাবি নাপালে বেবীক এই মুহূৰ্তত কি উত্তৰ দিব। তাৰ অৱস্থাটো অনুভৱ কৰি তাইয়ে ক'লে—

আকস্মিকভাৱে এনে এটা কথা শুনাৰ পিছত হয়তো আপুনি একো এটা সিদ্ধান্ত ল'ব পৰা নাই। মোৰ প্ৰস্তাৱ শুনি আপুনি হতভম্ব হৈছে বোধহয়। আশা নকৰা প্ৰস্তাৱ এটা মোৰ পৰা পাব পাৰে বুলি ভবাও নাছিল। ময়ো কথাটো ভালদৰে অনুভৱ কৰিছো। গতিকে আগতে এবাৰ কৈছো, এতিয়াও পুনৰ কও, ভালদৰে চিন্তা কৰাৰ পিছতহে মোক উত্তৰ দিলে হ'ব। মই আপোনাৰ বিষয়ে ইতিমধ্যে খা-খবৰ লৈছো। কোনো ছোৱালীৰ লগত আপুনি এংগেজ নহয় বুলি নিশ্চিত হোৱাৰ পিছতহে মোৰ মনৰ কথাখিনি কৈছো আৰু মই আশা কৰিছো, আপুনি মোক হতাশ নকৰিব।

নিশান্তই যেন সামান্য সকাহ পালে। তথাপি এই মুহূৰ্তত তাৰ বাবে আটাইতকৈ ডাঙৰ কথা হ'ল এই স্থান পৰিত্যাগ কৰিব লাগে। বেবীৰ সন্মুখৰ পৰা আঁতৰি যাব পাৰিলেই স্বাভাৱিক হ'ব পাৰিব। কিন্তু ছোৱালীজনীকতো কিবা এটা ক'ব লাগিব। একো এটা নোকোৱাকৈ আঁতৰি যাব নোৱাৰি। তাই কি কৈছে সেইটো কথা ডাঙৰ নহয়। বেলেগ নহ'লেও ভদ্ৰতাৰ খাতিৰতে কিবা এটা ক'ব লাগিব। কিন্তু কি ক'ব সি ভাষা বিচাৰি পোৱা নাই। কথাখিনি শুনাৰ পিছত তাৰ মূৰটোৱে ভালদৰে কাম কৰা নাই। হঠাৎ সি অলপ স্বাভাৱিক হ'বলৈ চেষ্টা কৰি ক'লে—

এই বিষয়ত মই এতিয়ালৈকে কোনো চিন্তা কৰা নাই। ঘৰত ভালদৰে ভাবিব লাগিব। তাৰ পিছতহে মই তোমাক জনাম। এতিয়া মই যাও। মোৰ বহুত কাম আছে। বেবীক আৰু কোনো কথা কোৱাৰ সুযোগ নিদি নিশান্ত মুহূৰ্তৰ ভিতৰতে তাৰ পৰা আঁতৰি গ'ল। লাজতে নে অন্য কিবা কাৰণত তাৰ কাণ-মূৰ গৰম হৈ গৈছিল। সি দেখা নাপালে বেবীয়ে তাৰ ফালে চাই এটা আশাৰ হাঁহি মাৰিলে। সি তাইক হতাশ নকৰিব বুলিয়েই তাইৰ মনত দৃঢ় বিশ্বাস।

নিশান্তই দূৰৰ পৰাই দেখিলে ৰূপকে তাৰ অতি মৰমৰ হিৰ' হোণ্ডাখনত বহি আছে চাৰিআলিটোৰ পাণ দোকানৰ কাষত। শকত-আবত ক'লা হঠঙা চেহেৰাৰ ৰূপকক দূৰৰ পৰা দেখিলেও চিনি পোৱাত অসুবিধা নহয়। মটৰ চাইকেল ষ্টেণ্ড কৰি তাতে বহি থকা

দেখিয়েই নিশান্তই অনুমান কৰিলে সি কাৰোবাৰ বাবে অপেক্ষা কৰি আছে। কিন্তু সময়টোহে অসময় হ'ল। ক্লাছ শেষ কৰি তেনেকৈ ৰৈ থকাটো কোনো ডাঙৰ কথা নহয়। কিন্তু ৰাতিপুৱা দহ বজাতে তেনেকৈ ৰৈ আছে কিয়! তাৰ আৰু বন্দিতাৰ মাজত জোৰদাৰ ৰোমাঞ্চ চলি থকা কথা ফ্ৰেণ্ড চাৰ্কোলত সকলোৱে জানে। কলেজৰ এটা পপুলাৰ পেয়াৰ। তথাপি ৰাতিপুৱাৰ পৰাই সি কেনেকৈ বন্দিতাৰ বাবে অপেক্ষা কৰি থকা কথাটোহে জনা নাছিল। ক্লাছ ক্ষতি কৰি পঢ়া-শুনালৈ পিঠি দি ৰোমাঞ্চ কৰা কথাটো নিশান্তই কেতিয়াও সমৰ্থন নকৰে। ৰোমাঞ্চ কৰক, কলেজত পঢ়ি থাকিলে ৰোমাঞ্চ নকৰিলে, জীৱনটো উপভোগ নকৰিলে বুঢ়া বয়সত এইবোৰ কৰাৰ সুবিধা পাব জানো? কিন্তু সেই বুলিয়েই নিজৰ ভৱিষ্যতটোক ভৰিৰে গচকি বৰ্তমানটোক উপভোগ কৰিলে নহ'ব। ক্লাছ শেষ কৰি আজৰি সময়ত মনৰ ইচ্ছামতে ঘূৰিলেও কথা নাই। আজিকালি ল'ৰা-ছোৱালীবোৰৰ বাৰু হৈছে কি? কলেজলৈ অহাটো প্ৰেম কৰাৰ এটা অজুহাতহে মাত্ৰ। কলেজ বন্ধ থাকিলে যে সেইখিনি সুবিধা নাপায়। ছোৱালীবোৰে ঘৰত ফাঁকি দিবলৈ বাহানা নাপায়। এইবোৰ ল'ৰা ছোৱালীৰ বাবে প্ৰেম কৰাটোহে মুখ্য কাম। কলেজত ক্লাছ কৰাটো গৌণ কাম। ক্লাছ কৰিবলৈ হ'লে ব'ৰ হয়। জহন্নামে যাওক পাঠ্যপুথি। মাক-দেউতাকে কত আশা কৰি সিহঁতক কলেজলৈ পঠিয়াই। ভালদৰে পঢ়া-শুনা কৰি ল'ৰা-ছোৱালীবোৰে ভাল ৰিজাল্ট কৰিব। ভৱিষ্যতে প্ৰতিষ্ঠা লাভ কৰিব সমাজৰ গণ্য-মান্য ব্যক্তিৰূপে। ল'ৰাবোৰৰ লগতে ছোৱালীবোৰেও যাতে নিজৰ ভৰিত থিয় দিব পাৰে সেই কথা চিন্তা কৰে আজিকালিৰ মাক-বাপেকে। মাকে দৌৰাদৌৰি ভাত ৰান্ধি খুৱাই পঠিয়াই কলেজলৈ। কিন্তু কলেজৰ চৌহদত ভৰি নিদিয়াকৈ ইহঁতে বাহিৰে বাহিৰে অন্তৰ্ধান হয় এনজয় কৰিবলৈ। নিজৰ মাক দেউতাকক ইহঁতে প্ৰতাৰণা কৰা নাই জানো! আগতে কলেজবোৰৰ কোনোবা এটা ল'ৰাই কোনোবা এজনী ছোৱালীক ভাল পোৱাটো এটা ডাঙৰ খবৰ। এয়া পেয়াৰৰ কথাই কলেজত যথেষ্ট আলোচনা হয়। কিন্তু আজিকালি হৈছে কি! প্ৰত্যেককে লাগে প্ৰেম কৰিবলৈ। আগতে অজানিতে হৈছিল ল'ৰা-ছোৱালীৰ মাজত প্ৰেম। কিন্তু আজিকালি কেৱল প্ৰেম কৰাৰ উদ্দেশ্য লৈহে বহুত ল'ৰা-ছোৱালী কলেজলৈ আহে। পঢ়া-শুনাটো পিছৰ কথা। প্ৰেম কৰাটো যেন ইহঁতৰ পেছাহে। কলেজখনতে কিমান পেয়াৰ আছে সীমা সংখ্যা নাই। প্ৰত্যেক হালক দেখাৰ পিছত বাকী কিছুমান ল'ৰা-ছোৱালীৰো মনটো উৰিবলৈ ধৰে কাৰোবাৰ প্ৰেমত পৰাৰ বাবে। গতিকে পঢ়া-শুনাৰ প্ৰতি ধ্যান দিয়া ল'ৰা-ছোৱালীৰ সংখ্যা ভালেখিনি কমি গৈছে। ভৱিষ্যতে কি কৰি খাব সেই কথা ভাবিবলৈ আহৰি নোহোৱা হৈছে সিহঁতৰ।

হাই ৰূপক, ক্লাছ কৰিবলৈ এৰি ইয়াতে ৰৈ আছ যে! মই ভালদৰে জানো তই কাৰ অপেক্ষাত আছ। তথাপি অসময়ত দেখিহে ধৰিব পৰা নাই তোৰ উদ্দেশ্য কি। তহঁতৰহে দিন। অপেক্ষা কৰিবলৈ যে মানুহ আছে। আমাৰতো হুমুনিয়াহ কাঢ়োতেই ডেকা কাল পাৰ হ'ব।

চিন্তিত মনেৰে থকা ৰূপকৰ ওচৰত ৰৈ হঠাতে নিশান্তই ক'লে। ৰূপকে থত্মত্ খালে। এই সময়ত চিনাকি ল'ৰাই মাত দিয়াটো সি বাঞ্ছা কৰা নাছিল। চিনাকি ল'ৰা বা ছোৱালীক লগ পোৱাৰ আগতেই তাৰ পৰা বন্দিতাক লগত লৈ আঁতৰি যোৱাৰ কথা ভাবিছিল। এই সময়ত আনৰ কথা শুনিবলৈ মুঠেই ইচ্ছা নাছিল তাৰ। কিন্তু নিশান্ত হ'ল তাৰ অন্তৰংগ বন্ধু। তদুপৰি নিশান্তৰ দৰে কলেজৰ পপুলাৰ ল'ৰা এটাক এভইদ কৰা টান। কলেজৰ সমস্ত ঘটনা তাৰ নখ দৰ্পণত। তাৰ আগত ফাকি মাৰিও লাভ নাই। ফাঁকি মাৰিলে ধৰা পৰি লাজত পৰাৰহে সম্ভাৱনা বেছি। সি লাহেকৈ হাঁহি মাৰি ক'লে— আমাৰ দিন, তোৰ বোধহয় ৰাতি। কিন্তু ওলোটাকৈ ভাবিছ তই। দিল্লীক লাড্ডু বুজিছ, এই প্ৰেম ভালপোৱাত পৰিলেও বিপদ, নপৰিলেও মনে নেমানে। এতিয়া প্ৰেমত পৰি মোৰ সমস্যাৰ অন্তই নপৰা হ'ল। ক্লাছ ক্ষতি কৰা কথাটো মই কেতিয়াও সমৰ্থন নকৰো। কাৰণ মোৰ লাইফত এটা এইম আছে। মই আই এ এছ ল'ম। মই দেখুৱাই দিম অসমীয়া ল'ৰাও সৰ্বভাৰতীয় প্ৰতিযোগিতাত আন ৰাজ্যৰ ল'ৰাবোৰৰ তুলনাত কোনো গুণেই কম নহয়। সময় আৰু সুবিধা পালে অসমৰ ল'ৰাইয়ো দেখুৱাই দিব নিজৰ প্ৰতিভা। কিন্তু এতিয়া দেখিছো মোৰ সপোন বাস্তৱত ৰূপায়িত হয় নে নহয় সন্দেহ। ইমান দিনৰ মোৰ মানসিক দৃঢ়তা এতিয়া অস্থিৰ হৈ গৈছে। কথাবোৰ ভাবি মাজে মাজে হতাশো হও।

কিয়, এতিয়া তোৰ মনৰ দৃঢ়তা শিথিল হ'ল কি কাৰণে? তইতো এই কথাটো মোক বহুদিন আগৰে পৰা কৈ আছ। অকল মই কিয়, আমাৰ ফ্ৰেণ্ড চাৰ্কোলৰ সকলোৱে জানে আই এ এছ পোৱাটো হৈছে তোৰ জীৱনৰ লক্ষ্য। এতিয়া তোৰ কি সমস্যা হৈছে বুজি পোৱা নাই আৰু ক্লাছ নকৰি এনেকৈ ৰৈ থকা দেখিহে আচৰিত হৈছো। অৱশ্যে অন্য ল'ৰাৰ ক্ষেত্ৰত মোৰ ক'বলগীয়া নাই। তোৰ ক্ষেত্ৰতহে কৈছো। পঢ়া-শুনাৰ প্ৰতি তই আগৰ পৰাই চিৰিয়াছ। আমাৰতো কেণ্টিনৰ আড্ডাতে বেছিভাগ সময়

অতিবাহিত হয়। কেণ্টিনৰ লগতে ইউনিয়ন ৰুম আৰু কলেজখনত ঘুৰা-পকা কৰি থাকোতেই সময় যায়। তাৰ মাজত কেতিয়াবাহে ক্লাছত ভুমুকি মাৰো। বেলেগৰ কথা কি কবি, ক্লাছত মোক দেখিলে কিন্তু ছাৰহঁত আচৰিত হয়। ৰাস্তা ভুল কৰিহে ক্লাছলৈ যোৱা বুলি কয়। এতিয়া তোৰ অসুবিধা কি অ' ? —নিশান্তই সুধিলে।

অসুবিধা আৰু কি, সপ্তাহত এদিন আমি ক্লাছ নকৰি হাৱা খাবলৈ যাও। আজিৰ কথাটোৱে চা, এতিয়া আমাৰ প্ৰগ্ৰেম হ'ল অপছৰা চিনেমা হ'লত আমি নুন্ শ্ব' চাম। চিনেমা শেষ কৰিও আমি কিন্তু কলেজলৈ নাহো। তাৰ পিছত পাৰ্কলৈ গৈ আড্ডা মাৰিম অথবা কোনোবা ৰেস্তোঁৰাত বহি ঘণ্টাৰ পিছত ঘণ্টা কটাম। আজিৰ দিনটোত পঢ়া-শুনাৰ কোনা কথাই আমাৰ আলোচনাত স্থান নাপায় আৰু এই সকলোবোৰ কাৰ অনুপ্ৰেৰণাত হ'ব জাননে? বন্দিতাই বনায় আমাৰ সকলো পৰিকল্পনা। মই যদি ইয়াৰ প্ৰতিবাদ কৰো তেতিয়াহ'লে কেবাদিনলৈ সন্মুখীন হ'ব লাগিব তাইৰ মান-অভিমানৰ। অইন নহ'লেও তাইক সন্তুষ্ট কৰাৰ বাবেই এনেকৈ বৈ আছো। অৱশ্যে অকল তাইক দোষ দিলেই নহ'ব। ইয়াৰ বাবে ময়ো সমানেই জগৰীয়া কাৰণ বন্দিতাৰ সান্নিধ্য মোৰ ভাল লাগে। তাইৰ লগত থকা সময়ছোৱাত সংসাৰৰ সকলো সমস্যাৰ কথা পাহৰি থাকো। প্ৰথম অৱস্থাত মই ইমান ঘুৰা-ফুৰাৰ সমৰ্থক নাছিলো যদিও পিছলৈ যেন তাইৰ কোনো কথাই প্ৰত্যাখ্যান কৰিব নোৱাৰা হ'লো। মই অৱশ্যে তোৰ আগত ইমান লেকচাৰ নামাৰিলো হয়, যদিহে তই নকলি হয় আমাৰেই দিন বুলি। এইবোৰ কথা তোক ইমান দিন কোৱা নাছিলো। এতিয়াহে কৈছো। এতিয়া গম পালিতো কাৰ দিন আৰু কাৰ ৰাতি।

একেৰাহে ৰূপকে কোৱা কথাখিনি শুনি নিশান্তই অলপ চিন্তা কৰি লাহেকৈ ক'লে—

যি দেখিলো তোৰ সমস্যাৰ অন্তই নপৰিব। তথাপি মই ভাবো তোৰ দৰে ছিৰিয়াছ ল'ৰাই ক্লাছ ক্ষতি কৰা উচিত নহয়। প্ৰেম-ভালপোৱাটো তোৰ বৰ্তমানহে, ভৱিষ্যত নহয়। মোৰ মতেতো বৰ্তমানক ভালকৈ ৰাখিব লাগে যাতে ভৱিষ্যতৰ ভেটি সুদৃঢ় হয় আৰু বন্দিতাৰ প্ৰত্যেকটো কথাই অন্ধভাবে মানি লোৱাটোও তই ঠিক কাম কৰা নাই। বিষয়টো ভালদৰে চিন্তা কৰিহে সিদ্ধান্ত লোৱা উচিত। ক্লাছ শেষ হোৱাৰ পিছতো তইঁতে লগ হ'ব পাৰ। অথবা বন্ধৰ দিনতো প্ৰগ্ৰেম বনাব পাৰ। প্ৰেম কৰিব নালাগে বুলি মই নকও। কৰিবি। কিন্তু তাৰ লগতে ভৱিষ্যতটোও চিন্তা কৰিবি। সদায় সদায় লগ নহৈ সপ্তাহ এটা দিন লগ হ'ব পাৰ। অথবা ক্লাচ ক্ষতি নকৰাকৈয়ো তই বন্দিতাক লগ কৰিব পাৰ। সাপো মৰিল, লাঠীও নাভাঙিল।

সমস্যা হ'ল সেইটোৱে। ক্লাছ শেষ কৰাৰ পিছত লগ হ'লে আমি বেছি সময় একেলগে থাকিবলৈ সুবিধা নাপাও। দেৰিকৈ ঘৰলৈ উভতিব নোৱাৰে বন্দিতাই। তাইৰ বাপেক বাঘৰ দৰে ভয়ংকৰ। অলপ দেৰি হ'লেই দেৰি কৰাৰ কাৰণ সুধিব। ফাকি কেতিয়াবা মাৰিব পাৰে। সদায় নোৱাৰে। বাপেকক তাই ভীষণ ভয় কৰে। বাপেকৰ মুখৰ ওপৰত কোনো কথাই ক'ব নোৱাৰে। তদুপৰি মানুহজনৰ ইগ' আছে। সকলোৰে লগত বন্দিতাই মিলামিচা কৰাটো একেবাৰে পচন্দ নকৰে। সেইবোৰ কথা চিন্তা কৰিয়েই তাইক সদায় শাসনত ৰাখে। আনহাতে তাইৰ মাকো কোনোগুণে কম নহয়। আভিজাত্যৰ ভেম এটা আছে মানুহগৰাকীৰ। তেওঁলোকৰ কাকো ব্যক্তিগতভাবে মই লগ পোৱা নাই যদিও বন্দিতাৰ মুখত সকলো কথা শুনিছো। অন্যৰ মুখতো শুনিছো এই পৰিয়ালটোৰ কথা।

সমস্যা সকলোৰে থাকে তাৰ মাজতে চলিব লাগিব। আশাকৰো তই মোৰ কথাবোৰ ভালদৰে চিন্তা কৰিবি। বুঢ়া মানুহৰ দৰে উপদেশ দিছো বুলি নাভাবিবি।

হাই নিশান্ত কি উপদেশ দিলা কোৱাচোন?

বন্দিতাই কোন তলকত আহি ওচৰ পালে সিহঁতে গমেই পোৱা নাছিল। তাই নিশান্তৰ শেষৰ বাক্যটোহে শুনিছিল। নিশান্তই তাইৰ ফালে চাই হাঁহি এটা মাৰি ক'লে—

বেলেগ উপদেশ কি নো দিম, তাক ভালদৰে পঢ়া-শুনা কৰাৰ কথা কৈছো। ই পঢ়াত ভাল, পৰীক্ষাত ভাল ৰিজাল্ট কৰিব পাৰিব বুলি সকলোৱে আশা কৰিছে।

শুনি বৰ ভাল পালো। ঘৰত থকা সময়খিনি ৰূপক আবদ্ধ থাকে পাঠ্যপুথিৰ মাজত। অ' এটা কথা, তোমাৰ গাৰ্লফ্ৰেণ্ড নাই নহয়?

নাই। এতিয়ালৈকে সেইটো বিষয়ত মোৰ কোনো অভিজ্ঞতা নাই। মোৰ ফালে কোনো ছোৱালীয়ে কেঁৰাকৈও নাচায়।

তুমি বহুত কথাই নাজানা। কেবাজনী ছোৱালীৰ তোমাৰ প্ৰতি ইণ্টাৰেষ্ট আছে কিন্তু মুখ খুলি ক'বলৈ সাহস নকৰে। কেৰাকৈ নহয়, ভালদৰেই চায় তোমাৰ ফালে, তুমিহে গম নোপোৱা।

কতা মইচোন কোনো ছোৱালীকে দেখা নাই মোৰ ফালে চোৱা। অলপ লাজ লাজ ভাবেৰে ক'লে নিশান্তই।

অকৰা ল'ৰা। তুমি দেখাকৈ কোনো ছোৱালীয়ে তোমাৰ মুখৰ ফালে চাই নাথাকে নহয়। চাই ঠিকেই কিন্তু তুমি চালেই অন্যফালে মুখখন ঘূৰাই দিয়ে। তোমাৰ কথা ৰশ্মিতাই মোক সদায় কৈ থাকে। বেচেৰীৰ তোমাৰ বাহিৰে অন্য কাকো ভাল নালাগে। শয়নে-সপোনে কেৱল এটা নাম নিশান্ত। তোমাক লগ পালো ভালেই হ'ল। কালিলৈ তাইক মই লৈ আনিম তোমাৰ ওচৰলৈ।

হে ভহৱানে ইমান দিনে কোনো ছোৱালীয়ে তাৰ প্ৰতি ইন্টাৰেষ্ট দিয়াই নাছিল, এতিয়া ওচৰা-ওচৰিকৈ দুজনী ছোৱালীয়ে ভাল পাবলৈ বিচাৰিছে। নিশান্তই ভাবিলে। এতিয়া কৰিব কি! বেবিয়ে উপযাচি ক'লে মনৰ কথা। ৰশ্মিতা কোন সি নাজানে। ৰশ্মিতাক দেখিছে যদিও নামে মানুহে নাজানে। ইমান দিনে সি প্ৰেম-ভালপোৱা সম্পৰ্কে গভীৰভাৱে চিন্তা কৰা নাছিল। কিন্তু বন্দিতাৰ কথাই তাৰ মনত খেলিমেলি লগাই দিলে। বেবীক কি উত্তৰ দিব! তাৰ ওপৰতে নতুনকৈ এজনীয়ে ভাল পাব বিচাৰে তাক। ৰশ্মিতাক এবাৰ চাব পাৰিলে ভাল হয়। তথাপি মনৰ কথা খুলি ক'ব নোৱাৰি। নিজৰ দুৰ্বলতা বন্দিতাৰ ওচৰত প্ৰকাশ কৰিবও নোৱাৰে। লাহেকৈ ক'লে নিশান্তই।

নাই নাই এতিয়া মোৰ ওচৰলৈ ছোৱালীজনী আনিব নালাগে। কেতিয়া লগ ধৰিম পিছত তোমাক জনাম। প্ৰেম-ভালপোৱা এইবোৰ মোৰ বাবে আচহুৱা শব্দ।

ওহো নহ'ব। এইবাৰ তুমি মোৰ হাতৰ পৰা বাচি যাব নোৱাৰিবা। কালিলৈ ৰশ্মিতাক তোমাৰ ওচৰলৈ আনিমেই। তুমি আপত্তি কৰিলে তাইক লগত লৈ চিধাই ইউনিয়ন ৰূপমলৈ যাম আৰু তাইৰ মনৰ কথা সকলোৰে আগত কৈ দিম। তেনে এটা পৰিৱেশৰ সন্মুখীন হ'বলৈ নিশ্চয় ভাল নাপাবা।

বন্দিতা, তুমি মানুহ মাৰিবা দেখোন। ইউনিয়ন ৰূমত তেনে এটা কথা ক'লে পাৰ্টি দিওতেই মোৰ অৱস্থা কাহিল হ'ব। মোৰ মানিবেগটোৰ ওজন এনেয়ে কম। টকা-পইচা প্ৰায় নাথাকে বুলিয়েই ক'ব লাগিব। দুদিনমান যাবলৈ দিয়াচোন। কথাটোময়ো অলপ ভালদৰে চিন্তা কৰো। জীৱনৰ এটা জটিল সিদ্ধান্ত ল'বলৈ মোক অলপ সময়ৰ প্ৰয়োজন।

বুঢ়া মানুহৰ দৰে কথাবোৰ নকবাচোন। এইটো বয়সত জীৱনটো উপভোগ নকৰিলে কৰিবা কেতিয়া? ধুনীয়া ছোৱালী এজনীয়ে তোমাক প্ৰপ'জেল দিব বিচাৰিছে তাৰ উত্তৰ দিওতে ইমানকৈ ভাবিবলৈ কিতো আছে? তুমি হাজাৰ অজুহাত দেখুৱালেও মই তোমাক এৰাত নাই। বুঢ়াৰ হাতত চেঙেলী পৰিছা। কালিলৈ ৰাতিপুৱা দহ বজাত ইয়াতে বৈ থাকিবা। ৰশ্মিতাক মই লৈ আনিম। নাহিলে কিন্তু ইউনিয়ন ৰূমলৈ গৈ সকলোকে কৈ দিম। গতিকে নহাকৈ নাথাকিবা। ৰশ্মিতা বিৰাট ধুনীয়া ছোৱালী। এবাৰ লগ পালে তুমি তাইক সদায় লগ পাবলৈ বিচাৰিবা। লগ পোৱাৰ পিছত তাইক কোনোপধ্যেই প্ৰত্যাখ্যান কৰাৰ সাহস তোমাৰ যে নহ'ব সেইকথা এতিয়াই গেৰাণ্টি দি ক'লো। তোমাৰ লগত লেকচাৰ মাৰি থাকিলে আমাৰ দেৰি হ'ব। আমি যাও। কালিলৈ ঠিক দহ বজাত ইয়াতে ৰূপক যাও ব'লা।

ৰূপকে বাইক ষ্টাৰ্ট দিলে। বন্দিতাই আৰু কোনো কথা কোৱাৰ সুযোগ নিদিলে নিশান্তক। 'বাই' বুলি হাঁহি মাৰি তাই হাত দেখুৱালে। মুহূৰ্তৰ ভিতৰতে বাইকৰ চাইলেঞ্চাৰৰ ধোঁৱা উৰুৱাই ৰূপক আৰু বন্দিতাই সেই ঠাই পৰিত্যাগ কৰিলে। শিলপৰা কপৌৰ দৰে নিশান্তই কেইছেকেণ্ডমান থিয় হৈ থাকিল। বন্দিতাই যি কৰিম বুলি কয় কৰিবই! কালিলৈ নাহিলে ৰাজহুৱাভাৱে সকলোৰে আগত ক'ব কথাটো। গতিকে কোনোপধ্যেই নিস্তাৰ নাপায়। তেন্তে সঁচাকৈয়ে সি প্ৰেমত পৰিব নেকি! ডিগ্ৰী পঢ়ি থকা ল'ৰা এটাই কলেজৰে ধুনীয়া ছোৱালী এজনীৰ ভালপোৱাৰ প্ৰস্তাৱত সহাৰি দিবলৈ গভীৰভাৱে চিন্তা কৰাৰ প্ৰয়োজন আছে জানো! কিন্তু বেবীৰ কি হ'ব। তাইতো বৰ আশাৰে তাক ভালপাও বুলি ক'লে। তাইতো ৰশ্মিতাতকৈ আগেয়ে কৈছিল। বেবীৰ কথাটো বন্দিতাক ক'বলৈ তাৰ সাহস নহ'ল কিয়। বেবীয়ে তাক আকৰ্ষণ কৰিব পৰা নাই নেকি! তাইৰ কথাটো খুলি ক'লে বন্দিতাই নিশ্চয় জোৰ দি ধৰিব নোৱাৰিলেহেঁতেন। তেনে অৱস্থাত বেবীৰ প্ৰস্তাৱৰ উত্তৰ দিওতে বিভিন্ন অজুহাত দেখুৱাই সময়বোৰ পাৰ কৰিব পাৰিলে হয়। ৰশ্মিতাক ভালপাও বুলি কৈ তাইক ভাল নাপাও বুলি কোৱাটোও তাৰ বাবে কঠিন কাম হ'ব। তেনে অৱস্থাৰ সৃষ্টি হ'লে বেবীয়ে মনত নিশ্চয় দুখ পাব। অৱশ্যে সেইটো যুক্তিৰে মনে নামানিলেও জোৰ কৰি বেবীক ভাল পাব নোৱাৰে নিশান্তই। তাৰ জীৱন সংগী ধুনীয়া হোৱাটো বাঞ্চনীয়। তেতিয়াহে মনে-প্ৰাণে ভাল পাব পাৰিব এজনী ছোৱালীক। সি বাৰু খুব স্বাৰ্থপৰ নেকি?

ৰাতি বহুত দেৰিলৈকে শুব পৰা নাছিল নিশান্তই। দিনত ৰশ্মিতাক লগ পোৱাৰ পিছত তাৰ মনটো অস্থিৰ হৈ গৈছিল। সি কল্পনা কৰাতকৈয়ো বেছি ধুনীয়া তাই। প্ৰায় আধা ঘণ্টা বাটৰ কাষত থিয় কথা পাতিছিল ৰশ্মিতাৰ লগত। সময়বোৰ পাখী লগা কাৰ্ডৰ দৰে দ্ৰুত গতিত আঁতৰি গৈছিল তাৰ ওচৰৰ পৰা। অত্যন্ত ইচ্ছা থকা স্বত্বেও সি ধৰি ৰাখিব পৰা নাছিল মিনিট ছেকেণ্ডবোৰক।

সিহঁতহালে মুখামুখি হোৱাৰ পিছত বন্দিতায়ো সময় খৰচ কৰিবলৈ কৃপণালী কৰিছিল। আনুষ্ঠানিকভাৱে সিহঁতহালক চিনাকি কৰি দিয়াৰ পিছতেই তাই হেৰাই গৈছিল জন সমুদ্ৰত।

বগা মুখাবয়ৰ টিক্‌টিকিয়া ৰঙা লিপষ্টিক বোলোৱা ৰশ্মিতাৰ ওঠ দুটা অহৰহ কথা কওতে সঘনাই লৰি আছিল। নিশান্তই অনুভৱ কৰিছিল তাই যেন কথা কোৱা নাই, মৌহে বৰষিছে। তাইৰ মুখৰ পৰা নিৰ্গত হোৱা প্ৰত্যেকটো শব্দই হৃদয় স্পৰ্শ কৰিছিল নিশান্তৰ। ইমান সুন্দৰী গাভৰু এজনীৰ প্ৰেম-ভালপোৱা প্ৰত্যাখ্যান কৰাৰ সাহস তাৰ নাই। অকল সি বুলিয়েই নহয়, যিকোনো যুৱকে ৰশ্মিতাক না কৰিব নোৱাৰে। স্বাভাৱিক অনুভূতিৰ যিকোনো যুৱকৰ বাবে ৰশ্মিতা হ'ব সপোন সুন্দৰী।

ইমানদিনে নিশান্তই কলেজত ৰশ্মিতাক লক্ষ্য কৰা নাছিল কিয়! তাইক আগতে দেখিলে বন্দিতাৰ প্ৰস্তাৱ দ্বিতীয়বাৰ চিন্তা কেতিয়াও নকৰে। বোধহয় অন্য চিন্তাত ব্যস্ত থকাৰ বাবেই তাইক লক্ষ্য কৰা নাছিল। সি মনে মনে বন্দিতাক ধন্যবাদ জনালে ইমান ধুনীয়া এজনী লাইফ পাৰ্টনাৰ ঠিক কৰি দিয়াত। কলেজৰ ভালপোৱাই তাৰ ভৱিষ্যত জীৱনৰ ভেটি। কলেজত ৰশ্মিতাৰে হোৱা বুজাবুজি আৰু ভালপোৱাই তাৰ ভৱিষ্যতত সুখ আৰু শান্তিৰ নিজৰা বোৱাব। মানুহে কল্পনা বহুতো কৰে কিন্তু সকলোবোৰ বাস্তৱত ৰূপায়িত নহয়। তথাপি নিশান্তই ভাবিলে মনে-প্ৰাণে, এদিন সি সকলো বাধা-বিঘিনি নেওচি হ'লেও ৰশ্মিতাক জীৱনসঙ্গী কৰি ল'ব।

গোটেই দিনটো সি অস্থিৰভাৱে ঘূৰা-ফুৰা কৰিছিল কলেজত। কোনো ঠাইতে ভালদৰে মন বহুৱাব পৰা নাছিল। তাৰ অস্বাভাৱিক আচৰণত অবাক হৈছিল বন্ধুবৰ্গ। কোনেও কিন্তু সুধিব পৰা নাছিল মুখ খুলি। প্ৰেমত পৰিলে বাৰু কেইদিনমানৰ বাবে মানসিক স্থিৰতা নোহোৱা হৈ যায় নেকি!

আবেলি সময়ত নিশান্তই দূৰৰ পৰাই দেখিছিল বেবীক। তায়ো দেখিছিল তাক। তাইৰ মিচিকিয়া হাঁহিটোৰ উত্তৰত সিয়ো হাঁহিবলৈ চেষ্টা কৰিছিল যদিও সি অনুভৱ কৰিলে তাৰ মুখখন যেন বিকৃতহে হৈছিল। হাঁহিৰে যোগ্য প্ৰত্যুত্তৰ দিয়াত সি ব্যৰ্থ হৈছিল সম্পূৰ্ণৰূপে। সি বোধহয় কোনোদিনেই বেবীক অন্তৰ খুলি হাঁহিৰে আদৰণি জনাব নোৱাৰে। তাইৰ হাঁহিটো দেখি কেইটামান মুহূৰ্তৰ বাবে তাইক দানৱী যেনহে লাগিছিল তাৰ।

বিছনাত বাগৰি নিশান্তই বহু সময় ৰশ্মিতাৰ লগতে বেবীৰ কথাও ভাবিছিল। ৰশ্মিতাৰ উপস্থিতিত বেবীক ভাল পোৱাৰ প্ৰশ্নই উঠিব নোৱাৰে। তথাপি মনত দুখ নিদিয়াকৈ তাইক এভইদ কৰিব পাৰিলে ভাল। তাইক কোনোদিনেই ভাল পাব নোৱাৰে সি। গতিকে আশা দি থাকিব নোৱাৰে। তাৰ মনৰ কথাটো কেনেবাকৈ জনাই দিব লাগিব। কিন্তু কয় কেনেকৈ! সি ভাল নাপাও বুলি ক'লে অলপ দিন হয়তো বেবীয়ে মনত খুব দুখ পাব। কিন্তু সময়ৰ গতিত সকলো পাহৰি যাব। তাইৰ মোহ খন্তেকীয়া বুলি সান্ত্বনা লভিব পাৰে। কলেজ, ইউনিভাৰচিটিত বহুতো ল'ৰা-ছোৱালীৰে প্ৰেম হয় কিন্তু সকলোৰেতো প্ৰেম সফল নহয়। তাতে সি বেবীৰ প্ৰস্তাৱত সন্মতি দিয়া নাই। গতিকে প্ৰেম নহওতেই বিচ্ছেদৰ কথা নাহে। এটা দুঃস্বপ্নৰ দৰেই সকলো পাহৰি যাব পাৰিব তাই। আনহতে কেৱল ভালপোৱাৰ খাতিৰতে যদি তাক ভাল পাব বিচাৰিছে তেন্তে কোনোবা অন্য ল'ৰাকো ভাল পাব পাৰিব। নিশান্তৰ এটা ডাঙৰ সমস্যা হ'ল নিগেটিভ আনচাৰটো বেবীক জনোৱা যায় কেনেকৈ! এটা গভীৰ সমস্যাই দেখা দিলে। হঠাৎ তাৰ মনলৈ সমস্যাটোৰ সমাধান সূত্ৰ এটা আহিল। আচল কথাটো ৰশ্মিতাক ক'লে। তায়ো দেখোন তাৰ সংকট মোচন কৰিব পাৰে।

সঁচাকৈয়ে ৰশ্মিতাই নিশান্তৰ মূৰৰ পৰা এটা গধূৰ বোজা আঁতৰাই দিছিল। তাই বেবীক লগ ধৰি পোনপতীয়াকৈ কৈছিল—

চোৱা বেবী তুমি মোক বেয়া নাপাবা। নিশান্তই তোমাৰ বিষয়ে মোক সকলো কথা কৈছে। কিন্তু তুমি এটা কথা নাজানা, নিশান্তই মোক ভাল পোৱা এবছৰ হ'ল। গতিকে তোমাক তেওঁ ভাল পাব নোৱাৰে। নিজে কথাখিনি ক'ব নোৱৰা বাবে মোক ক'বলৈ দিছে। আশাকৰো তুমি হতাশ নহ'বা। তোমাৰ প্ৰয়োজন হোৱা অন্য সকলোধৰণৰ সহায় কৰি দিবলৈ তেওঁ প্ৰস্তুত আছে। এইটো বিষয় ইমানতে সমাপ্ত কৰিলে ময়ো ভাল পাম। আমাৰ সকলোৰে বাবে মংগল হ'ব।

বেবীয়ে মুখেৰে মাতিব পৰা নাছিল। হয়তো তাই কল্পনাই কৰা নাছিল, নিশান্তৰ সলনি অন্য কোনোবা এজনী ছোৱালী আহি মনটো দমন কৰি ৰাখিবলৈ উপদেশ দিব। কোনোদিনে ছোৱালীৰ লগত ঘূৰা-ফুৰা নকৰা নিশান্তৰ গাৰ্লফ্ৰেণ্ড মাটি ফুটি ওলাল নেকি! আগৰ পৰাই কোনোবা এজনীৰ লগত ঘূৰিলে নিশ্চয় তাইৰ চকুত পৰিলে হয়। তদুপৰি কেবাগৰাকী বান্ধৱীক নিশান্তৰ বিষয়ে সোধাৰ পিছতহে তাই নিশ্চিত হৈছিল, সি কাৰো লগতে এংগেজ নহয়। নতুন কথাবোৰ তাই মানি নলয় কোনোপধ্যে ল'ব নোৱাৰে। তাই এনেয়ে বহিও নাথাকে। তথাপি মুখেৰে নামাতি তাই আঁতৰি গৈছিল। ৰশ্মিতাই তাইৰ ফালে বহুসময়ত চাই হাঁহি এটা মাৰিছিল অকলে অকলে। বিজয়ৰ হাঁহি।

এটা মাহ পাৰ হ'ল চকুৰ পঁচাৰতে। কলেজ খোলা প্ৰত্যেকদিনতে নিশান্তই লগ পাইছে ৰশ্মিতাক। তাৰ মাজতে সিহঁতহালে চিনেমা চাইছে, ৰেষ্টোৰাত বহিছে, পাৰ্কত বহিছে ঘণ্টাৰ পিছত ঘণ্টা। যিবোৰ কাম নকৰিবলৈ ৰূপক আৰু বন্দিতাক সি উপদেশ দিছিল সেইবোৰ কাম সি নিজে কৰা হ'ল। ৰশ্মিতাই যেন উন্মাদ কৰিছিল তাক। তাইৰ সান্নিধ্যৰ পৰা এটা দিন বঞ্চিত হ'লেই তাৰ কাম-কাজত চঞ্চলতা ফুটি উঠিছিল। অনাগত বছৰত কলেজ ইউনিয়নৰ সাধাৰণ সম্পাদক পদত প্ৰতিদণ্ডিতা কৰাৰ গোপন ইচ্ছা মনত পুহি ৰাখি সি নিয়মিত উপস্থিত থাকিছিল কলেজত। আচলতে আগৰে পৰাই সি সেইটো উদ্দেশ্যৰে দিনটোৰ অধিকাংশ সময় কটাইছিল কলেজত।

দিন যোৱাৰ লগে লগে নিশান্তৰ আকৰ্ষণ ৰশ্মিতাৰ প্ৰতি বাঢ়ি গ'ল। কলেজৰ ছাত্ৰ-ছাত্ৰীৰ অসুবিধাবোৰৰ প্ৰতি চকু দিবলৈ তাৰ সময়ৰ অভাৱ হয়। কেতিয়াবা কলেজত ভৰি থ'বলৈও তাৰ সময় নহয়। অধিকাংশ সময় ৰশ্মিতাৰ লগত পাৰ হয় বাহিৰে বাহিৰে। তাইৰ সান্নিধ্যত থাকি তাৰ অনুভৱ হৈছিল যে সি বিশেষ কষ্ট নকৰাকৈয়ে কলেজৰ সাধাৰণ সম্পাদক হ'ব পাৰিব। গতিকে ৰশ্মিতাৰ পৰা আঁতৰি থাকি কলেজৰ বন্ধুবৰ্গৰ মাজত সময় কটোৱাৰ কোনো প্ৰয়োজন নাই। ইতিমধ্যে সি কলেজত ভাল ফিল্ড বনাই লৈছে। গতিকে কোনেও তাক নিৰ্বাচনত পৰাস্ত কৰিব নোৱাৰে। হয়তো তাৰ লগত প্ৰতিদণ্ডিতা কৰাৰ বাবে কোনো ল'ৰাই নোলাব। বিনা প্ৰতিদণ্ডিতাৰে সাধাৰণ সম্পাদক হ'ব পাৰিলে তাৰ বহুখিনি কষ্ট লাঘব হ'ব।

নিশান্তক ৰশ্মিতাৰ লগত হাঁহি হাঁহি ঘূৰি ফুৰা দেখিলে বেবীয়ে হৃদয়ৰ কোনোবা এটা অংশত অজান বিষ এটা অনুভৱ কৰিছিল। তথাপি তাই মনত আশা এটা পুহি ৰাখিছিল, কোনোবা এদিন নিশান্তৰ মনৰ পৰিৱৰ্তন ঘটিব। সেইদিনা সি নিশ্চয় তাইক আকোৱালি ল'ব। ৰশ্মিতাৰ দৰে চঞ্চল মনৰ ছোৱালী কলেজীয়া জীৱনত সাময়িকভাৱে প্ৰেম কৰাৰ বাবেহে উপযুক্ত। তাই নিশ্চয় সেই বিষয়ত চিৰিয়াছ নহয়। কোনোবাদিনা হয়তো নিশান্তৰ প্ৰতি থকা তাইৰ আকৰ্ষণ নোহোৱা হ'ব। তেতিয়াহে নিশান্তৰ অনুশোচনা হ'ব আৰু বেবীক আকোৱালী ল'ব। তেনে এটা দিন তাইৰ কাম্য। তাৰ বাবে তাই অপেক্ষা কৰিব অনাদি কাললৈ। বেবীয়ে নিজেই নাজানে তাই জীৱনত সফল হ'ব নে নহয়। তথাপি তাইৰ ফালৰ পৰা চেষ্টাৰ নকৰে কোনোদিনেই। প্ৰেম অমৰ। এবাৰ তাই যাক হৃদয়ত স্থান দিছে তাৰ নাম কেতিয়াও মচি পেলাব নোৱাৰে। তাৰ বাবে তাই সংসাৰৰ সকলো ঘাত-প্ৰতিঘাতৰ সন্মুখীন হ'বলৈ প্ৰস্তুত আছে। নিশান্ত এদিন তাইৰ হ'বই লাগিব।

নিজৰ চিন্তাধাৰাৰ কথা ভাবি বেবীয়ে কেতিয়াবা খুবেই আচৰিত হয়। তাই ভালদৰে জানে নিশান্ত আৰু ৰশ্মিতাৰ প্ৰেম তুংগত আছে। কলেজৰ সকলোৰে মুখত সিহঁতহালৰ প্ৰেমৰ কথা। নিশান্তক ৰশ্মিতাৰ কাষৰ পৰা টানি অনাৰ তাইৰ সামৰ্থ আছে জানো! একে আষাৰতে ক'ব লাগিব নাই। তেতিয়াহ'লে সম্ভৱ নোহোৱা কথা এটা তাই কিয় মনত পুহি ৰাখিছে। কিন্তু তাইৰ অবচেতন মনে কয়, নিশান্তই নিশ্চয় এদিন তাইক আকোৱালী ল'ব। ৰশ্মিতাৰ দৰে ধুনীয়া নহ'লেও এদিন তাই নিশান্তৰ হৃদয় জয় কৰিবলৈ সক্ষম হ'ব।

কলেজৰ সাধাৰণ নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগেই একাংশ ছাত্ৰ-ছাত্ৰীৰ ব্যস্ততা বাঢ়ি গ'ল আচম্বিতে। তাৰ মাজত নিশান্ত অন্যতম। তাৰ আশাত চেঁচা পানী ঢালি প্ৰয়াগে ঘোষণা কৰিলে, সি সাধাৰণ সম্পাদক পদত প্ৰতিদণ্ডিতা কৰিব।

প্ৰয়াগে এণ্টি কেম্পেইনতো লাগিল। কলেজৰ সমস্যাবোৰৰ কথা চিন্তা নকৰি ব্যক্তিগত লাহ-বিলাহত ব্যস্ত থকা কোনা ল'ৰা সাধাৰণ সম্পাদকৰ বাবে উপযুক্ত নহয়। তেনে ল'ৰাই কোনোদিনেই কলেজৰ কাম কৰিবলৈ সমৰ্থ নহয়। বৰঞ্চ তেনে ল'ৰাই নিৰ্বাচনত জয়লাভ কৰিলে ক্ষমতাৰ অপব্যৱহাৰহে হ'ব।

দোস্ত তোৰ প্ৰচাৰ সিমান ভাল নহয়। বৰঞ্চ মাটি ফুটি ওলোৱা প্ৰয়াগৰ অৱস্থাহে ভাল বুলি ক'ব লাগিব। কেণ্টিনৰ আড্ডাত হৃষিকেশে ক'লে নিশান্তক।

কিন্তু তাৰ অৱস্থা হঠাৎ কেনেকৈ ভাল হ'ল। কলেজৰ বেছিভাগ ল'ৰা-ছোৱালীয়ে মোক চিনি পায়। ভালদৰে জানে জেনেৰেল চেক্ৰেটাৰীৰ বাবে মইহে ফিট বুলি। কেনেবাকৈ ইলেকচনত হাৰি গ'লে কলেজৰ পৰা ট্ৰেন্সফাৰ লৈ যাব লাগিব। মানুহৰ আগত মুখ দেখুৱাব নোৱাৰিম। দুখ মনেৰে ক'লে নিশান্তই।

ইয়াৰ বাবে প্ৰধানকৈ দায়ী কোন জাননে? মই ক'লে বেয়া পাবি। আচলতে ৰশ্মিতাৰ বাবেই তোৰ বদনাম হৈছে।

কিন্তু কেনেকৈ?

তাইৰ কাৰণে আজিকালি বহুতো ছোৱালীয়ে তোক বেয়া পায়। প্ৰেমিকাৰ লগত ঘূৰি-ফুৰা ল'ৰাবোৰৰ জনপ্ৰিয়তা কলেজত হ্ৰাস পায়। প্ৰেমিকা থাকিলেও মাজে মাজে ঘূৰি-ফুৰা ল'ৰাবোৰৰ ক্ষেত্ৰই সেই কথা প্ৰযোজ্য নহয়। কিন্তু ফেভি কুইকৰ দৰে অনবৰত ছোৱালীৰ লগত আঠা লাগি থাকিলে তেনে ল'ৰাক অকল ছোৱালীয়ে নহয় বহুত ল'ৰাইও বেয়া পায়।

এইবোৰ কথা ভালদৰে চিন্তা কৰা নাছিলো। এতিয়াহে বুজিছো তইঁতৰ কথাৰ যুক্তি আছে। মোক সহায় কৰ। ৰশ্মিতাৰ লগত কেইদিনমান ঘূৰা-ফুৰা কৰা বন্ধ কৰিম।

যি ডেমেজ হ'ব লগা আছিল সেয়া হৈ গ'ল। তাক ৰিপেয়াৰ কৰাটো কঠিন কাম। তথাপি বিপদৰ সময়ত আমি তোৰ ওচৰৰ পৰা আঁতৰি নাযাও। আমাৰ সাধ্য অনুসৰি তোৰ হৈ প্ৰচাৰ চলাম আমি। এইবাৰ অবিনাশে ক'লে।

আৰু এটা ডাঙৰ কথা তোক ক'বলৈ বাকী আছে। গোটেই ঘটনাটো বুজি পোৱাত মোৰ অসুবিধা হৈছে। বহুত কথা মই দেৰিকৈ গম পাইছো। জেনেৰেল চেক্ৰেটাৰীৰ বাবে কনটেষ্ট কৰাৰ পৰিকল্পনা প্ৰয়াগৰ বহুদিনৰ। আমিহে কথাবোৰ জনা নাছিলো। মই কালি ৰশ্মিতাক প্ৰয়াগৰ লগত কথা পাতি থকা দেখিছো। মৃণালে ক'লে।

আচৰিত কথা। ৰশ্মিতাই কোৱা মতে তাই প্ৰয়াগক ভালদৰে চিনিয়ে নাপায়। তাইক লগ পালেহে গম পাম প্ৰয়াগে কি পাঠ পঢ়াইছে। ইলেকচনটো যিমান সহজ হ'ব বুলি ভাবিছিলো সিমান সহজ নহয়।

গতিকে তই এই বিষয়ত ছিৰিয়াছ হ'ব লাগিব। প্ৰয়াগ এটা কুটি বুদ্ধিৰ ভঁড়াল। তোক পৰাজিত কৰাৰবাবে কি কৌশল ৰচনা কৰিছে অনুমান কৰা সম্ভৱ নহয়। আমি সাৱধান হোৱাটো দৰকাৰ। ৰশ্মিতাক অলপ দিনৰ বাবে এভইদ কৰ। কথাবোৰ ভালদৰে বুজাই ক'লে তাই বুজি নোপোৱাৰ কাৰণ নাই। বাহিৰত কৰবাত লগ ধৰিলেও কলেজৰ আশে-পাশে যাতে লগ নধৰ। মৃণালে ক'লে।

ইলেকচনৰ আগদিনা নিশান্তই অনুভৱ কৰিলে সি জিকাটো সম্ভৱ নহয়। ইমান দ্ৰুতগতিত তাৰ জনপ্ৰিয়তা হ্ৰাস পাব বুলি সি কল্পনাও কৰা নাছিল। নিশান্ত বুলি ক'লে কলেজৰ বেছিভাগ ল'ৰা-ছোৱালীয়েই চিনি পায় অথচ তাক সিহঁতে ভোট দিবলৈ ইচ্ছুক নহয়। এটা চেনিৰাম'ক ভোট দি কলেজখনক ধ্বংসৰ গৰাহলৈ ঠেলি দিব নিবিচাৰে। বহুতো নিগেটিভ ভোট পাব প্ৰয়াগে। লগৰ বহুতে এৰাই চলিছে তাক। সি যেন এটা অপৰাধীহে। তাৰ লগত ফুৰা দেখিলে, কথা পতা দেখিলে সকলোৱে বেয়া পাব। কি স্বাৰ্থপৰ মানুহবোৰ। সুখৰ দিনত সকলোৱেই লগৰীয়া। কিন্তু দুখৰ দিনত কোনোৱেই নাই। আনকি যোৱা কেইদিনমান ৰশ্মিতাৰ লগতো তাৰ দেখা সাক্ষাৎ হোৱা নাই। তাই আহি দিহা-পৰামৰ্শ দিয়াতো দূৰৰে কথা, তাক এৰাই চলিব বিচাৰিছে। প্ৰয়াগে তাইক কি কৈছিল সেই কথাও সুধিবলৈ পাহৰিলে। আচলতে চাৰিওফালৰ পৰা তাক হতাশাই আগুৰি ধৰিছে। মূৰটোৱে কাম কৰা নাই স্বাভাৱিকভাৱে।

একান্ত মনেৰে কেণ্টিনৰ চুক এটাত অকলে বহি চিন্তা কৰি আছিল নিশান্তই। হঠাৎ সন্মুখত বহা ছোৱালী এজনীক দেখি সি উচপ্ খাই গ'ল। বহুত দিনৰ পিছত সি ওচৰৰ পৰা দেখিছে বেবীক। সি ভাবি নাপালে তাইক কি ক'ব। প্ৰথম চিনাকি হোৱা দিনটোৰ পিছৰে পৰা সি পলাই ফুৰিছে তাইৰ পৰা। ঠিক পলাই ফুৰা নাই। তাইৰ যাতে মুখামুখি নহয় তাৰ বাবেহে সাৱধান হৈছিল। ৰশ্মিতাই কিবা কিবি কোৱাৰ পিছত তাইয়ো তাক লগ ধৰিবলৈ চেষ্টা কৰা নাই।

কেণ্টিনৰ ল'ৰাটোৱে দি যোৱা দুকাপ চাহৰ একাপত মুখ দি বেবীয়ে নীৰৱতা ভংগ কৰিলে।

চাহকাপ খাওক। দুঃচিন্তা পাতলিব। মই ভালদৰে বুজি পাইছো আপোনাৰ মনৰ কথা।

নিশান্তই তাইৰ ফালে এবাৰ চাই চাহৰ কাপটো মুখত লৈ এসোহা মাৰি টেবুলত থৈ লাহেকৈ ক'লে—

কি খবৰ তোমাৰ?

নমৰি জীয়াই আছো কোনোমতে। আপোনাৰ সকলো খবৰ মই ৰাখিছো। হতাশ নহ'ব। ভগৱানে যি কৰে ভালৰ কাৰণে কৰে। বেবীয়ে ক'লে।

কিছুসময় কাৰো মুখত মাত নাই। দুয়ো খালি কাপ দুটা টেবুলত ৰাখিলে। বেবীয়ে বহাৰ পৰা লাহেকৈ উঠি ক'লে—

মই যাও এতিয়া। চাহৰ বিল দিয়া আছে।

চকুৰ পৰা আঁৰ নোহোৱালৈকে নিশান্তই বেবীৰ ফালে চাই থাকিল। ইমান বিপদৰ মাজত কেবল তাইৰ পৰাহে ভালদৰে মাতষাৰ পালে। বুকুৰ কোনোবা এটা অংশ বিষাই যোৱা যেন লাগিল নিশান্তৰ।

নিশান্তই যি ভয় কৰিছিল অৱশেষত সেয়াই ঘটিল। সাধাৰণ সম্পাদক পদত নিৰ্বাচনত সি মুখ ঠেকেচা খালে বেয়াকৈ। চৌহদৰ বাহিৰত প্ৰয়াগৰ সমৰ্থকে ফটকা ফুটাইছে মনৰ আনন্দত। কিৰিলী পৰা প্ৰতিযোগিতাহে যেন চলিছে। যেয়ে যিমান জোৰেৰে পাৰে সিমান জোৰেৰে চিঞৰিছে। ছোৱালী কিছুমানো পিছ পৰি থকা নাই। কেইটামানে প্ৰয়াগক কান্ধত উঠাই প্ৰয়াগ জিন্দাবাদ বুলি চিঞৰিছে।

নিশান্তই মূৰে-কঁপালে হাত দি বহি আছে কেণ্টিনৰ কোণাত। ওচৰে-পাজৰে কোনো নাই। এদিন সি কলেজত জনপ্ৰিয়তাৰ শীৰ্ষত আছিল। কিন্তু আজি সি তেনেই অকলশৰীয়া। তাৰ ওচৰত কোনো

নাই। সুবিধাবাদী তাৰ কিছুমান বন্ধু-বান্ধৱে এতিয়া প্ৰয়াগৰ জয়গান গাইছে। হয়তো সোতৰ বিপৰীতে কোনেও যাব নিবিচাৰে। চাবলৈ গ'লে এতিয়া কলেজত তাৰ একো কাম নাই।

হঠাৎ কৰবাৰ পৰা দৌৰাদৌৰিকৈ আহি বেবীয়ে তাৰ সন্মুখৰ চকীখন দখল কৰিলে। তাইৰ মুখখনো ক'লা পৰি আছে। তায়ো যেন নিশান্তৰ দুখৰ সমভাগী হৈছে। কাৰো মুখত মাতবোল নাই। কথা ক'বলৈ যেন ভাষা বিচাৰি পোৱা নাই। তথাপি বেবীয়ে লাহেকৈ ক'লে।

হৈ যোৱা ঘটনাবোৰৰ বাবে মন বেয়া নকৰিবা। এটা দুঃস্বপ্নৰ দৰেই সকলো কথা পাহৰি যাওক।

ইমান সহজতে সকলো কথা পাহৰি যাম কেনেকৈ? দুখৰ দিনবোৰ সহজে গ্ৰহণ কৰিব পাৰিলে মানুহৰ মনবোৰ অশান্ত হ'ব জানো কোনোবাদিনা? তুমি জানো মোৰ কথা পাহৰিব পাৰিছা?

ক'ব নোৱাৰাকৈ কঠিন স্বৰত নিশান্তৰ মুখেদি নিৰ্গত হ'ল কথাখিনি। কিন্তু কেইছেকেণ্ডমানৰ ভিতৰতে সি অনুভৱ কৰিলে নিজৰ ভুলৰ কথা। অপ্ৰয়োজনীয় ভাবে সি কঠোৰ হৈছে বেবীৰ প্ৰতি। হয়তো মনত পঞ্জীভূত হৈ থকা দুখৰ লগতে ক্ষোভৰ বাবেই তাৰ মুখেদি কথাবোৰ তেনেকৈ ওলাইছে। তাক সান্ত্বনা দিবলৈ আহি তাই সন্মুখীন হৈছে কঠিন বাস্তৱৰ।

আপুনি মোক অৱজ্ঞা কৰিলেও মই পাহৰিব নোৱাৰো আপোনাৰ কথা। মোৰ হৃদয়ত অকা আছে আপোনাৰ ছবি। কিন্তু আপোনাক যে বহুতে প্ৰতাৰণা কৰিলে।

বেবীৰ কথা শুনি চকু ডাঙৰ হৈ গ'ল নিশান্তৰ। কিবা এটা কম বুলি সি ভাবিছিল যদিও ঠিক সেই সময়তে প্ৰয়াগ তাৰ ওচৰলৈ আহিল সদলবলে। প্ৰয়াগে বাকীবোৰক কিবা এটা ইংগিত দিয়াত সিহঁত আঁতৰি গ'ল। তাৰ ওচৰত আহি থিয় হ'ল প্ৰয়াগ। সি তাৰ ফালে চালে এটা অৱজ্ঞাৰ হাঁহি মাৰি। কেইছেকেণ্ডমান মুখেৰে নামাতিলে। হঠাৎ ৰশ্মিতা আহি থিয় হ'ল প্ৰয়াগৰ ওচৰত।

নিশান্তই বিস্ফোৰিত নেত্ৰে চালে ৰশ্মিতাৰ ফালে। তাৰ মূৰৰ ওপৰেদি যেন পাৰ হৈ গ'ল প্ৰচণ্ড বিজুলী ঢেৰেকণী। সি কোনোদিনে কল্পনা নকৰা ঘটনা এটা ঘটিছে। সঁচাকৈয়ে ৰশ্মিতায়ো তাক প্ৰতাৰণা কৰিলে। প্ৰয়াগে হাঁহি হাঁহি ক'লে—

তোক ইলেকচনত হৰুৱাবলৈকে ৰশ্মিতাক মই নিয়োগ কৰিছিলো। মূৰ্খ, তইহে কথাটো গম নাপালি। তোৰ মূৰত গোবৰ আছে। এতিয়া কলেজত তই এটা আবৰ্জনাৰ পাত্ৰহে। ৰশ্মিতা মোৰ অন্তৰংগ বান্ধৱী।

ৰশ্মিতাই এবাৰ বেবীৰ ফালে চালে। লাহেকৈ নিশান্তৰ ফালে চাই ক'লে—

ছ'ৰি নিশান্ত। মোক বেয়া নাপাবা। জুৱা খেলত হৰা জুৱাৰীয়েই হৰা জুৱাৰীক লগ দিয়ে। জিকা জুৱাৰীবোৰতো সদায় আঁতৰি যায়।

নিশান্তৰ মূৰত ৰশ্মিতাৰ কথাবোৰে হাতুৰীৰ দৰে কোবালে। সি বহাৰ পৰা উঠি কেণ্টিনৰ ভিতৰফালে দৌৰ মাৰিলে। তাৰ কাণ্ড দেখি সকলোৱে হাঁহি দিলে খুব জোৰেৰে। বেবীয়ে তলমূৰ কৰিলে। কিন্তু কেইছেকেণ্ডমাৰ ভিতৰতে নিশান্ত বাহিৰলৈ ওলাই আহিল। তাৰ হাতত তৰকাৰী কটা কটাৰী এখন। সি হিতাহিত জ্ঞান হেৰুৱাই পেলালে। শৰীৰৰ সৰ্বশক্তি প্ৰয়োগ কৰি কটাৰীখন সি ৰশ্মিতাৰ বুকুত সুমুৱাই দিলে। ফিচকাৰীৰ দৰে তেজ চিটিকি পৰিল তাৰ নাকে মুখে। সি কটাৰীখন তাইৰ কোমল বুকুখনৰ পৰা টানি আনি পুনৰ সুমুৱাই দিলে তাইৰ বুকুত। এনেদৰে কিমানবাৰ তাইৰ বুকুত কটাৰীৰে খুচিলে হিচাপ নাই।

মুহূৰ্তৰ ভিতৰতে হুলস্থূল লাগি গ'ল। প্ৰয়াগে ঘটনাস্থলীৰ পৰা উধাও হ'ল লগে লগে। কেণ্টিনৰ মজিয়াত পৰি চট্‌ফটাই থকা অৱস্থাতো ৰশ্মিতাৰ শৰীৰত কেবাবাৰো প্ৰৱেশ কৰিলে নিশান্তৰ হাতৰ কটাৰী। তাইৰ শৰীৰটো নিথৰ হৈ যোৱাতহে শান্ত হ'ল সি। অৱশেষত মজিয়াত আঠুকাঢ়ি হুকহুকাই কান্দি দিলে নিশান্তই।

আদালতত দোষী প্ৰমাণিত হৈছিল নিশান্ত। চৈধ্যটা বছৰ কাৰাগাৰৰ চাৰিবেৰৰ মাজত কটাব লাগিব বুলি নিশ্চিত হোৱাৰ পিছতো সি হতাশ হোৱা নাছিল। যাৰ জীৱনত কোনো লক্ষ্যই নাথাকে তাক সংসাৰৰ কোনো ঘাত-প্ৰতিঘাতে বিচলিত কৰিব নোৱাৰে। উত্তেজনাৰ বশৱৰ্তী হৈ ৰশ্মিতাক হত্যা কৰিলেও তাৰ বাবে কোনোদিনেই আক্ষেপ কৰা নাছিল নিশান্তই। যৌৱনৰ মূল্যবান দিনবোৰ হেৰুৱাই কিছুমান দাগী অপৰাধীকে সংগী কৰি জীৱন কটাবলগীয়া হোৱাতো কোনোধৰণৰ প্ৰতিক্ৰিয়াই হোৱা নাছিল তাৰ মনত। সভ্য সমাজৰ পৰা আঁতৰি নিঃশব্দে নিশাবোৰ পাৰ কৰাটোৱেই আছিল তাৰ কাম্য। জীৱনত তাৰ হেৰুৱাবলৈএকোৱেই নাছিল।

সম্পূৰ্ণ এক আচহুৱা পৰিৱেশত প্ৰথম কেইদিনমান নিশান্তই অস্বস্তিত ভুগিছিল। সময়বোৰ যেন নাযায় নুপুৰায়। দিনবোৰে যেন গতি কৰিছিল শামুকীয়া গতিত। কিন্তু খুউব সোনকালেই সি নতুন পৰিৱেশতো এডজাষ্ট হৈ গ'ল।

সুদীৰ্ঘ বছৰ কাৰাগাৰত কটোৱাৰ পিছতো মুক্তিৰ ক্ষণ গনা নাছিল নিশান্তই। বৰঞ্চ এক গতানুগতিক জীৱনৰ লগত মিলি

গৈছিল অতি সহজেই। তথাপি তাৰ মনত এটা চিন্তাই বাহ লৈছিল— মুক্তিৰ পিছত সমাজে তাক আকোৱালি ল'ব জানো! এজন হত্যাকাৰীয়ে কাৰাগাৰৰ পৰা মুক্তি লাভ কৰাৰ পিছত সমাজে তেওঁৰ প্ৰতি কেনে আচৰণ কৰিব! ঘৃণাৰ চকুৰে চাব নে সহানুভূতিৰে! কলেজত একেলগে পঢ়া ল'ৰা-ছোৱালীবোৰে বোধহয় ইতিমধ্যে সমাজত প্ৰতিষ্ঠা লাভ কৰাৰ লগতে ঘৰ-সংসাৰো কৰিছে। তাৰ কথা কোনোবাই মনত ৰাখিছে নে! তেনে আশা নকৰাই ভাল।

নিশান্তৰ মনলৈ পৰিৱৰ্তন আহিছিল দিনবোৰ পাৰ হৈ যোৱাৰ লগে লগে। মুক্তিৰ পিছত সি প্ৰত্যাৱৰ্তন কৰিব নিজৰ ঘৰলৈ। অতীতৰ সমষ্ট কথা পাহৰি ভৰি দিব জীৱনৰ নতুন পথত। কাৰাগাৰৰ পৰাই সি ইতিমধ্যে বি এ আৰু এল এল বি ডিগ্ৰী লৈছে। তথাপি সি ভালদৰে জানে, এজন হত্যাকাৰীক চাকৰিত নিযুক্তি দিবলৈ যি কোনো ব্যক্তিয়ে কুণ্ঠাবোধ কৰিব। কাৰাগাৰৰ অভিশপ্ত দিনবোৰ তাৰ আৰু চাকৰিৰ মাজত বাধাৰ প্ৰাচীৰ হৈ থাকিব। গতিকে এটা ভাল ব্যৱসায় কৰিব লাগিব জীৱিকা নিৰ্বাহৰ বাবে। তাৰ দেউতাকেও অপেক্ষা কৰিছে তেনে এটা দিনৰ বাবে। বিগত দুটা বছৰত দেউতাকে তাক কাৰাগাৰত যিমান দিন লগ ধৰিবলৈ আহিছে প্ৰত্যেক দিনাই কৈছে মুক্তিৰ পিছত ব্যৱসায়ত মন দিবলৈ। প্ৰথমতে সি দকৈ ভবা নাছিল কথাবোৰ। কিন্তু পিছতহে সি অনুভৱ কৰিছিল যে দেউতাকৰ যুক্তিবোৰ সবল।

ৰশ্মিতাক হত্যা কৰিও কোনোদিনে অনুতাপ কৰা নাই নিশান্তই। বিশ্বাসঘাতকতাৰ উপযুক্ত শাস্তিহে পাইছে। সিয়ো জীৱনৰ একমাত্ৰ ভুলটো কৰি মূল্য ভৰিছে যৌৱনৰ বহুকেইটা বছৰৰ সভ্য সমাজৰ পৰা আঁতৰি। কাৰাগাৰৰ পৰা মুক্তিৰ পিছতো ব্যৰ্থ প্ৰেমক স্মৰণ কৰি মাদক দ্ৰব্যৰ আশ্ৰয় নলয় কিছুমান ব্যৰ্থ প্ৰেমিকৰ দৰে। ৰশ্মিতা তাৰ জীৱনলৈ অহাটো এটা দুঃস্বপ্নৰ দৰেই পাহৰি যাব। অতীতৰ সমস্ত দুখ কষ্টক কবৰ দি অনাগত দিনৰ এটা ৰঙীন সপোনৰ কল্পনা কৰিলে নিশান্তই। জীৱন পথৰ পৰৱৰ্তী অধ্যায়ত প্ৰতিষ্ঠা লাভ কৰাৰ পিছতেই সি বিয়া কৰাব। যৌৱনৰ ভুলটো তেনেকৈয়ে সংশোধন কৰিব। গোটেই জীৱন কাৰাদণ্ডৰে দণ্ডিত এজন হত্যাকাৰীক বিয়া কৰাবলৈ কোনোবা ছোৱালী সন্মত হ'ব নে! এটা জটিল প্ৰশ্ন। তথাপি সি আশাবাদী। কোনো ছোৱালীকে সি প্ৰতাৰণা নকৰে। জীৱনৰ কলংকিত অধ্যায় অকপটে স্বীকাৰ কৰিব। তাৰ পিছতো কোনোবা ছোৱালীয়ে তাৰ লগত বিয়াত বহিবলৈ সন্মত হ'লে সি দ্বিতীয়বাৰ চিন্তা নকৰে। তেনে ছোৱালীক সাদৰেৰে গ্ৰহণ কৰিব। হৃদয়ৰ সমস্ত প্ৰেম ভালপোৱা উজাৰি দিব?

অৱশেষত কাৰাগাৰৰ অভিশপ্ত দিনবোৰৰ সমাপ্তি ঘটিল নিশান্তৰ। মুক্তিৰ দিনা ৰাতিপুৱাই সি গা ধুলে। তাৰ চিনাকি বন্দীবোৰক ভালদৰে মাতষাৰ দিলে। দুজনমান আণ্ডাৰ ট্ৰায়েল প্ৰিজনাৰক উপদেশ দিলে বেয়া কামবোৰ বাদ দি মুক্ত জীৱন-যাপন কৰিবলৈ। অভাৱৰ মাজেৰেও জীৱনটো উপভোগ কৰাৰ কথা ক'লে।

জেইলাৰক মাত দি কাৰাগাৰৰ মূল গেটেৰে বাহিৰলৈ ওলাই আহি সি চালে আকাশলৈ। সদায় দেখি থকা আকাশখনক সি যেন আজি দেখিছে অন্য ৰূপত। জীৱনৰ এক কদৰ্য অধ্যায় পাহৰণিৰ গৰ্ভত হেৰাই যাব আজিৰে পৰা।

হঠাৎ তাৰ চকুত পৰিল নতুন চেন্ট্ৰ' গাড়ী এখনৰ কাষত দেউতাক ৰৈ আছে। সি দৌৰ মাৰি গৈ দেউতাকৰ ভৰিত ধৰিল। দেউতাকে দুয়ো বাহুত ধৰি তাক উঠাই আকোৱালি ল'লে। ক'ব নোৱাৰাকৈয়ে তাৰ চকুৰে বৈ গ'ল দুধাৰি অশ্ৰু। আনন্দৰ অশ্ৰু। চকু দুটা কেইছেকেণ্ডমানৰ বাবে মুজি পুনৰ মেলি দিওতেই সি আচৰিত হ'ল। পিছফালে থিয় হৈ আছে বেবী। তাই সুন্দৰ অসমীয়াতে ক'লে—

নিশান্ত তোমাৰ বাবেই মই ইমান দিনে অপেক্ষা কৰি আছিলো। এতিয়াও মই তোমাক ভাল পাও।

নিশান্তই নিজৰ চকুকে বিশ্বাস কৰিব পৰা নাছিল। সি অনুভৱ কৰিলে সিয়ে যেন সংসাৰৰ আটাইতকৈ সুখী মানুহ। ক্ষন্তেকৰ বাবে সি পাহৰি গ'ল দেউতাকৰ উপস্থিতিৰ কথা। বেবীৰ হাতদুখন দুহাতেৰে ধৰি ক'লে—

মই তোমাক বিয়া কৰাম বেবী। আই লাভ ইউ টু।■

# কিটিপ

❐ ড° বিৰিঞ্চি কুমাৰ মেধি
প্ৰাক্তন অধ্যাপক



হতছিৰী যাবি, মৰিবৰ সময়ত মুখত পানী দিওঁতা নোলাব; মই বুঢ়া বামুণে শাও দিছোঁ, গোৰে-গোৰে তল যাবি -বকিজকি, টিকনি জোকাৰি নৰহৰি দেউ গাঁৱৰ ঘাই বাটটোৰে আগবাঢ়িল। ধৈৰ্য দোকানী গৈছিল এৰালত থকা গাইজনীক পানী খুৱাবলৈ— মুখামুখি হ'ল দেউৰ লগত। মাতত গোপনীয়তাৰ প্ৰলেপ সানি দোকানীয়ে সুধিলে,— দেউৰ দেখোন খঙে টিকনিৰ আগ পালেগৈ। বোলো কি কথা, কি বতৰা? টিঙিৰিতুলা হৈ থকা দেউৰ খং কমক ছাৰি বাঢ়িলহে। টিংটিঙীয়া মাতটো উলিয়াই দেৱে ক'লে— সেই গোবধীয়াটোৱে কয় কি শুনাচোন। মই হেনো কুকুৰা— হৰি বিষ্ণু, সি মোক অখাদ্য ভক্ষণ কৰাৰ কথা কয়। এই ভৰ দুপৰীয়াখন মই গৈ লগুণ সলাব লাগিল, ওপৰঞ্চি খাটিব লাগিব উপবাস। আঁচুকাঠৰ গুৰি পাই শিয়াল ৰঙা হৈছে। ভাল নহ'ব, মাউৰত মৰিব, ভেটিত তিতালাও গজিব, হোলোকা-হোলোকে তেজ বতিয়াই দেকুৰা কুকুৰৰ দৰে উছন্ন যাব।

দোকানী হতবাক। নৰহৰি দেউৰ লেখীয়া জুই ছাই বামুণটোক জোকাই লবলৈ এইখন গাঁৱত কাৰ ইমানটো কলিজা? বোলোঁ দেউ, কোন সেই নৰধম? খঙত দেউৰ টিকনি দাং খাই উঠিল; পাৰিলে তেওঁ যেন ধৈৰ্য দোকানীৰ ভলুকা বাঁহযেন টেটুটোতে টিপা মাৰি ধৰিব। ঢেৰেকনি মাৰি দেৱে উত্তৰ দিলে,— তুমিও কিবা আজলমথালিখন জুৰিলাহে। এইখন গাঁৱত নগৰত জগৰ লগাই ফুৰা অপহৃতা অসুৰা আছেনো কেইটা? পেঘেনিয়াই পেঘেনিয়াই মোৰ মুখৰ পৰা নামটো উলিয়াব খুজিছা?

মোৰ ভয়-ডৰ নাই। সুবিধাত পাওঁ ৰবা, নিধিৰ বিধি বাম কৰিম, তাৰ মুখত চূণ-ছাই সানিম।

নিধি? দোকানীৰ পিলাই চমকি উঠিল। বাঘৰ নেজেৰে কোনে কাণ খজুৱাবহে? বহুদিন তেলকুৰ নিদিয়া নেওঠনীৰ কেৰকেৰনিৰ দৰে মাত এটা উলিয়াই দোকানীয়ে ক'লে,— ইচ দেউ, মোৰ পলম হ'ল। পিয়াহতে গাইজনীয়ে চাগৈ হেম্বেলিয়াই আছে। তাৰ পাছত দেউৰ ফালে নোচোৱাকৈ দোকানীয়ে কোবাকুবিকৈ খোজ দিলে। কাঁহৰ বাটিত কোব মাৰোঁতে হোৱা যেন মাত এটা উলিয়াই নৰহৰি দেৱে চিঞৰিলে,— যোৱা যোৱা, খৰখেদাকৈ যোৱা; গাইজনীয়ে হেম্বেলিউৱা নাই, নিধিৰ নাম শুনি তোমাৰহে নেজ দাং খালে। মৰ বামুণটোৱে যি কয় কৈ থাকক; ধৈৰ্য দোকানীৰ সেই সময়ত উভতি চোৱাৰ ধৈৰ্যও নাই, সাহসো নাই।

নিধিৰ নাম শুনিলেই সকলোৰে বুকুৰে টিপ্লিং-টিপ্লিং কৰে। বাঘৰ আগতেল খোৱা মানুহটোলৈ ভয় নকৰা মানুহ সাতখন গাঁৱত নাই। নিধি হ'ল ৰজাক দেও নোবোলা মানুহ। খাৰাংখাচ মানুহটোৱে কাৰো মুখলৈ চাই কথা নকয়। চেহেৰাটোলৈনো চাবা কি? দুৰ্গাপূজাৰ অসুৰৰ চালানটোহে যেন আগতীয়াকৈ আহিছে। এই তাৰ কলাফুল, ধান মেলিব পৰা বুকু। কমাৰ ভাটিৰ দৰে সকলো সময়তে জ্বলি থকা নিধিৰ চকুদুটালৈ চালেই তেজ গোট মাৰে। সাতখন গাঁৱৰ ভেটকান্দুৰা ল'ৰা-ছোৱালীক মাকহঁতে 'নিধি আহিছে ৰহ' বুলি কৈয়েই নিচুকায়। নিধিৰ নাম শুনিলে পেন্দুকণাটোৱেও নিতাল মাৰে।

নিধিয়ে এনে কিছুমান কাম কৰি থৈছে, যাৰ বাবে তাক ভয় নকৰাৰ উপায় নাই। তাৰ বাচ-বিচাৰ নাই, লঘু-গুৰুৰ জ্ঞানো নাই। বাপেকটো নমৰোঁতেই মহাজনে সিহঁতৰ মাটিডৰা বন্ধকত লৈছিল। মাকে গৰু বেচি, বাৰীৰ তামোল-পাণ, হাতেবোৱা এৰীয়া কাপোৰ বেচি টকা দিয়েহে দিয়ে, ঋণ দেখোন শেষেই নহয়।

বাপেক মৰাৰ সময়ত নিধি আছিল তেনেই পেন্দুকণাটো। কটনা কাটি মাকজনী অবয়সতে মানৰ দিনৰ বুঢ়ী যেন হ'ল। নিধি স্কুললৈ গ'লে ঘৰ নচলে। গতিকে সি সৰস্বতীৰ লগত সম্বন্ধ শেষ কৰি হালৰ মুঠিত ধৰিলে। হ'লে হ'ব কি? নিজৰ মাটিকণ থাকিল মহাজনৰ হাতত। আধি-ঠিকাত খেতি কৰি ঘৰখন চলোৱাটো জানো সহজ কথা?

নিধি মানুহটো আগৰ পৰাই কাকো কেৰেপ নকৰা বিধৰ। তাৰ মগজটোও একেবাৰে মেছিনৰ দৰে। সি টং কৰিলে যে মহাজনে সিহঁতক ঠগিছে। ৰূপ ছকুৰিত সেই সত্যযুগতে বাপেকে মাটি বন্ধকত থৈছিল। বাপেক জীয়াই থাকোঁতেও হেনো মহাজনৰ ঋণ শোধাইছিল। বাপেক মৰি ভূত হোৱাৰ পাছতো মাকে কেইবাবাৰো মহাজনক টকা দিয়া সি নিজ চকুৰে দেখিছে। ইমান দিনে সূতে-মূলে ছকুৰি টকাই আদায় হোৱা নাইনে? নে মহাজনৰ টকাই সোপাসোপে কণী পাৰে?

এদিন নিধিয়ে ফোঁ-ফোঁৱাই গৈ মহাজনৰ ঘৰত উপস্থিত হ'ল। বাঘে গোঁজৰাদি গুজৰি সি মহাজনক চিঞৰিলে। একাঁহি ভাত নাগাৰা যেন পেটটোত সুমুৱাই মহাজনে মনৰ সুখত দাঁত খৰিকিয়াই আছিল। নিধিৰ কাণতাল মৰা মাত শুনি তেওঁ বিচুৰ্তি খালে। কোনোমতে নিজকে চম্ভালি তেওঁ দুগুণ জোৰেৰে চিঞৰিলে,— ঐ খাবলৈ নোপোৱা নিধক, ভৰ দুপৰীয়াখন লোকৰ চোতাল গচকি ফুৰিবলৈগাত কি বাঘতেল লাগিছে?

নিধিয়েও সমানে গৰগৰাই উঠিল,— ঐ গেৰেলা মহাজন, আমাৰ মাটি আমাক দে। দুজনীকৈ ঘৈনীয়েৰৰ তেল-সেন্দুৰ কিনিও ল'ৰা-ছোৱালীৰ মুখ নেদেখিলি। লোকৰ মাটিবাৰীবোৰ যে সামৰি-সুতৰি ৰাখিছ, মৰোঁতে লগত লৈ যাবি নেকি?

মহাজন হতভম্ব। এইখন গাঁৱত আজিলৈকে তেওঁৰ মুখৰ ওপৰত কথা ক'ব পৰা মানুহ ওলোৱা নাই এইটোৰ গাত কিবা দেও-ভূতহে লম্ভিল নেকি? তথাপি সেও নামানি মহাজনে ক'লে,— কি মাটি লাগে অ'? তহঁতৰ মাটি মই হেঁপাহতে সামৰি ৰাখিছোঁ নেকি? ধৰুৱাৰ জাত, বাৰ বছৰে সূতখিনিকে শোধাব নোৱাৰিলি, মুলৰ কথা বাদেই। এতিয়া তোৰ মৰমতে পমি দুগালে দুটা চুমা খাই মাটি ওভোতাই দিবলৈ মোৰ ভীৰতিয়ে ধৰিছে নেকি? নে মই তোৰ ভয়তে কেঁকোৰাৰ গাঁতত সোমাম বুলি ভাবিছ?

নিধিৰ মুখেৰে সৰসৰকৈ এলানি অবাইচ মাত ওলাল। সি ক'লে,— বেটা গভাইত চোৰ, তোৰ টকা জেঠীৰ নেজ নেকি যে ছিগে মানে গজি আহে। চাওঁচোন আজি মহাজনৰে জয় নে নিধিৰামৰে জয়।

হাই-উৰুমি শুনি মহাজনৰ দুয়োজনী ঘৈণীয়েকে দুৱাৰমুত থিয় দিছিলহি; চাকৰ-নাকৰমখায়ো ভুমুকা-ভুমুকি কৰিছিল। কোনেও তৰ্কিবই নোৱাৰিলে, নিধিয়ে মহাজনৰ টেটুত ধৰি হাতীয়ে কলগছ টনাদি চোৰচোৰাই টানি লৈ গ'ল। একে গোৰতে মহাজনৰ সাতামপুৰুষীয়া কঠাল কাঠৰ আলমাৰিটো ভাঙি পিতাকৰ টিপচহী থকা বন্ধকীৰ কাগজ উলিয়ালে। চৰচৰকৈ সেইখনতো ফালি নেফানেফ কৰিলেই, খঙৰ ভমকত আৰু কেইখনযে তেনে কাগজ

ফালিলে হিচাপ নাই। সেইদিন ধৰি নিধিয়ে নিজৰ মাটিত হাল চলাব পৰা হ'ল। সেই ঘটনাই বহুদিনলৈ হাট-ঘাট, আনকি মৰিশালিৰ বটতলৰ ভাঙুৰীহঁতৰ আড্ডাও তল-ওপৰ কৰি ৰাখিলে। পিছে তাৰ বাবে নিধিৰ জেল-ফাঁচি নহ'ল।

এইটো মাত্ৰ এটা উদাহৰণহে। তেনে অলেখ কীৰ্তি-কাহিনীৰে নিধিৰ অতীত বুটাবছা হৈ আছে। কোনজনী গাভৰুৱে পাউডাৰ-গোন্ধতেলৰ অভাৱত চকুপানী টুকি কাল কটাইছে, কোনজনী ফুলতে বাঁৰী হোৱা তিৰোতাই কাৰ পুখুৰীৰ পানী আনিবলৈ যায়, সেই সকলোবোৰ ধৈৰ্য দোকানীৰ নখ দৰ্পণত। এবাৰ এজনীৰে সৈতে হাতেলোটে ধৰা পেলাই নিধিয়ে দোকানীৰ সকলো কাপোৰ-কানি খুলি ৰাখি খেদি পঠিয়ালে, ওপৰঞ্চি আঁকি দিলে দুটা চুণৰ ফোঁট। ফোঁট দিবলৈকো সি দোকানীৰ শৰীৰ যি দুডোখৰ ঠাইহে বাচি ললে, ৰাম ৰাম, কিনো কম, কিনো শুনিবা।

সেইহেন নিধিৰ নাম শুনি উচপ নোখোৱাৰ কোনো সংগত কাৰণ থাকিব পাৰেনে? নিধিয়ে গুৰু-গোঁসাই নামানে। ৰাইজ শব্দটো শুনিলেই সি জ্বলিপকি উঠে। ৰাইজ কিয় লাগেহে? উবৰিগুবৰিকৈ ভোজভাত খাবলৈ? এগুণক দহগুণ কৰি লোকৰ বা-বদনাম ৰটিবলৈ? বুঢ়া আঙুলি দেখুৱাই নিধিয়ে সকলোৰে সমুখতে গলগলীয়া মাতেৰে কয় মই ৰাইজৰ মূৰত 'হেৰি' কৰোঁ।

মহাজনে সকলোকে লুটি পুটি খালে। ইমানেই যদি ৰাইজৰ বল আছে, তাৰ নেলুত টিপি ধৰগৈচোন। পিতাক মৰাৰ পাছত মাকে কিমান লেলাট ভুঞ্জিলে, ৰাইজখন তেতিয়া ক'ত মৰিছিল? তাৰ ভনীয়েকজনীয়ে ল'ৰা এটাক ভাল পাইছিল, দুয়োৰে জাত-কুল নিমিলে। ৰাইজখনে কিবা হেস্তনেস্ত কৰিব পাৰিলেনে? পলাই গৈ সিহঁত দুটাই সংসাৰ পাতিলে। এতিয়া সিহঁত উদ্ধাৰ-পৰাচিত হ'ব লাগে? পৰাচিত হ'লেই মানুহৰ জাত সলনি হৈ যায় নেকি? নিধিয়ে মাছে-মঙহে ৰাইজখনক দকচি নুখুৱালে সিহঁতে তাক হেনো এঘৰীয়া কৰে। নিধিয়ে ভোৰভোৰায়— এঘৰীয়া কৰচোন। দীঘলনলীয়া দাৰে আটাইমখাকে চেও-চেও কৰিম।

বাপৰে, কোঁদোৰ বাহত জুই দিব নোৱাৰি দেই। নৰহৰি দেৱে কয়, নিধিক শাস্তি বিহিব নোৱাৰিলে আনবোৰেও ছল পাব; সমাজৰ ৰীতি-নীতি-নিয়ম সোলোক-ঢোলোক হ'ব। মহাজনে মাতটো সৰু কৰি কয়,— মাৰা গুলী তোমাৰ সমাজ-তমাজ। দৈত্যটোক শাস্তি বিহিবলৈ গ'লে নিজৰ লেংটিৰে সোলোক-ঢোলোক অৱস্থা হ'ব। য'ৰে চুৰিয়া ত'তে এৰি বাপতিসাহোন প্ৰাণটো ৰক্ষা কৰি পৰোঁ কি মৰোঁকৈ লৰ ধৰিবলৈ তত নাইকিয়া হ'ব।

নিধিৰ মাক আলৰ বুঢ়ী হৈছিল। বাৰটা বেমাৰৰ ৰাহ লৰকফৰক শৰীৰটো তেওঁ আৰু কিমান দিনলৈ চোঁচোঁৰাই লৈ ফুৰিব? এদিন বুঢ়ীজনী মৰি থাকিল। নৰহৰি বাপুৰ কিযে আনন্দ। এইবাৰ বুঢ়াৰ হাতত চেঙেলী পৰিছে। মহাজনৰ লগ লাগি তেওঁ যাকে পালে তাকে বুজালে— কোনো নাযাবি, তাৰ মাকৰ শ বাঁহী হওঁক, শিয়াল-কুকুৰে খাওক। শ্ৰাদ্ধৰ সময়ত সকলো হিচাপ উলিয়াই লৈ নিধিক সাতধেনু পৰিচিত কৰাম, ঘটিয়েঘটিয়ে গোবৰ-পানী খুৱাম।

য'তে আছিল ত'তে বুঢ়ীৰ শটো থৈ নিধি পদূলিমুখ পালেগৈ। আকাশ-পাতাল কঁপাই সি চিঞৰিলে,— বুঢ়ীজনী মৰিল ঐ কোন ক'ত আছে সোনকালে আহ। তাৰ কাণতাল মৰা চিঞৰ শুনি ৰাইজৰ বুকু কঁপিল এটা চিঞৰতে এই অৱস্থা; গেমেহা ভুকু শোধাব লাগিলে মানুহৰ শৰীৰে সহিবনে? হাতে-হাতে দা-কোৰ লৈ সুৰসুৰকৈ অহা মানুহেৰে নিধিৰ চোতাল ভৰি পৰিল।

ইটোৱে কয়, বুঢ়ীৰ সৎকাৰৰ বাবে গৰুৰ ঘিউ লাগে; সিটোৱে কয় ধূপ, ধূনা, মাটিৰ কলহহে লাগে। নিধিয়ে গুজৰি উঠে— থ থ, ধূপ-ধূনা ঘিউৰে তহঁতৰ মাৰ-বাপেৰহঁতকে পুৰিবি। ওৰেটো জীৱনত বুঢ়ীজনীয়ে ভাল বস্তু এচিকটা খাবলৈ নাপালে, মই ধাৰকপালীজনীক এতিয়া ঘিউ-মৌৰে পুৰিমগৈ। বাঁহখৰি-কাঠখৰি দ'ম কৰি পুৰি থৈ আহিম ব'ল। লেমটো লৈছোঁ, জুই নজ্বলিলে কেৰাছিন ঢালি দিম।

কথা জানো সিমানেই? ব্ৰত না, উপবাস নাই, নীতি নিয়মৰতো সঁচেই নাই, অধৰমীটোৱে পাচদিনাখনেই কান্ধত নাঙল লৈ হাল বাবলৈ গ'ল। ৰাইজৰ চকু অমৰাগুটি হ'ল। বকুলী জেঠাইৰ মেল খাই যোৱা মুখখন দেখি নিধিয়ে কিবা বুজি পালে হ'বলা, গলগলীয়া মাতেৰে সি ক'লে, বুঢ়ীজনীয়ে দাঁত নিকটাই বৰ বিপাঙত পেলালে অ' জেঠাই। পঁইতা ভাতৰ লগত খাবলৈ পোৱা বেঙেনা এটাও নাপালো। জলকীয়া থেকেচি একাঁহী সুমুৱায়ে পথাৰলৈ পোনাইছোঁ অ' জেঠাই।

পাষগুটোৱে কি কয় শুনচোন। মাকৰ চিতাৰ জুই নুমুৱাই নাই, সি পিণ্ড গিলি টমটমীয়া হ'লেই। দহমাহ দহদিন কষ্ট ভুগি মানুহজনীয়ে তাক জন্ম দিলে, কোলাই-বোকোচাই লৈ মানুহ কৰিলে; আৰু অজীণপাতকীটোৱে অশৌচৰ নীতি-নিয়মকণো পালিব নোৱাৰিলে। ই মানুহ নহয়, বীৰা-যখহে। জেঠায়ে কথাবোৰ মনতে পাগুলিলে, মুখ ফুটাই তেওঁ পিছে ওম-তৎসৎ একোকে নক'লে।

পিছে এইবাৰ নিধি ফান্দত পৰিল। মাইকীৰ ভাগৰ কামবোৰ কৰিবলৈ সি বৰ টান পায়। নিধিয়ে বেলি দুপৰলৈ হাল বাব পাৰে, চকুৰ পচাতে পাকৰিৰ মুঢ়াটোও ঘপাঘপকৈ চিৰাচিৰ কৰিব পাৰে, কিন্তু চাউলৰ ধান বছা, শাক কুটা ইত্যাদি কামবোৰ কৰিবলগীয়া হ'লেই সি চকুৰে ধোঁৱাকোঁৱা দেখে। তেনে সময়ত তাৰ চেৰেং-চেৰেংকৈ ৰাধালৈ মনত পৰে।

বাৰ-বেমাৰী তৰলা বুঢ়ীৰ ফাঁপৰে খোৱা দেহটোৰ পৰাই মোক চা মোক চা চেহেৰাৰ ৰাধাজনী যে উপজিছিল, সেই কথা বিশ্বাস কৰিবলৈকে টান। মাজে-সময়ে ৰাধাই নিধিলৈ ইবিধ-সিবিধ খোৱা বস্তু লৈ আহে। দুদিনে-তিনিদিনে তাই নিধিহঁতৰ ঘৰলৈ এপাক মাৰিবই। কলপাতেৰে মেৰিয়াই অনা পিঠাই হওঁক বা আঁচলেৰে ঢাকি অনা মাছৰ জোল এবাটিয়েই হওক, ৰাধাৰ হাতৰ সকলো বস্তুৰেই সোৱাদ। নিধিৰ মাকজনীয়ে চকুৰে ভালদৰে নমনিছিল, কথাবোৰ মনতো ৰাখিব নোৱাৰিছিল হ'বলা। বুঢ়ীজনীয়ে কেতিয়াবা আঞ্জাত দুবাৰো নিমখ দিছিল, কেতিয়াবা আকৌ দিবলৈকে পাহৰিছিল। ৰাধাই ৰন্ধা আঞ্জা পালে নিধিয়ে গোগ্ৰাসে ভাত গিলিছিল; খাই-বৈ উঠি পৰম তৃপ্তিত চকুহাল মুদি খন্তেক জিৰণি লওঁতে ৰাধাকো জালি তিয়ঁহ খোৱাদি কচক-কচককৈ চোবাই খোৱাৰ তীব্ৰ হেঁপাহ এটাই নিধিৰ বুকুৰ মাজত ধৰফৰাই ফুৰিছিল।

মাক মৰাৰ দুসপ্তাহ নৌ-হওঁতেই এদিন গধূলি-নিধিয়ে গৈ তৰলা বুঢ়ীৰ চোতালত থিয় দিলে। তৰলা বুঢ়ীৰ আনন্দে নধৰে হিয়া; ঐৰাৱতত উঠি ইন্দ্ৰহে আহি যেন তাইৰ চোতালত উপস্থিত। নিধিয়ে ক'লে,- ৰাধাক নিবলৈ আহিলো অ' খুৰী। বুঢ়ীয়ে নিধিৰ কথাষাৰৰ গুঢ়াৰ্থ ততালিকে বুজি পালে গাঁৱৰ পঘাখোৱা ডেকা কেইটাৰ উৎপাতত তাই ৰাধাক চম্ভালিব নোৱৰা হৈ আহিছে। কোনোটো ছদকাখোৱাই বিয়া কৰাব নোখোজে, সকলোৰে লিৰিকি-বিদাৰি ৰং-ৰহইচ কৰাৰহে হাবিয়াস। বুঢ়ীৰ খুন্দনা মাৰিৰ ভয়তহে সিহঁতে ইমানদিনে ৰাধাক নেফানেফ কৰিব পৰা নাই। তৰলা বুঢ়ীৰ বাবে নিধি হ'ল অব্যৰ্থ ৰক্ষাকবচ। সি যদি ৰাধাক বিয়া কৰায়, তেন্তে বুঢ়ীৰ চৈধ্যপুৰুষ উদ্ধাৰ হয়।

কেৰকেৰিয়া মাতটো যিমান পাৰে সিমান কোমল কৰি বুঢ়ীয়ে ক'লে,— নিবলৈ কোনেনো বাধা দিছে অ' বোপাই। বেগু-উৰুলিৰ ব্যৱস্থা কৰ, ডিঙিৰ গুৰিলৈকে খাই ৰাইজে হিয়া উবুৰিয়াই আশীৰ্বাদ কৰক, পিন্ধাই-উৰাই লৈ যাবি ৰাধাক।

ৰাইজ? মানুহটো উঠিলেই নহয় ভমককৈ জ্বলি। ৰাইজৰ কথা মোক নক'বি। সেই অশলাগী পেটকপটীয়ামখাক বান্দৰ-কেঁকোৱাৰে হেঁপাহ পলুৱাই জাৰিব পাৰিলেহে মোৰ গা জুৰ পৰিব। আমাৰ দৰে চালছিগা ভিকহুৰ কি নিয়ম-নীতি আছে অ'? এইবাৰ নিধিয়ে ৰাধাক উদ্দেশ্য কৰি চিঞৰিলে,— ঐ ৰাধা, আহ যদি পিছে-পিছে আহ, নাহিলে সঁচৰ বেঙেনা হৈ ঘৰতে থাক।

মাক-জীয়েকে জানে, নিধিৰ বাবে হা আৰু নাৰ মাজত আন কোনো শব্দ নাই। পিৰীতিৰ ৰীতিয়েই কিবা অদ্ভুত। ৰাধা বহুদিনৰে পৰা নিধিৰ মৰমতে মজি আছে।কাষলতিৰ চেপত সৰু টোপোলা এটা লৈ তাই নিধিৰ পিছে-পিছে খোজ ললে। দুবাৰৰ পোলাত ভেঁজা দি তৰলা বুঢ়ীয়ে ভাবিবলৈ চেষ্টা কৰিলে, যি দেখিলে, যি শুনিলে, সেয়া সচিত নে সপোন?

পাছদিনাখন পুৱাই ৰাইজে দেখিলে যে ওৰণিৰে খোপাটো ঢাকি ৰাধাই নিধিৰ চোতাল সাৰি আছে; তাইৰ কপাল আৰু সেওঁতাত সেন্দুৰৰ জুই।

নিধিক সৈমান কৰাব পৰা মানুহ সেইখন গাঁৱত নাই সঁচা, কিন্তু পৰশ্ৰীকাতৰমখাৰ বুদ্ধিৰ জোলোঙাতে অস্ত্ৰৰ অভাৱ নাই। এইবাৰ পেটকপটীয়ামখাই ৰাধাৰ কাণত টু-টুৱাবলৈ ধৰিলে— বোলোঁ বিয়াৰ জা-জলপান নুখুৱালি নাই, কিন্তু বুঢ়ীৰ শৰাধখনটো পাতিব পাৰ। ঘৰ এখন পাতিছ, ৰাইজৰ আশীৰ্বাদ এজোলোকা ল। ৰাইজৰ শাওপাত লাগি কতৰ ঘৰত সঁচ নাথাকিল, নেদেখিলেও তই জানো শুনাও নাই? বুজিছ, ৰাইজেই ৰজা, জ্ঞাতিয়েই গংগা।

সুবিধা পালেই ৰাধাই সেই কথাবোৰকে নিধিৰ কাণৰ কাষত মুখস্থ মাতে। শৰাধখন পাতিব লাগে। গাঁৱৰ মানুহৰ ভৰিৰ ধূলি এদিন সিহঁতৰ চোতালতো পৰকচোন। মানুহক সমাজ এখন লাগে। মানুহৰ শাও-শপনি খাই সিহঁত শান্তিৰে থাকিব পাৰিবনে? সকলোৱে একেমুখে কৈছে— ৰাইজেই ৰজা, জ্ঞাতিয়েই গাংগা।

নিধি ভিতৰি-ভিতৰি জ্বলিপকি উঠে। খকুৱামখাই যি কোনো অজুহাতত দবনি পিটি, খোৱাৰ নিয়ম কৰি লৈছে। বিয়া পাতক, মানুহ মৰক, সকলোতে মাথোঁ লোকৰ চোতালত পাত পৰাৰ ফন্দি। কেঁচুৱা এটাৰ অন্নপ্ৰাশনতো বিধে বিধে মাছ-মঙহ, মিঠাই-পৰমান্ন যোগাৰ কৰা হয়। খাবলৈ নিশিকা কেঁচুৱাৰ মুখৰ আগত সেইবোৰকে ঘূৰাই টোঁৱাই পাছত ৰাইজখনে কৰে কি? উঠিব নোৱৰাকৈ উবৰি-গুবৰিকৈ নাখায় জানো?

উপায় নাই। মহাজনৰ টেটুত ধৰিব পাৰি, ধৈৰ্য দোকানীলৈকো চোঁচা লব পাৰি, কিন্তু পাটীৰ মাইকীজনীৰ লগত সদায় দন-হাই কৰি থাকিব নোৱাৰি। হওঁক তেন্তে শৰাধ, খকুৱামখাই মাছে-মঙহে দকচি খাই বদনাম ৰটিবলৈ সুবিধা পাওক।

কথা বুলিলেই বতাহ। শৰাধৰ সংবাদ পাই নৰহৰি দেউৰ হোকা বৰণীয়া মুখমণ্ডলো পোহৰ হৈ উঠিল। উপযাচি আহি তেওঁ নিধিক ক'লে,— হেৰি নহয় অ' নিধি, ভালেই হ'ল বুজিছ; ঈশ্বৰে তোকোযে সুমতি দিলে। মাৰক পুৰি গোটাই অনা অস্থি যি তুলসীৰ গুৰিত পুতিলি, সেইফাললৈ তইতো উভতিয়ে নাচালি। তুলসী মৰি ভস্ম উঠিল। পিণ্ডৰ অভাৱত মাৰ প্রেতাত্মা হৈ আছে। পলমকৈ হ'লেও তোৰ যে মতি-গতি ভাললৈ আহিল। ৰাইজেই ৰজা, জ্ঞাতিয়েই গংগা অ'। ৰাইজ সন্তুষ্ট হ'লেই ভগবান সন্তুষ্ট।

শ্রাদ্ধৰ দিনাখন নৰহৰি দেউৰ মন্ত্র মতাৰ কোব কি চাবা। ঘেচেক-ঘেচেককৈ দুটা নোদোকা পঠা ছাগলী কটা হ'ল। তাৰ উপৰিও আছে বৰালী মাছ। ৰাইজে উগাৰি-উগাৰি খাই নিধিক শলাগিলে। সকলোৰে মুখত একেটা কথা,— মাংসৰ জোলখন বৰ সোৱাদ হৈছে।

নৰহৰি দেৱে মুখৰ লেলাৱটি সামৰিব নোৱৰা হৈছে। তেওঁলৈ ঢেঁকীশালতে ঠাই-ঠকুৱা চিকুণাই, মাছ-মঙহ আছুতীয়াকৈ ঢাকি থোৱা হৈছে। মৰ বুঢ়ীজনীৰ শ্রাদ্ধৰ বাবে ৰাতিপুৱাৰে পৰা তেওঁৰ পেটত সাত বাটি শুদা চাহৰ বাহিৰে একো এটা পৰা নাই। এই ফুংফাংখিনি শেষ কৰিব পাৰিলেই তেওঁ চৰু জুৰিব পাৰে; মাছে-মঙহে দকচি খাই ফস্তি মাৰি শুই থাকিব পাৰে।

নিধি, অ' নিধি, দেৱে নিধিক চিঞৰিলে। ক'ত মৰিলগৈ জানো ককুৰধুলিটো। পিছে নিধি মৰা নাই। ক'ৰবাৰ পৰা ভুটুংকৈ ওলাই সি দেউৰ দাঁতিত থিয় দিলে। মাতটো যথাসম্ভৱ কোমল কৰি দেৱে ক'লে,— অস্থি লৈ আহ, শুদ্ধি কৰি থৈ যাওঁ। সময়-সুবিধা কৰি গংগাত নহ'লেও অশ্বক্রান্ততে দলিয়াই দিব পাৰিবি।

দেৱে অস্থি বিচাৰি পেঘেনিয়ায়হে পেঘেনিয়ায়, নিধিৰ দেখোন কাণসাৰেই নাই। বোলো চামোনে ধৰিলে নেকি? অস্থি আন। নিধিয়ে গেজেংকৈ উত্তৰ দিলে— 'অস্থি নাই, মই অস্থি গংগাত দিলো। কি কয় অ' এই জধামূৰ্খটোৱে। শোধন নকৰা অস্থি সি কেনেকৈ গংগাত দিলে? গাঁৱৰ চৌসীমা পাৰ নোহোৱা গোবান্ধটোৰ চোতাললৈ গংগা নদীখন বৈ আহিল নেকি?

নিধিৰ উত্তৰো খাৰাংখাচ। কিয়, আপোনালোকেই দেখোন কয়, ৰাইজেই ৰজা, জ্ঞাতিয়েই গংগা। মই অস্থিখিনি মাংসৰ জোলত মিহলাই দিলো।

ঘটনাটোৰ কেইদিনমান পাছত মই সেই গাঁওখনলৈ গৈছিলো। দেখিলো গাঁৱৰ প্রায় সকলো পুৰুষৰে মুৰ টকলা। তেওঁলোকে শাস্ত্ৰৰ বিধান মানি, ব্রত-উপবাস কৰি চুলি খুৰাই প্রায়শ্চিত্ত কৰিবলগীয়া হৈছে।■

# .... কফি একাপ খাবা নেকি ?

❐ ড° ভূপেন্দ্ৰ নাথ ভট্টাচাৰ্য্য
প্ৰাক্তন অধ্যাপক

'... কফি একাপ খাবা নেকি? সন্মুখা-সন্মুখাকৈ ছাতি এটাৰ তলত বহি? বহিম, কথা পাতিম... তুমিও ক'বা, ময়ো ক'ম? আহিবানে?

গ্ৰন্থমেলাৰ বিপণীত কিতাপ পঢ়ি থকা বিছ-একৈছ বছৰীয়া প্ৰায় সমবয়সীয়া ছোৱালী এজনীক দেখি তেনেকৈ ক'বলৈ মন গৈছিল যদিও নক'লোঁ। অচিনাকি যুৱতী ছোৱালী এজনীয়ে অচিনাকিভাৱে তেনেকৈ নিবিচাৰিবও পাৰে। উৰণ-পিন্ধনত তেওঁক এগৰাকী লেখিকা অথবা শিল্পী যেনো লাগে। আজিকালি কোনোৱে কাকো বিশ্বাসত নলয়। কফি খাবলৈ নিমন্ত্ৰণ কৰা বিষয়টোৱে নিজৰ ব্যক্তিত্বকো প্ৰতিফলিত কৰিব নিশ্চয়— মই যে এজন সৎ স্বভাৱসম্পন্ন যুৱক তাত কি বিশ্বাস আছে? তাই কেনেকৈ জানিব যে আগন্তুকৰ ব্যক্তিত্বৰ সৈতে মিলি গ'লে আজীৱন অভয় অনুভৱ কৰা যাব অথবা অমলিন অন্তৰৰ সৈতে এক অমলিন যুক্তিবাদী-স্পষ্টবাদী-সংস্কৃতিবান অন্তৰৰ বুজাবুজি আৰম্ভ হৈছে। সেই বুজাবুজিৰ এক শুভংকৰ প্ৰতীকস্বৰূপেহে এই কফি কাপক মধ্যস্থকাৰী হিচাপে বাছি লোৱা হৈছে।



...'খাবা নেকি কফি একাপ? সন্মুখ-সন্মুখীকৈ ছাতি এটাৰ তলত? বহিম। কথা পাতিম... তুমিও ক'বা; ময়ো ক'ম...?'

যুৱতীৰ পশ্চাদভূমিয়েদি দেখিলোঁ দিনান্তৰ দিগন্ত এতিয়া ধুসৰ। পকা সুমথিৰা টেঙা এটাৰ দৰে বেলিটো ধূসৰতাৰ মাজত ওলমি আছে।

তেওঁৰ নামটো কি হ'ব পাৰে? জনাৰ কোনো পথ নাই। তথাপি পিন্ধন-উৰণ চাই ধৰি ল'ব পাৰি... সম্ভৱত সৰস্বতী? শুভ্ৰা? অথবা শেৱালি। শেৱালিয়েই হ'ব কিজানি। পিন্ধনত শেৱালিৰ শুভ্ৰতাৰে ভৰা এযোৰ পাটৰ মেখেলা-চাদৰ... মুখত শেৱালিকোমল হাঁহিটো কিন্তু নাই। সেই কাৰণেই 'শুভ্ৰা' যেনো লাগে শেৱালিকোমল হাঁহিৰ বিপৰীতে আছে বিষন্নতা; হাঁহো-নাহাঁহো এনেকুৱা এটা ভাব। কান্ধত এখন সেউজীয়া গৰম কাপোৰ— ঠাণ্ডা লাগিলেই উৰি ল'ব। তেনে এটা ভাব। সেইখন যেন কাপোৰ নহয়; যেন সেউজ শইচৰ ভৰুণ সৌন্দৰ্যক, মেলাৰ ধূলি-বালি-নিয়ৰৰ পৰা বচোৱাৰ বাবেই উমাল কাপোৰখন কান্ধত পেলাই লৈ আহিছে। সন্ধ্যা নামিলেই তাই সেইখনেৰে সেউজীয়া হৈ উঠিব। কিজানি তাইৰ নাম শেৱালিয়েই হ'ব? যিহেতু সেইফালে চালেই অনুভব কৰোঁ এক বিষণ্ণ সন্ধ্যা। বিষণ্ণতা যে মোৰ ভাল নালাগে... সম্ভৱতঃ মই ভবাৰ দৰেও নহয়; তাইৰ আৱয়বিক নৃতত্ত্বই শেৱালি নামটোৰ কথাও নকয়, কয় দেৱী মীনাক্ষিৰ কথা গ্ৰন্থমেলাৰ বিপণীত কিতাপৰ পৰা মূৰ তুলি যাক চাই আছোঁ তেওঁৰ মুখমণ্ডল দেৱী মীনাক্ষিৰ সাঁচত ঢলা মৃন্ময় মূৰ্তিৰ দৰেহে। শুভ্ৰ পাট-বস্ত্ৰ পৰিহিতা কাচিৎ কেতিয়াবাহে দেখা যায় (কিজানি তেওঁ তেওঁৰ পৰম্পৰাগত পোছাকযোৰৰ প্ৰতি আবেগ বেছি?) মীনাক্ষি নামটো মনলৈ অহাৰ লগে লগে মোৰ মনটোত কিবা এক অব্যক্ত ঝল্‌মল্ উচ্ছ্বাস সৃষ্টি হৈছে আৰু সৃষ্টি হৈছে এক স্বতঃস্ফূৰ্ত চঞ্চল উচ্ছ্বাস-উল্লাস।

এনেকৈয়ে দেখোন ভাবি ভাবি বহু সময় পাৰ কৰি দিলোঁ— মীনাক্ষিয়ে এতিয়াও কিবা পঢ়াত মগ্ন। হ'লেও তাই নিশ্চয় ঘড়ীৰ কাঁটা মতেই চলিব। গ্ৰন্থমেলালৈ বুলি গাড়ীত উঠাৰ সময়ত মাকে দৃঢ়ভাৱে কৈ পঠিয়াইছে- 'মীনাক্ষি, তুমি গ্ৰন্থমেলাত বেছি দেৰি নকৰিবা ঃ কিবা অসুবিধা হ'লে দেউতাৰলৈ ফোন কৰিবা।...নিশ্চয়, তাইৰ ঘড়ীৰ কাঁটা এটা বিশেষ সময়ত বান্ধি থোৱা আছিল। সেইমতেই সকলো তেতিয়াই মই মোৰ ভিতৰৰ পৃথিৱীখনক আশাহীন বুলি ভাবোঁ। তথাপি মই আশাবাদী। মই আশা লৈয়েই মৰিম। সেই কাৰণেই মই মনে মনে বিচাৰিছোঁ সূৰ্যটো য'ত আছে তাতেই আৰু অলপ সময় ৰৈ থাকক। অলপ সময়ৰ বাবে পৃথিৱীৰ সকলো ঘড়ীৰ কাঁটা ৰৈ যাওক। ...মোৰ কথা মতে পৃথিৱী চলক পৃথিৱীত সময় বুলিলে চলক 'আন্তৰিকতা।' যাতে মীনাক্ষিয়ে মোৰ আন্তৰিকতাক উপেক্ষা কৰিব নোৱাৰে। কাৰণ মই যে ঘড়ীৰ কাঁটা মতে এইমাত্ৰ চলিব খোজা নাই— মই চলি আছোঁ আন্তৰিক সময়ত। সেয়ে মোৰ চেতনা বহু তৰপীয়া। কিন্তু জানিব পৰা হোৱা নাই মীনাক্ষিৰ চেতনা কেইতৰপীয়া? চেতনাৰ এটা তৰপত মই মীনাক্ষিৰ সন্মুখত ৰৈ আছোঁ নিজৰ সময়। মই যেন মোৰ আন্তৰিক সময়ৰ সৈতে। জোক বিধৌত এক সৰোবৰৰ ঝল্‌মল্ চঞ্চল-স্বচ্ছ স্ফটিকৰ দৰে জলধাৰাৰ ওপৰত। মীনাক্ষিৰ সৈতে দুয়ো দুটি ৰাতিৰ চৰাই হৈ ৰাতি ফুলা ভেটফুলৰ ওপৰত বহিছোঁ। কিন্তু বিবেকে মোক কৈ আছে— 'হেৰ' সপোন দেখিববলৈ এৰ। সময়বোৰ নষ্ট নকৰ; সপোন দেখিবলৈ এৰি বাস্তৱলৈ উভতি আহ আৰু যদি সাহস আছে কৈ দে— 'ব'লা মীনাক্ষি, তেতিয়াৰে পৰা কিতাপ পঢ়ি আমি দুয়ো ক্লান্ত— ব'লা এতিয়া একাপ কফি খাওঁ।' অথবা তাই বুজি পাব লাগিব তই তাইৰ অমলিন অন্তৰৰ সৈতে তোৰ অমলিন অন্তৰৰ বুজাবুজি আৰম্ভ কৰিছ বুলি।

মীনাক্ষিৰ (তাইৰ নাম সঁচাকৈয়ে জানো মীনাক্ষি? হওক বা নহওক। কথা নাই; মই দি লৈছোঁ নামটো) মাক নিশ্চয় সচেতন। পৰম্পৰবাদী মাকে আজিও পৰম্পৰত বিশ্বাসী হৈ জীয়েকক পাটৰ মেখেলা-চাদৰৰ সৈতে সেন্দুৰীয়া ব্লাউজ পিন্ধাই সেউজীয়া গৰম কাপোৰে দেহাৱয়ব ঢাকি হাতত কিতাপ কিনিবলৈ টকা-পইচা দি কৈছে— 'সাৱধান কিন্তু ঃ সস্তীয়া কিতাপ-পত্ৰ নিকিনিব ঃ সেয়ে হয়তো হাতত কিতাপ লৈ ওপৰেদি দুৰলৈ চাইছে— সেইখন কিনিব নে নিকিনিবি? চাওঁতে তাই মোক দেখিছে; ময়ো তাইক দেখিছোঁ। কোনোফালেই কোনো প্ৰতিক্ৰিয়া নাই। মোক দেখি বাটৰ কাষৰ ৰোমিঅ' বুলি ভবা নাইতো? নাভাবিলেই হয় যেনে-তেনে) কিনিবি ভাল কিতাপ— যি মোৰো ভাল লাগে।

কিতাপৰ ওপৰেদি মোৰ ফালে, চাই থাকি থাকি সেউজীয়া গৰম কাপোৰখন কান্ধৰ পৰা গুচাব খোজোঁতেই অজ্ঞাতভাবে পাটৰ চাদৰখন পিছলি গৈ তাইৰ আজানুলম্বিত বাহুৰ সৈতে দৃটিনন্দন গোলাপী বক্ষদেশ ওলাই পৰিল। মোৰ চকুৱে চকুৱে পৰিল। পৰাটো তাই দেখিলে; ময়ো দেখিলোঁ। লাজতে তাই মোৰ ফালে চাব নোৱাৰা হ'ল (হয়তো ভাবিলে মই দেখিলোঁ নকি? সেয়ে সেইফালৰ দৃষ্টি এৰাই কিতাপৰ ৰেকত থকা কিতাপবোৰত চকু দিলোঁ— যেন মই তাইক দেখাই নাই।

তাই আকৌ আগৰ দৰেই গৰম কাপোৰখন কান্ধত ওলোমাই ৰাখি আন এখন কিতাপলৈ চকু দিলে। পুনৰবাৰ মোৰ চকুৱে চকুৱে

পৰিল এবাৰ। হঠাৎ মোক দেখি এইবাৰ সংজ্ঞা ঘূৰাই পোৱা মানুহৰ দৰে তৎক্ষণাত তাই তাইৰ সেউজীয়া গৰম কাপোৰখনেৰে দেহাৱয়ব ঢাকি দিলে। ... যেন ফুলসজ্জাৰ অপূৰ্ব দৃশ্য ঢাক খাই গ'ল অথবা ঢাক খাই গ'ল (যাক দেখি মই বিস্মিত হৈ পৰিছিলো) সেউজ শইচৰ ভ্ৰূণ সৌন্দৰ্যৰ দৰে সৃষ্টিশীল গোলাপী বুকুখন। মই মোৰ হাতৰ কিতাপৰ বকলাখনলৈ চালোঁ... এক সৰোবৰৰ পানীত দুটা ভেঁফুল... ওপৰত উৰি ফুৰিছে এহাল পাটমাদৈ চৰাই... পাৰত এজাক চেলেকণা মাছ...

আকৌ চকুৱে চকুৱে পৰিল মীনাক্ষিৰ। সেইফালে নাচাবলৈ চেষ্টা কৰিলোঁ। তথাপি আকৌ চকু গ'ল। নিজকে সংযমী কৰি তুলিবলৈ হ'লে মই এই বিপণী তৎক্ষণাত এৰিবই লাগিব। এৰা, আৰু কাৱা নহ'ব— 'কফি একাপ খাবা নেকি? সন্মুখা-সন্মুখিকৈ ছাতিৰ তলত বহি?'

মই ওলাই যাম নেকি? মই নিজেই নিজৰ বন্ধু হোৱা ভাল। তাৰ মাজেৰেই চাব জানিলে পৃথিৱীখন বেছি ভালদৰেই দেখিবলৈ পাম। মই কিয় মীনাক্ষিৰ সৈতে কফি খাব লাগে? নাখালে কি হ'ব? নিজকে নিজে ধিক্কাৰ দিলোঁ যদিও তাইৰ ওঁঠৰ ওপৰৰ তিলফুলৰ দৰে দৃষ্টিনন্দন নাকটো আৰু এহাল চেলেকণা মাছৰ দৰে চকু দুটাই মোক সেইফালে চাই থাকিবলৈ বাধ্য কৰালে।

বিষণ্ণতা থাকিলেও মাজে মাজে মীনাক্ষিৰ মুখমণ্ডলত কিবা এক প্ৰশান্তিৰ ভাব দেখা পাওঁ। এসময়ত তেনে এটা প্ৰশান্তিৰ ভাব দেখিছিলো আমাৰ চুবুৰিটোত থকা মামণি বাইদেউৰ চকুহালত। নিতৌ আবেলি পৰত হাতত তানপুৰা লৈ আমাৰ ঘৰৰ সন্মুখেৰে মোৰৰ ৰাস্তাৰ ফালে আগবাঢ়ি যাওঁতে। মূৰত থকা দোকানৰ বাৰাণ্ডাত এজন ডেকা ল'ৰাই থৈলা পাৰি বহি থাকে। সন্মুখত আধা খোৱা ৰুটিৰ টুকুৰা, গিলাচত পানী— আমি সমবয়সীয়া কেইজনমানে লগ লাগি গৈ উভতি ধৰোঁ— 'দাদা, আপুনি ঘৰলৈ উভতি নাযায় কিয়? মাক-বাপেকক ইমান কষ্ট দিব নাপায়।' দাদাই কয়— 'মইতো মা-দেউতাক কষ্ট দিয়া নাই, মই নিজকহে কষ্ট দিছোঁ। ৰ'বা মামণিয়ে এতিয়া এইফালে হাতত 'তানপুৰা লৈ গানৰ ৰেৱাজ কৰিবলৈ আহিব।' সঁচাকৈয়ে বাইদেউ আহে; তেওঁ কয়— 'মামণি, তুমি মোক বুজিবলৈ চেষ্টা কৰা; চোৱা, মই তোমাৰ বাবে কেনেকৈ দিনৰ পাছত দিন ৰ'দে-বতাহে বৈ বৈ শুকাই-খীণাই ক্ৰমাৎ মৰি গৈ আছোঁ।'— কিন্তু বাইদেৱে নাচায়। এহাতে তানপূৰা আনহাতে স্বৰলিপিৰ বহীখন মাত্ৰ পাৰ হৈ যোৱা বাটটোত এটা সুগন্ধ বৈ যায়। তেওঁ পাৰ গৈ গ'লে আমাক কয়— 'ভাইটিহঁত দেখিলা নহয়; এসময়ত মামণি আছিল মোৰ সত্তা, জীৱনৰ এটা অংশ; অথচ আজি মোক কেনেকৈ অৱজ্ঞা কৰি গুচি গ'ল (এক মুহূৰ্তৰ বাবে মোৰ নিজকে বাটৰ কাষৰ সেই ৰোমিঅ' দাদাজনলৈ মনত পৰি গ'ল। লগতে নিজকো তেনেকুৱা যেন ভাব হ'ল)। এনেকৈ থাকি থাকি এদিন সেই ৰোমিঅ' দাদা চিৰদিনৰ বাবে পৃথিৱী এৰি গুচি গ'ল।

চেলেকণা মাছৰ দৰে চকুহালে এইবাৰ মোৰ ফালে চালে। মই মনে মনে আকৌ ভাবিলোঁ কাষলৈ গৈ কওঁ নেকি— 'মীনাক্ষি, অথনিৰে পৰা আমি দুয়ো কিতাপ পঢ়ি পঢ়ি ক্লান্ত; ব'লা সৌ ছাতিটোৰ তলত বহি দুয়ো দুকাপ কফি খাওঁ? লগত অলপ ভজা বাদাম— ঠাণ্ডা। ভাল লাগিব। (নহ'ব নহ'ব! বাদাম চোবালে মৰ্ মৰ্ শব্দ হ'ব। তেনে শব্দ আৱেগবিনাশী। আমাৰ দুয়োৰে অন্তৰৰ আৱেগেই যদি বিনাশপ্ৰাপ্ত হয় তেনেহ'লে থাকিলেই বা কি? আমাৰ উভয়ৰে চেতনাস্ৰোতত সি জাঁজী হৈ ৰ'ব আৰু প্ৰবহমান সোঁত বন্ধ কৰি দিব অথবা স্বপ্নজাল ছিঙি ভংলা-ভংলি কৰি পেলাব; গতিকে বাদাম ভজা বন্ধ। একো নাখাওঁ সেইবোৰ; মাত্ৰ খাম দুয়ো দুকাপ কফি। কফি মেজত এটা ফুলদানি। আমি ফুলদানি থকা মেজত বহিম। ফুলদানিত ফুল থাকিবই লাগিব। (এজাৰ? নহয় নহয় এজাৰে বিষাদ সৃষ্টি কৰে)। তেনেহ'লে কি ফুল? ৰক্ত কৰবী? ৰক্ত কৰবীৰ ঘ্ৰাণ লৈ লৈ ফেনিল কফি কাপত শোহা এটা মাৰি ক'ম— 'মীনাক্ষি, তোমাৰ কফি; মাত্ৰ দুটা চুটি চুটি শব্দ। বচ। মই তাইৰ চকুলৈ চাম। ভাবিম। কিবা ক'ম। কি ক'ম?... আজিকালি, শ্বিলঙত বৰফ নপৰা হ'ল। ...সৰুতে বৰফ পৰাৰ কথা আমি আমাৰ দেউতাৰ মুখে শুনিছিলোঁ... তাৰ পাছত নীৰৱতা। অপেক্ষা কৰিম— মীনাক্ষিয়ে কি কয়? তাৰ পাছত ভাবি থাকিম টুকুৰা-টুকুৰকৈ নহয়। যাতে এক চেতনাৰ স্ৰোত উভয়ৰে মাজত বৈ থাকে অহৰহ। যেন দুপাৰৰ দুটা ৰাস্তা; মাজত থকা নৈখনৰ বাবে জোৰা লগা নাই। মই সুধিম— 'আমি দুয়ো যদি সেই নৈৰ ওপৰেৰে এখন দলং সাজিবলৈ আৰম্ভ কৰোঁ। কেনে হ'ব? দুয়ো তেতিয়া সহজেই অহা-যোৱা কৰিব পাৰিলেহেঁতেন?' (কিয় সজা নাই দলং? নেতিবাচক কথাবোৰ পৰাপক্ষত বাদ দিব লাগিব। 'নাই' 'নহ'ব' 'নহ'ল' এই ন ন নৰ চিন্তাবোৰ বৰ সৰল। ইমান সৰল যে আগুৱাই যাবলৈ অসুবিধা। ইমান সৰল হ'লে আগুৱাই যাবলৈ অসুবিধা। অলপ কঠোৰ হ'ব লাগিব তুমি, দুই হাতেৰে তিনিটামান চাপৰ মাৰা; তেতিয়া মীনাক্ষিৰ ধ্যানভংগ হ'ব আৰু তোমালৈ বহলকৈ চকু মেলি চাব।) তথাপি সন্দেহ থাকি যাব— মই মীনাক্ষিৰ কাৰণে কিমান বিশ্বাসী? মানসিকতাত মই কেনেকুৱা? মোৰ আদৰ্শ কি? মই কোন? চোৰ,

ডকাইত? সন্ত্ৰাসবাদী? নে ৰাজনীতিবিদ। আছেনে থাকিবলৈ মোৰ এটা পৰিষ্কাৰ পৰিচ্ছন্ন ঘৰ? সন্মুখত ফুলনি। পিছফালে পাচলি বাগিচা। মাছৰ পুখুৰী? নাই— মোৰতো এইবোৰ একো নাই... থাকোঁ অপৰিষ্কাৰ ভাৰাঘৰ এটাত (তেনেহ'লে? তৎক্ষণাত মই এই ঠাই পৰিত্যাগ কৰা উচিত?)... পোছাক-পৰিচ্ছদ দেখি ভাব হয় মীনাক্ষিয়ে কিজানি এটা ধুনীয়া ঘৰত বাস কৰে। সন্মুখত গোলাপৰ বাগিচা। ৰঙা, নীলা, হালধীয়া, বগা গোলাপৰ মাজে মাজে প্ৰাচীন নীলকণ্ঠ, শালিকীকণ্ঠ ফুলৰ শাৰী। দোকমোকালিতে উঠি ফুলদানিত সজাবৰ বাবে গোলাপ ফুল ছিঙে। ফুলৰ পাপৰিৰ ঘ্ৰাণত মন-মস্তিষ্ক নিকা হৈ থাকে।

তাইক দেখিলে কিন্তু বিদূষী শিল্পীসুলভ যেন ভাব হয়। নিশ্চয় ৰক্ষণশীলো। নিজৰ জীৱন যেন নিজৰ হাতত; তেনে এটা মতত বিশ্বাসী যেন ক'তো ধূলি-মাকতিৰ আচ্ছাদন নাই। চকুত চছ্মা। স্ফীত, গৰ্বিত মোহনীয় দেহভংগীৰ বক্ষদেশ। কাৰো পদাৰ্পণ যেন সেই দেশত হোৱা নাই। সৰোবৰৰ স্বচ্ছ পানীৰ দাপোণৰ দৰে ফট্‌ফটীয়া চৰিত্ৰ। যেন বিশ্বাস কৰে সৎ জীৱন যাপনত। নিৰ্মলতাত। আকাশৰ নীলাত। সেই মনৰ আকাশত ডাৱৰ নাথাকে— যদি থাকে তেনেহ'লে মাত্ৰ শুকুলা— মনৰ নীল আকাশখনিত বিচৰণ কৰি ফুৰে কমোৱা তুলাৰ দৰে।

'মীনাক্ষি, তুমি ক'ত থাকা?— যদি তেনেকৈ সুধিব পাৰিলোঁহেঁতেন?

'কিয় লাগে আপোনাক? আপুনি কোন?— যদি ওলোটাই প্ৰশ্ন কৰে সিফালৰ পৰা? মই যিহে স্পৰ্শকাতৰ তেনে উত্তৰ মই সহ্য কৰিব নোৱাৰিম; কাৰণ মই কথাষাৰ সুধিম পৰম আন্তৰিকতাৰে— যদি তাৰ বিপৰীতে কথাষাৰ আন্তৰিকতাহীন হৈ যায়?

মৃদু হাঁহি এটা মাৰিলোঁ সেইফালে সন্তুষ্টচিত্তে। মই আশা কৰিছিলোঁ সেইফালৰ উৎফুল্লিত মৃদু হাঁহি এটাই আমাৰ সংযোগ ঘটাব (তাৰ পাছত আমি কথা পাতিম?)। কিন্তু সেই হাঁহিয়ে সম্ভৱতঃ সেইফালে অস্বস্তি আৰু বিৰক্তি আনি দিলে... মীনাক্ষিৰ কপাল কোঁচ খাই গ'ল আৰু তাৰ লগে লগে মুখমণ্ডলত বিলুপ্ত হ'ল সেই উৎকণ্ঠিত লাৱণ্য। নিশ্চিহ্ন হ'ল যৌৱনাচ্ছল দীপ্তি.. মুখ দেখি ভাব হয় যেন তাই মোক ক'বলৈ বিচাৰিছে— 'অথনিৰে পৰা আপুনি মোৰ পিছে পিছে কিয়? কোন আপুনি? মোক মোৰ সৈতে থাকিবলৈ দিয়ক; আপুনি আপোনাৰ সৈতে আনক কিয় আমনি কৰে?'

ইয়াৰ পাছত কেনেকৈনো সোধোঁ— 'মীনাক্ষি, মোৰ সৈতে কফি একাপ খাবা নেকি?'

পশ্চিমত পকা সুমথিৰাৰূপী বেলিৰ ৰ'দ গুচি গ'ল। এক ঘনায়মান অন্ধকাৰৰ আচ্ছাদনে পৃথিৱীৰ ইটো ফাল ছানি পেলালে। সন্ধ্যা নামিল। এক অব্যক্ত বিষণ্ণতাই মোক বুৰাই পেলালে। মীনাক্ষিক দেখাৰ পাছৰে পৰাই পত্ৰ-পুষ্পৰে বিকশিত হোৱা (মনৰ কোনোবাখিনিত) ৰক্ত কৰবী জোপা ক্ৰমাৎ এজোপা পত্ৰ-পুষ্পহীন লঠঙা গছলৈ ৰূপান্তৰিত হ'ল।

'...মীনাক্ষি, ব'লা ছাতিৰ তলত বহি কফি একাপ খাওঁ'... নাটকীয়ভাৱে চ্যুট-টাই পৰিহিত এক যুৱকে তাইৰ কাষত থিয় হৈ হাতত ধৰিলে (আচৰিত! মই কল্পনা কৰাৰ দৰেই নামটোও মীনাক্ষি?)। মীনাক্ষিয়ে লাজ লাজ ভাবত মোৰ ফালে চালে পঢ়ি থকা কিতাপখন আগৰ ঠাইত থ'লে। সেউজীয়া উমাল কাপোৰখনেৰে দেহৰ উদি অংশ ঢাকি ল'লে।

যুৱকে আকৌ তাইৰ হাতত ধৰিলে। তাৰ পাছত বাউসীত... তাৰ পাছত মীনাক্ষিৰ খামুচীয়া কঁকালত—

মই চাই থাকিলোঁ। তথাপি এটা আশা

স্তব্ধতা নামি আহিল; তাৰ লগে লগে শূন্যতা। শূন্যৰ অৱস্থিতি নাথাকিলেও স্থিতি আছে নিশ্চয়। সদ্যহতে স্থিতিয়েই যথেষ্ট।..........■

# প্ৰায়শ্চিত্ত দহ বছৰৰ


□ লীল বাহাদুৰ ছেত্ৰী
**প্ৰাক্তন অধ্যাপক**
*অনুবাদক ঃ ড° ৰশ্মিৰেখা শৰ্মা*
*(মূল গল্প নেপালী ভাষাৰ)*




জামচেদপুৰ টাটানগৰৰ ইস্পাত কাৰখানা। বিজুলী বাতিৰ পোহৰে চাৰিওফালে পোহৰাই তুলিছে। লাহে লাহে আগবাঢ়িছে সি কোম্পানীয়ে দিয়া তাৰ কোৱাৰ্টাৰৰ পৰা ছয় নং গেটতেই সদায় তাৰ ডিউটি। কেতিয়াবা দিনত, কেতিয়াবা পুৱা ভাগত আৰু এতিয়া ৰাতি। এই ক্ৰম যোৱা ছয় বছৰ পৰাই একেধাৰে চলি আছে।

দহ বছৰৰ আগৰ তাৰ অতীতটোক সময় প্ৰবাহে লাহে লাহে ম্লান কৰি পেলাইছে আৰু অৱশেষত প্ৰায় নাইকিয়া কৰি দিছে। কিন্তু হঠাৎ আজি পুৱা তাৰ অতীতটোক কোনোবাই খুচৰি পুনৰ বাহিৰলৈ উলিয়াই দিছে। সি নিজেই চিঙি পেলাই দিয়া ৰচীডালে আৰু মজবুত হৈ তাৰ হাতখন মেৰিয়াই ধৰিছে।

সুদীৰ্ঘ দহ বছৰীয়া দীঘলীয়া সময়চোৱাক চমুৱাই নি তাৰ জীৱনটোক দহ বছৰৰ অতীতলৈ ঠেলি দিলে। সি দোধোৰ-মোধোৰত পৰিল। শংকা আৰু সংশয়ৰ দ্বন্দ চলিছে তাৰ মনৰ ভিতৰত।

ডেৰ কিলোমিটাৰমান বাট খোজ কাঢ়ি ছয় নং গেটৰ কাষ কেনেকৈ পালে সি গমকেই নাপালে। দহ বজাৰ পৰা তাৰ ডিউটি। গেটৰ কাষত বহি থকা তাৰ লগৰীয়াজনক বিদায় দিলে। এতিয়া পুৱা ছয় বজালৈকে তাতে সি বহি ডিউটি দিব লাগিব। পুৱা ছয়টাত পুনৰাই এজন অহাৰ পাছতহে সি ঘৰলৈ যাব পাৰিব।

গেটৰ কাষতে থকা টুলখনৰ ওপৰত বহি পৰিল সি। অতীতৰ স্মৃতিবোৰ তাৰ মনৰ

ভিতৰতে এটা দুটাকৈ মেল খাবলৈ ধৰিলে। পুৰাৰ ঘটনাবোৰো চিনেমাৰ ৰিলৰ দৰে তাৰ মানসপটত ভাঁহি উঠিল।

সি বহু দেৰীলৈকে টোপনিৰ পৰা সাৰেই পোৱা নাছিল সেইদিনা। আগদিনা ৰাতি দহটাত ডিউটি শেষ কৰি কোৱাৰ্টাৰ আহি পাওঁতে এঘাৰটালৈ মাত্ৰ পোন্ধৰ মিনিটহে বাকী আছিল। তাতে আকৌ ভাত সিজোৱা কাম। ভাত সিজাই মেলি খাই শুওঁতে তাৰ প্ৰায় বাৰটাই বাজিল। পাছদিনা ৰাতি দহটাৰ পৰাহে ডিউটি থকাৰ বাবে সিমান লৰালৰি কৰিব লগাও নাছিল।

পুৱা উঠি প্ৰথমতেই ষ্টোভত সি চাহ বহুৱাই দিলে। চাহ খোৱাৰ পাছত পানী গৰম হৈ থাকোতেই দাত ঘঁহি মুখো ধুই ল'লে। দাড়ি অকণ খুড়াই দি ভাবিলে- দালি সিজি থাকোতে নিত্য কৰ্মবোৰ কৰি ল'ব।

ভাবি ভাবি উঠিছিলহে; তেনেতে বাহিৰত কেনোবাই মতা যেন শুনি সি বাহিৰলৈ ওলাই আহিল। দেখিলে এগৰাকী আদহীয়া ব্যক্তি ৰৈ আছে। তেওঁৰ কাষতে ন-দহ বছৰীয়া এটি কিশোৰ। তাৰ পিন্ধনত স্পৰ্টিং আৰু বেগী পেন্ট। ভৰিত বুট জোতা। কান্ধত সৰু প্লাষ্টিকৰ বেগ। ল'ৰাটো বগা। কোমল মুখ আৰু সুন্দৰ স্বাস্থ্য, সুন্দৰ চেহেৰা। আচৰিত হ'ল সি- ল'ৰাটোৰ মুখখন ক'ৰবাত দেখা দেখা যেন লাগিল।

"গণেশমানৰ ঘৰ এইখনেই নহয়নে?"

কিছু সময় আগন্তুকৰ পালে একেথৰে চাই থকাৰ পিছত সি কৈ উঠিল- "হয়।"

"গণেশমান আপুনিয়েই নহয় জানো?"- আগন্তুকে পুনৰ সুধিলে।

"হয়। আহক, ভিতৰলৈ আহক।" তাৰ মনত তেতিয়া কৌতুহলৰ ভাব।

মানুহজন ভিতৰলৈ সোমাই আহিল। পিছে পিছে ল'ৰাটোও। ষ্টীলৰ চকী এখনত তেওঁ বহিল আৰু আনখনত ল'ৰাটোক বহিবলৈ ইংগিত দিলে।

কিছুক্ষণ এনেয়ে পাৰ হোৱাৰ পিছত আগন্তুকজনে ক'লে— "মই চিলঙৰ খাচীয়া পাহাৰৰ পৰা এই ল'ৰাটোক গতাই দিওঁ বুলি আহিছো। আপুনি নিশ্চয় ইয়াক চিনি পোৱা নাই। ই আপোনাৰেই ল'ৰা। পত্নীক ত্যাগ কৰিলেও সম্ভৱ নিজৰ সন্তানক আপুনি ত্যাগ কৰা নাই।"

এনে অপ্ৰত্যাশিত কথাবোৰত থতমত খালে গণেশমানে। ক'লে- "হেৰি! মই কেতিয়াবা ল'ৰাটোক দেখিয়েই পাইছোনে চিনিয়েই পাইছো যে ইয়াক মোৰেই ল'ৰা বুলি আঁকোৱালি ল'ম?"

"মাইলী' নোৱানীৰ ল'ৰাজন আপোনাৰেই ল'ৰা নহয়জানো? তাইতো আপোনাই পত্নী।"- আগন্তুকে যুক্তি আগবঢ়ালে।

আগন্তুকৰ কথাত কিছুপৰ চিন্তিত হৈ সি লাহে লাহে ক'লে- "বেশ্যাও কাৰোবাৰ পত্নী হ'ব পাৰেনে? চাওক, মই তাইক পত্নীজ্ঞানেই কৰিছিলো। কিন্তু তাইৰ কিমানবোৰ যে পতি আছে তাৰ হিচাবেই নাই। তাইক মই এৰি দিয়াও দহবছৰ মানেই হ'ল। এই দহ বছৰত তাই কিমানজনক বা পতি জ্ঞান কৰিছে তাৰ কিবা লেখ আছেনে?"

আমি জনামতে তাই তেনেকুৱা নহয়। আপোনাৰ লগত বিয়া হোৱাৰ আগলৈকে তেনেকুৱা আছিল নাজানো। কিন্তু আপুনি এৰাৰ পাছত যে আপোনাৰ পৰায়ণ হৈয়েই আছে- সেইটো হ'লে খাটাংকৈ ক'ব পাৰো। কোনেও তাইৰ খুত অকনো উলিয়াব পৰা নাই। কষ্ট কৰি বেচেৰীয়ে এমুঠি উলিয়াইছে। গৰ্ভতে থকা ল'ৰাটোক তুলি তালি ইমান ডাঙৰ কৰিলে। এই ল'ৰাটোৱে জানো এতিয়া নিজৰ দেউতাকক চিনি পাব নালাগিব? নিজৰ দেউতাক জীয়াই থাকোতেনো সি কেনেকৈ মাউৰা হৈ থাকিব কওকচোন। সেই কাৰণেই আপোনাৰ ঠিকনাটো বিচাৰি তাই ল'ৰাটোক পঠিয়াইছে। বিনোদ! সোণটো! এইজন তোমাৰ দেউতা। সেৱা কৰা বোপাই।" মৰমেৰে মানুহজনে ক'লে।

ভৰিত ধৰি ল'ৰাটোৱে সেৱা কৰাত গনেশমানে 'হ'ব হ'ব' বুলি কিছু আঁতৰি দিলে। কিন্তু তাৰ প্ৰতিক্ৰিয়া বা উত্তৰৰ প্ৰতি অকনো ভ্ৰূক্ষেপ নকৰাকৈ আগন্তুকজনে পুনৰ ক'লে- "বাৰু ইয়াক আপোনাকে গতালো। মই গোৰখপুৰলৈ যোৱা গাড়ী ধৰিব লাগিব। চাওক, ল'ৰাটো আপোনাৰেই। তাক মানুহ বনাই দিয়ক। পাৰিলে মাক বেচেৰীকো আনক। আপুনি পুনৰ বিবাহ নকৰোৱা কথাটো তাই জানে। দহ বছৰলৈকে তাই বেচেৰীয়ে আপোনাৰ বাবেই অপেক্ষা কৰিছে, তাই লিখা চিঠিখন ইয়াৰ পকেটত আছে, পঢ়ি চাব। যদি একেবাৰেই আপোনাৰ মনটোৱে নামানে তেন্তে ল'ৰাটোক তাৰ মাকৰ কাষলৈ ঘূৰাই পঠোৱাৰ ব্যৱস্থা কৰি দিব। উপজাৰে পৰা তুলি তালি ইমানটো কৰিলে যেতিয়া এতিয়া আকৌ ডাঙৰ কৰিবলৈ ভয় কিহৰ?"

একেলগে কথাবোৰ কৈ 'সোণ থাক দেই, মাৰালৈ চিঠি পঠাবি, মই যাওঁ' বুলি মানুহজন দ্ৰুতগতিৰে বাহিৰ ওলাল।

গণেশমান সংকটত পৰিল। মানুহজন গুছি গ'লেই। ছেঃ কিবা খাই যাবলৈকো কোৱা নহ'ল। চোৰ গ'লে বুদ্ধি, বৰষুণ

গ'লে জাপি। মলিন মুখেৰে আগন্তুকজন যোৱাৰ ফালে ল'ৰাটোৱে চাই থাকিল। ল'ৰাটোৰ প্ৰতি তাৰ মন মমতাৰে ভৰি পৰিল।

'মোৰেই ল'ৰা। লোকৰ হোৱা হ'লেনো তাই কিয় এইদৰে পঠালেহেঁতেন? ল'ৰা-ছোৱালীনো কাৰ ববে বেছি হৈছে? ল'ৰাটো বেলেগৰ হোৱা হ'লে বেলেগে তুলিলেহেতেন।'- তাৰ মনত ভাৱৰ সমুদ্ৰ।

ল'ৰাটোক বহু কথাই সুধিলে সি। বহুতো কথা। তাৰ কথা। তাৰ মাকৰ কথা। ল'ৰাটোৰ মুখৰ পৰা বহুতো কথা সি জানিবলৈকো পালে। মানুহজনীয়ে লিখা চিঠিও পঢ়িলে। ল'ৰাটো নাম হেনো বিনোদ। চিলঙৰ এখন বিদ্যালয়ত পঢ়ে সি। মাকে তাতে পাণৰ দোকান এখন দি খৰচ উলিয়াইছে। বিনোদক তাই সদায় হেনো কয়- 'তোৰ দেউতাৰে তোৰ জন্মৰ আগতেই এৰি থৈ গৈছে। তই ডাঙৰ হ'লে বিচাৰি উলিয়াব লাগিব দেই সোনটো।'- আৰু সকলো খবৰ বাতৰি লৈ অলপ আগতে অহা মানুহজনৰ স'তে তাক পঠাই দিছে। সি অহাৰ পৰত তাৰ মাকে যে ইমান কান্দিছিল।

সুন্দৰ চেহেৰা, বিনম্ৰ কথা-বতৰা আদিয়ে ল'ৰাটোৰ প্ৰতি তাৰ আকৰ্ষণ বৃদ্ধি কৰিছিল. এফালে তাৰ মনটোৱে তাক পুতেক হিচাবে স্বীকৃতি দিব বিচাৰে আনহাতে মস্তিষ্কই পুনৰ বাধা দিয়ে।- 'হয় জানো মোৰেই ল'ৰা? কদাপিও নহয়। তিৰীৰ জালবোৰ চালবোৰ জানো কোনোবাই বুজি পাইছে। কোৱাই আছে দেখোন— 'স্ত্ৰীয়া চৰিত্ৰং....।' বেশ্যাৰ জালৰ পৰা কোনোমতে ওলাই আহিছিলো; পুনৰ এনে ভুল সপোনতো নকৰো। কোনেও বিশ্বাস নকৰাৰ বাবে হয়তো এতিয়া মোৰ কাষলৈ পঠিয়াই দিছে. মনৰ মাজত চলি থকা এনে অন্তৰ্দ্বন্দৰ মাজতেই সি বিনোদক গা ধুৱাবলৈ লৈ গ'ল। গা-পা ধুৱাই মেলি ভাত খাবলৈ দি নিজৰ বিছনাখনতে আথে-বেথে শুৱাই থ'লে। ৰেলৰ দীঘলীয়া যাত্ৰাৰ ভাগৰত লেবেজান হোৱা ল'ৰাটো দিনত বহুপৰ শুই থাকিল। সন্ধিয়া বেলা বিনোদক ভালদৰে খুৱাই বোৱাই ৰাতিটো ভয় নকৰাকৈ শুব ক'লে। ওচৰে পাঁজৰে বহুতো মানুহ থকাৰ বাবে সি নিজৰ ডিউটিলৈ ওলাল।

বহি থকা টুলখনৰ পৰা উঠি গণেশমানে চাৰিওফালে এপাক মাৰিলে। সমুদ্ৰত অহৰহ ঢৌৰ ওপৰত ঢৌ উঠাৰ দৰে তাৰ মনতো অযুত তৰংগৰ সৃষ্টি হ'ল আৰু মাৰ গ'ল।

ডিউটি কৰোঁতাজনে বিশ্ৰাম কৰিবৰ বাবে সজা সৰু ঘুমটিৰ দৰে কোঠাৰ ভিতৰত সি সোমাল আৰু তাত থকা দীঘল বেঞ্চখনত বুট জোতাৰ স'তেই দীঘল দিলে। নিজৰ অতীতক পুনৰ সি খুচৰি খুচৰি উলিয়াব ধৰিলে। দহ বছৰ আগৰ ঘটনাবোৰ ক্ৰমবদ্ধভাৱে মনত পেলাবৰ চেষ্টা কৰিলে সি।

চিলঙৰ খাচীয়া পাহাৰৰ কোনোবা এটা বেংকত সি সেই সময়ত কাম কৰিছিল। টকা-পইচা লৈ ট্ৰেজাৰিলৈ যাব লগা হ'লে ট্ৰেজাৰিৰ পৰা টকা আনিবলগীয়া হ'লে বেংকৰ গাড়ীতে সি অহা-যোৱা কৰিছিল। বাকী সময়চোৱাত দুই নলীয়া বন্দুক এটা লৈ বেংকৰ মুল দুৱাৰখনৰ কাষৰ টুল এখনতে বহি থকাই আছিল তাৰ কাম। মাজে মাজে বেংকৰ কাষতে থকা ৰাস্তাটোলৈ ওলাই গৈছিল বন্দুকটো লৈ তামোলচালি খাবলৈ। তামোলতকৈ আকৰ্ষণৰ বস্তু আছিল তাৰ বাবে তামোল বেচা অতি সুন্দৰী গাভৰুজনীহে। সকলোৱে গাভৰুজনীক মাইলী নেৱাৰ্নী বুলিছিল। অংগে অংগে ৰূপ-যৌৱনেৰে ভৰপুৰ সেই ছোৱালীজনীৰ বয়স একৈশ-বাইশ বছৰমান হ'ব।

বেংকৰ গাতে লাগি থকা ৰাস্তাটোৰ একাষৰ দোকানখনেই মাইলী নেৱাৰ্নীৰ দোকান। দোকান মানে এখন সৰু বাকচৰ দৰে দুটা খুটা থকা আলমিৰা। তলৰচোৱাত এফালে গ্লাচ লগোৱা, আনফালে খোলা। ওপৰচোৱাৰ চাৰিওফালে কাঠেৰে বিট মৰা তলৰ খলপত কেইটামান প্লাষ্টিকৰ বটলত মৰ্টন, লুজেন, টফী, সৰু সৰু বিস্কুট আৰু চানা থোৱা আছিল। ওপৰৰ খলপত এখন ডাঙৰ পিৰিচত চুন লগাই সুন্দৰকৈ ভাঁজ কৰি থোৱা পাণৰ পাত আৰু তামোলৰ টুকুৰা। ন-দহটামান চিগাৰেটৰ পেকেট, বিড়িৰ দুটামান মুঠা, আৰু আধা দৰ্জনমান দিয়াচলাইৰ পেকেট. বচ্ এয়াই মাইলী নেৱাৰ্নীৰ দোকান। কমকৈ বৰষুণ দিলে আলমিৰাখন তাই প্লাষ্টিকৰ কাপোৰেৰে ঢাকি পেলায় আৰু নিজে ছাতি এটা মেলি বহে। ধাৰাষাৰ বৰষুণ দিলে দোকানখন বেংকৰ বাৰান্দালৈ উঠাই লৈ যায়।

আগতে ঝালুপাৰাত নিজৰ মানুহৰ ঘৰতে থাকিছিল মাইলী নোৱাৰ্নী। পুৱা আহোঁতে নিজৰ লগতে বস্তুবোৰ লৈ আহিছিল আৰু আলমিৰাখন উলিয়াই আনি দিনটোৰ বাবে দোকান পাতিছিল। আবেলি দোকান চপোৱাৰ পিছত আলমিৰাখন বেংকৰ পিছফালে চুক এটাত থৈ দিছিল আৰু বস্তু বাহিনিবোৰ টোপোলা বান্ধি নিজৰ লগতে লৈ গৈছিল।

পাছলৈ তাই বেংকৰে পাছফালে নন্দলাল বুঢ়াই সজা জুপুৰী এটা ভাৰাত লৈ থাকিবলৈ লয়। বেংকৰ পিছফালে বেংকৰ গাৰ্ড থকাৰ বাবে দুটা কোঠা আছিল। তাৰে এটাত গাৰ্ড আৰু আনটোত নন্দলালৰ পৰিয়াল থাকিছিল। তেওঁৰ কোঠাতে লগ লগাই খেৰৰ লাচি এটা গাঁথি দিছিল নন্দলালে আৰু মাইলী নেৱাৰ্নী সেইটোতে

থাকিছিল. নন্দলালেও সেই বেংকটোত কাম কৰিছিল। পৰিয়াল থকা নন্দলাল এজন সত্যবাদী আৰু জনা-বুজা ব্যক্তি হোৱা মাইলী নেৱাৰ্নী তেওঁৰ ছত্ৰছায়াত নিৰ্ভয় হৈছিল আৰু আনন্দমনে দিন কটাইছিল। তাইক মানুহজনেও পুত্ৰী জ্ঞান কৰিছিল।

ৰূপ অনুসৰি গুণো আছিল মাইলী নেৱাৰ্নীৰ। তাইৰ বিনম্ৰ স্বভাৱ, সাৱলীল কথা-বতৰা, মৃদু হাঁহি আদিত ভিতৰি ভিতৰি গণেশমান পমি গৈছিল। সি মনে মনে লক্ষ্য কৰিলি- কাৰোবাৰ ঠাট্টাৰ প্ৰত্যুত্তৰো তাই হাঁহিৰেই দিয়ে আৰু সেই অপূৰ্ব হাঁহিৰ বাবেই তাইৰ বিক্ৰীও লাহে লাহে বাঢ়ি গৈছে।

"নহয় অ' ককা, এই মাইলী নোৱাৰ্নীনো কোন?"— এদিন সি নন্দলালক প্ৰশ্ন কৰিয়েই পেলালে।

"এজনী বগী ধুনীয়া গাভৰু আকৌ; দেখিছই নহয়।"- বয়সত তাতকৈ বহুত ডাঙৰ হোৱাৰ বাবে নন্দলালে তাক তই বুলি মাতে।

"নহয়, নহয়; মই সেইটো সোধা নাই। তাইনো ক'ৰ পৰা ইয়ালৈ আহি এনেদৰে অকলশৰীয়াকৈ আছেহি? তাইৰ কোনো নাই নেকি? ঘৰনো ক'ত তাইৰ? সেয়াহে সুধিছো আকৌ।"- সি পুনৰ প্ৰশ্ন কৰিলে।

"মণিপুৰৰ ছোৱালী। মাক-দেউতাকে নগালেণ্ডৰ পুলিচ এটালৈ বিয়া দিছিল। কিহবাত বেয়া পাই গিৰিয়েকক এৰি ঝালুপাৰাত থকা নিজৰ মানুহৰ ঘৰত আছিলহি। আকৌ তালৈ নাযায় হেনো। সেই কাৰণেই দুবেলা দুমুঠি যোগাৰৰ বাবে দোকান এখন দিছেহি। বুজিলি?"

"গিৰিয়েকক তাই এৰিছে নে তাইক গিৰিয়েকে এৰিছে ককা?"— নিজৰ কৌতুহল ব্যক্ত নকৰাকৈ থাকিব নোৱাৰিলে গণেশমানে।

"এহ্; কথা একোটাই দেখোন। যেনেকৈ হ'লেও এৰা এৰি হ'ল আৰু।"- কিছুপৰ ৰৈ তেওঁ ক'লে- "যি হ'লেও চিক্সলৈকে পঢ়া ছোৱালী জান, এতিয়াও ৰাতি বহুত দেৰিলৈকে কিতাপ পঢ়ে মোৰ ল'ৰা-ছোৱালী কেইটাকো সন্ধিয়া শিকাই দিয়েহি। ব্যৱহাৰ পাতিও বৰ ভাল ছোৱালীজনীৰ। কিন্তু কি কৰিবি বোপাই, তোৰ ভাগ্যতেই নাই। তাই হ'ল নেৱাৰৰ ছোৱালী আৰু তই হ'লি ছেত্ৰী।"

"মন মিলিলেই হ'ল; জাতে কি কৰিব?"— সি তাৰ মনৰ ভাব ব্যক্ত কৰিয়েই পেলালে।

"কথাটো হয়; তোৰ কথাটোৱেই সঁচা। জাতৰ কথা লৈ আজি-কালি মূৰ ঘমোৱাৰ প্ৰয়োজন নাই। পত্নীৰ মৰমহে আচল বস্তু।"

"মোৰ মনে খাইছিল। পিছে..."

"তেনেহ'লে মই কথাটো উলিয়াওঁ নেকি? ভিতৰি ভিতৰি তাইৰো মন আছে যেন পাওঁ।"

"যদি তাইৰ গিৰিয়েকে বিচাৰি আহে?"

"নাহে, নাহে। আহিলেওনো কি কৰিব? সি এৰিদিয়া ঘৈণীহে। আহিলেই যেনিবা, 'জাৰী'ৰ প্ৰথাতো আছে।"

তাৰ পাছত এদিন নন্দলাল ককাই দুয়োকে মহাদেৱ থানলৈ নি ভগৱানক সাক্ষী ৰাখি বিয়াখন পাতি দিলে। দুটি প্ৰাণ এটি হৈ পৰিল। গণেশ মানৰ নীৰস জীৱনলৈ মাইলী নেৱাৰ্নীয়ে বসন্তৰ জোৱাৰ আনি দিলে। নৱ বসন্তৰ জোৱাৰ।

কিন্তু.... কিন্তু এদিন হঠাৎ কিবা কিবিখন হৈ গ'ল। দুয়োৰে এক হৈ পৰা মনত আঁচোৰ পৰিল। সৃষ্টি হ'ল এটা ডাঙৰ গহ্বৰৰ। চিলঙৰ ঠাণ্ডা বতাহে শীতল কৰা এটা সুন্দৰ আবেলি ক'ৰবাৰ পৰা আহি ৰ সোমাওঁতে তাৰ পত্নীক এজন শিখ পাঞ্জাবীৰ লগত একান্তভাবে কথা পাতি থকা ধৰা পেলালে। গণেশমানক দেখাৰ লগে লগে সেই পাগুৰি মৰা পাঞ্জাবীজন বাহিৰ ওলাল। নিজৰ পত্নীৰ মুখৰ বৰণ ঘনে নে সলনি হোৱা সি দেখিবলৈ পালে। পেঘেনিয়াই পেঘেনিয়াই সোধাতো তাই 'আগৰে পৰাই চিনাকি'- এই কথাষাৰৰ বাহিৰে আৰু এটা শব্দও উচ্চাৰণ নকৰিলে। গণেশমানৰ সন্দেহ ঘণীভূত হ'ল।

নন্দলালৰ ঘৰৰ পৰা সি গম পালে যে সেই পাঞ্জাবীজন আগতেও দুই তিনিবাৰ আহিছিল। তাৰ পত্নীয়ে মানুহজনৰ লগত প্ৰায় ফুচফুচোৱাৰ দৰেই কথা পাতে হেনো। তাই তাৰ আগত কন্দাও দুই এবাৰ সিহঁতে শুনিছে। অৱশ্যে কি কথা পাতে সেয়া তেওঁলোকে গম পোৱা নাই। মাইলীয়েও সেই সম্পৰ্কে কাকো একো কোৱা নাই।

তাৰ সন্দেহ গাঢ়তৰ হ'ল আৰু গভীৰ হৈ গ'ল তেওঁলোকৰ মাজৰ গহ্বৰটো। ঠিক সেই সময়তেই ক'হিমাৰ পৰা অহা মানুহ এজনৰ পৰা সি গম পালে- তাৰ পত্নীক ক'হিমাৰ পাঞ্জাবী এজনে দুই-চাৰি মাহ মানেই ৰাখিছিল হেনো। মানুহজনৰ পৰা তাই পলাই সাৰে। তাই ইয়াত আছে বুলি মনুহজনে এতিয়াহে গম পাইছে। সেই পাঞ্জাবীজনে তাইক কেইবাদিনো বিচাৰিছিল বুলিও সি জানে।.

গণেশমান সহজ-সৰল মানুহ। মানুহৰ একাবেকা কথাবোৰ সি বুজি নাপায়। নিজৰ পত্নীৰ চৰিত্ৰৰ কলঙ্ক সি সহ্য কৰিব নোৱাৰিলে। যিমানেই তাইৰ বিষয়ে ভাবে সিমানেই তাইক ত্যাগ কৰাৰ সংকল্প দৃঢ় হৈ গৈ থাকিল আৰু এদিন সি কৈ দিলে, "বেশ্যা তই। তই নিজৰ

শৰীৰ বেচিছ। তোৰ মনো বিক্ৰী হৈছে। তই মোক প্ৰতাৰণা কৰিলি। এতিয়াৰ পৰা তোৰ লগত মোৰ কোনো সম্পৰ্ক নাই।"

মাইলী নেৱাৰ্নী উচপ খাই উঠিল। কাতৰভাৱে তাই ক'লে- "শুনা আৰু দেখা কথাবোৰ কেতিয়াবা সত্য নহ'বও পাৰে। বহু সময়ত কাণ আৰু চকুও প্ৰতাৰিত হয়। মই মোৰ কথা কওঁ শুনকচোন.."

"এতিয়া কোৱাৰতো সময় নায়েই, শুনাৰো নাই। আমাৰ মাজত কিবা সম্বন্ধ হোৱাৰ আগতেই তই এইবোৰ ক'ব লাগিছিল। সতীত্ব বোলা তোৰ কোনো বস্তুৱেই নাই। তোৰ অভিসন্ধি ইতিমধ্যে ধৰা পৰিছে। বিশ্বাসৰ মাজতেই টিকি থাকে পতি-পত্নীৰ মাজৰ সম্বন্ধ। কিন্তু তই তাৰ আৰম্ভই কৰিলি মিছা কথাৰে, কপট মনেৰে। তোৰ ওপৰত মোৰ অকণো বিশ্বাস নাই।"- কোবাকুবিকৈ গণেশমান ওলাই গ'ল। বেংকলৈ গৈ লগে লগে পদত্যাগ পত্ৰ দাখিল কৰিলে আৰু বাহিৰে বাহিৰে টাটা নগৰলৈ গতি কৰিলে। তাত তাৰ বন্ধু এজন আছিল।

কিন্তু এই দহ বছৰত সি অলপো শান্তি পাইছেনে? মাইলীক ত্যাগ কৰিও সি তাইক ত্যাগ কৰিব পাৰিছেনে? মনৰ পৰা সম্পূৰ্ণভাৱে মচিও এৰিছে নে তাইক মৰম কৰিবলৈ? তাইৰ ছল কপটৰ কথা ভাবোতে এফালেদি সি জ্বলিপকি উঠে আনফালেদি আকৌ তাইৰ মধুৰ স্মৃতিবোৰে তাক অতিকৈ বিহ্বল কৰি পেলায়। অন্তৰত এটি যন্ত্ৰণা অনুভৱ কৰে।

প্ৰায় দুপৰ নিশাই হ'ল। সি ঘড়ীৰ ফালে দৃষ্টি দিলে। সৰু কাঁটাডাল বাৰ আৰু একৰ মাজত আৰু ডাঙৰ কাঁটাডাল সাতত আছে। বাহিৰত এপাক ঘূৰি আহি সি আগৰ বেঞ্চখনতে বহি পৰিল। মাইলীয়ে লিখা চিঠিখনৰ কথা মনত পৰিল তাৰ। দিনত এনেয়ে চকু ফুৰোৱা চিঠিখন জেপৰ পৰা উলিয়াই চাকিৰ পোহৰত লাহে লাহে পঢ়াৰ চেষ্টা কৰিবলৈ ধৰিলে।

শ্ৰদ্ধেয় স্বামীদেৱ,

আন্তৰিক শ্ৰদ্ধা আৰু প্ৰণাম জনাইছো। বহু বছৰৰ মূৰত আজি পুত্ৰৰ লগত পত্ৰখন পঠিয়াইছোঁ। আপোনাৰ ঠিকনা কেইবছৰমান আগতেই পোৱা স্বত্তেও ইয়াৰ আগতে কোনো পত্ৰ লিখা নাছিলো। কাৰণ, মাকৰ কোলা এৰুৱাব পৰা অৱস্থা তেতিয়াও ল'ৰাটোৰ হোৱা নাছিল। এজনী পৰিত্যক্তা নাৰী হিচাবে মোৰ খবৰ আপোনাক জনোৱাৰ তেতিয়া প্ৰয়োজনো নাছিল।

কিন্তু আজি বিনোদে দহ বছৰত ভৰি দিছে। এগৰাকী মাতৃৰ মৰম শুশ্ৰূষা, স্নেহ সকলোবোৰেই মই তাক দিছো। এতিয়া তাৰ প্ৰয়োজন হৈছে দেউতাকৰ ছত্ৰছায়াৰ। উপযুক্ত শিক্ষাৰে যোগ্য কৰি জীৱনৰ বাবে প্ৰস্তুত কৰি পেলোৱাটো দেউতাকৰ দায়িত্ব আৰু কৰ্ত্তব্যৰ ভিতৰত পৰে বুলি মই ভাবো। পুত্ৰই পিতৃৰ নামেৰে চিনাকি দিবই লাগিব। সেইবাবেই বিনোদক আপোনাৰ কাষলৈ পঠিয়াইছোঁ।

বিনোদ আপোনাৰ পুত্ৰ নহয় বুলি সন্দেহ কৰাৰ আৱশ্যকতা নাই। আপুনি মোক ত্যাগ কৰি যাওঁতে গৰ্ভৱতী আছিলো। সেই সময়ত মই মনে মনে অনুমানহে কৰিছিলো। মই হ'ব পাৰোঁ পতিতা কিন্তু সন্তানটোত আপোনাৰেই তেজ আছে। সি পতিত হ'ব নোৱাৰে। আপোনাৰ স'তে সম্বন্ধ স্থাপন হোৱাৰ আগতে পৰিস্থিতিয়ে মোক কলংকিত হ'বলৈ বাধ্য কৰাইছিল। আপোনাৰ আগত সত্যবোৰ প্ৰকাশ নকৰাটোৱেই মোৰ জীৱনৰ ডাঙৰ ভুল আছিল যাৰ প্ৰায়শ্চিত্ত দহ বছৰৰ আগৰ পৰাই কৰি আছো আৰু গোটেই জীৱন কৰিব লাগিব। বহুবাৰ প্ৰকাশ কৰিম বুলি বুকুত সাহো বান্ধিলো, কিন্তু বৰ ভয় লাগিল- জানোচা আপোনাৰ মৰমৰ পৰা বঞ্চিত হওঁ! কিন্তু... অৱশেষত সেয়াই হ'ল যাৰ বাবে মই ভয় খাইছিলো।

মণিপুৰৰ কালাপাহাৰ নিবাসী এগৰাকী সামান্য গোপালকৰ ছোৱালী মই। অতি সৰুতে মাতৃৰ মৃত্যু হোৱাত মাহীআইৰ শাসনে মোক ব্যতিব্যস্ত কৰিছিল। মাহী আইৰ নিজৰ ল'ৰা-ছোৱালী হোৱাৰ পাছত মোক দেখিব নোৱাৰাটো স্বাভাৱিক। গতিকে যোল্ল বছৰ বয়সতে কহিমাৰ পুলিচ চিপাহী এজনৰ লগত মোক বিয়া দিয়া হ'ল। বিয়া হ'ল কিন্তু তেওঁৰ লগত কোনো ধৰণৰ সহবাস মোৰ নহ'ল।

কইনাক মাকৰ ঘৰলৈ নিয়াৰ পাছত মোৰ পতি বোলোতাজনে মোৰ খবৰেই নকৰিলে। দিন বাগৰিল। বছৰো। মাহী আইৰ অত্যাচাৰো বাঢ়ি আহিল। শিৰত এবাৰ সেন্দুৰ পৰা নাৰীৰ স্বাভিমানো বাঢ়ি আহে হেনো। মাৰ ঘৰত পোৱা অৱহেলা মোৰ স্বাভিমানে সহ্য কৰিব নোৱাৰিলে। ভাবিলো- স্বামীয়ে খবৰ নকৰিলেও মই নিজেই তেওঁৰ ঘৰ ওলামগৈ। নিজৰ স্বামীৰ ঘৰলৈ যোৱাত আপত্তি কিহৰ?

আৰু এদিন পুৱাই ক'হিমা অভিমুখী গাড়ীত উঠিলো। ক'হিমাত নামি স্বামীৰ ঘৰ বিচাৰিলো। কিন্তু তেওঁ হেনো মোকক্চাঙলৈ বদলি হৈ গুছি গ'ল। আটাইতকৈ মৰ্মাহত হ'লো- তেওঁ এজনী নগা ছোৱালী ৰাখিছে বুলি শুনি। এতিয়া মই কি কৰোঁ? ঘূৰিতো যাব লাগিব। বাচ ষ্টেচনত ক'লে - মণিপুৰলৈ যোৱা গাড়ী কেতিয়াবাতে গুছি গ'ল। এনেয়ে মনটো বেয়া লাগি আছিল

তাতে উভতি যাবলৈকো উপায় নাই। দোধোৰ-মোধোৰত পৰি থকা অৱস্থাত ওচৰতে জীপগাড়ী এখন লৈ ৰৈ থকা শিখ পাঞ্জাবী এজনে ক'লে - "মই মণিপুৰলৈকে যাম ব'লা; মই থৈ আহিম।" জীপত উঠাৰ বাহিৰে মোৰ কোনো বিকল্প নাছিল। বহিলো। শিখজনৰ লগত মণিপুৰী মানুহ দুজনো আছিল।

মণিপুৰ আৰু কহিমাৰ মাজৰ মাৰ বোলা ঠাইডোখৰ পাওঁতে ৰাতি বহুত হৈছিল। লগৰ মানুহ দুজনো তাতেই নামিল। পাঞ্জাবী জনে মাৰতেই কাম কৰিছিল। নিজৰ ঘৰত জীপখন ৰখাই সি ক'লে- "বহু ৰাতি হ'ল, ৰাস্তাও বেয়া। ৰাতিটো ইয়াতে যেনেতেনে কটোৱা। কালিলৈ পুৱাই যামগৈ।"

বিশ্বাস কৰাৰ বাহিৰে মোৰনো কি উপায় আছিল? মনৰ সন্ত্ৰাসক বিশ্বাসেৰে হেঁচি দিলো। কিন্তু এনে অৱস্থাত পৰা কেইজনী নাৰীৰ বিশ্বাস সফল হৈছে? মোৰ ওপৰতো বিশ্বাসঘাটকতা হ'ল। সেই পাঞ্জাবীজনে মোৰ কৌমাৰ্য্য ভংগ কৰিলে। মোৰ ওপৰত সেই ৰাতিয়েই বলৎকাৰ চলিল মোৰ জীৱন কলংকিত হ'ল।

পিছদিনাখন মৰমেৰে সি পত্নীৰ মৰ্যদা প্ৰদান কৰাৰ আশ্বাস মোক দিলে। ময়ো বিধিৰ লিখন বুলি নিজকে বৰ্তমানত অৰ্পণ কৰি দিলো। খোৱা লোৱাত কষ্ট মোৰ নাছিল। বৰ মৰম কৰিছিল পাঞ্জাবীজনে।

কিন্তু, মৰমতকৈ বাসনাহে বেছিকৈ আছিল তাৰ। তাক মনৰ নহয়, শৰীৰহে প্ৰয়োজন হৈছিল বেছিকৈ। কামনা বাসনাৰ পৰা সি কেতিয়াও তৃপ্ত নহৈছিল। দিনত সি সুস্থিৰ হৈছিল যদিও ৰাতি তাৰ চেতনাক মদৰ বটলত ভৰাই সাঁফৰ মাৰি থৈছিল।

জীৱনটোক কঢ়িয়াব নোৱাৰা বোজা যেন লাগিছিল মোৰ। বৰ বিমৰ্ষ হৈ পৰিছিলো তেতিয়া। নৰককুণ্ডটোৰ পৰা ওলোৱাৰ বাট বিচাৰি ফুৰিবলৈ ধৰিলো মই। এদিন পাঞ্জাবীজন নথকাৰ সুযোগ লৈ ডিমাপুৰলৈ যোৱা গাড়ীত উঠি দিলো। সন্ধিয়া ডিমাপুৰৰ পৰা গাড়ীত উঠি পুৱা গুৱাহাটীত নামিলো।

চিলঙৰ ঝালুপাড়াত মোৰ সম্বন্ধীয় খুড়া-খুড়ী থাকে মই জানিছিলো। খুড়া বহুবাৰ মণিপুৰ গৈছিল। সেয়ে মই চিলঙৰ ফালে আগবাঢ়িলো।

খুড়াক লগ পোৱাৰ পাছত মই খুড়াৰ ঘৰতে আশ্ৰয় পালো। কিন্তু তেওঁৰ উপাৰ্জন কম, পৰিয়াল ডাঙৰ, সদায় তেওঁলোকৰ বোজা হৈ থাকিবলৈ মোৰ ভাল নালাগিল। এগৰাকী শুভ চিন্তকৰ পৰামৰ্শ মতে পান দোকান পাতিলো। মোৰ ভাতমুঠিৰ যোগাৰ হ'ল। তাৰ পাছৰ কথাবোৰ আপুনি জানেই।

মোৰ কলংকিত জীৱনৰ কাহিনী চিলঙত কাকো নক'লো। বন্ধ ডায়েৰীৰ পাত পুনৰ খোলাৰ ইচ্ছা মোৰ নাছিল। ইয়াৰ আৱশ্যকতাও নাছিল। এবাৰ সেই পাঞ্জাবীজনে মোক বিচাৰি বিচাৰি চিলঙো পাইছিলহি. দুই তিনিবাৰ ক্ৰমতে আহি মোক লগ ধৰিলে। সেই তেতিয়াই এবাৰ আপোনাৰ চকুত পৰিল। সি মোক ঘূৰাই নিবলৈ আহিছিল। এটা সুখী জীৱনৰ সপোন মোক দেখুৱাইছিল। কিন্তু মই মোৰ নতুন জীৱনত বাধা নিদিবলৈ আৰু মোৰ পৰা আঁতৰি দিবলৈ তাক বাৰম্বাৰ অনুৰোধ জনাইছিলো। আপুনি মোক এৰি থৈ যোৱাৰ পাছতো সি আহিছিল। তাক দেখাৰ লগে লগে মোৰ গাত কালী গোঁসানী উঠিল; মই খুকুৰী লৈ তাক খেদি গলো। সি পলাল। আৰু আজিলৈকে মই তাৰ ছাঁ পৰ্যন্ত দেখা নাই।

এই কথা সঁচা যে আপোনাৰ জীৱনলৈ অহাৰ আগতেই মই পথচ্যুত হ'লো। মোৰ শৰীৰ বাঁহী আছিল। কিন্তু আপুনিওতো মোক কুমাৰী ছোৱালী বলি গ্ৰহণ কৰা নাছিল নিশ্চয়। মই কাৰোবাৰ পৰিণীতা আছিলো বুলি আপুনিওতো জানিছিল। পাৰ্থক্য মাথো ইমানেই যে, মোৰ পতিৰ দ্বাৰা সতীত্ব হনন নহ'ল, হ'ল বেলেগ এজন ডকাইতৰ দ্বাৰা, সেয়াও বলপূৰ্বকভাবে।

মই আবো-নাৰীৰ সতীত্ব নিজৰ মনত থাকে। বেশ্যায়ো নিজৰ মন সেইজনকহে অৰ্পণ কৰে যিজনক তাই অন্তৰেৰে ভাল পায়। আপোনাৰ লগত সম্পৰ্ক হোৱাৰ পাছৰে পৰা মোৰ মন আৰু তন আপোনাতেই সমৰ্পিত হৈছে আৰু পৰিস্থিতিয়ে বাধ্য নকৰোৱা পৰ্যন্ত হৈয়েই থাকিব।

